**3. संघर्षात्मक पद्धति**

**4. संरचनात्मक-प्रकार्यात्मक पद्धति**

**5. प्रतीकात्मक अँत:क्रियावाद पद्धति**

ऐतिहासिक पद्धति को कुछ विद्वान उद्विकासीय दृष्टिकोण भी कहते हैं। इसमें सामान्यत: उत्पति तथा विकास संबंधी अध्ययन किए जाते हैं। ऐतिहासिक पद्धति के अंतर्गत तथ्यों को एकत्रित किया जाता है, जिनमें प्रलेख, शिलालेख, और संग्रहालयों में उपलब्ध सामग्री शामिल रहती है। इन्हीं तथ्यों के माध्यम से तत्कालीन समाज की घटनाओं के बारे में विश्वसनीय जानकारी प्राप्त की जाती है अर्थात अतीत के माध्यम से समकालीन सामाजिक संरचना को समझा जा सकता है। ऐतिहासिक तथ्यों तथा घटनाओं को आधार बना, आधुनिक समाज को समझना सरल हो जाता है। ऐतिहासिक पद्धति के द्वारा अतीत के अध्ययन से ही हम यह जान पाते हैं कि वर्तमान समय में हमारे जो सामाजिक संबंध हैं वह मूल रूप से किन संबंधों तथा मूल्यों पर आधारित हैं। इस पद्धति के अंर्तगत किसी विशेष घटना या सामाजिक संस्था का प्रादुर्भाव किन किन परिस्थितियों में हुआ, उसमें समय के साथ कौन-कौन से परिवर्तन हुए और क्यों ? और समाज उनसे कैसे और कहाँ तक प्रभावित हुआ आदि का परीक्षण किया जाता है। उदाहरणस्वरूप जाति-व्यवस्था का अध्ययन इस दृष्टिकोण के अंतर्गत तर्कपूर्ण ढंग से समझा जा सकता है। ऑगस्ट कॉम्टे, स्पेंसर, कार्ल मार्क्स, सोरोकिन आदि ने समाजशास्त्र की इस पद्धति का प्रयोग अपनी पुस्तकों में किया है।

तुलनात्मक पद्धति का प्रयोग मुख्यत: विकासवादी समाजशास्त्रियों ने किया। सर्वप्रथम एमिल डर्कहाइम ने इस पद्धति का प्रयोग करते हुए घटनाओं में निहित संबंधों तथा उनके कारणों पर विचार करते हुए 'आत्महत्या का सिद्धांत' दिया, जिसमें उन्होंने पाया कि आत्महत्या करने वालों की संख्या यूरोपीय देशों में एक समान नहीं है, जिसका मूल कारण है कि जिस देश में व्यक्ति जितना मानव समुदाय से दूर होता जाता है, उतना ही वह अकेला पड़ता जाता है और उतनी ही अधिक आत्महत्या करने वालों की संख्या बढ़ती जाती है। तुलनात्मक पद्धति में दो परिस्थितियों, सामाजिक घटनाओं, दो देशों, दो जनजातियों में समानता या भिन्नता का भिन्न-भिन्न परिस्थितियों में विश्लेषण किया जाता है। जैसे भारत की किसी अन्य विकसित देश से तुलना, ग्रामीण-शहरी जीवन की तुलना, आदिवासी समाज तथा वहां के सभ्य समाज की तुलना आदि इस पद्धति के कार्य क्षेत्र हैं। इसी तरह साहित्य में समान-असमान प्रवृत्तियों के आधार पर साहित्य में चित्रित समाज और वर्तमान समाज को समझने का प्रयास किया जाता है।

संघर्षात्मक पद्धति के प्रवर्तक कार्ल मार्क्स हैं। उन्होंने इस पद्धति का प्रयोग समाज के भिन्न-भिन्न वर्गों में पाए जाने वाले तनाव और संघर्ष के अध्ययन के लिए किया। आधुनिक समाज अपने स्वार्थी स्वभाव के चलते तनाव और संघर्ष से आक्रांत रहता है और इसका मूल कारण है-सामाजिक परिवर्तन, जिसके चलते शक्तिशाली समूह यानी उच्च वर्ग अपनी इच्छाओं को निम्न वर्ग पर थोपकर उन पर शासन करते हैं, इसलिए यह परिवर्तन कुछ लोगों के लिए लाभकारी तथा अन्य वर्ग ज्यादातर गरीबों के लिए सजा के रूप में होते हैं। इस पद्धति में संघर्षात्मक परिस्थितियों (शोषित और शोषक) को सामाजिक व्यवस्था के केंद्रीय तत्व के रूप में देखा जाता है। ये संघर्षमूलक परिस्थितियाँ शांति से लेकर हिंसात्मक घटनाओं तक किसी

भी रूप में हो सकती हैं। प्राय: मार्क्सवादी पद्धति का प्रयोग बृहत समाज के अध्ययन हेतु किया जाता है।

संरचनात्मक प्रकार्यात्मक पद्धति के अंतर्गत समाज की संरचना तथा कार्यों का अध्ययन किया जाता है। इस दृष्टिकोण के तहत समाज की कल्पना एक ऐसे तंत्र के रूप में की जाती है, जिसमें किसी इकाई के सभी अंग आपस में संबंधित हों, क्योंकि किसी एक अंग में परिवर्तन होने से संपूर्ण तंत्र प्रभावित होता है। इस पद्धति के अंतर्गत समाज के सभी अवयव (व्यक्ति, परिवार, धर्म, वर्ग, जाति) आपस में कैसे संबंधित हैं और समाज के विकास तथा उसके अस्तित्व को बनाए रखने में क्या भूमिका निभा रहे हैं, का अध्ययन किया जाता है। इसमें कार्य प्रक्रिया की बजाय परिणामों पर ध्यान केंद्रित किया जाता है। स्पेंसर, दुर्खीम, मर्टन, पारसंस समर्थकों के नाम इस पद्धति से जुड़े हैं।

प्रतीकात्मक अंत:क्रियावाद के प्रवर्तक जॉर्ज हरबर्ट मीड हैं। इस उपागम के अंतर्गत समाज की अपेक्षा व्यक्ति की सृजनात्मकता एवं सक्रियता पर अधिक बल देता है। प्रतीकात्मक अंत:क्रियावाद उपागम का संबंध भाषा से है। व्यक्ति या समूह के बीच जो अंत:क्रिया होती है उसे प्रतीकों के माध्यम से ही समझा जा सकता है। प्रतीकवादियों का मानना है कि प्रतीकों के अभाव में न ही व्यक्ति समाज का हिस्सा बन सकता है और न ही व्यक्तियों के बीच अंत:क्रिया स्थापित हो सकती है। प्रतीकों के प्रयोग को समान रूप से सभी स्वीकारते हैं। बाल्यकाल से ही बच्चा समाज की विभिन्न क्रियाओं को ग्रहण करता है और धीरे-धीरे उस सामाजिक व्यवस्था का हिस्सा बनता जाता है। भाषा, नृत्य, चित्रकला, शारीरिक चेष्टाएँ आदि प्रतीकों के माध्यम से व्यक्ति और समाज मे अंत:क्रियाएँ स्थापित की जाती हैं। उदाहरणस्वरूप भारत में पुरुष और स्त्री आपस में हाथ न मिलाकर, नमस्कार करते हैं, जो भारतीय संस्कृति का प्रतीक है। अत: यह दृष्टिकोण मनुष्य के व्यवहार का गहराई से अध्ययन करने में सहायक है।

निष्कर्षत: कहा जा सकता है कि समाजशास्त्र मूलत: समाज का अध्ययन अर्थात मानवीय क्रियाओं, उनके अंत:संबंधों, समस्याओं एवं परिणामों का अध्ययन है। समाज के सभी पक्षों का अध्ययन, उनमें निहित आपसी संबंधों तथा उनसे उत्पन्न समस्याओं तथा अन्य परिणामों का व्यवस्थित रूप से अध्ययन करना ही समाजशास्त्र का मुख्य ध्येय है। इसके साथ ही समाजशास्त्र के अंतर्गत साहित्य का अध्ययन भी किया जाता है। साहित्य का संबंध भी उन्हीं सामाजिक संरचनाओं से है, जिनका वास्ता समाजशास्त्र से है। वर्तमान समय में साहित्य का समाजशास्त्र एक स्वतंत्र विधा के रूप में विकसित हो रहा है। इसके अंतर्गत साहित्य की सृजन-प्रक्रिया, वर्णित सामाजिक संदर्भ, सामाजिक संरचना, सामाजिक परिवर्तन तथा मौजूद विसंगतियों का यथार्थपरक अध्ययन किया जाता है। साहित्य के समाजशास्त्रीय अध्ययन में रचना के प्रत्येक स्तर में निहित सामाजिकता की व्याख्या संभव है। अत: कहा जा सकता है कि साहित्य का समाजशास्त्र मात्र साहित्य की कलात्मक अभिव्यक्ति न होकर समाज का गहन विवेचन है। ❑

**संदर्भ ग्रंथ सूची :**

1. मानक हिंदी कोश, सं. रामचंद्र वर्मा, पृ. 284
2. समाजशास्त्र, राजेश्वर प्रसाद अर्गल पृ. 20
3. समाजशास्त्र, डॉ. गोपाल कृष्ण अग्रवाल, पृ. 40
4. प्रेमचंद साहित्य का समाजशास्त्रीय अध्ययन, डॉ. निर्मला शर्मा, पृ. 17
5. समाजशास्त्र विवेचना एवं परिप्रेक्ष्य, राम आहूजा, मुकेश आहूजा, पृ. 01
6. समाजशास्त्र, डॉ. गोपाल कृष्ण अग्रवाल, पृ.15
7. बीसवीं शताब्दी के हिंदी नाटकों का समाजशास्त्रीय अध्ययन, पृ. 03
8. साहित्य और समाजशास्त्रीय दृष्टि, मैनेजर पांडेय, पृ. 98
9. साहित्य और समाजशास्त्रीय दृष्टि, मैनेजर पांडेय, पृ. 29
10. इतिहास एवं आलोचना, नामवर सिंह, पृ. 46
11. साहित्य और समाजशास्त्रीय दृष्टि, मैनेजर पांडेय, पृ. 73

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# কীৰ্ত্তন-ঘোষাৰ 'প্ৰহ্লাদ চৰিত্ৰ'ত ভক্তিবাদ ঃ এটি বিশ্লেষণ



ড° স্বপ্নালী দাস

সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ, কটন বিশ্ববিদ্যালয়
গুৱাহাটী, অসম-৭৮১০০১
৯৩৬৫৫৭০৬৪০
swapnalidasghy@gmail.com

**অৱতৰণিকা ঃ**

পঞ্চদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষ জুৰি সংঘটিত হোৱা ভক্তি আন্দোলনৰ ইতিহাসত মহাপুৰুষ শংকৰদেৱৰ নাম একক আৰু অনন্য। সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ গুৰি ধৰোঁতা সন্ত-সাধকসকলৰ সতীৰ্থ হোৱা স্বত্বেও মহাপুৰুষ শংকৰদেৱৰ ভক্তিমত আন সকলো প্ৰদেশৰ ভক্তিমতৰ পৰা পৃথক। শংকৰদেৱ প্ৰচাৰিত ভক্তিধৰ্ম বিশেষ কোনো বাদ মতবাদৰ আধাৰত প্ৰতিষ্ঠিত নহয়। বিশিষ্ট দ্বৈতবাদ, দ্বৈতবাদ, দ্বৈতাদ্বৈতবাদ, অদ্বৈতবাদ আদি ভাৰতবৰ্ষৰ বৈষ্ণৱ সন্তসকলে প্ৰচাৰ কৰা এই মতবাদসমূহৰ প্ৰত্যক্ষ প্ৰভাৱ মহাপুৰুষ শংকৰদেৱৰ ধৰ্মত দেখা পোৱা নাযায়। শংকৰদেৱৰ ভক্তিমতত শ্ৰীমদ্ভাগৱদগীতাৰ এক শৰণৰ আদৰ্শ সুৰক্ষিত হৈ আছে। তেওঁৰ মতে কৃষ্ণই হ'ল একমাত্ৰ ভজনীয় দেৱতা। ৰামানুজাচাৰ্য, ৰামানন্দ, তুলসী দাস, বল্লভাচাৰ্য, চৈতন্যদেৱ আদি সন্তসকলৰ দৰে তেওঁৰ মতত যুগল উপাসনাৰ স্থান নাই। সেয়েহে এই ধৰ্মক 'একশৰণ নামধৰ্ম' নামেৰে জনা যায়।

মহাপুৰুষ শংকৰদেৱে বেদান্ত সূত্ৰৰ কোনো ভাষ্য ৰচনা কৰা নাছিল যদিও ভাগৱত পুৰাণখনকেই বেদান্ত ভাষ্যৰ সমকক্ষ বুলিব পাৰি। কিয়নো 'সৰ্ববেদান্ত সাৰংহি ভাগৱৎ মিষ্যতে'— অৰ্থাৎ সকলো বেদান্তৰ সাৰভাগ ভাগৱতত নিহিত হৈ আছে। শ্ৰীমদ্ভাগৱত আৰু শ্ৰীমদ্ভাগৱদ্গীতাৰ আধাৰতেই মহাপুৰুষ শংকৰদেৱৰ ধৰ্ম মতবাদ প্ৰতিষ্ঠিত। কৃষ্ণ ভক্তিৰ প্ৰচাৰ প্ৰসাৰ কৰাই তেওঁৰ সমগ্ৰ সৃষ্টিৰ উদ্দেশ্য আছিল। সাহিত্যৰাজিৰ মাজেৰেও তেওঁ ভক্তিৰ বীজ জনমানসত ৰোপণ কৰাৰ প্ৰচেষ্টা কৰিছিল। কীৰ্ত্তন-ঘোষাক মহাপুৰুষ শংকৰদেৱৰ অক্ষয় কীৰ্তি বুলিব পাৰি। তেওঁৰ ভক্তিবাদী চিন্তাৰ মুখ্যতম বাহক হ'ল 'কীৰ্ত্তন-ঘোষা'। ভক্তধৰ্ম প্ৰচাৰৰ নিমিত্তে কীৰ্ত্তনক ধৰ্মৰ ধ্বজা কৰি লৈ তেওঁ কৃষ্ণ ভক্তিৰ সোঁত বোৱাই অসমীয়া মানুহৰ ধৰ্মৰ ভেটি নিৰ্মাণ কৰিলে। সেইফালৰ পৰা 'কীৰ্ত্তন-ঘোষা'ক শংকৰদেৱৰ জীৱনৰ শ্ৰেষ্ঠ কীৰ্তি বুলি দ্বিধাহীনভাৱে ক'ব পাৰি। 'কীৰ্ত্তন-ঘোষা'ত মুঠ সাতাইশটা আখ্যান-উপাখ্যান সন্নিবিষ্ট হৈ আছে। মহাপুৰুষজনাই ভাগৱৎ, পদ্ম পুৰাণ, ব্ৰহ্ম পুৰাণ, বৃহৎ নাৰদীয় পুৰাণ, সূতসংহিতা, স্কন্দ পুৰাণ আদি শাস্ত্ৰসমূহৰ পৰা বিশেষ কিছুমান আখ্যান-উপাখ্যান নিৰ্বাচন কৰি অসমীয়ালৈ ৰূপান্তৰ কৰিছে। একশৰণ নামধৰ্মৰ তত্ত্ব কথাৰ লগত সম্পৰ্ক থকা বিশেষ কাহিনীসমূহৰকহে তেওঁ 'কীৰ্ত্তন' পুথিত স্থান দিছে। 'কীৰ্ত্তন-ঘোষা'ৰ আখ্যান উপাখ্যানসমূহৰ মূল বক্তব্য বিষয় হ'ল ভক্তিবাদ। এই ভক্তিবাদী চিন্তাৰ সোঁত 'কীৰ্ত্তন-ঘোষা'ৰ বিভিন্ন আখ্যান-উপাখ্যানৰ মাজেৰে প্ৰৱাহিত হৈ আছে। 'কীৰ্ত্তন-ঘোষা'ৰ এটা উল্লেখযোগ্য উপাখ্যান হ'ল 'প্ৰহ্লাদ চৰিত্ৰ'। এই উপাখ্যানৰ মাজেৰে ভক্তিবাদ সুন্দৰকৈ

প্ৰকাশিত হৈছে। এই গৱেষণা পত্ৰৰ জৰিয়তে 'প্ৰহ্লাদ চৰিত্ৰ'ত প্ৰকাশিত হোৱা ভক্তিবাদ সম্পৰ্কে আলোচনা কৰা হ'ব।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

মহাপুৰুষ শংকৰদেৱৰ কীৰ্ত্তন-ঘোষাত ভক্তিৰ প্ৰতিপাদ্য আখ্যান উপাখ্যানসমূহ সন্নিৱিষ্ট কৰি মানৰ মনত ভক্তিৰ বীজ ৰোপিত কৰিবলৈ মহাপুৰুষ শংকৰদেৱে যত্ন কৰিছিল। একোটা কাহিনীৰ আলমত ভক্তিবাদৰ প্ৰতিষ্ঠা কৰাৰ লগতে জনগণক ভক্তিধৰ্মৰ প্ৰতি আকৃষ্টও কৰিছিল। কীৰ্ত্তন-ঘোষাৰ অন্তৰ্গত 'প্ৰহ্লাদ চৰিত্ৰ'ৰ মাজত ভক্তিবাদ কেনেদৰে নিহিত হৈ আছে, তাক বিচাৰ কৰাই এই অধ্যয়নৰ উদ্দেশ্য।

**অধ্যয়নৰ পদ্ধতি ঃ**

আলোচনা পত্ৰখন প্ৰস্তুত কৰিবৰ বাবে বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগ কৰা হ'ব। প্ৰয়োজন সাপেক্ষে বিশ্লেষণাত্মক পদ্ধতিৰো সহায় লোৱা হ'ব।

**অধ্যয়নৰ উৎস ঃ**

আলোচনা পত্ৰখন প্ৰস্তুত কৰিবৰ বাবে মুখ্য আৰু গৌণ দুয়োটা উৎসৰ সহায় লোৱা হৈছে। মুখ্য উৎস হিচাপে ভৱজিৎ বায়ন সম্পাদিত 'কীৰ্ত্তন-ঘোষা' গ্ৰন্থখন লোৱা হৈছে আৰু 'কীৰ্ত্তন-ঘোষা' বিষয়ক আলোচনা, লেখা আদিক গৌণ উৎস হিচাপে গ্ৰহণ কৰা হৈছে।

**মূল বিষয় ঃ**

'কীৰ্ত্তন-ঘোষা' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অমৃত হাতৰ পৰশত বিকশিত হোৱা এক অতুলনীয় কীৰ্তি। 'কীৰ্ত্তন-ঘোষা'ক ভক্তিধৰ্মৰ যুগজয়ী দস্তাবেজ আখ্যা দিব পাৰি। মহাপুৰুষজনাৰ চিন্তা, চেতনা, আদৰ্শ, শক্তি, ভক্তি সকলোখিনি 'কীৰ্ত্তন-ঘোষা'তেই বিদ্যমান বুলি ক'ব পাৰি। কৃষ্ণ নামৰ মহিমা, কৃষ্ণভক্তি, সৎসংগৰ মহিমা, নাম অপৰাধ আদি দিশসমূহৰ প্ৰকাশ ঘটাৰ লগতে 'কীৰ্ত্তন-ঘোষা'ত চিত্ত শুদ্ধিৰ দ্বাৰা একান্তভাৱে ভগৱন্তৰ পদমূলত শৰণ লৈ কেনেকৈ মানৱ জীৱন সফল আৰু সাৰ্থক কৰিব পাৰি তাৰো উপায় নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি 'কীৰ্ত্তন-ঘোষা'ত জীৱপ্ৰেম, প্ৰকৃতিপ্ৰীতি, মানৱপ্ৰেম আৰু ভাতৃত্ববোধৰ এখন জাত-পাত বিবৰ্জিত সাম্যবাদী সমাজ প্ৰতিষ্ঠা কৰাৰ আদৰ্শও নিহিত হৈ আছে।

শংকৰদেৱে প্ৰচাৰিত ভক্তিধৰ্মৰ মূল আদৰ্শ আছিল প্ৰেম আৰু ভক্তি। পৰমপুৰুষ ভগৱন্তৰ চৰণত একান্ত ভক্তিৰে আত্মনিবেদন কৰাটোৱেই এজন ভক্তৰ বাবে প্ৰাপ্তি।



শংকৰদেৱৰ সমগ্ৰ সাহিত্য কৰ্মতে ভক্তিৰ মাহাত্ম্যৰ প্ৰকাশ ঘটিছে।

ভক্তি হ'ল এক গভীৰ অনুভৱ। এক মানসিক অৱস্থা। মানসিক অৱস্থাৰো বিভিন্ন স্তৰ আছে। মানসিকভাৱে এক চৰম স্তৰত উপনীত হোৱা জনহে প্ৰকৃত ভক্ত। জীৱই পৰমেশ্বৰৰ স্বৰূপ উপলব্ধি কৰি তেওঁৰ চৰণত নিজকে সমৰ্পণ কৰি সকলো কামনা-বাসনা ভোগ বিলাস, সাংসাৰিক তৃপ্তি তেওঁক অৰ্পণ কৰি অবিৰাম তেওঁৰ গুণ নামেৰে তেওঁৰ সেৱা কৰাকে ভক্তি বোলে। ভক্তি দুই প্ৰকাৰৰ— নিৰ্গুণ আৰু সগুণ। একান্ত শৰণেই নিৰ্গুণ ভক্তি। সগুণ ভক্তি ন প্ৰকাৰৰ— শ্ৰৱণ, কীৰ্ত্তন, অৰ্চ্চন, বন্দন, দাস্য, সখিত্ব, স্মৰণ, পদসেৱন, আৰু আত্মনিবেদন। ভক্তি শব্দটো সংস্কৃতৰ ভজ্ ধাতুৰ লগত ক্তিন্ প্ৰত্যয় যোগ হৈ নিষ্পন্ন হৈছে। ভজ্

ধাতুৰ অৰ্থ হৈছে ভজা, সেৱা কৰা; ঈশ্বৰক ভজা, ঈশ্বৰক সেৱা কৰা। পৰমেশ্বৰৰ প্ৰতি পৰম অনুৰক্তি; পৰম প্ৰেম, ফল প্ৰাপ্তিৰ ইচ্ছা নকৰাকৈ পৰমেশ্বৰক নিৰৱচ্ছিন্নভাৱে ভজনা কৰাকে ভক্তি বুলি কোৱা হয়। 'নাৰদীয় ভক্তিসূত্ৰ'ত ঈশ্বৰৰ প্ৰতি থকা পৰম প্ৰেমকেই ভক্তি বুলি কোৱা হৈছে। 'সা তস্মিন পৰম প্ৰেমৰূপা।।২।। অমৃত ৰূপা চ।। ৩।।'

ঈশ্বৰৰ প্ৰতি পৰম অনুৰক্তিকেই ভক্তি বুলি 'শাণ্ডিল্য ভক্তি শূত্ৰ'ত উল্লেখ কৰিছে — 'সা পৰানুৰক্তিৰীশ্বৰে'।। গতিকে ভক্তি বুলি ক'লে পৰমেশ্বৰ বা ভগৱানৰ চৰণত একান্তচিত্তে কায়মনোবাক্যে আত্মসমৰ্পণ কৰাকে বুজায়।

মহাপুৰুষ শংকৰদেৱৰ সাহিত্যৰাজিৰ মাজেৰে ভক্তিৰ চৰম প্ৰকাশ ঘটিছে। সাহিত্যৰ জগতত একোটি বিশেষ মতবাদ জিলিকি উঠে তেতিয়াহে, যেতিয়া সমসাময়িক সমাজ আৰু পৰিস্থিতিত তাৰ উপযোগিতা তীব্ৰভাৱে অনুভূত হয়। মহাপুৰুষ শংকৰদেৱৰ সময়খিনি আছিল এক ধৰ্মীয় সংকটৰ সময়। ধৰ্মৰ নামত নানান অন্ধবিশ্বাস, কু-সংস্কাৰ, গোড়ামী আদিয়ে সমাজখনক বিভ্ৰান্ত কৰি তুলিছিল। তদুপৰি শাক্ত, শৈৱ বৌদ্ধধৰ্মৰ তান্ত্ৰিক মতবাদ আদি নানা ধৰ্মীয় বিশ্বাস আৰু অন্ধবিশ্বাস সমাজখনৰ আধ্যাত্মিক অন্তৰায় হৈ পৰিছিল। এনে এক জটিল সন্ধিক্ষণত মহাপুৰুষ জনাই ভক্তিৰ প্ৰদীপেৰে সমাজখনলৈ পোহৰৰ বাৰ্তা কঢ়িয়াই আনিছিল। 'এক কৃষ্ণ দেৱ কৰিয়োক সেৱ, ধৰিয়ো তাহান নাম, কৃষ্ণ দাস হুয়া প্ৰসাদ ভুঞ্জিয়া হস্তে কৰা তাম কাম'। বুলি কৃষ্ণ নাম আৰু কৃষ্ণ ভক্তিৰ বিজয় ঘোষণা কৰিছিল তেওঁৰ সমগ্ৰ সাহিত্যৰ মাজত।

ভক্তিবাদ বুলি এই ক্ষেত্ৰত ভক্তি ধৰ্মত প্ৰকাশ পোৱা ভক্তিৰ আদৰ্শ আৰু চিন্তাধাৰাকে বুজোৱা হৈছে। এনে ভক্তিবাদী চিন্তা-চেতনাৰে মহাপুৰুষজনাৰ 'কীৰ্ত্তন-ঘোষা' পুষ্ট হৈ আছে।

**প্ৰহ্লাদ চৰিত্ৰ ঃ**

প্ৰহ্লাদ চৰিত্ৰ 'কাৰ্ত্তন-ঘোষা'ৰ এটি অতি উল্লেখযোগ্য আৰু উত্তম আখ্যান। মহাপুৰুষ শংকৰদেৱে ভাগৱত আধাৰিত কাহিনীভাগক অতি মনোৰমকৈ 'কীৰ্ত্তন-ঘোষা'ত দাঙি ধৰিছে। 'প্ৰহ্লাদ চৰিত্ৰ'ত ভক্তিধৰ্মৰ প্ৰতিপাদ্য বিভিন্ন দিশৰ প্ৰকাশ ঘটিছে। ভক্তৰ লক্ষণ, ভগৱন্তৰ স্বৰূপ, ভগৱন্তৰ ভক্তসকলৰ গুণ, নৱবিধা ভক্তিৰ স্বৰূপ, সৎসংগৰ মহিমা, সংসাৰৰ অনিত্যতা আৰু ভক্তিৰ শ্ৰেষ্ঠতা আদি দিশসমূহ আখ্যানভাগত নিহিত হৈ আছে।

প্ৰহ্লাদ চৰিত্ৰৰ মূল কাহিনীভাগ ভাগৱত পুৰাণৰ তৃতীয় স্কন্ধ (১৫শ আৰু ১৬শ অধ্যায়) আৰু সপ্তম স্কন্ধ (২য়ৰ পৰা ১০ম অধ্যায়)ৰ আধাৰত অৱতাৰণা কৰা হৈছে।

মহাপুৰুষ শংকৰদেৱে ভাগৱতৰ কাহিনীভাগক কিছু সংক্ষিপ্ত কৰি বাইশটা কীৰ্ত্তনেৰে আখ্যানভাগ সামৰিছে। প্ৰহ্লাদ চৰিত্ৰৰ কাহিনীভাগ তিনিটা স্তৰত ভাগ কৰি আলোচনা কৰিব পাৰি।

প্ৰথমতে, ব্ৰহ্মাৰ মানসপুত্ৰ চাৰি সিদ্ধৰ বৈকুণ্ঠ প্ৰৱেশ আৰু জয় বিজয়ৰ দ্বাৰা কৃষ্ণ দৰ্শনত বাধা দিয়াত ক্ৰোধান্বিত হৈ চাৰি সিদ্ধৰ জয় বিজয়ক অসুৰ বংশত জন্মিবলৈ অভিশাপ প্ৰদান আৰু জয় বিজয়ৰ অনুতাপ, চাৰি সিদ্ধৰ বিষ্ণু দৰ্শন, অভিশাপ প্ৰদানৰ বাবে বিষ্ণুৰ চৰণত ক্ষমা ভিক্ষা বিষ্ণুৰ দ্বাৰা আশ্বাস।

দ্বিতীয়তে, জয় বিজয়ৰ কাশ্যপ আৰু দিতিৰ গৰ্ভত হিৰণ্যকশিপু আৰু হিৰণাক্ষৰূপে অসুৰ জন্ম, বৰাহৰূপী ভগৱানৰ হাতত হিৰণাক্ষ্যৰ মৃত্যু, ভাতৃৰ মৃত্যুত মৰ্মাহত হিৰণ্যকশিপু ভাতৃবৈৰী বিষ্ণুৰ নিধনৰ বাবে ব্ৰহ্মাক কঠোৰ তপ আৰু অমৰত্ব লাভ কৰি স্বৰ্গ মৰ্ত্য পাতালত ত্ৰাসৰ সৃষ্টি, দেৱতাসকলে বিষ্ণুক হিৰণ্যকশিপুৰ নিধনৰ বাবে স্তুতি প্ৰাৰ্থনা আৰু বিষ্ণুৰ দেৱতাসকলক নিৰ্ভয় প্ৰদান।

তৃতীয়তে হিৰণ্যকশিপুৰ ঔৰসত মহাভক্ত প্ৰহ্লাদৰ জন্ম আৰু প্ৰহ্লাদ হৰিভক্তি দেখি পিতৃ হিৰণ্যকশিপু ক্ৰোধিত হৈ প্ৰহ্লাদক নানান শাস্তি প্ৰদান আৰু বিফল, শেষত ভক্ত প্ৰহ্লাদক ৰক্ষা কৰবিলৈ ভগৱানৰ নৰসিংহৰূপে আবিৰ্ভাৱ আৰু হিৰণ্যকশিপুক মৃত্যুদণ্ড প্ৰদান। নৰসিংহৰ ক্ৰোধ উপশম কৰিবলৈ দেৱতাসকলৰ যত্ন আৰু অসফল। অন্তত ভক্ত প্ৰহ্লাদৰ স্তুতি প্ৰাৰ্থনাৰে নৰসিংহৰ ক্ৰোধ উপশম আৰু প্ৰ াদক স্নোহাশিষ প্ৰদান কৰি স্তুতিৰত দেৱতাসকলক আশ্বাস দি নৰসিংহ ভগৱানৰ অন্তৰ্ধ্যান আৰু দেৱতাসকলৰ দ্বাৰা প্ৰহ্লাদৰ ৰাজঅভিষেক।

আখ্যানভাগৰ আৰম্ভণিতেই ব্ৰহ্মাৰ মানসপুত্ৰ পাঁচ বছৰীয়া শিশু সদৃশ বস্ত্ৰহীন চাৰিসিদ্ধৰ বৈকুণ্ঠ প্ৰৱেশৰ কথা উল্লেখ কৰি বৈকুণ্ঠ নগৰীৰ এক মনোৰম বৰ্ণনা দাঙি ধৰিছে।

**ভ্ৰমৰ ৰাজে গাৱৈ হৰি গীত**
**যতেক পক্ষী তাতে দেয় চিত্ত।।**
**নকৰে আৰাৰ থাকৈ নিচুকি।**
**কৃষ্ণৰ চৰিত্ৰ শুনৈ উৎসুকি।।**

.......................................

বৈকুণ্ঠ নগৰী নিৰূপম।
নাহি যাত কালৰ বিক্ৰম।।
তাক পায়া ভকতসকলে
মজিল আনন্দ সিন্ধু জলে।।

এনে সুন্দৰ ভগৱানৰ নিবাসস্থান বৈকুণ্ঠপুৰীত প্ৰৱেশ কৰি চাৰি সিদ্ধই হৰি দৰ্শনৰ বাবে জয় বিজয়ক অনুমতি বিচাৰিলে। কিন্তু তেওঁলোক দুয়ো অহংকাৰত মত্ত হৈ চাৰি সিদ্ধক নানা কটু বাক্যৰে অপমানিত কৰি হৰি দৰ্শনত বাধা আৰোপ কৰিলে। চাৰি সিদ্ধই দুখে অপমানে উপায়ন্তৰ হৈ জয় বিজয়ক বৈকুণ্ঠপুৰীৰ পৰা পতন হৈ অসুৰ জন্ম লাভ কৰিবলৈ কঠোৰ শাপ প্ৰদান কৰিলে।

নিৰন্তৰ হৰিভক্তিত নিমজ্জিত হৈ থকা বৈকুণ্ঠপুৰীত সপ্তম দ্বাৰৰ ৰক্ষী জয় আৰু বিজয় চাৰিসিদ্ধৰ দ্বাৰা অভিশপ্ত হৈ অসুৰ জন্ম লাভ কৰাটো আচৰ্যকৰ ঘটনা যেন লাগে যদিও তাত্ত্বিক দিশৰ পৰা চালে দেখা যায় বৈকুণ্ঠপুৰীত থাকিও তেওঁলোকে অহংকাৰ আৰু গৰ্ব ত্যাগ কৰিব পৰা নাছিল; লগতে তেওঁলোকৰ চূড়ান্ত অপৰাধ সংঘটিত হ'ল, যেতিয়া পৰম ভক্ত চাৰিসিদ্ধক তেওঁলোকে অপমান কৰি হৰি দৰ্শনত বাধা আৰোপ কৰিলে। ভক্তবৎসল ভগৱানে কেতিয়াও ভক্তৰ অহংকাৰ সহ্য নকৰে আৰু ভক্ত নিন্দোকজনক কেতিয়াও ক্ষমা নকৰে। সেয়ে জয় বিজয়ৰ পতন ঘটিল। আনহাতে ভগৱানে এইটো আশ্বাস দিলে যে অসুৰ জন্ম লৈ তেওঁলোকে বৈৰীভাৱে ভগৱানক চিন্তা কৰি তেওঁৰ হাতত মৃত্যু হৈ পুনৰ নিজ স্থান লাভ কৰিব।

'কীৰ্ত্তন ঘোষা'ত বৰ্ণিত কাহিনী অনুসৰি কৃষ্ণ দৰ্শন পোৱাৰ পিছত চাৰি সিদ্ধই পৰমানন্দ সুখত নিমজ্জিত হৈছে। এজন ভক্তৰ বাবে ভগৱানক দৰ্শন পোৱাতকৈ পৰম প্ৰাপ্তি একো নাথাকে। কৃষ্ণ দৰ্শনত প্ৰেমাকুল হোৱা চাৰি সিদ্ধৰ স্বৰূপ এনেদৰে দাঙি ধৰা হৈছে—

"প্ৰেমভাৰ উপজি দ্ৰবিল আতি চিত্ত।
হৰিষে লোতক ঝৰৈ তনু ৰোমাঞ্চিত।।
দেখিল কৃষ্ণৰ মুখ শ্যাম পদ্ম-কোশ।
সুন্দৰ অধৰ হাস্যে মিলাৱৈ সন্তোষ।।

ভক্তিধৰ্মত নামৰ অনন্ত মহিমাৰ কথা সজোৰে ঘোষণা কৰা হৈছে। এজন একান্ত ভক্তই সৰ্বক্ষণে কৃষ্ণ নাম স্মৰণ কৰাৰ বাহিৰে আন বাঞ্ছা নকৰে। 'প্ৰহ্লাদ চৰিত্ৰ'ৰ কাহিনীৰ মাজেৰে মহাপুৰুষ শংকৰদেৱে সেই কথাৰ প্ৰকাশ কৰি পৰম ভক্ত চাৰি সিদ্ধৰ মুখেৰে এনেদৰে ব্যক্ত কৰিছে—

তযু গুণ গান যদি কৰ্ণে থাকে ভৰি।
সদায়ে বদনে যেৱে বোলে ৰাম হৰি।।
চৰণকো চিন্তে চিত্তে বিঘ্নিক নগনি।
নাৰকী জন্মক তেৱে আমাৰ বাঞ্ছনী।।

'প্ৰহ্লাদ চৰিত্ৰ'ত একান্ত ভক্তিৰ স্বৰূপ সম্পৰ্কে দাঙি ধৰাৰ লগতে নিষ্কাম ভক্তৰ লক্ষণসমূহো মহাপুৰুষজনাই উল্লেখ কৰিছে। শিশু কালৰ পৰাই কৃষ্ণ ভক্তিত অবিচল প্ৰহ্লাদৰ গাত নিষ্কাম ভক্তৰ লক্ষণসমূহ এনেদৰে প্ৰকট হৈছিল—

প্ৰহ্লাদ বৈষ্ণৱ ভৈলা আতি।
বিষ্ণুক চিন্তন্ত দিনে ৰাতি।।
ইন্দ্ৰিয়ক কৰিয়া নিয়ম।
প্ৰাণীক দেখন্ত আত্মাসম।।
....................................
দুখত উদ্বেগ নাহি চিত্ত।
নাহি স্পৃহা সুখতো কিঞ্চিত।।
....................................
নিত্যান্তে হৰিক কৰে ধ্যান।
হৰি বিনে নেদেখন্ত আন।।
....................................
সদায় কৃষ্ণ গুণ কহে
চিত্তত ধৰিলে কৃষ্ণ-গ্ৰাহে।।

এজন নিষ্কাম ভক্তৰ বাবে কৃষ্ণৰ গুণ নাম মনন-চিন্তন কৰাই একমাত্ৰ উদ্দেশ্য হৈ পৰে। সংসাৰ সুখ ভোগ, লাহ-বিলাহ তেওঁৰ বাবে তুচ্ছ; কেৱল অবিৰতভাৱে হৰিনাম শ্ৰৱণ কীৰ্ত্তন কৰি হৰিৰ ৰূপ হৃদয়ত ধাৰণ কৰাতেই ভক্তৰ পৰম প্ৰাপ্তি। 'প্ৰহ্লাদ চৰিত্ৰ'ৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱে ভক্তি আৰু ভক্তৰ স্বৰূপ অতি স্পষ্টকৈ বৰ্ণনা কৰিছে। এই আখ্যানভাগত ন-বিধা ভক্তিৰ বিষয়েও উল্লেখ কৰিছে।

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ-সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিব দেহ অৰ্পণ।।

ভগৱন্তৰ চৰণত আত্মসমৰ্পণ কৰাৰ পিছত ভক্তৰ সকলো দুখ ক্লেশ, ত্যাগ কষ্ট নাশ হয়। তেনে চৰম স্তৰত উপনিত হোৱা ভক্তৰ বাবে হৰি ভক্তিৰ বাহিৰে আন কৰ্ম একো নাথাকে। মৃত্যু ভয় নাশ হৈ তেওঁ সমস্ত জগতকে হৰিময় দেখে। তেনে ভক্তক ভগৱন্তই সকলো মুহূৰ্ততে ৰক্ষণাবেক্ষণ দিয়ে। নামঘোষাত মাধৱদেৱে কৈছে—

**সহজ কৃপালু গুণক প্ৰকাশি এ।**
**ধৰি আছা হৰি ভকত বৎসল নাম।।**
**ধেনু যেন মতে বৎসক পালয় এ।**
**তুমি সেহিমতে ভকতক পালা ৰাম।।**

ভগৱান ভক্ত বৎসল। এজনী গাই গৰুৱে পোৱালীটোক যেনেদৰে আৱৰি সামৰি লৈ ফুৰে, ঠিক সেইদৰে এজন একান্ত ভক্তৰ দুখ কষ্ট ভগৱানে বিনাশ কৰি ভক্তজনক বিপদমুক্ত কৰি তোলে। 'প্ৰহ্লাদ চৰিত্ৰ'ত ভগৱানৰ ভক্ত বৎসলতা গুণৰ সুন্দৰ প্ৰকাশ ঘটিছে। হিৰণ্যকশিপুৱে পুত্ৰ প্ৰহ্লাদক বিভিন্ন কৌশলেৰে হৰি ভক্তিৰ পৰা আঁতৰাবলৈ চেষ্টা কৰি যেতিয়া বিফল হ'ল; তেতিয়া তেওঁ ক্ৰোধত জ্বলি উঠিল। ক্ৰোধান্বিত হিৰণ্যকশিপুৱে অনুসৰসকলৰ দ্বাৰা প্ৰহ্লাদক নানা কঠোৰ শাস্তি বিহিলে যদিও ভক্তিৰ বলত প্ৰহ্লাদৰ কোনো অনিষ্ট সাধন নহ'ল। মহাপুৰুষ জনাই এনেদৰে উল্লেখ কৰিছে—

**কাট মাৰ বুলি বেঢ়িয়া সন্ধানে**
**দিলেক শূলৰ জাক।**
**বিষ্ণুক সুমৰি প্ৰহ্লাদ কুমাৰে**
**কটাক্ষো নকৰে তাক।।**
**ভোটা হুয়া শূল উফৰি পৰিল**
**দেখি আছে সৰ্বজনে।**
**হেন অদভূত দেখি দৈত্যপতি**
**পৰম শঙ্কিত মনে।।**

সুদৃঢ় ভুক্তিৰ দ্বাৰা যেতিয়া এজন ভক্তই ভগৱানক তুষ্ট কৰে; তেতিয়া তেওঁৰ ভয়, শংকা একো নাথাকে। প্ৰহ্লাদৰ গাত এই সকলো লক্ষণ পৰিস্ফুট হৈ উঠা দেখা যায়।

'প্ৰহ্লাদ চৰিত্ৰ'ৰ জৰিয়তে মহাপুৰুষ শংকৰদেৱে সংসাৰৰ অনিত্যতা আৰু ক্ষণস্থায়িত্বৰ কথাও কৈছে; লগতে এই অসাৰ সংসাৰত যে হৰি ভক্তিয়েই একমাত্ৰ সত্য আৰু স্বাস্বত সেই কথাও দৃঢ়তাৰে উল্লেখ কৰিছে—

**"অসাৰ সংসাৰ নাহি ইহাত বিশ্বাস।**
**জানি হৰি ভকতিক কৰিয়ো অভ্যাস।।**
**হৰিসে সবাৰো আত্মা বান্ধৱ ঈশ্বৰ।**
**মায়াময় ইটো পুত্ৰ ভাৰ্য্যা কলেৱৰ।।**

'প্ৰহ্লাদ চৰিত্ৰ' আখ্যানটিৰ মাজেৰে মহাপুৰুষজনাই ভক্তি ধৰ্মৰ তাত্ত্বিক দিশসমূহৰ অৱতাৰণা কৰিছে। তেওঁৰ শাস্ত্ৰসমূহত সৎসংগৰ মহিমাৰ কথা বিভিন্ন ধৰণেৰে উল্লেখ কৰাৰ দৰে 'প্ৰহ্লাদ চৰিত্ৰ'ৰ মাজেৰেও সৎসংগৰ মাহাত্ম্যৰ কথা অতি সুন্দৰকৈ ব্যক্ত কৰিছে।

**বিষ্ণু ভকতৰ সংগ লৈব প্ৰথমতে।**
**গুৰু মানি শুশ্ৰূষা কৰিবা ভালমতে।।**
**লৈয়া উপদেশ মাধৱক আৰাধিব।**
**যতেক সুকৃতি মানে কৃষ্ণত অৰ্পিব।।**
**কৃষ্ণ কথা শ্ৰৱণত শুদ্ধ হৈব মন।**
**সৰ্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন।।**

ভগৱন্তৰ পৰম পদ লাভ কৰিবলৈ দেৱতা, ব্ৰাহ্মণ বা ঋষি হোৱাৰ প্ৰয়োজন নাই। বিস্তৰ শাস্ত্ৰ জ্ঞান, তপ, জপ, যজ্ঞ, দান আদিৰো নিস্প্ৰয়োজন। একান্ত ভক্তিৰ বলতহে ভগৱানক তুষ্ট কৰিব পাৰি। প্ৰহ্লাদ চৰিত্ৰত উল্লেখ আছে এনেদৰে—

**নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হুইবে।**
**নালাগে সম্ভূত শাস্ত্ৰ বিস্তৰ জানিবে।।**
**তপ জপ যজ্ঞ দান সবে বিড়ম্বন।**
**কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।।**

এজন একান্ত হৰি ভক্তক মৃত্যু ভয়েও বিচলিত কৰিব নোৱাৰে। তেওঁ কেৱল নিৰন্তৰ হৰি নাম স্মৰণ কৰা আৰু জগতত তাক প্ৰচাৰ কৰাটোৱেই কৰ্তব্য হৈ পৰে। প্ৰহ্লাদৰ ক্ষেত্ৰতো দেখা যায় যে ক্ৰোধান্বিত পিতৃয়ে কঠোৰ শাস্তি বিহাৰ পিছতো প্ৰাদে তেওঁৰ হৰিক ভজিবলৈকে উপদেশ দিছে—

**'জানি পিতৃ এৰা অসুৰ কাম।**
**আপুন মন কৰা উপশাম।।**
**শত্ৰু মিত্ৰ সবে কৰিয়ো সম।**
**এহিসে কৃষ্ণৰ ভক্তি উত্তম।**

প্ৰহ্লাদৰ কথাত উগ্ৰ মূৰ্তি ধৰি পিতৃয়ে যেতিয়া প্ৰ াদক সুধিছে যে হৰি যদি জগতৰ ঈশ্বৰ; তেন্তে ক'ত আছে মোক দেখুৱাই দে।

**হৰিসে যদি জগতৰ ঈশ।**
**কৈত আছে তাক কহ উদ্দিশ।।**
**তেতিয়া শান্ত সমাহিতভাৱে প্ৰহ্লাদে কৈছে—**
**শুনিয়া প্ৰহ্লাদে বোলন্ত বাণী।**
**ব্যাপক বিভূ প্ৰভূ চক্ৰপাণি।।**
**সবাতো আছন্ত জগত স্বামী।**
**স্ফটিকৰ স্তম্ভে দেখোহো আমি।।**

ভক্তিৰ প্ৰথম সোপান হ'ল সুদৃঢ় বিশ্বাস; তাৰ পিছত প্ৰেম, আস্থা, একাগ্ৰতা, একনিষ্ঠতা আদি। এজন একান্ত ভক্তই কায়, বাক্য আৰু মন একত্ৰে ভগৱানৰ চৰণত সমৰ্পণ কৰিব

লাগিব। এনে এজন ভক্তৰ বাবেহে ভগৱানৰ সৰ্ব্বব্যাপক ৰূপ সাক্ষাৎ কৰাটো সম্ভৱ। ভক্ত প্ৰহ্লাদৰ গাত ভক্তৰ সকলো লক্ষণেই সমাহিত হৈ আছিল; সেয়ে তেওঁ পিতৃক দৃঢ়তাৰে ক'ব পাৰিছিল যে স্ফটিকৰ স্তম্ভতে তেওঁ ভগৱানক দেখা পাইছে। ভক্তৰ বাঞ্ছা পূৰণ আৰু নিজ ভৃত্যৰ মুখে নিঃসৃত বাণীক সত্য প্ৰমাণ কৰিবলৈ ভক্ত বৎসল ভগৱান স্তম্ভতে ব্যক্ত হ'ল। ইয়াতেই আখ্যান ভাগৰ মহত্ব লোকাই আছে।

**"সত্য কৰিবাক লাগি নিজ-ভৃত্য বাণী।**
**স্তম্ভতে বেকত ভৈলা প্ৰভু চক্ৰপাণি।।**

ভগৱানক সন্তুষ্ট কৰিবলৈ ঐশ্বৰ্য্য, বিভূতি, বল, বিক্ৰম একোৰে প্ৰয়োজন নাই, একমাত্ৰ একান্ত ভক্তিৰেহে তেওঁক বশ কৰিব পাৰি। প্ৰহ্লাদৰ ভক্তিৰ বলতে নৰসিংহৰূপী ভগৱানে স্তম্ভৰ পৰা আবিৰ্ভাৱ হৈ দৈত্যপতি হিৰণ্যকশিপুক বধ কৰি পৃথিৱীৰ ভাৰ সংহাৰ কৰাৰ লগতে ভক্তক ৰক্ষা কৰি তেওঁৰ ভক্ত বৎসল গুণৰ প্ৰকাশ কৰিলে।

হিৰণ্যকশিপুৰ নিধনৰ পিছত নৰসিংহৰূপী ভগৱানৰ ক্ৰোধ একমাত্ৰ প্ৰহ্লাদেহে উপশম কৰিব পাৰিলে। বাকী দেৱতাসকলে বহু যত্ন কৰিও তেওঁক ক্ষান্ত কৰিব নোৱাৰিলে।

**'পাৰত পৰিয়া আছয় প্ৰহ্লাদ**
**দেখি নৰসিংহ হাসি।**
**স্নেহত স্ৰৱয় নয়নৰ নীৰ**
**তুলিলা হাতে উল্লাসি।**

'নৰসিংহ'ই প্ৰহ্লাদৰ স্তুতিত ক্ৰোধ সম্বৰণ কৰি তেওঁক ধৰ্ম, অৰ্থ, কাম, মোক্ষ আদি বৰ দিবলৈ বিচাৰিলে; কিন্তু এজন ভক্তৰ ভক্তিৰ বাহিৰে কোনো সম্পদতে লালসা নাথাকে। প্ৰহ্লাদে কেৱল একান্ত ভক্তিহে বাঞ্ছা কৰিলে।

**এহি বুলি প্ৰলোভন্ত বৰ।**
**নবাঞ্ছন্ত প্ৰহ্লাদ কুমাৰ।।**
**ভক্তিসে পৰম লাভ জানি।**
**বিষ্ণুক বোলন্ত হাসি বাণী।।**

ভক্তিৰ মহাসমূদ্ৰত অৱগাহন কৰা এজন ভক্তৰ বাবে জগতৰ সকলো সুখ, সম্পদ তুচ্ছ। আকণ্ঠভৰি অমৃত পান কৰাৰ পিছত কোনো বস্তুৰে তৃপ্ত কৰিব নোৱাৰাৰ দৰেই ভক্তৰ বাবে ভক্তিয়েই সৰ্বস্ব। 'প্ৰহ্লাদ চৰিত্ৰ'ৰ মাজতো ভক্তিৰ মহত্ব প্ৰতিপাদিত হৈছে।

প্ৰহ্লাদ হৰি ভক্ত হোৱাৰ লগতে এজন পুত্ৰও আছিল। সেয়ে পিতৃৰ কৃতকৰ্মৰ বাবে তেওঁ ভগৱানক প্ৰাৰ্থনা কৰিছে আৰু পিতৃয়ে যাতে পাপৰ পৰা উদ্ধাৰ পায় তাৰ কামনা কৰিছে।

**তযু পাৱে মাগো এক বৰ।**
**তুমি প্ৰভু জগত ঈশ্বৰ।।**
**তোহ্মাক নিন্দিলে পিতৃ মোৰ।**
**সিজিল পাতক মহাঘোৰ।।**
**তাত হন্তে পিতৃ নিস্তৰোক।**
**এতেকে প্ৰসাদ দিয়ো মোক।**

প্ৰহ্লাদৰ প্ৰাৰ্থনাত ভগৱান তুষ্ট হৈ নিজ মুখে ভক্তৰ মহিমা ব্যক্ত কৰিছে—

**পৰম বৈষ্ণৱ তই পুত্ৰ ভৈলি যাৰ।**
**একৈশ পুৰুষ তাৰ কৰিলি উদ্ধাৰ।।**
**যৈত থাকে মোৰ ভক্ত উদাৰ চৰিত্ৰ।**
**কীট পতঙ্গকো তথা কৰয় পৱিত্ৰ।।**
**নকৰে প্ৰাণীক হিংসা নাহি একো স্পৃহা।**
**আমাত অৰ্পন কৰে আপুনাৰ দেহা।।**
**ভকততে শ্ৰেষ্ঠ তই পাইলি বাঞ্ছা সিদ্ধি।**
**কৰিয়ো পিতৃৰ প্ৰেত-কাৰ্য যেন বিধি।।**
**মোত চিত্ত দিয়া কাৰ্য্য কৰিয়ো সন্তোষে।**
**তেৰে কি কৰিবে আৰ সংসাৰৰ দোষে।।**

"কীৰ্ত্তন-ঘোষা"ৰ 'প্ৰহ্লাদ চৰিত্ৰ' আখ্যানটিত মহাপুৰুষ শংকৰদেৱে ভক্তিধৰ্মৰ তাত্ত্বিক দিশসমূহ কাহিনীৰ মাজেৰে সাৱলীলভাৱে উত্থাপন কৰিছে। ভক্ত আৰু ভগৱানৰ মধুৰ সম্পৰ্ক, ভক্তিৰ শ্ৰেষ্ঠতা, ভক্ত আৰু ভক্তিৰ স্বৰূপ, সৎসংগৰ মহিমা, অসাৰ সংসাৰত হৰি ভক্তিৰ মহত্ব আদি উল্লেখ কৰিছে লগতে অহংকাৰ, দম্ভ, ক্ৰোধ আদিয়ে কেনেকৈ হৰি ভক্তিৰ পথত অন্তৰায় হৈ ঠিয় দিয়ে আৰু মনুষ্য মাত্ৰৰে পতন ঘটিব পাৰে, সেইসমূহ দিশো আখ্যানভাগত সুন্দৰকৈ প্ৰকাশ পাইছে।

কৃষ্ণ ভক্তিয়েই একমাত্ৰ পথ যি সংসাৰ সমুদ্ৰত জড়পুৰ হৈ থকা মনুষ্যক অনায়াসে পৰিত্ৰাণ কৰিব পাৰে। এই ভক্তিয়েই মহাপুৰুষ শংকৰদেৱৰ প্ৰচাৰিত ভক্তি ধৰ্মৰ মুখ্য আদৰ্শ আৰু চৰম লক্ষ্য।

**উপসংহাৰ ঃ**

মহাপুৰুষ শংকৰদেৱৰ মূৰ্তি স্বৰূপ 'কীৰ্ত্তন-ঘোষা'ৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণনেৰে আৰম্ভ হৈ উৰেষা বৰ্ণনত সমাপ্ত হৈছে। মুঠ সতাইশটা খণ্ডেৰে 'কীৰ্ত্তন-ঘোষা' পৰিপুষ্ট হৈ আছে। প্ৰত্যেকটো আখ্যান-উপাখ্যানে ভক্তি ধৰ্মৰ মূল আদৰ্শসমূহ ব্যক্ত কৰাৰ লগতে কৃষ্ণভক্তিৰ সীমাহীন মহিমাৰ বিষয়েও ঘোষণা কৰিছে। হৰি ভক্তিয়ে হ'ল সংসাৰ তৰাৰ একমাত্ৰ মহৌষধ। কীৰ্ত্তনৰ চত্ৰে চত্ৰে হৰিভক্তিৰ বিষয়ে

ঘোষিত হৈছে। কীৰ্ত্তনৰ অন্তৰ্গত বলি চলন, হৰমোহন, অক্ৰুৰৰ বাঞ্ছা পূৰণ, স্যমন্তক হৰণ, দামোদৰ বিপ্ৰ উপাখ্যান, গজেন্দ্ৰ উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ আদি আখ্যান-উপাখ্যানসমূহৰ মাজেৰে ভক্তিৰ শ্ৰেষ্ঠতা, ভক্তৰ চৰিত্ৰ, লক্ষণ, ভগৱন্তৰ ভক্ত বৎসলতা আদি ভক্তিধৰ্মৰ প্ৰতিপাদ্য দিশসমূহ সুন্দৰকৈ প্ৰকাশ ঘটিছে।

আমাৰ আলোচ্য 'প্ৰহ্লাদ চৰিত্ৰ' আখ্যানটিৰ জৰিয়তেও মহাপুৰুষ শংকৰদেৱে হৰিৰ ভক্তিৰ মাহাত্ম্য, ভক্তৰ দ্ৰোহ আচৰণ কৰাজনৰ পতন, অহঙ্কাৰ দম্ভৰ অৱক্ষয়, ভক্ত আৰু ভগৱানৰ মধুৰ সম্পৰ্ক আৰু বিজয় ঘোষণা কৰিছে। এই আখ্যানভাগত শৰণৰ মাহাত্ম্যও ফুটি উঠিছে। ভক্তিৰ শেষ পৰ্যায় হৈছে শৰণ। প্ৰভুৰ পদমূলত একান্তচিত্তে কায় মনু বাক্যে আত্মসমৰ্পণ কৰাজনেই প্ৰভুৰ কৃপাৰ পাত্ৰ হৈ সকলো দুখৰ পৰা পৰিত্ৰাণ পায়। প্ৰহ্লাদ ভক্তিত তাৰেই প্ৰতিফলন ঘটিছে। তদুপৰি প্ৰহ্লাদ চৰিত্ৰত অন্য দুটামান দিশো প্ৰকাশ পাইছে।

আমাৰ সমাজত এটা বদ্ধমূল ধাৰণা আছে যে মানুহে বৃদ্ধ বয়সতহে হৰি ভক্তি কৰিব লাগে। শিশুকালত খেলা-ধূলা কৰা, যৌৱন কালত ধন সোণ অৰ্জন কৰি সংসাৰ কৰা আৰু সংসাৰৰ সকলো লেঠা শেষ কৰি বৃদ্ধ বয়সত হৰিনাম লোৱা। কিন্তু প্ৰহ্লাদ কাহিনীৰে মহাপুৰুষজনাই শিশুকালৰ পৰাই হৰিভক্তি কৰিবলৈ আহ্বান জনায়। প্ৰহ্লাদ চৰিত্ৰ অকল শাস্ত্ৰ শোভন এটা কাহিনীয়ে নহয়, ইয়াৰ দ্বাৰা শংকৰদেৱে ইয়াকে শিক্ষা দিছে যে শিশুকালৰ পৰাই আধ্যাত্মিকতাৰে উদ্বুদ্ধ হৈ সকলো কৰ্ম কৰাৰ লগতে হৰিসেৱা নিত্য-নৈমিত্তিকভাৱে কৰিব লাগে। তেতিয়াহে ঈশ্বৰৰ কৃপা লব্ধ হ'ব পাৰে। এই আখ্যানটিৰ দ্বাৰা জন্মতত্ত্বৰ কথাও প্ৰকাশ পাইছে। সন্তান গৰ্ভত থকা সময়ত মাতৃগৰাকীয়ে সৎসংগত সৎ কথা চৰ্চা কৰিব পাৰিলে গৰ্ভস্থ সন্তান কেতিয়াও অসৎ, অসদাচাৰী নহয়। বৰং তেনে সন্তান সৎ চৰিত্ৰৱান হৈ জন্মগ্ৰহণ কৰে। প্ৰহ্লাদ জন্মৰ সৈতে তেনে কাহিনী জড়িত হৈ আছে। দেৱৰ্ষি নাৰদৰ তত্ত্বাৱধানত প্ৰহ্লাদ মাতৃয়ে গৰ্ভাৱস্থাত যিখিনি সৎ উপদেশ লাভ কৰিছিল আৰু ঈশ্বৰৰ স্বৰূপ উপলব্ধি কৰিছিল, তাৰ ফলশ্ৰুতিতে প্ৰহ্লাদ দৰে এজন পৰম হৰিভক্তই জন্মলাভ কৰিলে। এই তত্ত্বত বৈজ্ঞানিক সত্যতাও নিহিত হৈ আছে। মহাপুৰুষ শংকৰদেৱৰ কীৰ্ত্তন ঘোষাৰ প্ৰহ্লাদ চৰিত্ৰত একশৰণ ভক্তি ধৰ্মৰ সকলো তত্ত্বৰে পৰিস্ফুৰণ ঘটাৰ লগতে গুৰুজনাৰ ভক্তিবাদ প্ৰকাশৰ ক্ষেত্ৰত এই আখ্যানটিৰ বিস্তৰ গুৰুত্ব আছে। ❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ডেকা হাজৰিকা, কৰবী ঃ অসমীয়া কবিতা, দ্বিতীয় প্ৰকাশ, শ্ৰী মাখন হাজৰিকা, বনলতা, ডিব্ৰুগড়, ১৯৯৮

দাস, ইলাৰাম ঃ নামঘোষা ৰসামৃত, তৃতীয় প্ৰকাশ, ২০১৪, লয়াৰ্ছ বুক ষ্টল (সৰ্বস্বত্ব সংৰক্ষিত)

দত্তবৰুৱা, হৰিনাৰায়ণ (সম্পা.) ঃ গুৰুচৰিত (ৰামচৰণ ঠাকুৰ বিৰচিত) ২৪শ প্ৰকাশ, ২০১৫, প্ৰকাশক ঃ শ্ৰীজ্যোতিন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

বায়ন, ভৱজিৎ (সম্পা.) ঃ শ্ৰীশ্ৰীশংকৰদেৱ মাধৱদেৱ বিৰচিত কীৰ্ত্তন-ঘোষা আৰু নামঘোষা, আৰ জি পাব্লিকেশ্বনছ, দ্বিতীয় প্ৰকাশ, ২০১৮

শইকীয়া, যোগেন্দ্ৰ নাথ ঃ বৈষ্ণৱ সাহিত্যত এভুমুকি, প্ৰথম প্ৰকাশ, ১৯৯৪

ISSN 2321-4945
UGC CARE Listed Journal
RNI  NO. ASSBIL/2009/31008

প্ৰবন্ধ

# ৰাষ্ট্ৰীয় সংহতি নিৰ্মাণত তুলনামূলক সাহিত্যৰ ভূমিকা



ড° প্ৰভাত ভূঞা

**সংক্ষিপ্ত-সাৰ ঃ**

তুলনা হৈছে মানুহৰ বৌদ্ধিক চিন্তা-চেতনাৰ সহজাত এক প্ৰক্ৰিয়া। মানুহে নিজৰ স্থিতি সম্পৰ্কে জানিবলৈও আনৰ বিষয়ে জনা দৰকাৰ। ইয়াৰ উপৰিও বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰে গোটেই পৃথিৱীখনকেই এখন গাঁৱত পৰিণত কৰিছে। বিশ্বায়নৰ বতাহে পৃথিৱীৰ চুকে-কোণে থকা সকলো মানুহকে চুই গৈছে। এনে সময়তে কোনো মানুহেই অকলশৰীয়াকৈ থাকিব নোৱাৰে। প্ৰয়োজনৰ তাগিদাতে এখন ঠাইৰ মানুহে বিভিন্ন ঠাইৰ মানুহৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ বাধ্য হৈছে। ভাষাই হৈছে যিহেতু মানুহৰ যোগাযোগৰ ঘাই উপায় আৰু মানৱৰ চিন্তা-চেতনা, অভিজ্ঞতাৰ বৰ্হিপ্ৰকাশেই হ'ল সাহিত্য। আনহাতে পৃথিৱীৰ যিকোনো ঠাইৰ মানুহৰ স্বাভাৱিক প্ৰবৃত্তিসমূহ একেই, সেয়ে বিভিন্ন ঠাইৰ মানুহৰ মাজত সাহিত্যৰ জৰিয়তে ঐক্যসূত্ৰ আৱিস্কাৰ কৰা আৰু সাহিত্য স্ৰজন তথা সাহিত্যৰ অভিজ্ঞতাক একক বুলি ধৰি লৈ কৰা সাহিত্যৰ অধ্যয়নৰ ফলশ্ৰুতিয়ে হৈছে তুলনামূলক সাহিত্য। তুলনামূলক সাহিত্য হৈছে সাহিত্য অধ্যয়নৰ এক দৃষ্টিভংগী। পৃথিৱীৰ বিভিন্ন দেশৰ ভাষাৰ সাহিত্যসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ সন্ধান কৰাই ইয়াৰ মূল লক্ষ্য।

ভাৰত এখন বহুভাষিক ৰাষ্ট্ৰ। ইয়াত বিভিন্ন ভাষা, ধৰ্ম, বৰ্ণৰ মানুহে  বাস কৰে। প্ৰায়বোৰ ভাষাৰে নিজা নিজা সাহিত্য আছে। সাহিত্যই যিহেতু কোনো জাতি-জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক জীৱনৰ প্ৰতিফলন ঘটায়। সেয়ে ভাৰতৰ দৰে দেশত তুলনামূলক সাহিত্যৰ জৰিয়তে বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য অধ্যয়নৰ যোগেদি এইসমূহৰ মাজত পাৰস্পৰিক যোগসূত্ৰ স্থাপন কৰিব পাৰি।

ভাৰতৰ সংস্কৃতি বৈবিধ্য আৰু বৈচিত্ৰ্যময় হ'লেও ই অখণ্ড ৰূপতো প্ৰতিফলিত হয়। ভাৰতীয় দৰ্শন, ৰামায়ণ-মহাভাৰত এই মহাকাব্য দুখনৰ প্ৰভাৱ, ইংৰাজ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে গঢ়ি উঠা স্বাধীনতা আন্দোলন আদি কাৰকবোৰ সৰ্বভাৰতীয় মানসক একক ৰূপ প্ৰদান কৰিছে আৰু এই বৈশিষ্ট্যসমূহ আঞ্চলিক বা প্ৰাদেশিক সাহিত্যসমূহৰ মাজেদি প্ৰকাশ লাভ কৰা দেখা যায়।

আমাৰ এই গৱেষণা-পত্ৰত তুলনামূলক সাহিত্য অধ্যয়নে ভাৰতৰ দৰে ৰাষ্ট্ৰত সংহতি বা অখণ্ডতা নিৰ্মাণত কিদৰে আগবাঢ়িব পাৰে, সেই সম্পৰ্কে আলোচনা কৰা হৈছে। গৱেষণা-পত্ৰখনত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
অসম বিশ্ববিদ্যালয়
ডিফু চৌহদ, ডিফু, কাৰ্বি আংলাং,
পিন - ৭৮২৪৬২
৭০০২৩০৮৭৮৮
prabhatnlp@gmail.com

**বীজ শব্দ ঃ**

তুলনা, তুলনামূলক সাহিত্য, ৰাষ্ট্ৰীয় সংহতি, ভাৰতবৰ্ষ, বৈবিধ্য, বৈচিত্ৰ্য

**০.০ প্ৰস্তাৱনা ঃ**

দুই বা ততোধিকৰ মাজত গুণ-দোষ, সমতা-বিষমতা, ভাল-বেয়া বিচাৰ কৰাই হৈছে 'তুলনা'। ই মানৱৰ চিন্তা-চেতনাৰ সহজাত এক প্ৰক্ৰিয়া। মানুহে চিন্তা কৰিবলৈ শিকাৰ পৰাই জ্ঞাতে বা অজ্ঞাতে সৰ্বদাই তুলনাৰ সহায় লৈ আহিছে। আৰু ইয়েই মানুহৰ মানসিক, বৌদ্ধিক, ভৌতিক আদি সকলো প্ৰকাৰৰ উন্নতি সাধনত গুৰুত্বপূৰ্ণ সহায় আগবঢ়াই আহিছে।

বৰ্তমান সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত প্ৰসাৰে গোটেই পৃথিৱীখনকে এখন গাঁৱত পৰিণত কৰিছে। বিশ্বায়নৰ বতাহে পৃথিৱীৰ চুকে-কোণে থকা সকলো মানুহকে চুই গৈছে। এনে সময়ত কোনো মানুহেই অকলশৰীয়াকৈ থাকিব নোৱাৰে। প্ৰয়োজনৰ তাগিদাতে এখন ঠাইৰ মানুহে বিভিন্ন ঠাইৰ মানুহৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈ বাধ্য হৈছে। ভাষাই যিহেতু মানুহৰ যোগাযোগৰ ঘাই উপায় আৰু মানুহৰ চিন্তা-চেতনা, অভিজ্ঞতাৰ বহিৰ্প্ৰকাশেই হ'ল সাহিত্য। সেয়ে বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানৱ মনৰ খবৰ সাহিত্যৰ জৰিয়তে লাভ কৰিব পৰা যায়। অৰ্থাৎ দুখন দেশৰ মানুহৰ আন্তঃসম্পৰ্ক গঢ়াত সাহিত্যই বিশেষ ভূমিকা ল'ব পাৰে। আনহাতে পৃথিৱীৰ যিকোনো ঠাইৰ মানুহৰে স্বাভাৱিক প্ৰবৃত্তিসমূহ একেই। বিশ্বৰ যি ঠাইৰে মানুহ নহওক লাগিলে সুখ-দুখ, ভোক-পিয়াহ, হাঁহি-কান্দোন, মিলন-বিচ্ছেদ আদিৰ অনুভৱবোৰ একেই আৰু তাৰ মাজতে ফুটি উঠে দেশ-কাল-পৰিৱেশ নিৰ্বিশেষে একে মানুহৰ পৰিচয়। সেইদৰে সাহিত্যৰ মাজতো থাকে এক সাৰ্বজনীন অনুভৱ। সেয়ে ভাষিক, ৰাজনৈতিক, ভৌগোলিক সীমা অতিক্ৰম কৰি সাহিত্য স্ৰজন আৰু সাহিত্যিক অভিজ্ঞতাক একক বুলি ধৰি লৈ পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহৰ মাজত সাহিত্যৰ জৰিয়তে একতা সন্ধানৰ প্ৰেৰণাৰে কৰা অনেক সাহিত্যৰ তুলনামূলক অধ্যয়নৰ ফলশ্ৰুতিয়ে হ'ল তুলনামূলক সাহিত্য। তুলনামূলক সাহিত্য হৈছে সাহিত্য অধ্যয়নৰ এক দৃষ্টিভংগী। পৃথিৱীৰ বিভিন্ন দেশৰ বিভিন্ন ভাষাৰ সাহিত্যসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্কৰ সন্ধান কৰাই ইয়াৰ মূল লক্ষ্য।

ভাৰত এখন বহুভাষিক ৰাষ্ট্ৰ। ইয়াত বিভিন্ন ভাষা, ধৰ্ম, বৰ্ণৰ মানুহে বাস কৰে। প্ৰায়বোৰ ভাষাৰে নিজা নিজা সাহিত্য আছে। সাহিত্যই যিহেতু কোনো জাতি-জনগোষ্ঠীৰ সামাজিক-সাংস্কৃতিক দিশৰ প্ৰতিফলন ঘটায়। সেয়ে ভাৰতৰ দৰে দেশত তুলনামূলক সাহিত্যৰ জৰিয়তে বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা-সাহিত্য অধ্যয়নৰ যোগেদি এইসমূহৰ মাজত যোগসূত্ৰ স্থাপন কৰিব পাৰি।

ভাৰতৰ সংস্কৃতি বৈবিধ্য আৰু বৈচিত্ৰ্যময় হ'লেও ই অখণ্ডৰূপতো প্ৰতিফলিত হয়। ভাৰতীয় দৰ্শন, ৰামায়ণ, মহাভাৰত এই দুই মহাকাব্যৰ প্ৰভাৱ, ভক্তি আন্দোলনৰ প্ৰভাৱ, ইংৰাজ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে গঢ়ি উঠা স্বাধীনতা আন্দোলন আদি কাৰকবোৰে সৰ্বভাৰতীয় মানসক একক ৰূপ প্ৰদান কৰিছে আৰু এই বৈশিষ্ট্যসমূহ ভাৰতৰ আঞ্চলিক বা প্ৰাদেশিক সাহিত্যসমূহৰ মাজেদি প্ৰকাশ লাভ কৰা দেখা যায়। প্ৰাদেশিক বা আঞ্চলিক সাহিত্যসমূহৰ তুলনামূলক অধ্যয়নৰ যোগেদি এইবোৰৰ মাজত ভাৰতীয় ঐক্যসূত্ৰ আৱিষ্কাৰ কৰিব পৰা যায়।

আমাৰ এই প্ৰস্তাৱিত গৱেষণা-পত্ৰত তুলনামূলক সাহিত্য অধ্যয়নৰ জৰিয়তে ভাৰতৰ দৰে ৰাষ্ট্ৰত ৰাষ্ট্ৰীয় সংহতি বা অখণ্ডতা নিৰ্মাণত কিদৰে আগবাঢ়িব পাৰি, সেই সম্পৰ্কে আলোচনা কৰা হৈছে।

গৱেষণা-পত্ৰখনত বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**১.০ বিষয় প্ৰৱেশ ঃ**

কোনো এখন দেশৰ সাহিত্যৰ মাজত সেই দেশৰ জাতীয় চিন্তা, লোক-সংস্কৃতি আৰু জীৱন দৰ্শনৰ প্ৰতিফলন ঘটে। ভাৰতীয় সাহিত্যৰ মাজতো এনেবোৰ দিশৰ প্ৰকাশ দেখা যায়। মনকৰিবলগীয়া কথা এয়ে যে ভাৰতীয় সাহিত্য বুলিলে কেৱল কোনো এক ভাষাৰ সাহিত্যকে নুবুজায়। ভাৰতৰ সংবিধানে ২৪ টা ভাষাক স্বীকৃতি প্ৰদান কৰিছে। ইয়াৰ উপৰিও অনেক ভাষা-সাহিত্য ভাৰতত প্ৰচলন আছে। এই ভাষা-সাহিত্যসমূহৰ মাজত গুঞ্জৰিত একক সুৰটোৱেহে ভাৰতীয় সাহিত্যক প্ৰতিফলন ঘটায়। সেয়ে ৰাধাকৃষ্ণণে ভাৰতীয় সাহিত্য সম্পৰ্কে এই বুলি মত আগবঢ়াইছে— "বহুতো ভাষাত ৰচনা কৰিলেও ভাৰতীয় সাহিত্য মূলতঃ একেটাই।" ভাৰতৰ বিভিন্ন ভাষাত ৰচিত সাহিত্যক একক বুলি ধৰিলেও এইবোৰৰ মাজত স্বকীয় বৈশিষ্ট্য কিছুমানো ৰক্ষিত হৈ আছে। গতিকে বিভিন্ন আঞ্চলিক সাহিত্যসমূহৰ মাজত তুলনামূলক অধ্যয়নৰ জৰিয়তে ভাৰতীয় সাহিত্যৰ



আত্মাৰ অনুসন্ধান কৰাটোৱে তুলনামূলক ভাৰতীয় সাহিত্যৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য। এইক্ষেত্ৰত তলত দিয়া ধৰণেৰে আগবাঢ়িব পাৰি—

**১.১ ভাষিক পৰম্পৰাৰ অধ্যয়ন ঃ**

ভাৰতৰ ভাষিক স্থিতি বৈচিত্ৰ্যময়। ইন্দো-ইউৰোপীয়, দ্ৰাবিড়ীয়, অষ্ট্ৰো-এছীয়, চীন-তিব্বতীয়, তিব্বত-বৰ্মীয় আদি পৃথিৱীৰ বিভিন্ন ভাষা গোষ্ঠীৰ ভাষা ভাৰতত প্ৰচলন আছে। অসমীয়া, হিন্দী, বাংলা, উৰিয়া, মৈথিলী, ভোজপুৰী আদি গৰিষ্ঠ সংখ্যক ভাষাই ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ সংস্কৃতৰ পৰা পালি, প্ৰাকৃত অপভ্ৰংশৰ মাজেৰে আহি খ্ৰীষ্টীয় নৱম-দশম শতিকামানত আঞ্চলিক ৰূপত প্ৰতিষ্ঠা লাভ কৰিছে। গতিকে এই ভাষাসমূহৰ মাজত শব্দতাত্ত্বিক, ৰূপতাত্ত্বিক, বাক্যতাত্ত্বিক আদি দিশসমূহত মিল পৰিলক্ষিত হয়। ইয়াৰ উপৰি ভাষিক সহাৱস্থানৰ বাবে এটা ভাষাগোষ্ঠীৰ ভাষাৰ শব্দ আহি আন এটা ভাষাগোষ্ঠীৰ ভাষাৰ মাজত সোমাই পৰিছে। উদাহৰণস্বৰূপে অসমীয়া ভাষাত তিব্বত-বৰ্মী বা চীন-তিব্বতীয় ভাষাৰ শব্দৰ কথাকে ক'ব পাৰি। সেয়ে ভাষাৰ তুলনামূলক অধ্যয়নৰ জৰিয়তে ভিন ভিন ভাষাগোষ্ঠীৰ লোকৰ মাজত একতাৰ সন্ধান কৰিব পৰা যায়।

**১.২ আঞ্চলিক সাহিত্যসমূহত পৌৰাণিক কাহিনী, মহাকাব্যিক পৰম্পৰাৰ অধ্যয়ন ঃ**

ভাৰতীয় জনমানসত ৰামায়ণ আৰু মহাভাৰত এই দুখন মহাকাব্যৰ প্ৰভাৱ অপৰিসীম। ভাৰতীয় সাহিত্যৰ ভাৰতীয়ত্ব নিৰ্মাণত মহাকাব্য দুখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ৰামায়ণৰ কাহিনীয়ে সমগ্ৰ দক্ষিণ-পূব এছিয়া, নেপাল, থাইলেণ্ড, কম্বোদিয়া আদি দেশলৈও বিস্তাৰ লাভ কৰিছিল। ভাৰতৰ বিভিন্ন আঞ্চলিক সাহিত্যসমূহতো বিভিন্ন ৰূপত ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ বিকাশ পৰিলক্ষিত হয়। এই আঞ্চলিক সাহিত্যসমূহত পঢ়ুৱৈক আকৰ্ষণৰ বাবে স্থানীয় ৰহণ সংযোজিত হ'লেও মহাকাব্য দুখনৰ মূল আদৰ্শ আৰু আবেদনকে প্ৰতিফলিত হোৱা দেখা যায়। ৰামায়ণ, মহাভাৰত এই মহাকাব্য দুখনৰ উপৰিও বিভিন্ন পুৰাণ, উপপুৰাণ,

পঞ্চতন্ত্ৰৰ সাধু, জাতকৰ সাধু আদিবোৰেও ভাৰতীয় আঞ্চলিক সাহিত্যসমূহত বিভিন্ন প্ৰকাৰৰ সাহিত্য সৃষ্টিত অৰিহণা যোগাই আহিছে। এইসমূহে পৌৰাণিক ভাৰতীয় সাহিত্যৰ ঐশ্বৰ্যময় ধাৰাটোক নিৰবচ্ছিন্নভাৱে প্ৰবাহিত কৰি ৰখাৰ লগতে ভাৰতীয় ঐতিহ্য পৰম্পৰাকো নানান প্ৰতিকূলতাৰ মাজত বৰ্তাই ৰাখিছে। ভাৰতৰ আঞ্চলিক সাহত্যিসমূহৰ তুলনামূলক অধ্যয়নৰ যোগেদি পৌৰাণিক কাহিনী, ৰামায়ণ-মহাভাৰত মহাকাব্য দুখনে ভাষিক-সাহিত্যিক বিবিধতাৰ মাজতো কিদৰে এক ভাৰতীয় চিন্তাৰে বান্ধি ৰাখিছে তাৰ উমান পাব পাৰি।

**১.৩ ভাৰতীয় সাহিত্যত ভাৰতীয় চিন্তা-দৰ্শনৰ অধ্যয়ন ঃ**

ভাৰতীয় মনত দৰ্শনৰ প্ৰভাৱ অতি গভীৰ। ষড়দৰ্শনৰ বিভিন্ন তত্ত্বই ৰেখাপাত কৰা ভাৰতীয় মনত জীৱন-মৃত্যু সম্পৰ্কীয় ধাৰণা, যেনে— জন্মান্তৰবাদ, আত্মাৰ অবিনশ্বৰতা, কৰ্মফল আদিৰ ধাৰণা অতি প্ৰবল। ভাৰতীয় মনে ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষ এই চতুৰ্বৰ্গৰ সাধনাকে জীৱনৰ পৰম লক্ষ্য হিচাপে গ্ৰহণ কৰে। ব্ৰহ্ম আৰু জীৱৰ সম্পৰ্ক, পুৰুষ-প্ৰকৃতি, বিদ্যা-অবিদ্যা আদি তত্ত্বৰ বিশ্লেষণো মানুহে প্ৰায় অপ্ৰয়াসে নিজৰ চিন্তাধাৰাত উত্তৰাধিকাৰসূত্ৰে লাভ কৰিছে। এইবোৰ দাৰ্শনিক চিন্তাধাৰাৰ বীজ ভাৰতৰ লোকমন আৰু লোক-সংস্কৃতিত এনে ভাবে মিহলি হৈ আছে যে বিভিন্ন অঞ্চলৰ সাহিত্যত ই যিকোনো প্ৰকাৰে প্ৰতিফলিত হয়। উদাহৰণস্বৰূপে অসমীয়া দেহবিচাৰ গীত, টোকাৰী গীত, কামৰূপী লোকগীত আদিৰ কথা ক'ব পাৰি।

মুছলমানসকল ভাৰতলৈ অহাৰ পাছত আৰবী-ফাৰ্চী ভাষা-সাহিত্যৰ সংস্পৰ্শলৈ আহি ভাৰতীয় সাহিত্যই এক মিশ্ৰিত চিন্তাৰ প্ৰতিফলন ঘটাইছিল। উৰ্দু ভাষাত ইছলামিক চুফীবাদৰ আধ্যাত্মিক ৰহস্যবাদ আৰু ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ মিশ্ৰণত এক ধৰণৰ অভিনৱ সাহিত্যৰ সৃষ্টি হৈছিল, এনেধৰণৰ সাহিত্যসমূহৰ মূল বক্তব্যই সকলোধৰণৰ ৰক্ষণশীলতা-প্ৰাচীনতা অস্বীকাৰ কৰি 'ভগৱান এজনেই, তেৱেঁই সকলোৰে স্ৰষ্টা' এই কথাকে তুলি ধৰিছিল। উৰ্দু কবি আমীৰ খুচৰুৰ কবিতাই জাতি-বৰ্ণ-সম্প্ৰদায়ৰ সংকীৰ্ণতা ভেদি মহৎ ভগৱৎ প্ৰেম আৰু সৌন্দৰ্য তৃষ্ণাৰ গুণ-গান কৰিছিল। মীৰ টাকি মীৰ, নাজী আকবৰবাদী আদি মুছলমান কবি-প্ৰচাৰকৰ হাতত চুফীবাদৰ ভগৱান সন্ধানী ৰহস্যবাদী চিন্তা ভাৰতীয় বেদান্ত দৰ্শন আৰু ভক্তিতত্ত্বৰ লগত মিলি পৰিছিল। কবীৰৰ দোহা আৰু আজান ফকীৰৰ জিকিৰৰ মাজতো হিন্দু-মুছলমানৰ চিন্তা আৰু দৰ্শনৰ মিশ্ৰণ দেখা যায়। এয়া কেৱল সম্ভৱ হৈছিল ভাৰতীয় সংস্কৃতিৰ দিয়া-লোৱা বাতাবৰণ আৰু সাংস্কৃতিক সমন্বয় প্ৰৱণতাৰ ফলস্বৰূপে। ইয়েই বিভিন্ন ভাষাত ৰচিত ভাৰতীয় সাহিত্যক একক আৰু অনন্য ৰূপ প্ৰদান কৰিছে।

**১.৪ ভাৰতীয় সাহিত্যত ভক্তি আন্দোলনৰ প্ৰভাৱ অধ্যয়ন ঃ**

মধ্যযুগীয় ভাৰতীয় সাহিত্য ঘাইকৈ ভক্তিকেন্দ্ৰিক। খ্ৰীষ্টীয় অষ্টম, নৱম শতিকামানত দক্ষিণ ভাৰতত উদ্ভৱ হোৱা ভক্তি ধৰ্মই সমগ্ৰ ভাৰতবৰ্ষকে ধুৱাই পেলাইছিল। কাশ্মীৰত উদ্ভৱ হোৱা শৈৱ ধৰ্মই দক্ষিণ ভাৰতৰ তামিলনাডুত খোপনি পুতিছিল। নেপালত উদ্ভৱ হোৱা মধ্যভাৰতত প্ৰভাৱ বিস্তাৰ কৰা বৌদ্ধ ধৰ্মও অসমত শাক্ত তান্ত্ৰিকতাৰ মাজত মিলি পৰিছিল। এই আটাইবোৰ ধৰ্মীয় চিন্তাৰ কাষে কাষে কিছুমান সাহিত্য ৰূপৰ উদ্ভৱ আৰু বিকাশ ঘটিছিল আৰু এই সাহিত্যসমূহৰ মাজত আঞ্চলিকতা আৰু অখণ্ডতা দুয়োটাই প্ৰতিফলিত হোৱা দেখা যায়।

ভক্তি সাহিত্যসমূহ ৰচিত হৈছিল বিভিন্ন প্ৰাদেশিক ভাষাত। ভগৱৎ ভক্তিক জনসাধাৰণৰ ওচৰ চপাই নিয়াৰ বাবে সেই সময়ৰ লেখক-কবিসকলে সংস্কৃতৰ সলনি প্ৰাদেশিক ভাষাত ভক্তিমূলক গীত, কবিতা আদি ৰচনা কৰিছিল। ভক্তি কবিতাৰ মূল বিষয় আছিল প্ৰেম। ভগৱান তথা ভগৱানসৃষ্ট সকলো জীৱকে প্ৰেম আৰু কৰুণাৰ দৃষ্টিৰে চাবলৈ শিকাইছিল। এই গীতবোৰ আছিল ভক্ত আৰু ভগৱানৰ সংযোগ স্থাপনৰ মাধ্যমো। ইন্দ্ৰনাথ চৌধুৰীৰ ভাষাত—

"It is poetry of connection. It connects God, god and all creation– the god of myth, the god of philosophy, the god in the temple and god in every human being." [Choudhuri, 1992 : 31-32]

বিভিন্ন আঞ্চলিক ভাষাৰ মাধ্যমত প্ৰতিফলিত ভাৰতীয় ভক্তি সাহিত্যৰ তুলনামূলক অধ্যয়নৰ যোগেদিও অঞ্চলভেদে ভক্তি সাহিত্যৰ পটভূমি, ইয়াৰ স্বৰূপ আৰু সৰ্বভাৰতীয় ভক্তি আন্দোলনৰ লগত ইয়াৰ সম্পৰ্ক বিচাৰ কৰিব পৰা যায়।

**১.৫ ভাৰতীয় সাহিত্যৰ সৌন্দৰ্যতাত্ত্বিক অধ্যয়ন ঃ**

ভাৰতীয় সৌন্দৰ্যতত্ত্বই ভাৰতীয় সাহিত্যৰ মাজত অখণ্ড সাদৃশ্য সৃষ্টি কৰাৰ এক উপাদান হিচাপে চিহ্নিত হৈ আহিছে। ভাৰতীয়ৰ মনত সৌন্দৰ্য হৈছে এক আত্মিক উপলব্ধি। সৌন্দৰ্য মংগলময়। বাহ্যিক দৃষ্টিত সুন্দৰ হ'লেও সি সৎ আৰু মংগলময়

নহ'বও পাৰে। কবি, শিল্পী আদিয়ে য'ত সুন্দৰত্ব আৰু মংগলময়তা দেখা পায় তাকেই সুন্দৰ হিচাপে উপস্থাপন কৰে। ভাৰতীয় সাহিত্যত সৎ, চিৎ, আনন্দস্বৰূপ পৰমব্ৰহ্ম আৰু সত্য-শিৱ-সুন্দৰৰ মহিমা প্ৰকাশ কৰা হয়। সমগ্ৰ ভাৰতীয় সাহিত্যত অতীজৰে পৰা ধৰ্মীয় চিন্তা নাইবা আধ্যাত্মিক উপলব্ধিৰ মাজেৰেহে সৌন্দৰ্যতত্ব প্ৰকাশ পাই আহিছে। ভাৰতীয় সৌন্দৰ্যতত্ব এককৰূপে বিবেচিত হয়। ভাৰতীয় আলংকাৰিক, কবি, সাহিত্যিকসকলে কাব্যপাঠত অসীম আনন্দৰ সন্ধান পায়। সেয়ে কাব্যপাঠৰ আনন্দক তেওঁলোকে ব্ৰহ্মানন্দৰ সহোদৰ বুলি অতি উচ্চস্থান প্ৰদান কৰিছে।

ভাৰতীয় লেখকসকলে নিজৰ সৃষ্টিকৰ্মত পৰিস্থিতি অনুসৰি নানা কদৰ্য পৰিৱেশৰ বৰ্ণনা কৰিলেও ভাৰতীয় মানসত থকা 'সুন্দৰ আৰাধনা জীৱনৰ খেল' আৰু 'সত্যম শিৱম সুন্দৰম' এনেধৰণৰ বাণীক সাৰোগত কৰি মহান মানৱীয় সৌন্দৰ্যৰ সন্ধান কৰা পৰিলক্ষিত হয়।

**১.৬ ভাৰতীয় সাহিত্যত ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱ অধ্যয়ন ঃ**

ভাৰতৰ স্বাধীনতা আন্দোলনে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে সকলো ভাৰতীয়ক একতাৰ ডোলেৰে বান্ধি পেলাইছিল। ইয়েই ভাৰতৰ চুকে-কোণে থকা সকলো লোকক বিশাল ভাৰতীয়ত্বৰ সম্ভেদ দিছিল। ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰতো স্বাধীনতা আন্দোলনৰ প্ৰভাৱ আছিল সুদূৰপ্ৰসাৰী। 'বন্দে মাতৰম্', 'ইন্‌কিলাব জিন্দাবাদ' এই দুই ধ্বনি সকলো ভাষা-ভাষী লোকে সমস্বৰে উচ্চাৰণ কৰিছিল। বাংলা ভাষাৰ 'বন্দে মাতৰম' আৰু পাৰ্চী-উৰ্দু মিশ্ৰিত 'ইন্‌কিলাব জিন্দাবাদ' এই ধ্বনি ভাৰতৰ বিবিধ ভাষা-ভাষীৰ মানুহে নিজৰ মাতৃভাষাৰ দৰে গ্ৰহণ কৰা কথাটোৱে স্বাধীনতা আন্দোলনে ভাৰতীয় মানুহক একতাৰ ডোলেৰে বান্ধি পেলোৱাৰ কথাকে প্ৰতীয়মান কৰে। ইয়াৰ উপৰি স্বাধীনতা আন্দোলনে ভাৰতীয়ৰ মনত এক নৱ চেতনাৰ জন্ম দিলে। গৌৰৱোজ্জ্বল অতীতৰ গুণ-গৰিমা, দেশপ্ৰেম, পৰাধীন অৱস্থাৰ গ্লানি আৰু মূৰ তুলি জীয়াই থকাৰ বাসনা আদিবোৰে সাহিত্যত ঠাই লাভ কৰিলে। তদুপৰি অঞ্চল বিশেষে স্থানীয় বীৰ শ্বহীদৰ কাহিনী বিজড়িত গীত-কবিতা আদিবোৰে ভাৰতবাসীৰ মনত মনোবলৰ যোগান ধৰিছিল। এনেদৰেই ভাৰতৰ বিভিন্ন প্ৰান্তৰ লোকে এই বিশাল দেশখনক নিজৰ বুলি ভাবিবলৈ আৰু দেশৰ বাবে জীৱন পণ কৰি মৃত্যুবৰণ কৰিবলৈ অদম্য প্ৰেৰণা লাভ কৰিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত ৰচনা কৰা বা স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত সাহিত্যৰাজি তুলনামূলক অধ্যয়ন কৰিলে স্বাধীনতা পিয়াসী ভাৰতীয়ৰ একক মনৰেই সন্ধান পোৱা যায়।

**১.৭ ভাৰতীয় সাহিত্যত পাশ্চাত্যৰ ৰমন্যাসবাদৰ প্ৰভাৱ অধ্যয়ন ঃ**

পাশ্চাত্যৰ সাহিত্যৰ প্ৰভাৱত ঊনবিংশ শতিকাত ভাৰতৰ আঞ্চলিক ভাষাসমূহত অগা-পিছাকৈ ৰোমাণ্টিক আন্দোলন গঢ় লৈ উঠিছিল। ভাৰতীয় ৰমন্যাসবাদ যদিও পাশ্চাত্যৰ প্ৰভাৱ আছিল, তথাপি ভাৰতত ই ভাৰতীয় প্ৰাণৰ সুতীব্ৰ অনুভূতি আৰু ৰূপ-ৰঙেৰে গঢ় লৈ উঠিছিল। ইংৰাজ ৰোমাণ্টিচিজমে কেথলিক ধৰ্মৰ গোড়ামিৰ শিকলি ছিঙি মুক্ত হ'ব খোজাৰ বিপৰীতে ভাৰতীয় ৰমন্যাসবাদে অতীন্দ্ৰিয়বাদক সহযাত্ৰী কৰি ল'লে। ৰবীন্দ্ৰ নাথ ঠাকুৰে প্ৰকৃতি আৰু মানুহৰ মাজত সৌন্দৰ্যৰ সন্ধানত মনোনিৱেশ কৰিলে। তেতিয়াৰে পৰাই হিন্দী সাহিত্যত ছায়াবাদ, মাৰাঠী সাহিত্যত ৰবি কিৰণ মণ্ডল, কানাড়াত গেলেয়াৰ গমপু আদি বিবিধ নামেৰে ৰোমাণ্টিক আন্দোলন বিয়পি পৰিল। ৰোমাণ্টিক আন্দোলনৰ ফলস্বৰূপে প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ সংমিশ্ৰণত ভাৰতীয় সাহিত্য চহকী হৈ উঠিল। শ্যেলী, কীটছ্, বায়ৰণৰ নতুন চিন্তাৰ লগত ভাৰতীয় বেদ-উপনিষদ, ইছলামিক ছুফীবাদৰ ৰহস্যবাদী চিন্তাৰ সংমিশ্ৰণ ঘটি ভাৰতীয় ৰোমাণ্টিক কবিতাৰ শক্তিশালী ভেটি নিৰ্মিত হ'ল। বিশ্ব সাহিত্যৰ বুকুত ভাৰতীয় চিন্তাই প্ৰতিধ্বনি তুলিলে। ভাৰতীয় দৰ্শনেই আধুনিক কবিতাক জটিলতালৈ লৈ গ'ল। সেয়ে ভাৰতীয় কাব্য-সাহিত্যৰ গভীৰতা অধ্যয়নৰ বাবে তুলনামূলক পদ্ধতিৰ সহায় লোৱাটো বিশেষ প্ৰয়োজন।

**১.৮ ভাৰতীয় সাহিত্যত প্ৰতিফলিত ভাৰতীয় মন আৰু ভাৰতীয় সমাজ-সংস্কৃতিৰ অধ্যয়ন ঃ**

ভাৰতৰ বিভিন্ন ভাষাৰ গল্প-উপন্যাসসমূহৰ মাজত ভাৰতীয় জনজীৱনৰ প্ৰতিফলন দেখা যায়। ভাৰতবৰ্ষৰ বেছিসংখ্যক লোকেই গাঁৱত বাস কৰে। সেয়ে ভাৰতীয় প্ৰাণৰ স্পন্দন গাঁওসমূহত আছে বুলি কোৱা হয়। গাঁওসমূহৰ মানুহৰ সুখ-দুখ, আশা-সপোন আৰু জীৱন সংগ্ৰামৰ মাজেৰে প্ৰতিফলিত মানৱীয় মূল্যবোধৰ ছবিখনে সমগ্ৰ দেশখনৰ জনসাধাৰণৰ জীৱন চিত্ৰ দাঙি ধৰে। এই ছবিসমূহ আঞ্চলিক

হৈও জাতীয়। সেয়েহে কোনো কোনো ভাৰতীয় ঔপন্যাসিকে ভাৰতীয় জনজীৱনৰ প্ৰকৃত ছবিখন তেওঁলোকৰ উপন্যাসত দাঙি ধৰাৰ বাবে গ্ৰাম্য পটভূমি বাছি লৈছে। এনে ঔপন্যাসিকসকলৰ ভিতৰত ফকীৰ মোহন সেনাপতি, প্ৰেমচান্দ, তাৰাশংকৰ বন্দোপাধ্যায়, চৈয়দ আব্দুল মালিক, বিভূতি ভূষণ বন্দোপাধ্যায় আদি অন্যতম। এই ঔপন্যাসিকসকলৰ উপন্যাসত গ্ৰাম্য জীৱনৰ মাটিৰ গোন্ধ স্পষ্ট ৰূপত পোৱা যায়। মন কৰিবলগীয়া কথা যে ভাৰতৰ অধিক সংখ্যক লোকেই কৃষিজীৱী আৰু এওঁলোক গাঁৱত বাস কৰে। ভিন্ন প্ৰান্তত বাস কৰিলেও কৃষিজীৱী গাঁৱলীয়া সমাজৰ মানুহখিনিৰ সুখ-দুখ, হাঁহি-কান্দোন, আশা-আকাংক্ষাবোৰ প্ৰায় একে হয়। সেয়ে উৰিয়া, হিন্দী বা বাংলা ভাষাত ৰচিত গ্ৰাম্য জীৱনভিত্তিক উপন্যাস এখন অসমীয়া ভাষীৰ মাজত অচিনাকি যেন নালাগে। বৰঞ্চ সেই মানুহখিনিৰ আৱেগ-অনুভূতিৰ সমভাগী কৰিহে তোলে। এনেদৰে তুলনামূলক সাহিত্যৰ অধ্যয়নে দুই বা ততোধিক জাতি-জনগোষ্ঠীৰ মানুহক ওচৰ চপাই আনিব পাৰে।

**সামৰণি ঃ**

ওপৰৰ আলোচনাসমূহৰ পৰা দেখা যায় বিভিন্ন ভাষাত ৰচিত হ'লেও ভাৰতীয় সাহিত্য একেই মূলস্ৰোত (সংস্কৃত সাহিত্য, মহাকাব্য, পুৰাণ, জাতক, লোক-সাহিত্য, দাৰ্শনিক সাহিত্য, কলা, সংগীত)ৰ পৰা প্ৰেৰণা গ্ৰহণেৰে উদ্ভৱ হৈছে। এইসমূহ ৰচনাৰ আঁৰতো প্ৰায় একেধৰণৰ আৱেগাত্মক তথা বৌদ্ধিক অনুভূতিৰ ক্ৰিয়া প্ৰচ্ছন্ন হৈ থকা দেখা যায়। তুলনামূলক অধ্যয়নৰ যোগেদি ভাৰতীয় সাহিত্যসমূহৰ মাজত ভাৰতীয়ত্বৰ সন্ধান কৰি ৰাষ্ট্ৰীয় সংহতি স্থাপন কৰিব পাৰে।

বিভিন্ন সময়ত ঘটা ৰাজনৈতিক, ধৰ্মীয় আৰু সামাজিক আন্দোলন কিছুমানে ভাৰতীয় সাহিত্যৰ গতি নিৰ্ণয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই আন্দোলনসমূহৰ প্ৰভাৱ আঞ্চলিক সাহিত্যসমূহৰ ওপৰত কিদৰে পৰিছে, আৰু তাৰ প্ৰতিফলিন কি ৰূপত ঘটিছে, সেয়াও তুলনামূলক অধ্যয়নৰ যোগেদি লাভ কৰিব পাৰি।

পূৰ্বতেই উল্লেখ কৰি অহা হৈছে যে ভাৰতীয় সাহিত্যসমূহত বেদ, পুৰাণ, মহাকাব্য, ভাৰতীয় দৰ্শন, পাশ্চাত্য দৰ্শনৰ প্ৰভাৱ পৰিলক্ষিত হয়। তুলনামূলক অধ্যয়নৰ যোগেদি আঞ্চলিক সাহিত্যসমূহে উল্লিখিত উৎসসমূহৰ পৰা কি পৰিমাণে সংগ্ৰহণ, অনুকলন, অনুকৰণ কৰিছে তাৰো উমান পাব পাৰি।

তুলনামূলক সাহিত্য অধ্যয়নে সাহিত্য কৰ্মৰ মাজত কেৱল সাদৃশ্য বিচাৰেই নকৰে, সাহিত্যৰ বিষমতাখিনি বিচাৰি উলিয়াই তাৰ স্বকীয়তাও দাঙি ধৰে। তুলনামূলক সাহিত্যৰ যোগেদি পোৱা মিলসমূহে যিদৰে ভাৰতীয় সাহিত্যক অখণ্ড ৰূপত পৰিচয় কৰাই দিছে, ঠিক একেদৰে ইয়াৰ মাজত থকা বিষমতাখিনিয়েও বিশ্বৰ সন্মুখত ভাৰতীয় সাহিত্য বৈবিধ্য আৰু বৈচিত্ৰ্যময় বুলি পৰিচয় কৰাই দিছে। ❑


**গ্ৰন্থপঞ্জী ঃ**

বৰা, দিলীপ। **তুলনাত্মক সাহিত্য**। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ। দ্বিতীয় প্ৰকাশ ঃ ২০০৮। মুদ্ৰিত।

বেজবৰা, নীৰাজনা মহন্ত। **তুলনামূলক সাহিত্য সিদ্ধান্ত আৰু প্ৰয়োগ**। ডিব্ৰুগড় ঃ বনলতা। দ্বিতীয় প্ৰকাশ ঃ ২০০৪। মুদ্ৰিত।

**পটভূমিকাত তুলনামূলক সাহিত্য**। ডিব্ৰুগড় ঃ বনলতা। প্ৰথম সংস্কৰণ। ২০০২। মুদ্ৰিত।

হাজৰিকা, কৰবী ডেকা। **তুলনামূলক সাহিত্য আৰু অনুবাদ কলা**। ডিব্ৰুগড় ঃ বনলতা।
দ্বিতীয় প্ৰকাশ। ২০১৪। মুদ্ৰিত।

Choudhuri, Indra Nath. **Comparative Indian Literature Some Perspective**
New Delhi :Sterling Publishers Private Limited.1992.Print.




ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# প্ৰাচীন কামৰূপৰ শাক্ত উপাসনা ঃ নৰকাসুৰৰ পৰা আহোম যুগলৈ এক ধাৰা



ড° গোবিন্দ বৈশ্য

সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
বিজনী মহাবিদ্যালয়
পিন-৭৮৩৩৯০
৭০০২৭১১১৪৮
gobindabaishya111@gmail.com

**সংক্ষিপ্ত সাৰ ঃ**

ভাৰতবৰ্ষৰ পূৰ্ব প্ৰান্তত থকা বৰ্তমানৰ অসম ৰাজ্যখন প্ৰাচীন কালত প্ৰাগজ্যোতিষ আৰু কামৰূপ নামেৰে জগত বিখ্যাত আছিল। কামৰূপ দেশ শক্তি উপাসনা আৰু তন্ত্র-মন্ত্ৰ তথা জ্যোতিষ বিদ্যাৰ ক্ষেত্ৰস্থান আছিল। বিভিন্ন পুৰাণ তথা প্ৰাচীন গ্ৰন্থৰ পৰা জনা যায় যে এই প্ৰাগ্‌জ্যোতিষৰ অধিপতি হয় বিষ্ণুপুত্ৰ নৰকাসুৰে। নৰকাসুৰে এই স্থানতেই প্ৰথমে শক্তি তথা দেৱী ভগৱতীৰ উপাসনা আৰম্ভ কৰে। এই দেশত শৈৱ উপাসনাৰ পৰম্পৰা নৰকৰ আগৰে পৰা আছিল বুলি জনা যায়। নৰকাসুৰে কামৰূপ পীঠত আৰম্ভ কৰা শক্তি উপাসনা পৰৱৰ্তী সময়ত এই কামৰূপ দেশত ৰাজত্ব কৰা সকলো ৰাজবংশই মানি আহিছে। কামৰূপত শক্তি আৰু শৈৱ দুয়োৰে উপাসনা চলিছিল। শৈৱ আৰু শক্তি দুয়ো অভিন্ন আছিল। নৰকে আৰম্ভ কৰা শক্তি উপাসনাৰ ধাৰা বৰ্তমালৈকে চলি আহিছে। বিভিন্ন সামাজিক, ৰাজনৈতিক ঘাত-প্ৰতিঘাতৰ মাজেদি আগবাঢ়ি আহিছে শক্তি উপাসনাই তথা দেৱী পূজা পৰম্পৰাই। আমাৰ প্ৰস্তাৱিত গৱেষণা প্ৰবন্ধটোত প্ৰাচীন কামৰূপৰ শক্তি উপাসনাৰ আৰম্ভণিৰ পৰা আহোম যুগলৈ দেৱী পূজাৰ পৰম্পৰাৰ বিষয়ে আভাষ দিবলৈ যত্ন কৰা হ'ব।

**মূল শব্দ ঃ** কামৰূপ, কামাখ্যা, শক্তি উপাসনা

**আৰম্ভণি ঃ**

মানুহে আদিতে প্ৰকৃতিক পূজা কৰিছিল। প্ৰকৃতিৰ অংশীদাৰ স্বৰূপ কিছুমান শক্তিক প্ৰত্যক্ষ কৰি তেওঁলোকে প্ৰকৃতিক পূজা কৰিছিল। সূৰ্য্য, বায়ু, অগ্নি, বৰুণ, ইন্দ্ৰ, চন্দ্ৰ, পাহাৰ-পৰ্বত, নদ-নদী, সাগৰ-মহাসাগৰ আদিক বিশ্বাস অনুযায়ী তেওঁলোকে বিধে বিধে পূজা কৰিছিল। হাজাৰ হাজাৰ বছৰ অতিক্ৰম কৰাৰ পিছত আদিম ভাৰতবাসীৰ ভৌগোলিক স্থিতি প্ৰকৃতিক পৰিৱেশ, ধৰ্মীয় বিশ্বাস, সাংস্কৃতিক ৰীতি অনুযায়ী জনগোষ্ঠীসমূহৰ উপাস্য দেৱ-দেৱী নিৰ্দিষ্ট হৈ পৰে। অসমত এনে এক প্ৰক্ৰিয়াৰ ফলত সৃষ্টি হৈছিল শাক্ত পূজা বা শাক্ত ধৰ্মৰ। শাক্ত ধৰ্মৰ মূল উপাস্য হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী ভগৱতী।

বিভিন্ন প্ৰাচীন গ্ৰন্থই প্ৰমাণ দিয়ে যে নৰকাসুৰেই প্ৰাগ্‌জ্যোতিষত প্ৰথম শক্তি উপাসনা বা দেৱী পূজাৰ আৰম্ভণি কৰিছিল। অতীতৰ পৰাই কামৰূপ শক্তি সাধনাৰ কাৰণে বিখ্যাত আৰু ফলদায়ক বুলি পুৰাণতন্ত্ৰ তথা জনসমাজত বিশ্বাস প্ৰচলিত হৈ

আহিছে। এই উপাসনা কামাখ্যা পীঠক কেন্দ্র কৰিয়েই অতীতৰ তান্ত্রিক যুগৰ পৰা আহোম যুগলৈকে নানা যাদু-মন্ত্ৰ, ইন্দ্ৰজাল আদিৰ চৰ্চাৰ প্ৰসিদ্ধি লাভ কৰি আহিছে। ভাৰতবৰ্ষৰ চাৰিখন প্ৰাচীন শক্তিপীঠৰ ভিতৰত কামৰূপ পীঠক শ্ৰেষ্ঠ মহাপীঠ বুলি কোৱা হৈছে। বাকি তিনিখন পীঠ হৈছে—পূৰ্ণগিৰি, উড্ডিয়ান আৰু জালন্ধৰ। অতি প্ৰাচীন কালৰে পৰাই কামৰূপ পীঠ শক্তি সাধনাৰ শ্ৰেষ্ঠ পীঠ হিচাপে স্বীকৃতি পাই আহিছে। কামাখ্যা তীৰ্থৰ মাহাত্ম্যই কামৰূপ পীঠক অতীতৰ পৰাই মহত্বপূৰ্ণ কৰি ৰাখিছে। এনে এখন পূণ্যস্থানত দীৰ্ঘকালীনভাৱে শাক্তধৰ্ম ব্যাপকভাৱে চৰ্চিত হৈ থকাটো স্বাভাৱিক।

**প্ৰাচীন প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ দেশ ঃ**

পবিত্ৰ ভাৰতভূমিৰ উত্তৰ-পূৰ ফালৰ বৃহৎ অঞ্চল অতি প্ৰাচীন কালৰ পৰা প্ৰাগজ্যোতিষপুৰ আৰু কামৰূপ নামেৰে জনাজাত লাভ কৰিছিল। ভাৰতীয় মহাকাব্য ৰামায়ণ, মহাভাৰত আৰু মহাপুৰাণৰ গ্ৰন্থবোৰত প্ৰাগ্জ্যোতিষপুৰ নামেৰে উল্লেখ আছে। প্ৰাগ্জ্যোতিষপুৰ অনাৰ্যসকলৰ বসতি আছিল। ইয়াৰ ৰজা অনাৰ্য আছিল। মহাভাৰতত ইয়াক ম্লেচ্ছদেশ বোলা হৈছে, ইয়াৰ শাসনকৰ্তা আছিল ভগদত্ত ৰজা। ভগদত্ত ৰজাই কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱৰ পক্ষ লৈছিল। মহাভাৰতৰ আন এঠাইত এই দেশক অসুৰৰ ৰাজ্য বোলা হৈছিল আৰু ইয়াৰ ৰজা আছিল নৰকাসুৰ আৰু মূৰ (মহাভাৰতৰ বন পৰ্ব, উদ্যোগ পৰ্ব)। মহাভাৰতৰ সভা পৰ্ব আৰু বন পৰ্বত প্ৰাগ্জ্যোতিপুৰ উত্তৰ অঞ্চলৰ ৰাজ্য বুলি উল্লেখ আছে। সভা পৰ্বত দিয়া বৰ্ণনা মতে প্ৰাগ্জ্যোতিষৰ উত্তৰে থকা অন্তৰগিৰি, বৰ্হিগিৰি আৰু উপগিৰি হিমালয় আৰু টেৰাই অঞ্চলেই হ'ব বুলি বিৰিঞ্চি কুমাৰ বৰুৱাই তেখেতৰ 'A Cultural History of Assam' গ্ৰন্থত উল্লেখ কৰিছে।

মহাকবি কালিদাসৰ 'ৰঘুবংশ'ত প্ৰাগ্জ্যোতিষপুৰ আৰু কামৰূপক একেখন ঠাইৰে দুটা বেলেগ বেলেগ নাম বুলি উল্লেখ কৰিছে—

"চকম্পে তীৰ্ণলোহিত্যে তস্মিন প্ৰাগ্জ্যোতিযেশ্বৰঃ

তমীশঃ কামৰূপাণামত্যাখণ্ডল বিক্ৰমম।।[1]

(অনু ঃ লৌহিত্যৰ লগত সংশ্লিষ্ট এই দেশ প্ৰাগ্জ্যোতিষ আৰু কামৰূপ এই উভয় নামেৰে বিখ্যাত আছিল)।

পণ্ডিতসকলে অনুমান কৰে যে 'পুৰণি প্ৰাগ্জ্যোতিষপুৰ ৰাজ্যৰ ভিতৰত কেৱল কামৰূপ ৰাজ্যই নহয় উত্তৰ বঙ্গ আৰু উত্তৰ বিহাৰৰ ভালেমানখিনি ঠাই অন্তৰ্ভুক্ত আছিল' (পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা, পৃ. ১৯)। কালিদাসৰ ৰঘুবংশই প্ৰাগ্জ্যোতিষক ব্ৰহ্মপুত্ৰৰ সিপাৰে বুলি কৈছে। 'প্ৰাগজ্যোতিষৰ ৰাজধানীকো প্ৰাগ্জ্যোতিষেই বোলা হৈছিল (দেৱী, পৃ. ৩৭০)।

এই ৰাজ্যৰ অধিবাসীবোৰক ম্লেছ বুলি কোৱা হৈছে যদিও ৰামায়ণে এই ৰাজ্যৰ প্ৰতিষ্ঠাতা অমুতৰাজ বুলি কৈছে। অমুতৰাজ গয়া নৃপতিৰ পিতৃ বুলি মহাভাৰতত উল্লেখ আছে।

কালিকাপুৰাণৰ পৰা জনা যায় যে 'ভগৱান বিষ্ণুৰ বৰাহ অৱতাৰত বসুমতীৰ লগত মিলনৰ ফলত নৰকাসুৰৰ জন্ম হয় আৰু বিষ্ণুৱে নিজপুত্ৰ নৰকাসুৰক কামৰূপ দেশৰ প্ৰাগজ্যোতিষ নগৰলৈ আনিছিল।'[2] ইয়াৰ পৰা স্পষ্টভাৱে বুজা যায় কালিকাপুৰাণ ৰচনাৰ কিছুকাল আগৰে পৰা এই পূৰ্বাঞ্চলীয় দেশখন আৰু ইয়াৰ ৰাজধানী যথাক্ৰমে জনাজাত হৈছিল কামৰূপ আৰু প্ৰাগ্জ্যোতিষ নামেৰে। আকৌ এই কথাও অনুমান কৰিব পাৰি যে কুৰুক্ষেত্ৰ যুদ্ধৰ কিছু আগতেই (নৰকাসুৰৰ দিনত) হয়তো কামৰূপ নামটোৱে দেশখনক বুজাইছিল আৰু প্ৰাগজ্যোতিষ বুজাইছিল ইয়াৰ ৰাজধানীক।[3] বিষ্ণু পুৰাণেও এই দেশক প্ৰাগ্জ্যোতিষ বুলিছে।[4]

অতি প্ৰাচীন কালত উত্তৰ পূৰ্বাঞ্চলীয় ভূখণ্ড বিশেষভাৱে জনাজাত আছিল প্ৰাগ্জ্যোতিষ নামেৰে, কালৰ বিৱৰ্তনত প্ৰাগ্জ্যোতিষতকৈ সম্ভৱতঃ কামৰূপ নামটোৰ প্ৰচলন বেছি হৈ উঠে আৰু পৰৱৰ্তী তান্ত্ৰিক যুগত প্ৰাগজ্যোতিষ নাম লোপ হৈ কামৰূপ নামটো ব্যাপকভাৱে প্ৰচলিত হয়। কবি ৰাজশেখৰেও প্ৰাগজ্যোতিষ নামৰ উল্লেখ কৰাৰ পৰা এই কথা ক'ব পৰা যায় যে, ১০ম শতিকামানলৈকে প্ৰাগ্জ্যোতিষ আৰু কামৰূপ এই উভয় নামৰেই প্ৰচলন আছিল, তাৰ পাছৰ পৰা এই দেশখনৰ নাম কামৰূপ নামেৰেহে জনাজাত হৈছিল।

প্ৰাচীন প্ৰাগজ্যোতিষত জ্যোতিষ চৰ্চা আৰু তন্ত্ৰ-মন্ত্ৰ বিদ্যাৰ পীঠস্থান আছিল। কালিকা পুৰাণত উল্লেখ আছে যে, ব্ৰহ্মাই ইয়াতে থাকি আকাশৰ জ্যোতিষ্ক তথা নক্ষত্ৰসমূহ সৃষ্টি কৰিছিল। সেই কাৰণে ইন্দ্ৰপুৰীসম এই নগৰৰ নাম প্ৰাগ্জ্যোতিষপুৰ (দেৱী, পৃ. ৩৭০)। প্ৰাগজোতিষ নামটোৰ প্ৰসঙ্গত ড° বিশ্বনাৰায়ণ শাস্ত্ৰীয়ে লিখিছে— "কালিকা পুৰাণে প্ৰাগ্জ্যোতিষ নামটোৰ উৎপত্তি প্ৰসঙ্গত শব্দটোৰ দুটা ভাগত ভাগ কৰিছে— প্ৰাগ্ আৰু জ্যোতিষ (A note on the relevance of the Tantras for the Socio-cultural history of Assam-Proceedings and transaction of seminar 1981, kamrup Anusandhan Samiti,



Guwahati) কালিকা পুৰাণে প্ৰাগজ্যোতিষপুৰ নামৰ সম্পৰ্কে এইদৰে উল্লেখ কৰিছে—

অস্য মধ্যেস্থিত ব্ৰহ্মা প্ৰাণ নক্ষত্ৰম সসৰ্জ ঃ

ততঃ প্ৰাগজ্যোতিষা খ্যেয়ম পুৰী শত্ৰুপুৰী সমা।

(কালিকা পুৰাণ, ৩৮/১২৩)

(অনুঃ পুৰাকালত ব্ৰহ্মাই ইয়াতে নক্ষত্ৰ পুঞ্জ সৃষ্টি কৰিছিল কাৰণে এই স্থানৰ নাম প্ৰাগজ্যোতিষপুৰ হ'ল)।

খৃষ্টীয় 4ৰ্থ শতিকাৰ সমুদ্ৰগুপ্তৰ এলাহবাদ লিপিতেই (Allahabad inscription) দেশ হিচাপে কামৰূপৰ উল্লেখ পোৱা যায়। ইয়াৰ উপৰিও হিউৱেন চাঙৰ টোকা, বানভট্টৰ 'হৰ্ষচৰিত', বিদ্যাৰণ্যৰ 'শঙ্কৰ দিগ্বিজয়' আদি গ্ৰন্থবোৰত উক্ত ভূখণ্ডক কামৰূপ বুলিছে।

প্ৰাচীন কামৰূপ দেশৰ সীমা কালিকা পুৰাণে নিৰ্ধাৰণ কৰিছে—

'বহুৰোকা নাম নদী কৰতোৱা প্ৰদক্ষিণে।

উত্তৰ স্ত্ৰাৰণী চাস্তে তৎপূৰ্ব্বং কামৰূপকম।।

(কালিকা পুৰাণ- ৭৮/৭)।

খ্ৰীষ্টীয় ১২শ শতিকাত ৰচিত যোগিনীতন্ত্ৰ গ্ৰন্থয়ো কালিকা পুৰাণৰ এই সীমাকেই মানি লৈছে—

"নেপালস্য কাঞ্চনাদ্ৰিম ব্ৰহ্মপুত্ৰস্য সঙ্গমম।

কৰতোয়াং সদাশ্ৰিত্য যাবদ্দিকৰ বাসিনী।।

উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়াতু পশ্চিমে।

তীৰ্থশ্ৰেষ্ঠা দিক্ষুনদী পূৰ্বাস্যাং গিৰিকন্যকে।।

দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষ্যায়াঃ সঙ্গমাবধি।

কামৰূপ ইতি খ্যাতঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ।।

(যোগিনীতন্ত্ৰ, ১/১১/১৭-১৮)

(অনু ঃ নেপালৰ কাঞ্চনগিৰিৰ পৰা ব্ৰহ্মপুত্ৰৰ সঙ্গমলৈ, কৰতোয়াৰ পৰা দিক্কৰ বাসিনীলৈকে থকা উত্তৰ সীমাত কঞ্জগিৰি, পশ্চিমত কৰতোয়া, পূৰ্বৰ গিৰিকন্যা তীৰ্থশ্ৰেষ্ঠ দিক্ষুনদী। দক্ষিণত লাক্ষা আৰু ব্ৰহ্মপুত্ৰৰ সঙ্গম, এয়ে কামৰূপৰ সীমা)।

প্ৰাচীন কামৰূপ তন্ত্ৰ বিদ্যাৰ মূল কেন্দ্ৰ আছিল —

"কামৰূপং মহাপীঠং গুহ্যাদগুহ্যতমং পৰং

সদা চ সংস্থিত স্তত্ৰ পাৰ্ব্বত্যাসহ শঙ্কৰ"

(কালিকাপুৰাণ, ৬২/১)

(অনু ঃ কামৰূপ মহাপীঠ। এই পীঠ গুহ্যৰো গুহ্য পৰম গোপনীয়, ইয়াত মহাদেৱ সদায় পাৰ্বতীৰ লগত বাস কৰে)।

কামৰূপ নামৰ উৎপত্তিৰ লগত পৌৰানিক কিম্বদন্তী আছে যে কামৰূপ নামটো প্ৰেমৰ দেৱতা কামদেৱৰ পৰা আহিছে। সতীৰ দেহত্যাগৰ পিছত শিৱ ধ্যানমগ্ন হোৱাত শিৱৰ ধ্যান ভংগ কৰিবলৈ দেৱতাসকলে কামদেৱ আৰু ৰতি দেৱীক পঠায়। কামদেৱে শিৱক পঞ্চশৰ মাৰি শিৱৰ ধ্যান ভংগ কৰে। ধ্যানভঙ্গ হোৱাত শিৱৰ অত্যন্ত ক্ৰোধ উৎপন্ন হয় আৰু সেই ক্ৰোধে তৃতীয় নয়নৰ বহ্নিৰূপে নিৰ্গত হৈ কামদেৱক ভস্মীভূত কৰে। পিছত কামদেৱৰ পত্নী ৰতি দেৱীৰ প্ৰাৰ্থনাত কামদেৱে নিজৰ শৰীৰ ঘূৰাই পায়। তাৰ পৰাই কামৰূপ নামৰ উৎপত্তি হোৱা বুলি কোৱা হয়।

**অসমত শক্তি উপাসনা আৰু দেৱী পূজাৰ পৰম্পৰা ঃ**

অতীজৰ পৰাই কামৰূপ শক্তি সাধনাৰ কাৰণে বিখ্যাত আৰু ফলদায়ক বুলি বিভিন্ন পূৰাণতন্ত্ৰ তথা জনসমাজত বিশ্বাস প্ৰচলিত হৈ আহিছে। এই উপাসনা কামাখ্যাক কেন্দ্ৰ কৰিয়েই অতীতৰ তান্ত্ৰিক যুগৰ পৰাই আহোম যুগলৈকে নানান যাদু-মন্ত্ৰ, ইন্দ্ৰজাল আদিৰ চৰ্চাৰে প্ৰসিদ্ধি লাভ কৰি আহিছে।

পুৰাণ শাস্ত্ৰৰ পৰা জনা যায় যে প্ৰাগজ্যোতিষত অসুৰ ৰজা নৰকাসুৰেই শক্তি উপাসনাৰ প্ৰথম সেৱক আৰু এই দেশৰ শাক্ত সম্প্ৰদায়ৰ প্ৰৱৰ্তক। নৰকাসুৰৰ জন্ম হৈছিল বৰাহৰূপী বিষ্ণুৰ ঔৰসত। সেইবাবে বিষ্ণুৱে নৰকক প্ৰাগজ্যোতিষৰ ৰজা পাতে আৰু এই বিশাল ৰাজ্য শাসন কৰিবলৈ দিয়ে। লগতে বিষ্ণুয়ে নৰকক এই বুলিও আদেশ দিয়ে— “কামাখ্যাং ত্বাং বিনা পুত্ৰ নান্যদেৱং যাজিষ্যামি”,[5] (অনু ঃ কামাখ্যাৰ বাহিৰে তুমি আন দেৱতাক পূজা নকৰিবা)। আকৌ বিষ্ণুয়ে নৰকাসুৰক এইবুলি সাৱধান বাণী শুনায়— ‘যদি এই কথাৰ ব্যতিক্ৰম ঘটে তেনেহ’লে নৰকৰ প্ৰাণ নাশ হ’ব।’[6] ফলত নৰকাসুৰ শক্তিৰ একান্ত উপাসক হৈ পৰে আৰু তেওঁৰ যোগেদিয়েই অসমত শাক্ত ধৰ্মৰ উত্থান ঘটে।

ৰজা হৈ নৰকে কামৰূপৰ আদিম অধিবাসী কিৰাতসকলক দিক্কৰবাসিনী স্থান পৰ্যন্ত খেদি পঠিয়াই। পণ্ডিতসকলে ঠিৰাং কৰিছে যে ‘নৰকাসুৰৰ ৰাজত্বৰ শেষ সীমা খ্ৰীষ্টপূৰ্ব দুহেজাৰ বছৰ।’[7] নৰকাসুৰৰ আগতে প্ৰাগজ্যোতিষপুৰত আৰ্যবসতি স্থাপন হৈছিল। আনকি নৰকেও পশ্চিমৰ পৰা দ্বিজ আনিছিল। প্ৰাচীন কামৰূপ পীঠ তান্ত্ৰিক সংস্কৃতিৰ কেন্দ্ৰ হিচাপে ভাৰতৰ ভিতৰত অদ্বিতীয় আছিল। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, কুব্জিকাতন্ত্ৰ, দেৱী ভাগৱত আদি গ্ৰন্থসমূহে কামৰূপ শক্তি সাধনা আৰু সিদ্ধি লাভৰ প্ৰশস্ত ক্ষেত্ৰ বুলি নিৰ্দেশ কৰিছে।

কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰই স্পষ্টভাৱে কৈছে যে— “দেৱী ক্ষেত্ৰং কামৰূপং বিদ্যতেহন্যন তৎসমম্ অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।”[4]

(অনু ঃ কামৰূপৰ নিচিনা আৰু কোনো ঠাই নাই, যি ঠাই দেৱীৰ আৱাসস্থানৰ কাৰণে উপযুক্ত। অন্য দেশত যি দুৰ্লভা সেই দেৱী কামৰূপৰ ঘৰে ঘৰে বিৰাজমান)

পৰৱৰ্তী সময়ত এই দেশত ৰাজত্ব কৰা সকলো ৰাজবংশই দেৱী উপাসনা অব্যাহত ৰাখিছিল।

**নৰকাসুৰৰ পূৰ্ব্বত শাক্ত উপাসনা ঃ**

কালিকা পুৰাণত বৰ্ণনা মতে— ‘স চ দেশঃ স্বৰাজ্যাৰ্থে পূৰ্ব্বাং গুপ্তশ্চ শম্ভুনা’ (কালিকা পুৰাণ- ৩৮/৯৬)। নৰকাসুৰে কামৰূপত ৰাজত্ব কৰাৰ আগৰে পৰা শিৱে এই দেশত প্ৰতিষ্ঠা লাভ কৰি আছিল। উক্ত পুৰাণখনতে আৰু এটা কথাৰ উল্লেখ পোৱা যায় যে, বিষ্ণুৱে শিৱৰ অনুমতি লৈ পূৱ দিশত কিৰাত বিলাকৰ কাৰণে স্থান নিৰ্ণয় কৰি দিয়ে—

“এৱমুক্তবা স্বয়ং বিষ্ণুঃ শম্ভোৰনুমতেঃ তদা।
সৰ্ব্বান কিৰাতান পূৰ্ব্বস্যাং সাগৰান্তে ন্যাবেশয়েৎ।।
(কালিকা পুৰাণ- ৩৯/১২১)।

(অনু ঃ স্বয়ং বিষ্ণুয়ে শিৱৰ অনুমতি লৈ সকলো কিৰাতক পূৱ দিশৰ সাগৰলৈ স্থান নিৰ্ণয় কৰি দিয়ে)।

গতিকে উক্ত পুৰাণৰ পৰা ক’ব পাৰি যে প্ৰাগ্‌জ্যোতিষত নৰকাসুৰৰ পূৰ্বে শিৱ পূজাৰ প্ৰচলন আছিল আৰু এই শিৱ উপাসনা কৰিছিল কিৰাতসকলে।

**নৰকাসুৰৰ পৰৱৰ্তী সময়ত শাক্ত উপাসনা ঃ**

নৰকাসুৰক ভগৱান বিষ্ণুয়ে কৃষ্ণ অৱতাৰত বধ কৰে। নৰকেই প্ৰথম প্ৰাগজ্যোতিষত শক্তি উপাসনাৰ আৰম্ভণি কৰে। নৰকৰ পিছত ভগদত্ত প্ৰাগ্‌জ্যোতিষৰ ৰজা হয়। ‘মহাভাৰতে ভগদত্তৰ ৰাজ্যৰ বিশালতা, সৈন্য-বল আৰু হস্তী যুদ্ধত পাৰদৰ্শিতাকে আদি কৰি অসীম বীৰত্বৰ বৰ্ণনা দিছে।’[9] ভগদত্তৰ ৰাজত্বকালৰ ধৰ্ম সম্পৰ্কে স্পষ্টভাৱে কোনো কথা মহাভাৰত, কালিকা পুৰাণ, ভাগৱত পুৰাণ আদি গ্ৰন্থত কোনো তথ্য পোৱা নাযায়।

বনমালদেৱৰ তাম্ৰশাসনত পোৱা যায় যে প্ৰাগজ্যোতিষৰ সিংহাসনত উঠিয়েই ভগদত্তই পিতৃ ৰাজ্য প্ৰসাৰণৰ উদ্দেশ্যত মহাদেৱক তপস্যা কৰিছিল।

“সম্প্ৰাপ্তে ভগদত্তঃ শ্ৰী মৎ প্ৰাগজ্যোতিষাধিনায়ত্বম্।
বিনয়ভৰেণ তদেত্য প্ৰাৰাধ্যয়দীশ্বৰং তপস্যা।।
(ইয়াত ঈশ্বৰ শব্দই মহাদেৱক বুজাইছে)

ইয়াৰ দ্বাৰা ভগদত্ত শিৱৰ উপাসক আছিল বুলি ভাবিবলৈ অৱকাশ দিয়ে। হৰগৌৰী সংবাদত পোৱা যায় যে ভগদত্তৰ মন্ত্ৰীয়ে ভগদত্তৰ আদেশ অনুসৰি এক হাজাৰ ৰূপ দি চণ্ডীপাঠ কৰাইছিল। ভগদত্তৰ ধৰ্মৰ ওপৰত পিতৃ নৰকাসুৰৰ ধৰ্মমতৰ প্ৰভাৱ পৰিছিল। গতিকে কামাখ্যাৰ দেশ প্ৰাগজ্যোতিষৰ

অধিপতি ভগদত্তক শিৱৰ উপাসক বুলি ভবাতকৈ শক্তিৰ উপাসক বুলি ভবাটো অধিক যুক্তি সঙ্গত যেন লাগে।

**তাম্রশাসনৰ যুগত দেৱী উপাসনা ঃ**

বজ্রদত্তৰ পৰা পুষ্যবৰ্মাৰ আৰম্ভলৈকে (প্ৰায় ৩৮০ খ্ৰীঃ) এই সময়ছোৱাত প্ৰাগজ্যোতিষত দেৱী উপাসনাৰ কোনো প্ৰমাণিক তথ্য পোৱা নাযায়। ভাস্কৰ বৰ্মাৰ নিধনপুৰ তাম্ৰশাসন শিৱৰ প্ৰতি বিনম্ৰ প্ৰণাম আৰু শিৱ প্ৰশস্তিৰে আৰম্ভ কৰা হৈছে—

"ওম প্ৰণম্য দেৱং শশিশেখৰং প্ৰিয়ম
পিনাকিনং ভস্মকণৈৰ্বিভূষিতম্।
ভোগীশ্বৰকৃতপৰিকৰমীক্ষণজিত কামৰূপমবিমুক্তম্।
পৰমেশ্বৰস্য ৰূপং নিজভূতিভূষিতং জয়তি।"[10]

এই তামৰ ফলিখনেই প্ৰমাণ দিয়ে যে ভাস্কৰবৰ্মা পৰম শিৱভক্ত আছিল। এই সময়ছোৱাত শাক্ত ধৰ্মৰ পৰম্পৰা কিছু দুৰ্বল হৈ পৰিছিল।

**শালস্তম্ভ আৰু প্ৰালম্ভ ৰাজবংশৰ শাক্ত উপাসনা ঃ**

কুমাৰ ভাস্কৰবৰ্মাৰ পিছত ৬৫০ খ্ৰীঃ পৰা প্ৰায় ১০০০ খ্ৰীঃলৈকে কামৰূপ শাসন কৰে শালস্তম্ভ আৰু প্ৰালম্ভই। ড° সুনীতি কুমাৰ চেটাৰ্জ্জীয়ে স্পষ্টভাৱে কৈছে যে— 'প্ৰালম্ভ ৰাজবংশৰ ৰজাসকল শৈৱ উপাসক আছিল। (কিৰাত জনকৃতি, পৃ. ৫৩)। প্ৰালম্ভ বংশৰ ৰজা বনমাল বৰ্মনৰ (৮৩৫-৮৬০ খ্ৰীঃ) তাম্ৰশাসনত থকা "কামেশ্বৰ-মহাগৌৰীৰ পৰা বুজা যায় যে তেওঁৰ (বনমালবৰ্মনৰ) আগৰ বংশৰ নহ'লেও অন্ততঃ তেওঁৰ বংশৰ অন্য ৰজাসকল শিৱ-শক্তিৰ উপাসক আছিল। সেই সময়ছোৱাত কামৰূপত শৈৱ-শাক্ত দুয়ো পৰম্পৰা সমান্তৰালভাৱে চলি আহিছিল।

**কামৰূপত শক্তিবাদৰ উত্থান ঃ**

প্ৰালম্ভ বংশৰ পিছত কামৰূপ শাসন কৰে পালবংশীয় ৰজাসকলে। পাল বংশই ১০০০ খ্ৰীঃৰ পৰা ১১২৫ খ্ৰীঃ লৈকে ৰাজত্ব কৰে। ড° সুনীতি কুমাৰ চেটাৰ্জ্জীয়ে স্পষ্টভাৱে কৈছে— "The Kamrupa Palas were Staunch Saivas" (কিৰাত জনকৃতি, পৃ. ৫৪)। এই সময়তে খ্ৰীঃ ১১ শতিকাৰ ভিতৰত কামৰূপত কালিকা পুৰাণ ৰচনা কৰে। কালিকা পুৰানত শক্তিৰ বিভিন্ন ৰূপ, সেইবোৰৰ পূজা পদ্ধতি, শক্তি সাধনাৰ বিভিন্ন পন্থা, সাধকৰ বিভিন্ন অৱস্থা, শক্তি সাধনাৰ অনেক কথা ইয়াত বৰ্ণনা কৰা হৈছে। শাক্ত ধৰ্মৰ প্ৰচাৰ তথা পৃষ্ঠপোষকতা অবিহনে এয়া সম্ভৱ নহয় যেন অনুমান কৰিব পাৰি, আনহাতে এই পৃষ্ঠপোষকতা পাল বংশৰ পৰাও অহাটো একো অসম্ভৱ নহয়।

কালিকা পুৰাণত সুশৃংখলিত নিয়মলৈ মন কৰিলে দেৱী পূজাৰ পৰম্পৰা যে আগৰ পৰা সুন্দৰভাৱে চলিছিল তাক অনুমান কৰিব পাৰি। সেই সময়ত আৱিস্কৃত হোৱা দুৰ্গা মূৰ্তিবোৰৰ পৰাও গম পোৱা যায় যে দেৱীৰ সম্পৰ্কে মানুহৰ ধাৰণা স্পষ্ট আছিল।

**বিশাল কামৰূপৰ বিভাজন ঃ**

নৰকৰ পিছত ভগদত্ত-ভাস্কৰবৰ্মাৰ দিনত কামৰূপে যি বিশাল ৰূপ লাভ কৰিছিল লাহে লাহে বিৱৰ্তনৰ মাজেদি দুৰ্বল ৰূপ লাভ কৰি খ্ৰীঃ ত্ৰয়োদশ শতিকামানত প্ৰাচীন বিশাল কামৰূপ খণ্ডিত হয়। কামৰূপৰ পৰা খণ্ডিত হৈ কৰতোৱা নদী পৰ্যন্ত কমতা ৰাজ্য গঠন হয়। খেন বংশৰ ৰজা নীলধ্বজ প্ৰথম ৰজা হয় আৰু নীলাম্বৰ শেষ ৰজা আছিল। খেন বংশই কমতা ৰাজ্য শাসন কৰে ১২১০ খ্ৰীঃৰ পৰা ১৪৯৮ খ্ৰীঃ লৈকে। কমতা ৰাজ্যৰ সমসাময়িকভাৱে কামৰূপৰ বুৰাই নদীৰ পৰা শদিয়া পৰ্যন্ত ১২৪৪ খ্ৰীঃৰ পৰা ১৫২৩ খ্ৰীঃ লৈকে চুতীয়াসকলে ৰাজত্ব কৰে। কামৰূপত ব্ৰহ্মপুত্ৰৰ দক্ষিণত কছাৰীসকলে উত্তৰ সোঁৱণশিৰিৰ পৰা দক্ষিণে কপিলীলৈকে বাৰভূঞাসকলে ৰাজত্ব কৰে। ১২২৮ খ্ৰীঃত পাটকাই পৰ্বত পাৰ হৈ আহোম ৰজা স্বৰ্গদেউ চুকাফা অসমলৈ আহে আৰু ১৮২৬ খ্ৰীঃ লৈকে সুদীৰ্ঘ ছশ বছৰ এই দেশ শাসন কৰে।

**খেন বংশী ৰজাৰ ৰাজত্বৰ সময়ৰ শাক্ত উপাসনা ঃ**

খেন বংশী ৰজাসকলৰ ৰাজত্বকাল আছিল ১২০০ খ্ৰীঃৰ পৰা ১৪৯৮ খ্ৰীঃলৈকে। খেন ৰজাসকলৰ ধৰ্মমত সম্পৰ্কে জনা নাযায় যদিও এডৱাৰ্ড গেইটৰ অসম বুৰঞ্জীৰ তৃতীয় অধ্যায়ৰ উল্লেখ মতে কমতেশ্বৰ ৰজাৰ মন্ত্ৰী দীননাথ, চন্দ্ৰভাল আৰু চন্দ্ৰশেখৰে ৰাজভৱনত হৰগৌৰী সম্বাদ পাঠ কৰিছিল। খেন বংশৰ প্ৰথম ৰজা নীলধ্বজে ব্ৰাহ্মণক মন্ত্ৰীপদত নিয়োগ কৰিছিল আৰু হিন্দু ধৰ্ম গ্ৰহণ কৰে। নীলধ্বজ ব্ৰাহ্মণ পণ্ডিতক মন্ত্ৰী পতাৰ পৰা এই ৰাজবংশ যে শাক্ত ধৰ্মাৱলম্বী আছিল তাক অনুমান কৰিব পাৰি।

**চুতীয়াসকলৰ দেৱী উপাসনা ঃ**

চুতীয়াসকল ঘোৰ শাক্ত আছিল। তেওঁলোকে কেঁচাইখাঁতী দেৱীক পূজা উপাসনা কৰিছিল। কেঁচাইখাঁতী কালীৰে এক ৰূপ আছিল। শদিয়াৰ তাম্ৰপাতৰ মন্দিৰ নিৰ্মাণ

কৰি মন্দিৰত দেৱীক প্ৰতিষ্ঠা কৰিছিল বাবে কেঁচাইখাঁতী দেৱী পৰৱৰ্তী কালত তাম্ৰেশ্বৰী নামেৰে জনাজাত হৈছিল। এই মন্দিৰত নৰবলি আৰু পশুবলি দিয়া হৈছিল। এই মন্দিৰত পূজা উপাসনাৰ বাবে ব্ৰাহ্মণ পুৰোহিত নাছিল। চুতীয়া জনগোষ্ঠীৰ দেউৰীয়ে পূজা কৰিছিল।

**কছাৰীসকলৰ শাক্ত উপাসনা ঃ**

কছাৰীসকল শাক্ত আছিল। তেওঁলোকে শক্তিৰ উপাসনা কৰিছিল। কছাৰী বুৰঞ্জী মতে আহোম ৰজা প্ৰতাপ সিংহৰ দিনত (১৬১১-১৬৪৯ খ্ৰীঃ) ভীমবল নামৰ কছাৰী ৰাজকুমাৰ এজনে আহোম ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ প্ৰস্তুত হয় আৰু কেঁচাইখাঁতী দেৱীৰ পূজা কৰি যুদ্ধত জয়লাভ কৰিছিল। সকলো কছাৰী ৰজা কেঁচাইখাঁতীৰ ভক্ত আছিল নে নাই সেই কথা স্পষ্টভাৱে নক'লেও অন্ততঃ কছাৰী ৰাজবংশৰ লোকসকল দেৱীৰ একান্ত ভক্ত আছিল। সূৰ্য্যকুমাৰ ভূঞাৰ মতে— 'We have definite evidence to prove that the Kecaikhati Gosani of Sadiya was the futelary deity of the royal family of Kachari (কছাৰী বুৰঞ্জীৰ ভূমিকা, পৃ. XVIII)। কেঁচাইখাঁতী দেৱীলৈ কছাৰী ৰাজবংশৰ ভক্তিপূৰ্ণ আনুগত্যলৈ চাই শদিয়া অঞ্চল কোনো সময়ত কছাৰীয়ে শাসন কৰিছিল যেন লাগে।

**ভূঞাসকলৰ শাক্ত উপাসনা ঃ**

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে যিসকল ভূঞাই ৰাজত্ব কৰিছিল তেওঁলোকে দেৱী উপাসক আছিল। বুৰঞ্জী আৰু চৰিত পুথিত এই সম্বন্ধে তথ্য পোৱা যায়।

**জয়ন্তীয়াসকলৰ শাক্ত উপাসনা ঃ**

জয়ন্তীয়া বুৰঞ্জীৰ পৰা জনা যায় যে এই বংশৰ ৰজাবিলাক শাক্ত উপাসক আছিল। জয়ন্তীৰ ৰজা জয়ন্তী ৰায়ে গৌৰীৰ উপাসনা কৰি কন্যা জয়ন্তী দেৱীক লাভ কৰিছিল। জয়ন্তীয়া বুৰঞ্জীত দিয়া জয়ন্তীয়া ৰজাসকলৰ বংশ তালিকামতে এই জয়ন্তী দেৱী জয়ন্তীয়া ৰজা যশমাণিকৰ সপ্তম পূৰ্ব পুৰুষ। যশমাণিক ১৬১১ খ্ৰীঃৰ পৰা ১৬৪৯ খ্ৰীঃ লৈকে ৰাজত্ব কৰা আহোম ৰজা প্ৰতাপ সিংহৰ সমসাময়িক ৰজা আছিল বুলি জয়ন্তীয়া বুৰঞ্জীৰ ১ ম অধ্যায়ত উল্লেখ আছে। ১৫শ শতিকাৰ পৰা জয়ন্তীয়া ৰাজ্যত দেৱী উপাসনা আৰু দুৰ্গা মূৰ্ত্তিৰ প্ৰচলন হৈছিল।

**আহোমৰ ৰাজত্বৰ শক্তি উপাসনা আৰু দেৱী পূজাৰ পৰম্পৰা ঃ**

প্ৰতাপ সিংহৰ পৰা ৰুদ্ৰ সিংহলৈকে সকলো আহোম ৰজা হিন্দু প্ৰবৃত্তিসম্পন্ন আছিল। তেওঁলোকৰ সকলোৰেই শক্তি বা শৈৱ ধৰ্মৰ প্ৰতি অনুৰক্ত আছিল। আহোম ৰজা জয়ধ্বজ সিংহই নিৰঞ্জনদেৱক আউনিহাটী বৈষ্ণৱ সত্ৰৰ সত্ৰাধিকাৰ পদত বহুৱাই আৰু তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। আহোমৰ অন্যতম প্ৰসিদ্ধ ৰজা গদাধৰ সিংহ শাক্ত ধৰ্মৰ বিশেষ অনুৰাগী আৰু পৃষ্ঠপোষক আছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই শাক্তধৰ্ম গ্ৰহণ কৰা নাছিল যদিও পুতেকহঁতক শাক্তধৰ্ম গ্ৰহণ কৰিবলৈ কৈ গৈছিল। শিৱ সিংহৰ দিনত শাক্ত ধৰ্মৰ উত্থান অসম বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা। শিৱ সিংহই পিতৃ ৰুদ্ৰসিংহৰ আদেশমতে কৃষ্ণৰাম ভট্টাচাৰ্যৰ ওচৰত শাক্ত ধৰ্মৰ শৰণ লয়। শিৱসিংহৰ পৰৱৰ্তী আহোম ৰজা ৰাজেশ্বৰ সিংহ, লক্ষ্মীনাথ সিংহ গৌৰীনাথ সিংহও শাক্ত পন্থী আছিল। শংকৰদেৱৰ সমসাময়িক সমাজতো শাক্ত ধৰ্মৰ অশেষ প্ৰভাৱ আছিল। বিভিন্ন সামাজিক-ৰাজনৈতিক কাৰণত আহোম আৰু কোচ ৰাজ্যৰ মাজত সম্বন্ধ স্থাপন হোৱাৰ পিছত কোচ ৰাজ্যৰ পৰা আহোম ৰাজ্যলৈ মাটিৰ মূৰ্ত্তি নিৰ্মাণ কৰা মানুহক লৈ অহা হৈছিল আৰু আহোম ৰাজ্যত জাক-জমকতাৰে দুৰ্গা পূজা কৰা হৈছিল।

মোৱামৰীয়া বিদ্ৰোহ, ৰাজেশ্বৰ সিংহৰ পিছৰ পৰা স্বৰ্গদেউসকলৰ দুৰ্বলতা, মহাপুৰুষ শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনৰ ক্ৰমবিকাশ, বিভিন্ন ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক কাৰণত শাক্তধৰ্মৰ যি উত্তাল তৰঙ্গময় স্ৰোত আছিল সেয়া লাহে লাহে দুৰ্বল হৈ আহে। আহোম ৰাজত্বৰ শেষৰফালে বৈষ্ণৱ ধৰ্মৰ উত্থানত শাক্ত ধৰ্মই কিছু স্তিমিত হৈ পৰিছিল।

**কোচ ৰজাৰ সময়ত শাক্ত উপাসনা ঃ**

কামৰূপৰ পশ্চিমাংশত অৱস্থিত কোচ ৰাজ্যৰ ৰজাসকল প্ৰথমৰ পৰাই শিৱ আৰু শক্তিৰ উপাসক আছিল। কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা বিশ্বসিংহ শিৱ আৰু দুৰ্গাৰ উপাসক আছিল। 'বিশ্বসিংহই নিলাচল পাহাৰৰ কামাখ্যা মন্দিৰ নিৰ্মাণ কৰায় আৰু ইয়াত পূজা-সেৱাৰ যথোচিত ব্যৱস্থা কৰি দিয়ে।'[11] বিশ্বসিংহৰ পুত্ৰ নৰনাৰায়ণ নিজে শাক্তধৰ্মী আৰু শাক্তধৰ্মৰ এজন শ্ৰেষ্ঠ পৃষ্ঠপোষক আছিল। গৌড়ৰ নৱাবৰ সেনাপতি কালাপাহাৰে ধ্বংস কৰি যোৱা কামাখ্যা মন্দিৰ নৰনাৰায়ণ আৰু ভাতৃ চিলাৰায়ে পুনৰ নিৰ্মাণ কৰায়। মন্দিৰৰ

প্ৰাণ প্ৰতিষ্ঠা উৎসৱত দুয়ো ভাতৃয়ে উপস্থিত থাকি এক লক্ষ বলি দি মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা উৎসৱ পালন কৰে বুলি 'দৰং ৰাজবংশাৱলী'ত উল্লেখ আছে। মন্দিৰৰ পূজা-সেৱাৰ বাবে ১৪০ জন পাইকক তাম্ৰফলি দি বিভিন্ন কৰ্ম সম্পাদনাৰ কাৰণে নিয়োগ কৰে।

কামাখ্যা মন্দিৰত প্ৰৱেশ গৃহৰ বেৰত খোদিত শিলৰ ফলিৰ পৰা জনা যায় যে গুণশালী ৰজা নৰনাৰায়ণ কামাখ্যা দেৱীৰ উপাসক আছিল, তেওঁৰ গুণৱন্ত ভায়েক চিলাৰায়ে দেৱী পূজাৰ কাৰণে ১৪৮৭ শকত এই মন্দিৰ নিৰ্মাণ কৰিছিল।

নৰনাৰায়ণৰ পৰৱৰ্তী কোচ ৰজাসকলেও শিৱ আৰু শাক্তৰ উপাসক আছিল যদিও ধৰ্মীয় দিশত তেওঁলোক উদাৰ আছিল। শৈৱ-শাক্তৰ উপৰিও বৈষ্ণৱ ধৰ্মও সমমৰ্যাদা লাভ কৰিছিল। এই কোচ ৰাজ্যতে বৈষ্ণৱ গুৰু শংকৰদেৱ, মাধৱদেৱ, দামোদৰদেৱকে ধৰি বিভিন্ন বৈষ্ণৱ পণ্ডিতে নিজৰ বহু মূল্যবান সাহিত্যৰাজি ৰচনা কৰিছিল। খৃষ্টীয় ষোড়শ শতিকাৰ আদিভাগৰ পৰা সপ্তদশ শতিকাৰ আৰম্ভণিলৈকে কোচ ৰাজ্যত শাক্ত ধৰ্মৰ পয়োভৰ আছিল।

**সামৰণি ঃ**

প্ৰাগজ্যোতিষত নৰকৰ আগৰে পৰাই শাক্ত উপাসনাৰ ক্ষীণ সুতি এটা প্ৰবাহিত হৈ আছিল যদিও নৰকে প্ৰাগজ্যোতিষৰ অধিপতি হোৱাৰ পিছত শাক্ত উপাসনাৰ বিস্তৃতি লাভ কৰিলে। কেইবা হাজাৰ বছৰৰ পূৰ্বৰে পৰা অসমত শৈৱ আৰু শাক্ত অৰ্থাৎ শিৱ আৰু শাক্ত অৰ্থাৎ শিৱ আৰু দেৱী ভগৱতীৰ আৰাধনা চলিছিল। শিৱ মূলতঃ আছিল অনাৰ্যসকল দেৱতা। নৰকে শৈৱ উপাসকসকলক দিক্কৰলৈ খেদি প্ৰাগজ্যোতিষত শক্তিৰ আৰাধনা আৰম্ভ কৰিলে। নৰকৰ পিছত এই ভূখণ্ডত ৰাজত্ব কৰা বিভিন্ন ৰাজবংশ আৰু ৰজাসকলে শৈৱ আৰু শাক্তৰ উপাসনা কৰিছিল। কিছু ৰাজবংশই দেৱী ভগৱতীক কুলদেৱতা ৰূপে পূজা কৰিছিল। খ্ৰীঃ পঞ্চদশ শতিকাৰ পিছত মহাপুৰুষ শংকৰদেৱৰ নৱবৈষ্ণৱ ধৰ্মই অসমৰ জনজীৱনত প্ৰসাৰ লাভ কৰিলে। শাক্ত ধৰ্ম, শৈৱ ধৰ্মৰ উপাসনাৰ লগতে শংকৰদেৱৰ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মই বিভিন্ন বাধা-বিঘিনিৰ মাজেৰে পথ অতিক্ৰম কৰিছিল। ❑

---

**প্ৰসঙ্গ টীকা ঃ**

১। *মাৰ্কণ্ডেয় পুৰাণ*, ৫৫/১৩, পঞ্চানন তৰ্কৰত্ন সম্পাদিত
২। নিমজ্য ক্ষণমাত্ৰে প্ৰাগজ্যোতিষ পুৰংগতঃ
মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা (কালিকা পুৰাণ ৩৮/৯৫)
৩। হৰিনাথ শৰ্মা দলৈ, *অসমত শাক্ত সাধনা আৰু শাক্ত সাহিত্য*, পৃ. ২
৪। ঐ, পৃ. ২
৫। বিমল মজুমদাৰ, *পুৰাণৰ পৰিচয়*, পৃ. ৩০
৬। ঐ, পৃ. ৩১
৭। ৰমেশ বৰা, *প্ৰাচীন অসমত শাক্ত উপাসনা*, পৃ. ১৭৫
৮। বিমল মজুমদাৰ, *পুৰাণৰ পৰিচয়*, পৃ. ৩২
৯। *মহাভাৰত* সভা পৰ্ব, অধ্যায় ২৬, দ্ৰোণ পৰ্ব, অধ্যায় ২৬
১০। হৰিনাথ শৰ্মা দলৈ, *অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য*, পৃ. ৩৩
১১। হৰিনাথ শৰ্মা দলৈ, পূৰ্বোক্ত, পৃ. ৫৪

**গ্ৰন্থপঞ্জী ঃ**

কাকতি, বাণীকান্ত ঃ *পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা*, বাণী প্ৰকাশ মন্দিৰ, গুৱাহাটী, দ্বিতীয় প্ৰকাশ, ২০১২
গোস্বামী, উপেন্দ্ৰনাথ ঃ *বৈষ্ণৱ ভক্তিধাৰা আৰু সন্ত-কথা*, মণি-মাণিক প্ৰকাশ, গুৱাহাটী, সপ্তম সংস্কৰণ, ২০১২
দাস, উমেশ ঃ *সাহিত্য সংস্কৃতি মুকুৰ*, সাহিত্য চ'ৰা, অসমীয়া বিভাগ, কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়, ২০১৪
বৰদলৈ, নিৰ্মলপ্ৰভা ঃ *দেৱী*, সাহিত্য প্ৰকাশ, ট্ৰিবিউন বিল্ডিংছ, গুৱাহাটী, পঞ্চম প্ৰকাশ, ২০০৭
মজুমদাৰ, বিমল ঃ *পুৰাণৰ পৰিচয়*, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, ২০০২
শৰ্মা, তীৰ্থনাথ ঃ *ভক্তিবাদ*, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, চতুৰ্থ সংস্কৰণ, ২০১১
শৰ্মা দলৈ, হৰিনাথ ঃ *অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য*, পদ্মপ্ৰিয়া লাইব্ৰেৰী, নলবাৰী, চতুৰ্থ প্ৰকাশ, ২০০৭
হাজৰিকা, পৰীক্ষিত ঃ *শ্ৰী শ্ৰী চণ্ডী*, ডালিমী প্ৰকাশন, গুৱাহাটী, ১৯৯৫

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# একবিংশ শতিকাৰ প্ৰথম দুটা দশকত অসমীয়া ভাষালৈ অহা পৰিৱৰ্তন ঃ এক সমাজভাষাতাত্ত্বিক আলোচনা



ড° কাকলি গগৈ

সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
কটন বিশ্ববিদ্যালয়, গুৱাহাটী-০১
✆ ৮০১১০০০৬৭০

১.০ মানৱ জীৱনৰ ভাৱৰ আদান-প্ৰদানৰ বাবে ভাষা অত্যাৱশ্যকীয় অংগ। অন্যান্য বৈশিষ্ট্যৰ দৰে ভাষিক গতিশীলতা এটা ভাষাৰ অন্যতম বৈশিষ্ট্য। প্ৰকৃততে সময় পৰিৱৰ্তনৰ লগে লগে প্ৰতিটো ভাষালৈ বিভিন্ন পৰিৱৰ্তন আহে। পাৰিপাৰ্শ্বিক প্ৰভাৱৰ লগতে বিভিন্ন সামাজিক সাংস্কৃতিক কাৰণে ভাষা এটালৈ পৰিৱৰ্তন কঢ়িয়াই আনে। ভাষা আৰু পৰিৱৰ্তন সম্পৰ্কে ফাৰ্ডিনাণ্ড ডি চচ্যুৰে কৈছে—

"Time changes all things, there is no reason why language should escape this universal law."[1]

বাঁৱতী নদীৰ পানী যিদৰে আৱদ্ধ হৈ থাকিব নোৱাৰে, ঠিক একেদৰেই জীৱন্ত ভাষা এটাও কেতিয়াও একেখিনি বৈশিষ্ট্যৰ মাজতেই আৱদ্ধ হৈ থাকিব নোৱাৰে। গতিশীলতা তথা পৰিৱৰ্তনশীলতাই পুৰণি বৈশিষ্ট্যক নতুন ৰূপত উপস্থাপন কৰে। পৰিৱৰ্তন অবিহনে এটা ভাষাৰ মৃতপ্ৰায় অৱস্থা হয়। ভাষাবিধ Rosalie Maggioই ভাষাৰ এনে অৱস্থা প্ৰত্যক্ষ কৰি কৈছে যে—

"If there's one thing consistent about language it is that it is constantly changing. The only languages that do not change are those whose speakers are dead."[2]

গতিকে দেখা যায় যে পৰিৱৰ্তন ভাষাৰ জীৱন্ত অৱস্থাৰ বাবে অনস্বীকাৰ্য। ব্যৱহাৰ তথা পৰিৱেশৰ ওপৰত ভিত্তি কৰি এই পৰিৱৰ্তন আহে। অন্যথা ভাষা এটা মৃত অৱস্থালৈ ধাবিত হয়। অসমীয়া ভাষালৈ বিভিন্ন কাৰণত সময়ৰ সোঁতত বিভিন্ন পৰিৱৰ্তন অহা দেখিবলৈ পোৱা যায়। যুগ যুগ বিভিন্ন কাৰণত যিদৰে পুৰণি অসমীয়া ভাষাৰ ৰূপ সলনি হৈ আধুনিক অসমীয়া ভাষাৰ ৰূপ পাইছিল ঠিক একেদৰেই আধুনিক অসমীয়া ভাষাৰ বাটকটীয়া অৰুণোদয়-জোনাকী যুগৰ ভাষাৰ পৰা অতি সাম্প্ৰতিক আধুনিক অসমীয়া ভাষাটো বিভিন্ন পৰিৱৰ্তন স্পষ্ট ৰূপত দেখা পোৱা যায়। বিশেষকৈ একবিংশ শতিকাৰ প্ৰথম দুয়োটা দশকত সামাজিক, সাংস্কৃতিক তথা মূল্যবোধ পৰিৱৰ্তনৰ ফলত অসমীয়া ভাষাত কিছুমান খৰতকীয়া পৰিবৰ্তন লক্ষ্য কৰা যায়। এই পৰিৱৰ্তনে ইতিবাচক আৰু নেতিবাচক উভয় ধৰণৰ ফলাফল কঢ়িয়াই অনা দেখা যায়।

২.১ একবিংশ শতিকাৰ যোৱা দুটা দশকত অসমীয়া ভাষালৈ অহা পৰিৱৰ্তনসমূহ বিভিন্ন কাৰণত সংঘটিত হৈছে। এই পৰিৱৰ্তনসমূহ ভাষাটোৰ মূল গাঁঠনিলৈও প্ৰশ্ন উত্থাপিত কৰা দেখা হৈছে। সামাজিক, সাংস্কৃতিক, শৈক্ষক বিভিন্ন দিশত অহা এই

পৰিৱৰ্তনসমূহক আমি বিভিন্নধৰণে ভাগ কৰিব পাৰোঁ। সেইবোৰ এনেধৰণৰ—

২.১.১. নৱপ্ৰজন্মৰ প্ৰকাশভংগী

২.১.২. ডিজিটেল মিডিয়াৰ-প্ৰভাৱ

২.১.৩. সামাজিক মাধ্যম বা চ'ছিয়েল মেডিয়াৰ প্ৰভাৱ

২.১.৪. অন্য ভাষাৰ আধিপত্য

২.১.৫. সাংস্কৃতিক পৰিৱৰ্তন/মূল্যবোধৰ পৰিৱৰ্তন

২.১.১. অসমীয়া ভাষালৈ পৰিৱৰ্তনৰ বতাহজাক বোৱাই অনা প্ৰধান কাৰকেই হ'ল নৱপ্ৰজন্মৰ প্ৰকাশভংগী। সাধাৰণতে ভাষা এটালৈ পৰিবৰ্তন দুই ধৰণে আহে আভ্যন্তৰীণ ৰূপত আৰু বাহ্যিক ৰূপত। আভ্যন্তৰীণ পৰিৱৰ্তন নিৰ্দিষ্ট এখন সমাজত বসবাস কৰা এটা গোটৰ জৰিয়তে সম্পাদিত হয় আৰু বাহ্যিক পৰিৱৰ্তন এটা ভাষাৰ ওপৰত আন এটা ভাষাৰ প্ৰভাৱৰ ফলত সংঘটিত হয়। নৱপ্ৰজন্মৰ প্ৰকাশভংগী আভ্যন্তৰীণ পৰিৱৰ্তনৰ অন্তৰ্গত। এই পৰিৱৰ্তনক আমি কিছুমান ভাগত ভাগ কৰি দেখুৱাব পাৰোঁ—

২.১.১.১. ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব

২.১.১.২. শব্দভাণ্ডাৰ

২.১.১.৩. টেবু বা নিষিদ্ধ শব্দৰ প্ৰয়োগ

২.১.১.৪. শব্দৰ সানমিহলি/মিশ্ৰিত ভাষা

২.১.১.৫. বাক্যগঠন প্ৰণালী

২.১.১.১. ভাষা এটাৰ প্ৰাথমিক ৰূপটো ধ্বনিতত্ত্বৰ আৰু ৰূপতত্ত্বৰ মাজত লুকাই থাকে। বৰ্তমান সামাজিক আৰু শৈক্ষিক পৰিৱেশে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশলৈও পৰিৱৰ্তন কঢ়িয়াই অনা দেখা যায়। বিভক্তি, নিৰ্দিষ্টবাচক প্ৰত্যয়, সৰ্বনাম, বিশেষ, কাল আদি ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব সৰু সৰু উপাদানসমূহ আধুনিক অসমীয়া নৱপ্ৰজন্মৰ মুখত পৰি পৰিৱৰ্তিত ৰূপ লাভ কৰাৰ লগতে ই বিকৃত ৰূপ লাভ কৰিছে। প্ৰকৃত অৰ্থত এই ৰূপবোৰো অস্তিত্বৰ গৰাহত। উদাহৰণস্বৰূপে—

বিভক্তি - শুদ্ধৰূপ— মই কালিলৈ গুৱাহাটীলৈ যাম।

ব্যৱহাৰিক ভুল ৰূপ— মই কালি গুৱাহাটী যাম।

নিৰ্দিষ্টবাচক প্ৰত্যয়—মোৰ ল'ৰাজনী

বৰ ভাল— ব্যৱহাৰিক ভুল ৰূপ

মোৰ ল'ৰাটো বৰ ভাল— শুদ্ধ ৰূপ

মোৰ ছোৱালীজনী বৰ ভাল— শুদ্ধ ৰূপ

এই ভুল কেতিয়াবা উদ্দেশ্যপ্ৰণোদিত কেতিয়াবা নজনাকৈ ভাষাজ্ঞান নথকাৰ বাবে ভুল। যোৱা কেইবছৰ মানত 'মতা মাছ' 'মাইকী মাছ'ৰ বিতৰ্কও ইয়াৰপৰা ভিন্ন নহয়।

পুৰণি অসমীয়া ভাষাত লিংগ অনুযায়ী পুৰুষ আৰু নাৰীৰ মাজত নামৰ ভিন্নতা আছিল। বহুসময়ত ব্যক্তিগৰাকীৰ নামেই নাৰী নে পুৰুষ সেই কথা স্পষ্ট কৰি দিছিল। কিন্তু বৰ্তমানৰ এনে বহু নাম প্ৰচলিত যাৰ সহায়ত লিংগ নিৰ্ধাৰণ কৰা সম্ভৱ নহয়। যেনে— ৰূপজ্যোতি, নৱজ্যোতি, জোনাক, জিকমিক ইত্যাদি।

নাম চুটি কৰাৰ প্ৰৱণতাৰ বাবেও বহুসময়ত লিংগ নিৰ্ধাৰণ কৰা টান হৈ পৰে। উদাহৰণস্বৰূপে— অভি বুলিলে মাতিলে আপুনি অভিজিতক মাতিছে নে অভিলাষাক মাতিছে বা জ্যোতি বুলি মাতিলে জ্যোতিমাক মাতিছে নে জ্যোতিষ্মানক মাতিছে নিৰ্ণয় কৰিব নোৱাৰে। ইয়াৰ বাহিৰেও অসমীয়া ভাষাত স্বৰধ্বনি হিচাপে ব্যৱহাৰ হোৱা ই, ঈৰ পাৰ্থক্যহীনতা লক্ষ্য কৰা যায়। বহুসময়ত 'ঈ'ব ব্যৱহাৰ বাদ দিয়াৰ দৰে হৈছে।

সেইদৰে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষাকৰোঁতা 'ৱ' ধ্বনিটোও বৰ্তমান বহুতৰ বাবে এলাগী 'ৱ' ধ্বনিৰ ক্ষেত্ৰত ব্যৱহাৰৰ সংশয়ৰ বাবে ইয়াৰ ব্যৱহাৰ কমি অহা দেখা গৈছে। উদাহৰণস্বৰূপে— পৰিৱৰ্তন - পৰিবৰ্তন

ভুৱন - ভুবন

২.১.১.২. ভাষা এটাৰ শব্দসমূহ শব্দভাণ্ডাৰ মাজত সংৰক্ষিত হৈ থাকে। সময়ৰ সোঁতত প্ৰতিটো ভাষালৈ নতুন নতুন শব্দৰ আমদানি ঘটা দেখা যায়। অসমীয়া ভাষাও ইয়াৰ পৰা পৃথক নহয়। ইন্দো ইউৰোপীয় পৰিয়ালৰ আধুনিক ভাৰতীয় আৰ্য ভাষাৰ অন্তৰ্গত অসমীয়া ভাষাৰ শব্দভাণ্ডাৰত যিমানধৰণৰ বিচিত্ৰতা দেখিবলৈ পোৱা যায় আন আধুনিক ভাৰতীয় আৰ্যভাষাত ইমান বিচিত্ৰতা হয়তো দেখা পোৱা নাযায়। অসমীয়া ভাষাত আৰ্য হিন্দী, মাৰোৱাৰী, বিহাৰী, বঙালী আদি ভাষাৰ লগতে বৰো, ৰাভা, মিছিং, তিৱা, দেউৰী আদি অনাৰ্য ভাষাৰো প্ৰভাৱ লক্ষ্য কৰা যায়। একবিংশ শতিকাৰ যোৱা দুটা দশকত এই উভয় শ্ৰেণীৰ ভাষাৰ মিশ্ৰিত প্ৰভাৱ লক্ষ্য কৰা যায়। বিশেষকৈ নৃগোষ্ঠীয় ভাষাসমূহৰপৰা অসমীয়া আৰু নৃগোষ্ঠীয় ভাষ্য মিশ্ৰিত নৃগোষ্ঠীয় উপভাষাৰ বিভিন্ন শব্দই অসমীয়া ভাষাৰ ভাষাৰ শব্দভাণ্ডাৰক সমৃদ্ধ

কৰিছে। অৱশ্যে এই শব্দসমূহে সাংবিধানিক স্বীকৃতি লাভ কৰা নাই।

একবিংশ শতিকাৰ আৰম্ভণীৰ কালছোৱাৰপৰা অসমীয়া সমাজৰ নৱপ্ৰজন্মৰ মাজত কিছুমান শব্দ নতুনকৈ চৰ্চিত হ'বলৈ আৰম্ভণী কৰিছিল। প্ৰথম অৱস্থাত সমীহজনিত কাৰণত এই শব্দসমূহ মুকলিকৈ ব্যৱহাৰ কৰা নহৈছিল যদিও বৰ্তমান সময়ত ইয়াৰে কিছু শব্দই ব্যাপক জনপ্ৰিয়তা লাভ কৰা দেখা যায়। ইয়াৰ বিপৰীতে একেসময়তে উদ্ভৱ হোৱা কিছুমান শব্দ বৰ্তমানো মুকলিকৈ ব্যৱহাৰ কৰা নহয়। উদাহৰণস্বৰূপে— কামোৰ, বিন্দাচ, বে, আবে এইকেইটা শব্দ সমসাময়িভাৱেই সৃষ্টি হৈছিল। বিন্দাচ আৰু কামোৰে জনপ্ৰিয়তা লাভ কৰি জনসমাজত মুকলিকৈ স্বীকৃত হোৱাৰ লগতে অভিধানতো এই শব্দ দুটাই স্থান কৰিলে। কিন্তু একেধৰণে সৃষ্টি হোৱা বে, আবে সীমিত পৰিসৰৰ মাজত ৰৈ গ'ল। সেইদৰে বৌদ্ধিক মহলত 'শ্যেকচপীয়েৰ নে চ্যেকচপীয়েৰ' এই লৈ হোৱা বিতৰ্কও শব্দভাণ্ডাৰত সৃষ্টি হোৱা বিভ্ৰান্তিৰ অন্য এক উদাহৰণ।

ইয়াৰ বাহিৰেও মোবাইল ফোনৰ আগমনৰ লগে লগে অসমীয়া ভাষাৰ শব্দভাণ্ডাৰলৈও নতুন নতুন শব্দৰ আগমন ঘটিল। মোবাইল এছএমএছৰ চুটি ভাষাই ইংৰাজী ভাষাৰ দৰে অসমীয়া ভাষাৰ শব্দও চুটি কৰিবলৈ বহুসমূহ শব্দবোৰ বিকৃত কৰি পেলোৱাৰ দৰে অৱস্থা হ'ল।

ভাষাবিধ Jodd Rutumanএ মানুহৰ প্ৰকৃতি সম্পৰ্কে কৈছে—

"It is the things in common that make relationships enjoyable, bit it is the little differences that make them interesting."[3]

অসমীয়া আধুনিক মানুহৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। শব্দবোৰ বেছি উপভোগ্য আৰু ব্যৱহাৰৰ সুবিধালৈ চাই চুটি কৰাৰ বাবে বহুতো শব্দ বহুসময়ত বুজি পোৱাই টান হৈ পৰে।

২.১.১.৩ টেবু বা নিষিদ্ধ শব্দৰ ব্যৱহাৰেও অসমীয়া ভাষাক নতুন মাত্ৰা প্ৰদান কৰিছে। ভাষাত টেবুৰ ব্যৱহাৰ সম্পৰ্কে কোৱা হৈছে—

"Word taboo, also called taboo language, language taboo or linguistic taboo is a kind of taboo that involves restricting the use of words or other parts of language due to social constraints."[4]

অৰ্থাৎ সমাজত মুকলি যিবোৰ শব্দৰ ব্যৱহাৰ কৰিব নোৱাৰি সেই শব্দবোৰেই টেবু। অসমীয়া সমাজত এনেধৰণৰ বহুতো টেবু শব্দৰ সৃষ্টি হৈছে যিবোৰ শব্দই কিছু অসমীয়াৰ স্খলিত মূল্যবোধৰ আঁহি দাঙি ধৰাত সহায় কৰিছে।

২.১.১.৪. শব্দৰ সানমিহলি অসমীয়া ভাষাৰ এক নতুন উপাদান। এনে সানমিহলিৰ ফলত এনে এক মিশ্ৰিত ভাষাৰ সৃষ্টি হৈছে যে একেটা বাক্যতে অসমীয়া, হিন্দী, বঙালী, ইংৰাজী আদি বিভিন্ন ভাষাৰ শব্দ ব্যৱহাৰ কৰা হয়। ব্যৱহাৰ কৰোঁতা বা ভাষ্য কওঁতাই ইচ্ছাকৃতভাৱে আৰু বহুসময়ত নজনাকৈ এই শব্দবোৰৰ ব্যৱহাৰ কৰে। আধুনিকতাৰ নামত বহুত নতুন শব্দ আমি গ্ৰহণ কৰাৰ লগতে অসমীয়া ভাষাৰ শব্দৰ লগত ইয়াৰ সংমিশ্ৰণ ঘটাওতে এক প্ৰকাৰ মিশ্ৰিত অসমীয়া ভাষাৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে— মোৰ বহুত ছাৰা ফ্ৰাচটেচন হৈ গৈছে বে।

ইয়াত ইংৰাজী, হিন্দী, অসমীয়া, বঙালী আদি বিভিন্ন ভাষাৰ শব্দ ব্যৱহাৰ কৰি বাক্যটো কোৱা হৈছে। বৰ্তমান পৰিস্থিতিত এনে বাক্যই শ্ৰোতাৰ মুখত সুলভ। শুদ্ধ অসমীয়া বাক্য ব্যৱহাৰৰ ক্ষেত্ৰত গুৰুত্বহীনতাৰ ফলতে এনে পৰিৱেশৰ সৃষ্টি হোৱা দেখা গৈছে।

**২.১.১.৫** একবিংশ শতিকাৰ এই দশককেইটাত বাক্য গঠন প্ৰণালীলৈও কিছু পৰিৱৰ্তন অহা দেখা যায়। সানমিহলি ভাষা, ধ্বনি উচ্চাৰণৰ পাৰ্থক্য, অথালি পথালিকৈ বিসংগতিপূৰ্ণ গাঁঠনিৰে অসমীয়া বাক্য গঠন হ'বলৈ ধৰিছে। বাক্যপ্ৰণালী বহুসময়ত সহজ-সৰল কৰিবলৈ বিচৰা হৈছে যদিও এনে বাক্যই সুবিধাৰ লগতে অসুবিধাবো সৃষ্টি কৰিছে। উদাহৰণস্বৰূপে—

"এই ৰিকি, মেংগ'ৱাৰীলৈ যাবা।" (এই ৰিক্সা, আমবাৰীলৈ যাবানে?) একবিংশ শতিকাৰ প্ৰথমছোৱাত নৱপ্ৰজন্মৰ মাজৰ খুবকৈ জনপ্ৰিয় এই বাক্যফাঁকিৰ দৰে আৰু বহুতো বাক্য একেসময়তে সৃষ্টি হোৱা দেখা গৈছিল। ইংৰাজী ভাষা ব্যৱহাৰ কৰিবলৈ গৈ অসমীয়া ভাষাক ইংৰাজী কৰাৰ প্ৰৱণতাই এনে বাক্য সৃষ্টিত সহায় কৰিছিল।

ইয়াৰ বাহিৰেও মান্য লিখিত ভাষাতকৈ অসমৰ বিভিন্ন অঞ্চলৰ কথিত ভাষাইও লিখিত ভাষাৰূপত বাক্যত স্থান পাইছে। বিশেষকৈ আধুনিক অসমীয়া গল্প-উপন্যাসত এনেধৰণৰ পৰিৱৰ্তন লক্ষ্য কৰা যায়।

এইদৰে দেখা যায় যে ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দভাণ্ডাৰ, মিশ্ৰিত ভাষা, বাক্যগঠন প্ৰণালী আদিৰ জৰিয়তে অসমীয়া মানুহৰ বিশেষকৈ নৱপ্ৰজন্মৰ প্ৰকাশভংগীৰ পৰিৱৰ্তন হৈছে।

এই পৰিৱৰ্তনে অসমীয়া ভাষালৈ নতুন বৈশিষ্ট্য। কঢ়িয়াই আনিলেও অসমীয়া ভাষাটোক সংকটাপন্ন অৱস্থালৈ থেলি দিয়াৰ ক্ষেত্ৰতো সহায় কৰিছে।

**২.১.২.** অসমীয়া ভাষালৈ পৰিৱৰ্তন অনাৰ ক্ষেত্ৰত ইলেকট্ৰনিক মিডিয়াৰ ভূমিকাও গুৰুত্বপূৰ্ণ। প্ৰকৃততে হঠাৎ ঢৌৰ দৰে অহা ব্যক্তিগত বাতৰি প্ৰতিষ্ঠান বা নিউজ চেনেল, এফ.এম. ৰেডিঅ' আদিয়ে অসমীয়া ভাষাৰ পৰিৱৰ্তনৰ গতিটোক বেছি খৰতকীয়া কৰি তুলিছে। অনভিজ্ঞ, শুদ্ধ অসমীয়া ভাষাৰ জ্ঞান নথকা বহুজনৰ বাবে এই মাধ্যমসমূহৰ জৰিয়তে বিসংগতিপূৰ্ণ বাতৰি পৰিৱেশনৰ লগত মিশ্ৰিত ভাষাৰ কথনভংগীৰ জৰিয়তে অসমীয়া মানুহৰ মাজলৈ ভাষাৰ ভুল ৰূপ এটা কঢ়িয়াই নিয়াত সহায় কৰিছে। ছপা-মাধ্যমৰ জৰিয়তে এনে ভুল হয় যদিও ইলেকট্ৰনিক মেডিয়াৰ তুলনাত নগণ্য।

**২.১.৩.** সামাজিক মাধ্যম বা ছ'চিয়েল মেডিয়া যেনে ফেচবুক, ইনষ্টাগ্ৰাম আদিৰ জৰিয়তেও অসমীয়া ভাষালৈ পৰিৱৰ্তন অহা দেখা যায়। ফেচবুকৰ ভাষাই বহুসময়ত আমাক বিভ্ৰান্ত কৰাও দেখা যায়। কোনো লোকে যদি অসমীয়া ভাষাটো সঠিক আৰু শুদ্ধৰূপত উপস্থাপন কৰিছে বেছিভাগেই বানান, বাক্যগাঁঠনিৰ ভুলেৰে ভাৰাক্ৰান্ত কৰি অসমীয়া ভাষাক বিশ্বদৰবাৰত মেলি দিছে। ফেচবুকৰ জৰিয়তে বহুতো নতুন লেখকৰ সৃষ্টি হৈছে। কিন্তু বহুসময়ত লিখনিৰ মানদণ্ডই হতাশ কৰিছে। বিশেষকৈ সামান্য সৌজন্যতাবোধকণো ৰক্ষা নকৰি প্ৰকাশ কৰা ভাষাই বহুসময়ত বিপদৰো সন্মুখীন কৰাইছে।

বিশেষকৈ এই সামাজিক মাধ্যমসমূহে অসমীয়া কিতাপ পঢ়া মানুহৰ সংখ্যা ক্ৰমাৎ কমাই আনিছে। কিতাপৰ জগত বুলি জনাজাত পাণবজাৰতে স্বয়ং কিতাপৰ আদৰ কমিছে। ১৯৫৮ চনত স্থাপিত 'বাণী প্ৰকাশ'ৰ দৰে কিতাপৰ প্ৰতিষ্ঠানত কিতাপৰ সলনি বিক্ৰী হৈছে মোবাইল হেণ্ডচেট। অসমীয়া ভাষা ছপা পুথিৰ বাবে ইয়াতকৈ দুৰ্ভাগ্য হয়তো নাই। অসমীয়া ভাষাৰ ছপা পুথি পঢ়া মানুহৰ অভাৱ হোৱা মানেই ক্ৰমান্বয়ে অসমীয়া ভাষালৈ অহা অনীহাৰ কথাই সূচায়। এনে পৰিস্থিতিত এটা ভাষা জীৱন্ত তথা গতিশীল ৰূপত কিমান দিন টিকি থাকিব সন্দেহৰ বিষয়।

ফেচবুকত ব্যক্তিগত ফটো বা অন্য বিষয় আগবঢ়াবলৈ যিবোৰ বাক্য ব্যৱহাৰ কৰা হয় সেই বাক্যবোৰেও প্ৰকৃততে কি বুজাবলৈ চেষ্টা কৰিছে সেই লৈ সন্দেহ থাকি যায়। ধ্বনি, বানানৰ ভুলেৰে ভাৰাক্ৰান্ত এই পোষ্টসমূহ দেখিলে অসমীয়া ভাষাৰ দুৰ্যোগৰ ছবিখন চকুৰ আগত ভাঁহি উঠে। যেনে—

খাং বুলি কোলে খাওঁেই আৰু

দৃঢ়তাপূৰ্ণ বেটিঙেৰে অৰ্জন কৰা কেৰিয়াৰৰ প্ৰথমটো শতক ইনভেলিদ ঘোষণা।

**২.১.৪.** অসমীয়া ভাষাৰ ওপৰত অন্য ভাষাৰ আধিপত্যইও অসমীয়া ভাষালৈ শংকা কঢ়িয়াই অনা দেখা যায়। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমত অসমীয়া ভাষা ব্যৱহাৰ ৪৮.৩৮ শতাংশ। অৰ্থাৎ অসমৰ চৰকাৰী ভাষা অসমীয়া ভাষা হোৱা স্বত্বেও অসমত বসবাস কৰা আধাতকৈও কম মানুহে অসমীয়া ভাষা ব্যৱহাৰ কৰে। অসমীয়া ঠাইত বৰ্তমান বঙালী ভাষাই নিজৰ আধিপত্য জন্মাবলৈ সক্ষম হৈছে। বাকী হিন্দী, বিহাৰী আদি ভাষাৰ প্ৰাধান্যও কম নহয়। এনে পৰিস্থিতিয়ে আমাক আকৌ উনবিংশ শতিকাৰ ভাষা লোপ বা বিংশ শতিকাৰ ভাষা আন্দোলনৰ কথা সোঁৱৰাই যায়। অসমীয়া মানুহৰ নিজৰ ভাষাটোৰ প্ৰতি অনীহাৰ ফলতে এনে অৱস্থাৰ সৃষ্টি হৈছে। লক্ষ্মীনাথ বেজবৰুৱাই যথাৰ্থভাৱেই কৈ গৈছে—

"ঢেঁকীটোৰ এমুৰে তুমি উঠি আছা, সিমূৰে তোমাৰ মাতৃভূমি। তুমি ওপৰলৈ উঠিলে মাতৃভূমি তললৈ যাব। মাতৃভূমিক ওপৰলৈ তুলিব খুজিছা যদি, তুমি তোমাক সৰুটি কৰি তললৈ নিয়াঁ।"

বৰ্তমানৰ পটভূমিত এই কথাষাৰ হৃদয়ংগম কৰিলেহে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা কৰাৰ চেষ্টা চলাব পৰা যাব।

আহৰণৰ যোগ্যতাৰ বাবে ভাষা বিভ্ৰাটৰ সৃষ্টি হোৱা দেখা যায়, যি অসমীয়া ভাষালৈ পৰিৱৰ্তন আনিছে। উদাহৰণস্বৰূপে আজি কিছু বছৰৰ আগত এজন বিদ্বান লোকৰ অভিজ্ঞতাৰ কথা ক'ব পাৰি। এই ব্যক্তিজনে এদিন পাণবজাৰৰ পৰা জালুকবাৰীস্থিত গুৱাহাটী বিশ্ববিদ্যালয়লৈ কোনো বিশেষ সকামত যাব লগা হ'ল। তেওঁ বাছেৰে গৈ জালুকবাৰীৰ বিশ্ববিদ্যালয়ত সোমোৱা পথটোৰ সন্মুখত নামি এজন ৰিক্সাৱালাক সুধিলে, "ভাই, বিশ্ববিদ্যালয়লৈ যাবানে।" ৰিক্সাৱালাজনে বহু সময় মুখলৈ ভেবা লাগি চাই থাকিল। তেওঁ আকৌ সুধিলে, "বিশ্ববিদ্যালয়লৈ নোযোৱা নেকি?" উত্তৰত ৰিক্সাৱালাজনে ক'লে, "আপুনি কোৱা ঠাইডোখৰ মই চিনি নাপাওঁ।" তেতিয়া তেওঁ ক'লে, "কিয় তুমি ইউনিভাৰচিটি চিনি নোপোৱা?" ৰিক্সাৱালাজনে হাঁহি মাৰি ক'লে, "অ' তাকেই নকয় কিয়, ইউনিভাৰচিটিলৈ যাব।"

— এই ঘটনাটোৱে প্ৰমাণ কৰে যে ভাষা যিদৰে আহৰণ কৰা হয় ব্যৱহাৰো সেই ধৰণেই হয়। ৰিক্সাৱালাজন অশিক্ষিত যদিও তেওঁ শ্ৰৱণ ক্ষমতাৰ জৰিয়তে সকলোৰে মুখত শুনি থকা 'ইউনিভাৰচিটি' শব্দটোহে তেওঁ গ্ৰহণ কৰিছে।

মূল্যবোধৰ পৰিৱৰ্তনৰ ফলতো ভাষালৈ পৰিৱৰ্তন আহিছে। যদিও সকলো ভাষ্য সমান সেয়া লাগিলে ইংৰাজীয়ে হওক বা অসমীয়াই হওক। যিকোনো ভাষা শিকাৰ অধিকাৰ সকলোৰে থাকে। কিন্তু নিজৰ ভাষাৰ প্ৰতি হীনমান্যতাবোধৰ বাবে বহুসময়ত অসমীয়া ভাষা এলাগী হৈছে। শিক্ষাৰ মাধ্যম ইংৰাজীয়ে হওক অথবা অসমীয়াই হওক তেওঁ প্ৰকৃত জ্ঞান লাভ কৰাটোহে গুৰুত্বপূৰ্ণ। আজিৰ প্ৰতিযোগিতাৰ যুগত আন্তৰ্জাতিক ভাষা হিচাপে ইংৰাজী ভাষাৰ জ্ঞান প্ৰয়োজনীয়। কিন্তু ইংৰাজীক উচ্চ ভাষা জ্ঞান কৰি পিতৃ-মাতৃয়ে সন্তানক মাতৃভাষা অসমীয়া ভাষাৰ সামান্য জ্ঞানখিনিও নিদিয়াটো দুৰ্ভাগ্যজনক। নিজৰ সন্তানে অসমীয়া ভাষাৰ একোবেই নাজানে অথবা অসমীয়া ভাষা ক'ব নাজানে বুলি কোৱাতো গৌৰৱৰ কথা নহয়, লজ্জাৰহে বিষয়। পৰিৱৰ্তিত মূল্যবোধে এচাম অসমীয়াৰ মনত বহুওৱা এনে চাপে অনাগত ভৱিষ্যতৰ লগতে অসমীয়া ভাষাক ধ্বংস কৰিবলৈও যথেষ্ট। মাতৃভাষাৰ জ্ঞান লাভ কৰাতো প্ৰতিটো শিশুৰ প্ৰাথমিক অধিকাৰ। কিন্তু এনে মানসিকতাৰ বাবে তেওঁলোকক ইয়াৰপৰা বঞ্চিত কৰা হৈছে।

**২.১.৫.** পুৰণি প্ৰজন্ম আৰু নতুন প্ৰজন্মৰ মাজত মানসিক আৰু সাংস্কৃতিক মূল্যবোধৰ পৰিৱৰ্তনৰ বাবেও ভাষা ব্যৱহাৰৰ প্ৰণালীলৈ পাৰ্থক্য আহিছে। ভাষা ব্যৱহাৰৰ ধৰণ, কথা বতৰাৰ স্থিতি আদিলৈ লক্ষ্য কৰিলে দুয়োটা প্ৰজন্মৰ মাজত ব্যৱধান স্পষ্টকৈ দেখা যায়। বিশেষকৈ স্বকীয় সাংস্কৃতিক উপাদানতকৈ অন্য ভাষা সংস্কৃতিৰ উপাদানক গ্ৰহণ কৰা মানসিকতাই এই ব্যৱধান স্পষ্ট কৰিছে। ছট পূজা, নৱৰাত্ৰি, কৰৱাছট আদি পালনৰ লগে লগে নতুন সাংস্কৃতিক উপাদানৰ লগতে বিভিন্ন ভাষিক উপাদানৰো আমদানী ঘটিছে।

ইয়াৰ বাহিৰেও এই দশক দুটাত অসমীয়া ভাষাত সৃষ্টি হোৱা ভিডিঅ' গীতত অসমীয়া ভাষাক প্ৰথম সময়ত সুন্দৰকৈ উপস্থাপিত কৰা হৈছিল যদিও বৰ্তমান দৃষ্টিকটু কিছুমান ভিডিঅ'ত ব্যৱহাৰ কৰা ভাষাই অসমীয়া ভাষাৰ লগতে অসমীয়া জাতিটোকো হেয় প্ৰতিপন্ন কৰা যেন অনুভৱ হয়। উদাহৰণস্বৰূপে—

'ৱাশ্বিং পাউদাৰ নিৰমা'

'ডিস্ক' ভণ্টী নানাচিবা বেয়া লাগে'। ইত্যাদি।

অৱশ্যে ইয়াৰ মাজতে বিভিন্নজনে সৎ প্ৰচেষ্টাৰে অসমীয়া ভাষা তথা সংস্কৃতি ৰক্ষাৰ বাবে যত্নপৰ হৈছে।

**৩.০.** বিভিন্ন কাৰণত একবিংশ শতিকাৰ দুয়োটা দশকত অসমীয়া ভাষালৈ বিভিন্ন পৰিৱৰ্তন অহা দেখা যায়। ইতিবাচক আৰু নেতিবাচক বিভিন্ন বৈশিষ্ট্যৰ সমাহাৰেৰে অসমীয়া ভাষালৈ অহা এই পৰিৱৰ্তনসমূহে ভাষাটোক সমৃদ্ধ কৰাৰ লগতে ভাষাটোক দোষদুষ্টও কৰিছে। শব্দভাণ্ডাৰত নতুন শব্দৰ প্ৰৱেশ ঘটিছে কিন্তু ই ভাষাটোক কিমান সমৃদ্ধ কৰিছে ই সন্দেহৰ আৱৰ্তত। অসমীয়া মানুহৰ অন্য ভাষা আহৰণৰ প্ৰতি ধাউতি বাঢ়িছে কিন্তু নিজৰ মাতৃভাষাটো শুদ্ধ আৰু সঠিকভাৱে উপস্থাপনৰ ক্ষেত্ৰত গুৰুত্ব কমি আহিছে। অসমীয়া ভাষা আগতকৈ সহজ-সৰল ৰূপত উপস্থাপিত হৈছে। ধ্বনিতত্ত্ব, ৰূপতত্ত্বৰ ক্ষেত্ৰত পাৰ্থক্য আহিছে। সৰলীকৰণৰ নামত বহুত বস্তু উপেক্ষিত হৈছে।

**৪.০.** গতিশীলতা ভাষাৰ ধৰ্ম। কিন্তু গতিশীলতা প্ৰদান কৰি ভাষাটো বিকৃত কৰাৰ অধিকাৰ কাৰো নাথাকে। যোৱা দুটা দশকত অসমীয়া ভাষাত বিভিন্নধৰণৰ সৃষ্টিশীল আৰু স্থায়ী কাম সম্পাদিত হৈছে। এচামে যিদৰে ভাষা ৰক্ষাৰ বাবে অহৰহ চেষ্টা চলাই আছে, ঠিক একেদৰে আন এচামে ভাষা ধ্বংস যজ্ঞত অৰিহণা যোগাইছে। অসমীয়া ভাষা ৰক্ষা কৰাৰ দায়িত্ব প্ৰতিজন অসমীয়াৰ। এই প্ৰচেষ্টাক ভালদৰে গ্ৰহণ কৰিলে অসমীয়া ভাষাই বিশ্বদৰবাৰত এক অন্যতম ভাষা হিচাপে স্বীকৃতি লাভ কৰিব। ❑

**পাদটীকা ঃ**

১। Google
২। Google
৩। Google
৪। Google

**প্ৰসংগপুথি ঃ**

১। গোস্বামী, উপেন্দ্ৰ নাথ ঃ অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ, বৰুৱা এজেন্সী, গুৱাহাটী, পুনৰ মুদ্ৰণ, ২০০৮ চন
২। পাঠক, ৰমেশ ঃ অসমীয়া ভাষাৰ ইতিহাস, পৰিৱৰ্দ্ধিত আৰু সংশোধিত সংস্কৰণ, অশোক বুক ষ্টল, পাণবজাৰ, পঞ্চম প্ৰকাশ, চেপ্টেম্বৰ, ২০০৮ চন
৩। মৰল, দীপাংকৰ ঃ উপভাষা বিজ্ঞান, বনলতা, গুৱাহাটী, তৃতীয় পৰিৱৰ্দ্ধিত সংস্কৰণ, নৱেম্বৰ, ২০০৭ চন

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# আধুনিক অসমীয়া কবিতাত লোক-সাংস্কৃতিক সমল



ড° উৎপলা দাস

**সংক্ষিপ্ত সাৰ ঃ**

সাহিত্যৰ এটা বিশিষ্ট অংগ হৈছে কবিতা। অসমীয়া লোকসংস্কৃতিৰ প্ৰভাৱ অসমীয়া কবিতাত স্পষ্ট। বিশেষকৈ লোকসাহিত্যৰ সাধুকথাবোৰৰ কিছু অংশক বাদ দি বাকী অংশক গীতিময় কবিতা বুলিব পাৰি। অৱশ্যে এই কথাষাৰ বিশ্বজনীন। পৃথিৱীৰ আন আন বৰেণ্য কবিসকলৰো বহুতেই লোকসাহিত্যৰ সমলেৰে নিজৰ সৃষ্টিৰাজিক অমৰ কৰাৰ উদাহৰণ পোৱা যায়। এই ক্ষেত্ৰত আধুনিক অসমীয়া কবিতাও ব্যতিক্ৰম নহয়। প্ৰতি গৰাকী কবিয়েই লোক-সংস্কৃতিৰ সমলক নিজা জ্ঞান, অভিজ্ঞতাৰে মনোৰমকৈ প্ৰকাশ কৰিব পাৰিছে। অসমৰ লোক-সংস্কৃতি বিনন্দীয়া প্ৰকৃতি,পৰিৱেশ, আচাৰ- বিচাৰ, ৰীতি-নীতিৰে সমৃদ্ধ আৰু ইয়াৰ বিশ্বজনীনতাক নুই কৰিব নোৱাৰি। সেয়েহে আধুনিক অসমীয়া কবিতাত লোকসাহিত্যৰ পৰা বুটলি লোৱা সমলবোৰে স্বদেশ আৰু স্বজাতিৰ স্বাভিমানক অতি সুন্দৰকৈ দাঙি ধৰাৰ লগতে বিশ্ব সাহিত্যৰ লগতো সংযোগ স্থাপন কৰিব পাৰিছে। আধুনিক কবিতাৰ বিচাৰ-বিশ্লেষণ কৰিবলৈ যাওঁতে আধুনিক যুগৰ বাটকটীয়াসকল আৰু তেওঁলোকক সুস্থ বাতাবৰণ প্ৰদান কৰা কবিসকলৰ কবিতাকো বিচাৰ কৰি চাব লাগিব। সাহিত্যৰ বিচাৰত প্ৰতিটো যুগেই তাৰ পূৰ্বৱৰ্তী যুগৰ ওচৰত ঋণী হোৱাৰ লগতে উত্তৰ যুগৰ দিক নিৰ্ণায়ক হয়। এক কথাত ক'বলৈ গ'লে কবিসকল হ'ল সমাজৰ একান্ত প্ৰহৰী। সমাজৰ সকলো দিশ তথা পৰিৱৰ্তনক কবিয়ে শব্দৰ মায়াজালেৰে বাংময় ৰূপত দাঙি ধৰে। সামাজিক দায়বদ্ধতাৰ বাবেই এগৰাকী কবিয়ে লোকসংস্কৃতিক প্ৰাণত প্ৰতিষ্ঠা কৰি আগবাঢ়ি যায়। যি কবিয়ে লোকসংস্কৃতিক সুন্দৰকৈ উপস্থাপন কৰিবলৈ সক্ষম হৈছে; তেনে কবিৰ কবিতাই পাঠকৰ অন্তৰত বৰঘৰ সাজিছে। যিদৰে ৰোমাণ্টিক কবিসকলে প্ৰকৃতিৰ বুকুলৈ প্ৰত্যাৱৰ্তন কৰি নিজ আৱেগক প্ৰকাশ কৰিছিল; ঠিক তেনেদৰে আধুনিক যুগৰ এচাম কবিয়েও লোকসংস্কৃতিৰ পৰা আহৰিত সমলেৰে নিজা সৃষ্টিক গাম্ভীৰ্যতা প্ৰদান কৰিছিল। ফলত এই শ্ৰেণীৰ কবিতাবোৰ জনপ্ৰিয় হোৱাৰ উপৰিও এটা জাতি তথা এখন সমাজকো প্ৰাণময়তাৰে দাঙি ধৰিব পাৰিছিল।

**সূচক শব্দ ঃ** লোকসাহিত্য, লোকসংস্কৃতি, অসমীয়া কবিতা

সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
বি. বৰুৱা কলেজ, গুৱাহাটী-৭, অসম
✆ ৯৭০৬১৬১৭২২
✉ utpaladas70@gmail.com

**আৰম্ভণি ঃ**

লোককবিতাৰ ক্ষেত্ৰত অসমীয়া সংস্কৃতি অতিকৈ চহকী। বিহুগীত, বনগীত, বিয়ানাম, আইনাম, মাউত গীত, দেহ বিচাৰৰ গীত, টোকাৰী গীত, জিকিৰ-জাৰি, বাৰমাহী গীত, নৈদানিক গীত, বেলাদ, বদন বৰফুকনৰ গীত, কমলা কুঁৱৰীৰ গীত, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত, জনা গাভৰুৰ গীত, নিচুকনি গীত, ধাইনাম আদি। তেনেদৰে

জনজাতীয় জীৱনৰ মিচিং ঐনিতম, ডিমাছা গীত, বৈসাগু গীত হাইদাং গীত আদিকো সামৰা হয়। তদুপৰি লোককাহিনী, যোজনা-পটন্তৰ, লোক-প্ৰথা, লোক-কলাই ওপচাই তোলা বৰ্ণাঢ্য সংস্কৃতিৰ পথাৰখন কবি শিল্পীৰ আকৰ্ষণৰ থলী। এইখন পথাৰকে চহাই-মৈয়াই কবিয়ে সাম্প্ৰতিক সময়তো পাহৰিব পৰা নাই লোকজীৱনৰ সেই নিৰ্ভেজাল মাদকতা। এই বিষয়ে ৰবীন্দ্ৰনাথেও কৈ গৈছে —

'যে আছে মাটিৰ কাছাকাছি
সে কবিৰ বাণী লাগি
কাণ পেতে আজি।'

যিটো বাটেৰে 'জোনাকী'ৰ যোগেদি অসমীয়া সাহিত্যলৈ ৰমন্যাসিক ভাৱধাৰাৰ আগমন ঘটিছিল; ঠিক একেদৰেই 'ৰামধেনু'ৰ মাজেৰে অসমীয়া সাহিত্যলৈ আধুনিকতাৰ আগমন ঘটিছিল। অসমীয়া সাহিত্যৰ ক্ষেত্ৰত আধুনিকতাৰ ধাৰণাটো সাধাৰণতে পাশ্চাত্যৰ পৰা আমদানিকৃত বুলি ধৰি ল'ব পাৰি। অসমীয়া কবিতাৰ ক্ৰমবিৱৰ্তনত আধুনিকতা হ'ল সময়ৰ প্ৰৱল আহ্বানস্বৰূপ। দৰাচলতে চল্লিশৰ পৰৱৰ্তী সময়ত নতুনকৈ প্ৰকাশ লাভ কৰা 'জয়ন্তী' (১৯৪৩)ৰ পাততে পৰম্পৰাত পৰিৱৰ্তনৰ শিহৰণেৰে প্ৰতিবাদী চেতনা সম্বলিত অসমীয়া কবিতাত নতুনত্বৰ প্ৰতিধ্বনি বাজি উঠিছিল। ১৯৪৩ চনৰ নবেম্বৰ মাহত প্ৰকাশ পোৱা 'জয়ন্তী'ত ভৱানন্দ দত্তই নাচিকেতা ছদ্মনামেৰে লিখা 'ৰাজপথ' নামৰ কবিতাটিৰ মাজেৰেই আধুনিক অসমীয়া কবিতাৰ জয়যাত্ৰা আৰম্ভ হয় যদিও সমৃদ্ধিশালী ৰূপ লাভ কৰিব পৰা নাছিল । অৱশ্যে বাস্তৱধৰ্মী পৰিধানেৰে আবৃত, বৈপ্লৱিক সমাজ-চিন্তাৰ দ্বাৰা উদ্বুদ্ধ 'জয়ন্তী'ৰ কবিতাই বিষয়লৈ অভিনৱত্বৰ সঞ্চাৰ কৰিছিল। জয়ন্তীয়ে বাস্তৱবাদআৰু প্ৰগতিবাদী চিন্তাক কাব্য-সাধনাত জীণ নিয়াৰ পৰা পাৰিপাৰ্শ্বিকতাৰ সৃষ্টিৰে আধুনিকতাৰ দুৱাৰ মুকলি কৰি 'ৰামধেনু'ৰ কাৰণে আৰ্হি প্ৰতিষ্ঠা কৰিলে। এই সময়ক ভৱানন্দ দত্ত, অমূল্য বৰুৱা, আব্দুল মালিক, হেম বৰুৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, নৱকান্ত বৰুৱা, কেশৱ মহন্ত, অজিত বৰুৱা আদিৰ দৰে কালজয়ী কবিৰ জন্ম হয়।

অসমীয়া নতুন কবিতাৰ সংশয় আৰু সন্ধানৰ কালডোখৰতে কবি হেম বৰুৱাৰ আবিৰ্ভাৱ হৈছিল। ৰমন্যাসিক কবিতাই আমুৱাই পেলোৱা অথচ এটা মনোমত নতুন পথৰ সন্ধান নোপোৱা কবি আৰু পাঠকৰ বাবে হেম বৰুৱাৰ কবিতাত আছিল নতুন দিশৰ সম্ভেদ। তেওঁৰ কবিতাত বাস্তৱৰ প্ৰতিৰূপ অতি সৰল প্ৰকাশভংগীৰে বৰ্ণনা কৰিছে। তদুপৰি প্ৰতীক আৰু চিত্ৰকল্পৰ প্ৰয়োগ পদ্ধতিৰ প্ৰথমটো বীজ এইবোৰ কবিতাতে দেখা যায়। তাতে খোপনি লৈ পৰৱৰ্তী চাম কবিয়ে আধুনিক কবিতাৰ জয়যাত্ৰা আৰম্ভ কৰে (হাজৰিকা, ২০০৬)। হেম বৰুৱা 'জয়ন্তী' যুগৰ কবি হ'লেও তেওঁৰ কাব্যই পৰিপূৰ্ণতা লাভ কৰে 'ৰামধেনু' যুগতহে। কবি আৰু কাব্য সমালোচক নলিনীধৰ ভট্টাচাৰ্যই হেম বৰুৱাৰ কাব্য সৃষ্টি সম্পৰ্কে সঠিকভাৱে কৈছে—'তেওঁৰ কবিতাৰ বিষয়বস্তু, সামাজিক দিশ আৰু এলিয়ট আৰ্হিৰ প্ৰকৰণৰ কেৱল ঐতিহাসিক গুৰুত্বই যে আছে এনে নহয়, সামাজিক বিচাৰত কেইটামান কবিতা কালোত্তীৰ্ণ হোৱাৰ লক্ষণো আছে'। কবি হেম বৰুৱাৰ কাব্য জীৱনৰ প্ৰতি থকা গভীৰ সহানুভূতি আৰু আশাবাদৰ বলিষ্ঠ সুৰ শুনা যায়। ৰোমান্টিক বিৰোধী চিত্ৰকল্প, মিশ্ৰিত বাকভংগী আৰু মুক্তক ছন্দৰ সফল প্ৰয়োগ হেম বৰুৱাৰ কাব্য সৃষ্টিৰ মূল সম্পদ। হেম বৰুৱাৰ কবিতাত লোক-জীৱনৰ সুৰ বিয়পি আছে। সেই সমূহত জনজীৱনৰ সুখ-দুখ, হা-হুমুনিয়াহ আদিও প্ৰাঞ্জল ৰূপত প্ৰকাশিত হৈছে।

হেম বৰুৱাৰ 'মমতাৰ চিঠি' এটা কালোত্তীৰ্ণ কবিতা। 'মমতাৰ চিঠি' কবিতাটি আৰম্ভ হৈছে এজৰা পাউণ্ডৰ 'The River Merchant's Wife: a letter' কবিতাটিৰ শেষৰ শাৰীকেইটাৰ উদ্ধৃতিৰে। ইয়াৰ পৰা পোনে পোনে জানিব পাৰি কবি পাউণ্ডৰ সেই কবিতাৰ দ্বাৰা প্ৰবলভাৱে অনুপ্ৰাণিত হৈছে। কিন্তু হেম বৰুৱাৰ কবিতাৰ পাঠত 'The River Merchant's Wife' ৰ প্ৰভাৱৰ স্বত্বেও দুয়োটা কবিতাৰ তাৎপৰ্য বেলেগ। দৰাচলতে 'The River Merchant's Wife' কবিতাটো পাউণ্ডৰ নিজা কবিতা নহয়; তেওঁ অনুবাদহে কৰিছে। ইয়াৰ মুল ৰচক হ'ল প্ৰখ্যাত চীনা কবি Li Po বা Li Bai। এজৰা পাউণ্ডে অনুবাদ কৰা লি পোৰ কবিতাত সাউদৰ পত্নীৰ অবিচল প্ৰেম আৰু মনৰ অধীৰতাক পাউণ্ডে অতুলনীয় ৰূপত প্ৰকাশ কৰিছে আৰু পাউণ্ডৰ কবিতাৰ শাৰীয়ে হেম বৰুৱাক চুই গৈছে—

If you are coming down through the narrows of the river Kiang
Please let me know beforehand.
And I will come out to meet you
As far as Cho-fu-Sa.

মোৰে শপত,

তুমি যিদিনা উলটি আহিবা, মোক আগতীয়াকৈ জনাবাঁ
দেই। মই ভোগদৈয়েদি ভটিয়াই গৈ বুঢ়া লুইতৰ
বুকুৰ পৰা তোমাক ৰিঙিয়াই মাতিম,— তুমি যিদিনা
উলটি আহিবা।মোক আগতীয়াকৈ জনাবলৈ নেপাহৰিবাঁ।

উপৰোক্ত শাৰীকেইটাৰ হুবহু মিল থাকিলেও কবিতাৰ বাকী অংশত কবিৰ স্বকীয়তা লক্ষণীয়। মুল চীনা কবিতাত ক'তো স্বামীৰ লগত বিচ্ছেদৰ যন্ত্ৰণাৰ কথা প্ৰকাশ কৰা নাই, নিজৰ নিঃসংগতা আৰু স্বামীৰ প্ৰতি থকা অনুৰাগৰ কথাহে কৈছে; তাকো পোনপটীয়া নহয়। অৱশ্যে চীনা কবিতাটোও চিঠিৰ দৰে উপস্থাপন কৰা হৈছে। হেম বৰুৱাৰ 'মমতাৰ চিঠি'ও চিঠিৰ দৰে আৰম্ভ কৰা হৈছে —

'মৰমৰ ঃ
এয়া মম এডাল জলাই লৈছোঁ। আজি বহু দিনৰ
মূৰত তোমালৈ চিঠি লেখোঁ বুলি।'

কিন্তু কবিতাটোৰ বাকী অংশৰ থলুৱা পৰশ মন কৰিবলগীয়া—

মই তোমালোকৰ ঘৰলৈ নকৈ আহিবৰ দিনা, আকাশৰ
মেঘৰ মোহনাত হালধীয়া জোনটো নাওখন হৈ আমাকযে
ৰিঙিয়াই মাতিছিল তৰাৰ দেশলৈ।
মই লোৱা কঁকালৰ ৰঙা ৰিহাখনলৈ তুমি বাৰু তেনেকৈ
কিয় একেথৰে চাইছিলা ?

ইয়াত মমতাৰ পাৰিবাৰিক জীৱনৰ আৰম্ভনিৰ বতৰা সুন্দৰকৈ পোৱা গৈছে। ন কইনা হৈ নিজৰ ঘৰৰ পৰা স্বামী গৃহলৈ অহা এগৰাকী তেনেই সাধাৰণ গ্ৰাম্যাঞ্চলৰ সহজ-সৰল ছোৱালীৰ ৰূপত মমতাক অংকন কৰা হৈছে, যিয়ে দাম্পত্য জীৱনৰ এবুকু কল্পনা লৈ নিজ ঘৰ ত্যাগ কৰি স্বামী গৃহলৈ আহিছিল—

সেইদিনা মন-সাগৰত মোৰ এৰি অহা আৰু
আহি পোৱা অলেখ ঢউৰ কঁপনি জাগিছিল ।তোমাৰ জানো
এইবোৰ কথা মনত নাই ?

এই শাৰীবোৰত মমতাৰ কথা-বাৰ্তা, পিন্ধন-উৰন, আশা-আকাংশা সকলোতে অসমৰ গাঁৱৰ সততে দেখা এগৰাকী নৱবিবাহিতা কইনাৰ মনৰ ভাৱ প্ৰকাশিত হৈছে । কবিতাটোত যে কেৱল এগৰাকী নাৰীৰ মনৰ ভাৱেই প্ৰকাশিত হৈছিল তেনে নহয়; বৰং অসমীয়া পৰিয়ালৰ সংস্কাৰো জিলিকি আছে—

'আমাৰ দেউতাই যে চিঠিত লিখিছিল ঃ "আই তই নতুন
ঘৰত হাঁহি-মাতি থাকিবি।"

পৰিয়ালকেন্দ্ৰিক সংস্কাৰ, সামাজিক আচৰণ আদিৰ লগতে জাতীয় উৎসৱ পৰম্পৰাৰো উল্লিখন মন কৰিবলগীয়া—

' পুনঃ-এইবাৰ বুজিছা, মাঘৰ বিহুৰ মেজিৰ জুইকুৰা বৰ
ৰঙাকৈ জলিছিল।'

অসমৰ পৰম্পৰা লোকসাংস্কৃতিক পৰশৰ লগতে ভাৰতীয় নীতি-আদৰ্শ ফুটি উঠিছে—

(কেতিয়াবা মোৰযে ইমান খং উঠে,—
তুমি নাই নহয়, সে কাৰণে।)

দৰাচলতে হেম বৰুৱাৰ কবিতাটো পঢ়িলে এনে লাগে মমতাৰ স্বামী প্ৰবাসলৈ যোৱা নাই বৰং চিৰদিনৰ বাবে তাইক এৰি অজান দেশলৈ গুচি গৈছে। কবিতাটিত মমতাই পিন্ধা বগা সাজযোৰেই তাই স্বামীহাৰা হোৱাৰ প্ৰমাণ বহন কৰিছে। বিধবা নাৰীৰ কৰুণ বিননি ভাঁহি থকা 'মমতাৰ চিঠি' বৰুৱাৰ সৰ্বসময়ৰ সৰ্বশ্ৰেষ্ঠ কবিতা। কবিতাটিত ব্যৱহৃত 'কাতিৰ কুঁৱলী, পদুলিৰ তল-সৰা শেৱালীবোৰ, কঁকালৰ ৰঙা ৰিহাখন, আই, পুৰাণৰ সাধু, জেঠমহীয়া দেউতাৰ বছেৰেকীয়া, ডালিম গুটি যেন দাঁত, বগা সাজ, ভোগদৈয়েদি ভটীয়াই গৈ বুঢ়া লুইতৰ, ৰিঙিয়াই মাতিম, মাঘৰ বিহুৰ মেজিৰ জুই, আইতাৰ ক'লী ছাগলী আদি লোকজীৱনৰ পৰা বুটলি লোৱা সমলে কবিতাটিকঅসমৰ জাতীয় আবেগৰ লগত একাত্মীয়তা স্থাপন কৰাৰ লগতে জনমানসৰ অতি আপোন হৈ পৰিছে।

হেম বৰুৱাৰ কবিতাত বিহুগীত, বনগীত আদিৰ প্ৰাণ চঞ্চলা কৰা সুৰ নিহিত হৈ থকা দেখা যায়। কবিৰ দৃষ্টিত আধুনিকতাই মানুহক বাস্তৱৰ লগত মোকাবিলা কৰিবলৈ শিকাইছে যদিও সৰল মন তথা সততাক হত্যা কৰিবলৈ শিকোৱা নাই। প্ৰেমৰ প্ৰবল শক্তিয়ে সকলো কঠিনতাক নিঃশেষ কৰিব পাৰে। অশুভ শক্তি যিমানেই শক্তিশালী নহওঁক কিয়, সত্যৰ ওচৰত তাৰ পৰাজয় নিশ্চিত। তেনে এক সুস্থ চিন্তা আৰু গভীৰ বিশ্বাসৰ বাবেই সৃষ্টি হৈছিল—

'তোমাৰ মৰমৰ চেনাই ঐ
দিখৌ নৈ এৰিব পাৰোঁ মই
আৰু বহুত নৈ এৰিব পাৰোঁ ।

কবিতা কেইশাৰীৰ মাজত বিহুগীতৰ চিনাকী সুৰ বাজি আছে -'দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰি/জাঁজী নৈ এৰিব

পাৰোঁ/তোমাক ঐ লাহৰি এৰিব নোৱাৰোঁ/নেখায়ো থাকিব পাৰোঁ। একেটা কবিতাতে আশীৰ্বাদৰ ৰূপটো অৱতাৰণা কৰি কবিয়ে লিখিছে—

'তুমি কুশলে থাকা, সোণ
মূৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ'

বহাগৰ বিহুৰ সময়ত অসমৰ আকাশ-বতাহ মুখৰিত হৈ থাকে- এবাতি নহৰু/এবাতি পনৰু/এবাতি খুতুৰা শাক/মোৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ/গৃহস্থ কুশলে থাক।

আধুনিক কবিগৰাকীয়ে সেই দশকৰ ক্ষয়িষ্ণু সমাজ, ক্লান্তি, অৱসাদ, সংশয়, অস্থিৰ মানুহৰ বুকুৰ বতৰা দকৈ উপলব্ধি কৰিব পাৰিছিল। তেনে এক জৰ্জৰ পৰিৱেশতো তেওঁ লোকসমাজৰ গৰ্ভলৈ উভটি চাইছে। লোকসমাজৰ পৰা বুটলি অনা তেওঁৰ শব্দই কবিতাৰ বিষয়বস্তু আৰু অনুভূতি প্ৰকাশত এক সুকীয়া ৰূপ লাভ কৰিছে, য'ত কৰুণতাৰ লগতে বাজি আছে সম্ভাৱনাৰ অজেয় গান—

'কালিদাস, তুমি কোন
অলকাৰ পলাতক কবি ? ডাৱৰ দেখি উন্মাদী ?
তোমাৰ কাব্যবেদীত আমাৰ জীৱন অৰ্চনা
সৰি পৰা মদাৰৰ ফুল
(... গুৰুতো নেলাগে, গোসাইতো নেলাগে
থাকে তল ভৰি সৰি ...)'

যুদ্ধবিধ্বস্ত সামাজিক পৰিৱেশত মানুহৰ সুকুমাৰ অনুভূতিৰ মূল্যায়ন কৰিবলৈ গৈয়েই আধুনিক কবিগৰাকীয়ে অভুক্তা, বিগত যৌৱনৰ প্ৰতি কটাক্ষ কৰিয়েই বিহুগীতৰ 'কেলৈ ফুলিলি ৰূপহী মদাৰ ঐ/কেলৈ পেলালি কলি/গুৰুতো নেলাগে, ভকতত নেলাগে/থাক তল ভৰি সৰি' কলিটি ব্যৱহাৰ কৰিছিল। ঠিক একেদৰে বৰুৱাৰ 'যাত্ৰাৰ শেষ নাই' নামৰ বহু জনপ্ৰিয় কবিতাটোত 'তোমালৈ চাওঁতে জপনা দেওঁতে/বিন্ধিলে অঘৈয়া হুলে' আৰু 'বহো তাঁতৰ পাটত চকু আলিবাটত/মাকো সৰি সৰি পৰে' দুটাকৈ বিহুগীতৰ কলি প্ৰতিধ্বনিত হৈছে। কবিতাটিত কবিয়ে আহিনৰ ভৰ দুপৰীয়া এহাল কৃষক দম্পত্তিৰ উলাহত থৌকি-বাথৌ হিয়াৰ আবেগক প্ৰকাশ কৰিছে—

ভৰদুপৰীয়া ভদাইৰ আগচোতালত
দোৰপতি থৰক বৰক, মাকো সৰি সৰি পৰে

যদিও আধুনিক যুগে মানুহক নগৰমুখী কৰিছিল, তথাপি যেন অসমৰ গ্ৰাম্যাঞ্চলৰ পৰিৱেশলৈ কোনো পৰিৱৰ্তন অহা নাছিল। চৌপাশৰ সেউজীয়াৰ মাজত এটি সুন্দৰ জীৱনে যেন তেতিয়াও সকলোকে আকৰ্ষণ কৰি আছিল। সেয়ে হয়তো কবিয়ে লিখিছিল—

নতুন পুৱাত, কাকিনী তামোলৰ শ্যামলীকা
ধানে আমাৰ পথাৰ শুৱাব।

এই কবিতাটিত 'আগবাৰী শুৱনি কাকিনী তামোল/পাছবাৰী শুৱনি পাণ' লোকগীতৰ পৰশ স্পষ্ট। অসমীয়াৰ গৃহস্থালীত তামোল-পাণ, গাই-দমৰা, চোতাল-ভঁৰাল, তাঁত শাল আদিবোৰ এৰাব নোৱাৰা অংগ। একেদৰে ধানেৰে শুৱনি পথাৰ আৰু গছে-ফলে শুৱনি বাৰীও লোকজীৱনৰ অংশবিশেষ। কবিয়ে নিজে পাৰ কৰা শৈশৱৰ দিনৰ ছবি আৰু অসমীয়া অনুভূতিক আধুনিকতাৰ মাজেৰে অতি সংযতভাৱে প্ৰকাশ কৰিছে। দৰাচলতে কোনো লেখকেই ইচ্ছাকৃতভাৱে লোক-সাংস্কৃতিক সমল ব্যৱহাৰ নকৰে। কবিৰ প্ৰাণত সঞ্চিত হৈ থকা অভিজ্ঞতাবোৰেহে পৰিৱেশ পৰিস্থিতিৰ ব্যাখ্যা দাঙি ধৰিবলৈ যাওঁতেই পাৰ ভাঙি বৈ আহে। ফলত এনে কবিতাই কোনো এটা দিশক পোহৰাই তোলাৰ উপৰিও জাতি আৰু সমাজৰ প্ৰহৰী হৈ পৰে।

যান্ত্ৰিক সভ্যতাই আধুনিক যুগত পৰম্পৰাগত আবেগ, বিশ্বাস, মূল্যবোধ আদিক থানবান কৰি পেলোৱাৰ উপক্ৰম হৈছিল। সেয়েহে সচেতন জনসমাজত অস্থিৰতা আৰু শূণ্যতা শিপাবলৈ ধৰে। এনে পৰিস্থিতিত আধুনিক যুগৰ সংবেদনশীল কবিকূলৰ অন্তৰ জগত হাহাকাৰ কৰি পূৰ্ণতাৰ সন্ধানত শব্দৰ নিজৰা বোৱাবলৈ বাধ্য হৈ পৰে। তেনে এক চিন্তাৰ ফচল 'ক্ৰমশঃ' নামৰ কবিতাটো। আধুনিক যুগৰ অন্যতম শ্ৰেষ্ঠ কবি নবকান্ত বৰুৱাই লোকসাহিত্যৰ সমলেৰে অংকন কৰিছে আধুনিক সমাজৰ জৰ্জৰতা। উল্লিখিত কবিতাটিত অসমীয়া জনজীৱনৰ অতি জনপ্ৰিয় সাধুকথা 'বাঘ আৰু কেকোঁৱা'ৰ বাৰী কোঁৱৰৰ চৰিত্ৰ, 'তেজীমলা সাধু'ৰ তেজীমলা চৰিত্ৰ, 'চিলনী জীয়েকৰ সাধু'ৰ চিলনীৰ জী, কমলা কুঁৱৰী, জলকোঁৱৰ আদি চৰিত্ৰক আদৰি আনিছে এনেদৰে—

ইয়াৰে ৰজাৰে, বাৰীকোঁৱৰৰ সাধুকথা
আমি যুগ যুগ ধৰি নতুন গঢ়েৰে গঢ়িছো
তেজীমলা মৰি ফুলকলি হয়

ৰাজকোঁৱৰৰ সোণৰ কাঠিত
পাতালপুৰীৰ ৰাজকুঁৱৰীৰ টোপনি ভাঙে
ওপৰত কাৰ পাখিৰ শব্দ- কলৰ ড্ৰেগন
তাঁতৰ শালত চিলনীৰ জী চক খাই উঠে ।

আধুনিক বণিকী সভ্যতাই সৃষ্টি কৰা শোষণৰ জীয়া ছবি অংকিত হৈছে। একেদৰে পানীৰ অভাৱত মৃতপ্ৰায় হৈ পৰা প্ৰজাক ৰক্ষা কৰিবলৈ ৰজাই নিজ ভাৰ্য্যা কমলা কুঁৱৰীক কিদৰে পুখুৰী খান্দি তাত উছৰ্গা কৰিছিল সেই কাহিনীৰ গইণা লৈ কবিয়ে লিখিছে—কমলা কুঁৱৰী কমলা কুঁৱৰী

জলকোঁৱৰৰ সপোন মিছানে?
পানী ক'ত?
পানী কিমান হ'ল
স্বৰ্গদেউ নাই সময়ো যে নাই
আমাকেই কোৱা
পানী বা কিমানে হ'ল!
কমলা কুঁৱৰী বুৰি গ'ল।
কমলা কুঁৱৰী বুৰি গ'ল আৰু
ইতিহাস জুৰ পৰি ৰ'ল মাথো।

কবিৰ দৃষ্টিত আধুনিক যুগৰ সভ্যতাই মানুহৰ জীৱনৰ পৰা প্ৰাণৰস শুহি লৈ গৈছে; আধুনিক জনজীৱনক মাথো দিছে এখন শুকান-মৰুভূমি আৰু কাঁইটীয়া পৃথিৱী। কিদৰে আনৰ অভিসন্ধিত পৰি কমলা কুঁৱৰীয়ে নিৰ্মম মৃত্যুক সাৱতিব লগীয়া হ'ল সেই প্ৰসংগৰে আজিৰ বণিকী সভ্যতাই দিয়া মানৱীয়তাৰ অপমৃত্যুৰ কথাকে কোৱা হৈছে। ঈৰ্ষা, ষড়যন্ত্ৰ আদিবোৰ তেনেই সাধাৰণ হৈ পৰিল। মানুহৰ সৰলতাবোধ যেন ক'ৰবাত হেৰাই যাবলৈ ধৰিলে। কবিগৰাকীৰ কবিতাত ক'ৰবাত যদি 'তেজীমলাৰ সাধু' আন ক'ৰবাত 'ফুলকোঁৱৰ, মণি কোঁৱৰৰ আৰু কৰবাত একেবাৰে নিভাজ লোকভাষাৰ প্ৰয়োগ। লোকসমাজৰ প্ৰতি থকা অসীম প্ৰীতিৰ বাবেই কবিৰ ভাৱবোৰে বাৰে বাৰে লোকভাষাৰ আশ্ৰয় লৈছে। যেনে—

বাপা, তুমি অন্ধ কামসিকতাৰ দৰে কথা কৈছা দে'
গামছাত আঁচুফুল লাগবোই ।নহলি মৰা ঢাকা
মৰা ঢাকা কাপুৰহে/হ'ব ।

বৰুৱাৰ 'ক্ষেত্ৰজ' নামৰ এই কবিতাটিত নামনি অসমত ব্যৱহৃত লোকভাষাৰ প্ৰয়োগ মনকৰিবলগীয়া ।

আধুনিক কবিতা কাননৰ এটি চিনাকী নাম অজিত বৰুৱা। কবি বৰুৱাৰ বিখ্যাত কবিতা 'জেংৰাই ১৯৬৩'ত বিহুগীত সুৰীয়া আবেদন এটাই কবিতাটোৰ অন্তৰ্গাথনি তৈয়াৰ কৰিছে। কবিতাটিত যেন ক'ব নোৱাৰাকৈয়ে কবিৰ আজন্ম শুৱনি গাওঁখনে ভুমুকি মাৰিছে। কবিতাটিত ব্যৱহৃত শব্দ, উপমাবোৰ- 'ভাতৃ অনল - এহিসে ক্ষণত ... হৈবা কৰুণাময় ...।' আৰু 'কিনো জুয়ে লগা চকু ... ... ভাবি চালে—লিলিমাই এই জীৱনত একো নাই ... ...'। সোঁৱণশিৰীৰ চৰ, ম'হৰ শিঙৰ ঘণ্টা, নাৱৰ টিঙত, জলকুঁৱৰীৰ গীত,গঙা-চিলনী আদিয়ে কবিতাটিত বিখ্যাত কৰি তোলাই নহয় লোকজীৱনৰ কাষ চপাই নিছে।

লোকমন এটাৰ অধিকাৰী হোৱাৰ বাবেই লোকচিত্ৰই শব্দৰ শৰীৰি ৰূপ পৰিগ্ৰহ কৰিছে বীৰেশ্বৰ বৰুৱাৰ কবিতাত—

মুদৈ তোমাৰ ধেমালী এৰা
সিপাৰত মোৰ এৰাল বাথান
ইপাৰত মই অভুক্ত পৰবাসী

বৰুৱাৰ আন এটা কবিতাত অনুৰণিত হৈছে, 'কাম চৰাইৰ ৰঙা ঠোঁট/তাতে দিলে সেন্দুৰ ফোঁট/পিতাদেউ পিতাদেউ দূৰলৈ নিদিবি মোক' বোলা জনপ্ৰিয় বিয়াগীতৰ সুৰ আৰু ভাষাৰ প্ৰয়োগ কৰি কবিয়ে লিখিছে—

'পিতাদেউ পিতাদেউ, দূৰলৈ নিদিবি মোক
হে মোৰ দুহিতা, তোমাৰ আঙুলিয়ে যেতিয়া হালধি
বঢ়োঁতে পটা গুটিত চেপা খায়, মই কিদৰে অনুভৱ কৰোঁ
তোমাৰ অন্তঃকৰণে যেতিয়া সজাৰ
চৰাইটিৰ বাবে, নিৰবে কান্দে, মই কিদৰে অনুভৱ কৰোঁ
সেই কান্দোন ।

আংগিক আৰু বিষয়ৰ অভিনৱত্বৰে নীলমণি ফুকনে খেল-ধেমালিৰ গীত এটিৰ আধাৰত লিখিছে—

ফুলবাৰীলৈ যাম
ফুলবাৰীত তোৰ কোন আছে
টুনি চৰাইবোৰ আছে
কি কৰিবিগৈ তেনে তাত
পথাৰলৈ যাম

নীলমণি ফুকনৰ সৰ্বহ লোক-মন এটাই ক্ৰিয়া কৰি থকাৰ উমান পোৱা যায় আৰু তাতেই তেওঁৰ শিল্পসাধনা। লোককল্প দৃষ্টিও তেওঁৰ অন্য এক অভিনৱ প্ৰকাশ। অসমৰ চহা জীৱনৰ লগত সংপৃক্ত হৈ লোকগাঁথা, লোককথা, প্ৰবাদ-প্ৰবচন, কিম্বদন্তীক মন্থন কৰি তেওঁ আধুনিক কাব্যশৰীৰ নিৰ্মাণ কৰিছে,

যিদৰে কৰিছিল স্পেনিছ কবি গাৰ্থিয়া লৰকাই। লৰকাক এবাৰ সোধা হৈছিল —'কবিকূলৰ পথ তোমাক কোনে দেখুৱালে? উত্তৰত লৰকাই কৈছে — নৈ, নিজৰা আৰু প্ৰাচীন গাঁথা।

নিজ দেশৰ লোকসংস্কৃতিৰ লগত গঢ়ি উঠা আজন্ম সম্পৰ্কই কবি মানসত চিত্ৰ হৈ ৰয়। ফুকনৰ কবিতাত 'কৃষ্ণাইৰ মূৰৰে বকুল ফুল এপাহি/নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম' হুচৰী গীত ফাঁকিৰ সংস্পৰ্শত বিভিন্ন সময়ত ইংগিত স্পষ্ট হৈছে কৃষ্ণ জন্মৰ সংকেতত 'বকুলে মেলক পাহি কৃষ্ণ উপজিব আজি ৰাতি'। ইয়াৰ উপৰিও— দুয়োখন দুৱাৰ মেলি থবি/দুয়োটা বাতিত সজাই থবি/দুবাতি মঙহ হালধি সানি/দুয়োটা চকুত জ্বলাই থবি সাতপুৰুষীয়া চকু পানী। আমাৰ হুচৰি গীতত থকা- 'এটা বাতিত নহৰু/এটা বাতিত পনৰু/এটা বাতিত খুতৰা শাক/মুৰৰ চুলি চিঙি আশীৰ্বাদ কৰিছোঁ/গৃহস্থ কুশলে থাক' বুলি ৰাইজে গৃহস্থক দিয়া আশীৰ্বাদ ফাঁকিৰ অৱতাৰণা মনকৰিবলগীয়া। ফুকনৰ কবিতাত লোক-সাংস্কৃতিক সমল ভৰপূৰ ভাৱে উপলব্ধ। টোকাৰী গীতৰ ছন্দ, নিচুকনি গীত, গীতিময় বাকভংগী, নানান পৌৰাণিক আখ্যানৰ চৰিত্ৰ, ছন্দৰীতি, ভাবভাষা আদি বিষয়বস্তুৰ লগত সুন্দৰভাৱে ৰজিতা খাই আছে। ❑


**গ্ৰন্থপঞ্জী ঃ**

আচাৰ্য, প্ৰদীপ (২০০৬); আধুনিক অসমীয়া কবিতাত প্ৰতীক আৰু চিত্ৰকল্প ঃ প্ৰয়োগ আৰু সিদ্ধি; অৰ্চনা পূজাৰী (সম্পাঃ), অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ (পৃঃ ১৮১-১৮৬)ত প্ৰকাশিত; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

আহমেদ, এম. কামালুদ্দিন (২০১৪); সাহিত্যৰ অভিব্যক্তি; গুৱাহাটী ঃ বান্ধৱ

গগৈ, মৃণাল কুমাৰ (২০১৩); একবিংশ শতিকাৰ আৰম্ভণিত অসমীয়া কবিতাৰ স্বৰূপ-বৈশিষ্ট্য; অৰবিন্দ ৰাজখোৱা (সম্পাঃ), অসমীয়া কাব্য পৰিক্ৰমা (পৃঃ ৩৪৬-৩৫৫)ত প্ৰকাশিত; লখিমপুৰ ঃ দত্ত প্ৰকাশন

গোস্বামী, মালিনী আৰু আহমেদ, কামালুদ্দিন (সম্পাঃ) (২০০৯); আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ ; গুৱাহাটী ঃ অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

ঠাকুৰ, নগেন (২০০৬); সমাজ বাস্তৱতাৰ পটভূমিত অসমীয়া কবিতাৰ শেহতীয়া ধাৰা; অৰ্চনা পূজাৰী (সম্পাঃ), অসমীয়া কবিতাৰ বিচাৰ-বিশ্লেষণ (পৃঃ ১৩২-১৩৮)ত প্ৰকাশিত । গুৱাহাটী ঃ জ্যোতি প্ৰকাশন

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# ৰংমিলিৰ হাঁহি ঃ এক পৰ্যালোচনা



ড° অনু ৰাণী দেৱী

সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
বি বৰুৱা কলেজ, গুৱাহাটী-৭
৮৮২২৪৪২৫১০
anurani1975@gmail.com

**সংক্ষিপ্ত সাৰ ঃ**

বিভিন্ন নৃগোষ্ঠীয় প্ৰজাতিৰ বিভিন্ন জনগোষ্ঠীয়ে উত্তৰ-পূব ভাৰতত বসবাস কৰি আহিছে। এই জনগোষ্ঠীসমূহৰ কিছুমানে ভৈয়ামত আৰু কিছুমানে পাহাৰত বসবাস কৰে। বৃহত্তৰ অসমীয়া সমাজ-সংস্কৃতি তথা উত্তৰ-পূৰ্বাঞ্চলীয় ঐক্য-সংহতি গঠনত এই লোকসকলৰ যথেষ্ঠ অৰিহণা আছে। জনগোষ্ঠীয় মূলৰ এজন অন্যতম লিখক 'ৰংমিলিৰ হাঁহি'ৰ স্ৰষ্টা ৰং বং তেৰাং। কাৰবি জাতিৰ গৌৰৱ ৰং বং তেৰাঙে মাতৃভাষা কাৰবিত বিভিন্ন গ্ৰন্থ ৰচনা কৰাৰ উপৰিও অসমীয়াতো ভালেমান গল্প-উপন্যাস ৰচনা কৰিছে। তেওঁৰ প্ৰায়বোৰ গল্প-উপন্যাসৰ মাজেদি কাৰবি সমাজৰ চিত্ৰ ফুটি উঠিছে। তেখেতৰ বিখ্যাত উপন্যাস 'ৰংমিলিৰ হাঁহি'য়ে ইতিমধ্যে বিভিন্ন বঁটা পাবলৈ সক্ষম হৈছে। বৰণ্যে সাহিত্যিক ৰং বং তেৰাঙৰ প্ৰতিখন গ্ৰন্থই অসমীয়া লোকক পোহৰৰ বাট দেখুৱাইছে বুলি ক'ব পাৰি। এইজনা সাহিত্যিকে অসম সাহিত্য সভাৰ সভাপতি পদলৈ নিৰ্বাচিত হৈছে।

**বীজ শব্দ ঃ**

ৰং বং তেৰাং, উপন্যাস, কাৰবি, জনজাতি

**০.১ বিষয়ৰ পৰিচয় ঃ**

উত্তৰ পূৰ্বাঞ্চলত বসবাস কৰা বিভিন্ন জনজাতিৰ জীৱন ধাৰণৰ প্ৰণালী বৈচিত্ৰ্যপূৰ্ণ আৰু স্বকীয়। এই বৈচিত্ৰ্যপূৰ্ণ বিভিন্ন জনজাতিৰ জীৱন চিন্তাৰ বিচিত্ৰতাক উপন্যাসে সামৰি ল'বৰ চেষ্টা কৰিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইটামান নিৰ্দিষ্ট জনজাতিৰ জীৱনৰ পটভূমিতহে গল্প-উপন্যাসৰ সৃষ্টি হৈছে। ৰজনীকান্ত বৰদলৈদেৰে যি সময়ত মিচিং জনজীৱনক লৈ 'মিৰি জীয়ৰী' ৰচনা কৰিছিল, সেই সময়ত অসমীয়া উপন্যাসৰ যাত্ৰা আৰম্ভ হৈছিলহে মাথোন। ৰজনীকান্ত বৰদলৈদেৱে দেখুৱাই দিয়া পথেৰে বিভিন্নজনে খোজ দিলে। সেইসকলৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা, তৰুণ চন্দ্ৰ পামেগাম, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, অমূল্য বৰুৱা, কৈলাশ শৰ্মা, লুম্বেৰ দাই, যতীন মিপুন, স্বৰ্ণ বৰা, য়েছে দৰজে ঠংচি, জয়ন্ত ৰংপি, যাদৱ ফুকন, পৰমানন্দ ৰাজবংশী, ৰং বং তেৰাং উল্লেখনীয়। জনজাতীয় লিখকসকলৰ লগতে অজনজাতীয় বহুতো লিখকে বৈচিত্ৰ্যপূৰ্ণ উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতিৰ জীৱন আৰু সামাজিক পটভূমিত উপন্যাস ৰচনা কৰিছে।

**০.২ বিষয় অধ্যয়নৰ উদ্দেশ্য ঃ**

জনজাতীয় জীৱন ভিত্তিক অসমীয়া উপন্যাসৰ বিচাৰ বিশ্লেষণ অতি গুৰুত্বপূৰ্ণ।

প্ৰখ্যাত লেখক ৰং বং তেৰাঙৰ 'ৰং মিলিৰ হাঁহি' উপন্যাসত প্ৰতিফলিত হোৱা জনজাতীয় জীৱন, আচাৰ-ব্যৱহাৰ, সুখ-দুখ, প্ৰেম-প্ৰণয়, সামাজিক-সাংস্কৃতিক দিশ, ভাষা আদি বিচাৰ কৰি উপন্যাসখনৰ প্ৰতিচ্ছবি বৰ্তমান সমাজক অৱগত কৰোৱাই হৈছে অধ্যয়নৰ উদ্দেশ্য।

**০.৩ অধ্যয়নৰ পদ্ধতি আৰু তথ্য আহৰণৰ উৎস ঃ**

আলোচনা পত্ৰখনৰ পদ্ধতি হিচাবে বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি অৱলম্বন কৰা হ'ব আৰু তথ্য আহৰণৰ উৎস মুখ্য সমল হিচাবে ৰং বং তেৰাঙৰ 'ৰং মিলিৰ হাঁহি' উপন্যাসখন, গৌণ সমল হিচাবে উপন্যাসখনৰ আলোচনা সম্বলিত বিভিন্ন গ্ৰন্থ, আলোচনী আদিত প্ৰকাশিত বিভিন্ন প্ৰবন্ধৰ সহায় লোৱা হ'ব।

**১.০০ উপন্যাসখনৰ বিষয়বস্তু ঃ**

বিংশ শতিকাৰ প্ৰাকস্বাধীনতাকালীন সময়ছোৱাত সহজ-সৰল কাৰবি মানুহখিনিলৈ অহা পৰিৱৰ্তন, কাৰবি পাহাৰৰ বিভিন্ন ৰং, বিভিন্ন সময় আৰু বিভিন্ন বাতাবৰণ। ৰং বং তেৰাঙে নিজৰ সৃষ্টিৰ কঠিয়াতলী হিচাবে ব্যৱহাৰ কৰিছে। 'ৰংমিলিৰ হাঁহি'ৰ কাহিনীভাগ উপন্যাসিকে আগবঢ়াই নিছে ৰংমিলি গাঁৱৰ ছাৰবাছা অৰ্থাৎ গাঁওবুঢ়া ছাৰইক তেৰাঙৰ মাজেদি। কাৰবি জাতিৰ অতি মৰমৰ বৰপানী কাৰবি লাংপিৰ পাৰৰ ৰংমিলি গাঁৱক কেন্দ্ৰ কৰিয়েই উপন্যাসখনৰ কাহিনীটো গঢ় লৈ উঠিছে। ন-পুৰণিৰ সংঘাতেই উপন্যাসখনৰ উপজীব্য। ইংৰাজসকল অসমলৈ শাসন কৰিবলৈ অহাৰ পিছতেই খৃষ্টধৰ্ম প্ৰচাৰৰ বাবে বিংশ শতিকাত কাৰবি আংলঙলৈ মিছনেৰীসকল আহে। তেওঁলোকে কাৰবি আংলঙত গীৰ্জাঘৰ এটি নিৰ্মাণ কৰি ল'ৰা-ছোৱালীখিনিক শিক্ষিত কৰিবলৈ বিচাৰিছিল। এচাম কাৰবি লোকে ইয়াৰ বিৰোধিতা কৰিলে আৰু আন এচামে অতি সহজে মানি ল'লে, নিজৰ ল'ৰা-ছোৱালীৰ স্কুলত পঢ়ুৱালে। আধুনিক শিক্ষাৰে শিক্ষিত এচাম কাৰবি লোকে কাৰবি আংলঙত সুকীয়া দৰবাৰ গঠন কৰিবলৈ চেষ্টা কৰে আৰু তেওঁলোকক সহায়ৰ হাত আগবঢ়ায় অনা কাৰবি কিছুমান লোকে।

উপন্যাসখনৰ নায়ক ছাৰইক তেৰাঙে সমাজৰ পৰম্পৰাগত নিয়মক সন্মান জনাইছে আনহাতে সমাজলৈ অহা পৰিৱৰ্তনসমূহ তেওঁ সম্পূৰ্ণৰূপে মানি ল'ৰ পৰা নাই যদিও উপেক্ষাও কৰা নাই। তেওঁ নিজে খৃষ্ট ধৰ্ম গ্ৰহণ কৰা নাই, কিন্তু খৃষ্ট ধৰ্মত দীক্ষিত হোৱা লোকক বেয়া দৃষ্টিৰে চোৱা নাই। ছাৰইক তেৰাঙে তেওঁৰ একমাত্ৰ পুত্ৰ হেমাইৰ ভৱিষ্যতৰ কথা ভাবি তাক দেৰিকৈ হ'লেও কামপুৰত ধনেশ্বৰ মাষ্টৰৰ ঘৰত থৈ পঢ়ুৱাইছে। বিহেনৰূৰ হাৱেছিকে ছাৰইকৰ কাম-কাজবোৰ ভাল পোৱা নাছিল। সমাজলৈ নতুন সভ্যতাৰ পোহৰ আনিব খোজা সকলক তেওঁ সমাজৰ শত্ৰু হিচাবে গণ্য কৰিছে। ছাৰইকৰ পৰিৱৰ্তনকামী চিন্তাৰ বাবে তেওঁক ৰংমিলি গাঁৱৰ ছাৰবাছা পদৰ পৰা আঁতৰাবলৈ ষড়যন্ত্ৰ কৰিছিল। হাবেছিকে ভবামতে কাম হ'ল। এদিন বিচাৰ পাতি ছাৰইকক ছাৰবাছা পদৰ পৰা আঁতৰাই তেওঁ মনৰ আশা পূৰ্ণ কৰিলে। ছাৰইকৰ পিছত ছিংনত তেৰাঙ ৰংমিলিৰ ছাৰবাছা হ'ল যদিও সকলোৱে ছাৰইককে ছাৰবাছা বুলি মানি থাকিল। এই কথাটোত অপমানিত হৈ ছিংনতে ছাৰইকৰ ঘৰত জুই দিছিল যদিও ৰাইজৰ চেষ্টাত ব'ৰঘৰটো ৰক্ষা পৰিল। পিছত ছিংনত তেৰাঙে নিজৰ ভুল বুজিব পাৰি ছাৰইকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা খুজিলে। বিহেনৰূৰ হাবেছিকিৰ কুকৰ্মৰ কথা গম পাই ৰজা লিন্দপে তেওঁক হাবে পদৰ পৰা ক্ষমতাচ্যুত কৰিলে। ইয়াৰ লগতে ঔপন্যাসিকে এটা সুন্দৰ প্ৰেম কাহিনী উপন্যাসখনত অংকন কৰিছে। যিটো প্ৰেম কাহিনী পাশ্চাত্য প্ৰভাৱত গঢ়ি উঠা প্ৰেমৰ কাহিনী নহয়। 'জনজাতীয় জীৱন ভিত্তিক অসমীয়া উপন্যাস'ত ড° অজিৎ শইকীয়াই 'ৰংমিলিৰ হাঁহি'ৰ বিষয়ে কৰা এক মন্তব্য সমীচিনযোগ্য—"ৰংমিলিৰ হাঁহিৰ অতি উল্লেখযোগ্য দিশ হৈছে ইয়াৰ ৰচনাৰীতি আৰু ভাষা যাৰ বাবে ক্ৰমাৎ হেৰাই যাব ধৰা কাৰবি সমাজ বুৰঞ্জীৰ পৰা বুটলি অনা বিভিন্ন চিত্ৰবোৰ লেখকে ইয়াত ৰেহা লগাই গাঁথি দিব পাৰিছে। অমফু আৰু ছেং তেৰণৰ ভালপোৱা, বিহেনৰূপৰ হাবেছিক আৰু ৰংমিলিৰ ছাৰইকৰ বিভেদ ইত্যাদি হৈছে এই চিত্ৰবোৰ আঁৰি থোৱা আলম মাত্ৰ। লেখকৰ ভাষা সাৱলীল আৰু আকৰ্ষণীয়। কাৰবিসকলৰ ৰীতি-নীতি, উৎসৱ-পাৰ্বন, খাদ্যভাস, ঘৰ-দুৱাৰ, গীত-মাত, পাহাৰী প্ৰকৃতি আদিৰ যথাযথ চিত্ৰ ফুটাই তুলিবলৈ লিখকে যত্নৰ ত্ৰুটি কৰা নাই. উপন্যাসৰ মূল ঘটনাৱলীৰ লগতে আনুষাংগিক সকলো কথাকে লেখকে বেছ আন্তৰিকতাৰে ৰূপায়ণ কৰাৰ চেষ্টা কৰিছে।"[১]

**১.০১ উপন্যাসখনৰ চৰিত্ৰ ঃ**

উপন্যাসখনৰ অন্যতম উপাদান চৰিত্ৰ। উপন্যাসখনত ঔপন্যাসিকে প্ৰায়বোৰ চৰিত্ৰ নিজৰ সমাজৰ পৰা বুটলি আনিছে। 'ৰংমিলিৰ হাঁহি'ৰ প্ৰধান চৰিত্ৰ হিচাবে ছাৰবাছা ছাৰইক তেৰাঙৰ নাম নামকে প্ৰথমতে ল'ব পাৰি। কাৰবি সমাজৰ সকলো নীতি-নিয়ম ৰক্ষা কৰি যুগৰ লগত সমানে

খোজ মিলাই যোৱা ছাৰইক তেৰাঙক আধুনিক সমাজৰ সচেতন প্ৰতিনিধি হিচাবে ঔপন্যাসিকে অংকন কৰিছে। তেওঁ নিজেই অশিক্ষিত যদিও নতুন চাম ল'ৰা-ছোৱালীৰ বাবে এখন স্কুল খোলাৰ কথা চিন্তা কৰিছে। এই কথা হাবেছিকক কওঁতে হাবেছিকে তীব্ৰ প্ৰতিবাদ জনাইছে। খৃষ্ট ধৰ্মত দীক্ষিত লৰেন্সৰ পৰামৰ্শ মতে হেমাইক কামপুৰত পঢ়িবলৈ পঠিয়াইছে। হয়তো ছাৰইকৰ এনে উদাৰতা কাৰবি সমাজৰ মংগল। ঝুম খেতিয়ে গাঁৱৰ মানুহখিনিৰ অভাৱ পূৰণ কৰিব নোৱাৰাত গাঁৱৰ মুৰব্বী হিচাবে ছাৰইকে পানী খেতি কৰাৰ কথা ৰাইজৰ লগত আলোচনা কৰিছে। কিন্তু পানীখেতিৰ বাবে থকা মাটিখিনি হাবেছিকে নেপালীক বেছি দিয়া বুলি গম পোৱাত কথাটো সিমানতে থাকিল। জিৰছং বা ডেকাচাঙৰ দৰে পুৰণি অনুষ্ঠান এটা জীয়াই ৰখাটো অতি কষ্টকৰ বুলি ছাৰইকে উপলব্ধি কৰিছে—"সময়ে নিজে নিয়মবোৰ সলাব। ল'ৰা-ছোৱালীয়ে স্কুলত নপঢ়িলেও জিৰকেদাম নোহোৱা হ'বই।"[২]

গাঁওখনৰ মঙ্গলৰ বাবে ছাৰইকে চ'জুন পূজা, হাচ্ছা-কেকন নৃত্য আদি অনুষ্ঠানৰ আয়োজন কৰিছে। মানুহখিনিক বনৰীয়া হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ নগাঁৱৰ পৰা বন্দুক কিনি আনিছে। কাৰবি আংলঙত সুকীয়া দৰবাৰ গঠন হোৱাত তেওঁ আনন্দিত হৈছে। সহজ-সৰল ছাৰইক তেৰাং হাবেছিকৰ ষড়যন্ত্ৰৰ বলি হৈও কোনো প্ৰতিবাদ কৰা নাই, বৰং ছিংনত তেৰাঙক তেওঁ ক্ষমা কৰি দিছে। গাঁওত কিবা কাজিয়া হ'ব বুলি ভাবি তেওঁ ছোৱালী অমফুক ৰংমান্দু গাঁৱলৈ বিয়া দিছে। চৰিত্ৰটোৰ ক্ষেত্ৰত মনকৰিবলগীয়া কথাটো হ'ল যে ছাৰইকে গাঁৱৰ বিভিন্ন সমস্যাসমূহত গুৰুত্ব থিকে দিছেই কিন্তু সমস্যাসমূহ সমাধানৰ পদক্ষেপ ল'ব পৰা নাই। তেওঁ ভাবিছে সমাজখনত নিজে নিজে নতুন সভ্যতাৰ পোহৰ পৰিব আৰু অন্ধকাৰ আঁতৰি যাব। সংস্কাৰপন্থী ছাৰইকক প্ৰত্যেকটো কাম-কাজত বাধা প্ৰয়োগ কৰি আহিছে প্ৰাচীন পৰম্পৰাক সাৰটি থকা হাবেছিকহঁতৰ দৰে এচাম লোকে। যিয়েই নহওঁক ছাৰইক তেৰাং পৰম্পৰাগত কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ পৰা ওলাই অহা এক ব্যতিক্ৰমী চৰিত্ৰ।




ছাৰইকৰ বিপৰীতে চৰিত্ৰ হিচাবে নাম ল'ব পাৰি হাবেছিকৰ। ক্ষমতা পাই অত্যাচাৰী হৈ উঠা এই চৰিত্ৰটোৱে উপন্যাসখনত যেনেদৰে সংঘাতৰ সৃষ্টি কৰিছে, তেনেদৰে অশুভ শক্তিৰ প্ৰতিভূ হিচাবে পৰিগণিত হৈছে। তেওঁ খৃষ্টান ধৰ্মত দীক্ষিত হোৱা লোকসকলক দেখিব নোৱাৰিছিল। ৰাইজৰ নিৰাপত্তাৰ কথা চিন্তা নকৰি নেপালীবোৰৰ ওচৰত মাটিবোৰ বিক্ৰী কৰি দিছিল। স্বাৰ্থপৰ হাবেছিকে চমাংকান উৎসৱত ৰংমিলি দলক শ্ৰেষ্ঠ বঁটা দিয়াৰ পৰা বঞ্চিত কৰি কৈছিল 'ছাৰইকে যদি দুটাল গা-ধন দি মোৰ ভৰিত মূৰ দোঁৱাইহি, তেন্তে এই শ্ৰেষ্ঠ সন্মান দিব পাৰো।'[৩]

ষড়যন্ত্ৰকাৰী হাবেছিকেও এদিন অন্যায়ৰ ফল পালে। ক্ষমতাৰ লোভত অন্ধ হাবেছিকৰ দৰে মানুহ প্ৰত্যেক সমাজত আছে। অনুশোচনাত দগ্ধ হাবেছিকৰ শেষত যি আত্মপলব্ধি হৈছে সিয়ে চৰিত্ৰটোৰ উত্তৰণ ঘটাইছে। উপন্যাসখনৰ বৈশিষ্টপূৰ্ণ চৰিত্ৰটো হৈছে লৰেন্স হান্সেৰ। তেওঁ যুগৰ লগত সমানে খোজ মিলাই আগবাঢ়ি গৈছে। মিছনেৰীসকলে প্ৰচাৰ কৰা খৃষ্ট ধৰ্ম তেওঁ গ্ৰহণ কৰিছে যদিও খৃষ্ট ধৰ্ম গ্ৰহণ নকৰা লোকসকলৰ লগতো ভাবৰ আদান-প্ৰদান কৰিছে। ছাৰইকৰ ল'ৰা হেমাইক পঢ়ুৱাবলৈ তেওঁ উৎসাহ দিছে। কাৰবি আংলঙত সুকীয়া দৰবাৰ গঠন কৰাৰ ক্ষেত্ৰতো তেওঁ আগ-ভাগ লৈ ৰাজনৈতিক চেতনাবোধৰ পৰিচয় দিছে।

ছাৰইক তেৰাঙৰ পুত্ৰ হেমাইক উপন্যাসখনৰ শেষৰ ফালে দেখা গৈছে সি আগৰ সহজ-সৰল হেমাই হৈ থকা নাই। সময়ৰ পৰিৱৰ্তনত হেমাই সলনি হৈছে, সি লৰেন্সক মিঠাইৰ পৰিবৰ্তে ফাউন্টেন পেন বিচাৰিছে। কানি বা বৰবিহে কেনেদৰে মানুহৰ জীৱন দুৰ্বিসহ কৰি তুলিছিল সেয়া ঔপন্যাসিকে ফুটাই তুলিছে লিন্দকৰ চৰিত্ৰটোৰ যোগেদি। উপন্যাসখনৰ ত্ৰিকোণ প্ৰেমৰ চৰিত্ৰকেইটা হ'ল—অমফু, ছেংতেৰণ আৰু ৰফং। অমফুক লৈ ৰফং আৰু ছেং তেৰণৰ কাজিয়া হৈছিল। সেয়েহে দেউতাকে অমফুক ৰমান্দুলৈ বিয়া দিব খোজাত তাইৰ হিয়াত বেদনা থাকিলেও ৰংমিলিৰ মংগলৰ বাবে সঁচা অন্তৰৰ ছেং তেৰণৰ ভালপোৱাক নেওচি নিজৰ স্বাৰ্থকো ত্যাগ কৰিছে। আনহাতে গাঁওবুঢ়াৰ পত্নী কাছাং ৰং হাংপী, অমফুৰ বান্ধৱী কাদম, লিন্দকৰ পত্নী কাৰেং, হাবেছিকৰ পত্নী আদি চিৰ পৰিচিত গ্ৰাম্য কাৰবি নাৰী চৰিত্ৰ। উপন্যাসখনৰ প্ৰতিটো চৰিত্ৰই কাৰবি সমাজৰ ঐতিহ্যশীল আৰু পৰিৱৰ্তনশীল চেতনাক বহন কৰিছে। চৰিত্ৰবোৰ জীৱন্ত ৰূপৰ বাবে উপন্যাসখন পঢ়াৰ সময়ত পাঠকে ৰংমিলি গাঁৱত অবাধ বিচৰণৰ মাদকতা অনুভৱ কৰে।

**১.০২ উপন্যাসখনত প্ৰতিফলিত সমাজ ঃ**

নীতি-নিয়ম আৰু আচাৰ অবিহনে কোনো এখন সমাজ জীয়াই থাকিব নোৱাৰে। ৰং বং তেৰাঙৰ সৃষ্টিশীলতাৰ ভিত্তিয়েই হ'ল কাৰবি সমাজখন। তেওঁৰ লেখনিৰ জুমুঠি গঢ় লৈ উঠিছে কাৰবি পাহাৰৰ সহজ-সৰল মানুহখিনি। কাৰবি জনজীৱনৰ পৰিৱৰ্তনশীল বাস্তৱৰ ঘটনাক্ৰমৰ বৰ্ণনাৰাজিৰে 'ৰং মিলিৰ হঁাহি' উপন্যাসখন গঢ় লৈ উঠিছে। এই উপন্যাসখনৰ মাজেদি কাৰবি লোকসকলৰ সামাজিক, আৰ্থিক আৰু ধৰ্মীয় জীৱনৰ আচাৰ-বিচাৰ, ৰীতি-নীতি, ধ্যান-ধাৰণা, সংঘাত-ব্যাঘাত, আশা-আকাঙ্খা আদিৰ বিভিন্ন চিত্ৰ ফুটি উঠিছে। প্ৰাচীন পৰম্পৰা অনুযায়ী কাৰবি সমাজখন পাঁচখন লংৰিত বিভক্ত।

প্ৰতিখন লংৰিত একোজন ৰজাই শাসন কৰিছিল। ৰজাৰ তলত থাকে পিন্‌পসকল আৰু তাৰ পিছত থাকে হাবেসকল আৰু হাবেসকলৰ পিছত গাঁৱৰ ছাৰবাছা বা গাঁওবুঢ়া। উপন্যাসখনত দেখা গৈছে ৰংমিলি গাঁৱৰ গাঁওবুঢ়া ছাৰইক তেৰাং। অন্যান্য বিষয়াসকলে কিবা দোষ কৰিলে ৰজাই 'কিদ্' বা বাৰ্তা পঠিয়াই পঠিয়াই বিচাৰ কৰে। উপন্যাসখনতো হাবেছিক দোষী সাব্যস্ত হোৱাত ৰজাই কিদ্ পঠিয়াই তেওঁক হাবেছিক পদৰ পৰা অব্যাহতি দিছে।

কাৰবি লোকসকলৰ সামাজিক জীৱনত প্ৰভাৱ পেলোৱা অনুষ্ঠানটো হ'ল জিৰকেদাম বা ডেকাচাং। জিৰকেদামত ডেকাসকল তিনিবছৰ সদস্য হয় আৰু জীৱনৰ লাগতিয়াল কৰ্মৰাজিৰ প্ৰশিক্ষণ তেওঁলোকে এই অনুষ্ঠানতে লয়। জিৰছঙৰ বৰ্ণনাও উপন্যাসত আছে—"জিৰছং হ'ল কাৰ্বি সমাজ জীৱনৰ মূল সপোন। গছজোপাৰ শীতল ছাঁ, কাষত ডেকা চাং আৰু ৰংমিলি—এই তিনিওৱে অবিখণ্ডিত ৰূপ হ'ল ৰংমিলি গাঁওখন, ৰংমিলিৰ সমাজখন।[৪] জিৰছঙৰ 'ক্লেংছাৰপ' আৰু 'ক্লেংদুন'ৰ মাজত হোৱা মতানৈক্যৰ মীমাংসা কৰি আহোতে ছাৰইকে জিৰকেদাম অনুষ্ঠানৰ সমাপ্তিৰ কথা মনতে ভাবিছে। জিৰছং অনুষ্ঠানটো যে সময়ৰ লগত খাপ নাখায় সেই কথাও ছাৰইক তেৰাঙে উপলব্ধি কৰিছে।

কাৰবি জনজীৱনৰ সৈতে মদ অপৰিহাৰ্য। তেওঁলোকৰ ঘৰলৈ আলহী, অতিথি আহিলে মদেৰে আপ্যায়ন কৰে। কাৰবি উৎসৱ-অনুষ্ঠানত মদৰ ব্যৱহাৰ সম্পৰ্কে ঔপন্যাসিকে সুন্দৰকৈ বিশ্লেষণ কৰিছে—"ফটিকা আৰু লাওপানী কাৰ্বি কৃষ্টিৰ স'তে এৰাব নোৱাৰা সম্পৰ্ক। জন্ম, মৃত্যু, বিবাহ এই ত্ৰিকাৰ্যৰ বাবে ফটিকা আৰু লাওপানী অপৰিহাৰ্য। কাৰ্বি জীৱনৰ হাঁহি আৰু চকুপানী যেন লাওপানীৰ অপূৰ্ব মায়াজালতহে বন্দী।[৫] অন্যান্য বস্তুৰ কথাও উপন্যাসখনত দেখিবলৈ পোৱা যায়।

**১.০৩ উপন্যাসখনত প্ৰতিফলিত সাংস্কৃতিক বৈচিত্ৰ্য ঃ**

'ৰং মিলিৰ হাঁহি'ৰ কাহিনী ভাগ আগবঢ়াই নিওতে ঔপন্যাসিকে কাৰবি সমাজৰ বিভিন্ন উৎসৱ-পাৰ্বনৰ বৰ্ণনা দিছে। কৃষিজীৱী কাৰবি জনজাতিৰ প্ৰায়বোৰ উৎসৱ, পূজা-পাৰ্বন কৃষিৰ লগত জড়িত। ৰংমিলি গাঁৱৰ ৰাইজৰ মংগল কামনা কৰি ছাৰইক তেৰাঙে ছ'জুন পূজা অনুষ্ঠিত কৰিছে। পূজাৰ সামৰণিত সকলো ৰাইজে একেলগে মদ-ভাত আনন্দ মনেৰে পূজা উৎসৱৰ পৰা বিদায় মাগিছে।

কাৰবি সমাজলৈ বহু পৰিৱৰ্তন আহিছে যদিও ছাৰইক তেৰাঙে পুৰণি পৰম্পৰাক পাহৰি নগৈ পুতেক হেমাইক স্কুলত ভৰ্তি কৰি দিয়াৰ আগে আগে এভাগ হেমফু দেৱতাৰ পূজাৰ আয়োজন কৰিছে। এই পূজাই হেমাইৰ ভৱিষ্যত জীৱনৰ কথাকে ক'ব। পূজাত বলি দিয়া কুকুৰাৰ নাড়ীবোৰ পৰীক্ষা কৰি পুৰোহিতে ছাৰবাছাক ক'লে—"আজি পাত পেলাওঁতেই বুজিছিলোঁ। নাড়ী ভুঁৰুৱেও সেই কথাকেই কৈছে। অছাই জীৱনত নিশ্চয় উন্নতি কৰিব পাৰিব।"[৬]

জনজাতীয় সমাজ ব্যৱস্থাত উৎসৱ-পাৰ্বনৰ বিশেষ

গুৰুত্ব আছে। এনে উৎসৱৰ মাজেদি সামাজিক আদান-প্ৰদান, মানৱীয় সম্পৰ্কৰ বহিৰ্প্ৰকাশ ঘটে। মৃতকৰ আত্মাৰ সৈতে সম্পৰ্কীয় অনুষ্ঠানক কাৰবি লোকসকলে চমাংকান বোলে। ৰং বং তেৰাঙে উপন্যাসখনৰ বত্ৰিশ নম্বৰ অধ্যায়ত চমাংকানৰ বিস্তৃত বৰ্ণনা দাঙি ধৰিছে।

'চমাংকান' উৎসৱত ব্যৱহৃত হোৱা প্ৰতীক জাম্বলী আথনটোৱে ৰংমিলি দলৰে গৌৰৱ অক্ষুন্ন ৰাখিছে। তেনেদৰে উপন্যাসখনৰ পঁচিশ নম্বৰ অধ্যায়ত আমি দেখা পাওঁ কাৰবিসকলৰ সামাজিক জীৱনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত 'হাচ্ছাকেকন নৃত্য'ৰ বৰ্ণনা। ধান ছপোৱাৰ আনন্দত গাঁৰৰ ৰাইজে নৃত্য কৰিছে। নৃত্যৰ শেষত সকলোৱে দেৱতালৈ মদ তৰ্পণ কৰি আনন্দমনে মদ পান কৰিছে। কাৰবি লোকসকলৰ ত্যাগ আৰু একতাৰ এখন প্ৰতিচ্ছবিকে ৰং বং তেৰাঙে এই নৃত্যৰ জৰিয়তে দাঙি ধৰিছে।

ফাগুন মাহৰ শুক্লাষ্ঠমী তিথিত উদ্‌যাপন কৰা 'ব'লকেতৰ' পূজাৰ বিৱৰণ ঔপন্যাসিকে দাঙি ধৰিছে তেত্ৰিশ অধ্যায়ত। পূজাৰ মুখ্য উদ্দেশ্য হ'ল সমগ্ৰ লংৰিৰ মংগল কামনা কৰা। ৰাজপুৰোহিত কাথাৰ বুৰাই পুৰোহিত্য কৰা এই পূজাৰ সামৰণিত সকলোকে একেলগে বহি অন্নগ্ৰহণ কৰা বৰ্ণনা উপন্যাসখনত আছে—'এইয়া ভ্ৰাতৃত্বৰ মৰমসূচক সৌহাৰ্য্য। এনে সৌহাৰ্দ্য প্ৰদৰ্শন এই পূজাৰ আন এটি তাৎপৰ্য। কাৰবি সমাজ বুৰঞ্জীৰ ইয়ো নিশ্চয় অবিস্মৰণীয় অধ্যায়। ব'লকেতৰ অনুষ্ঠানৰ নিয়মবোৰ পালন কৰি দেৱতালৈ অন্ন তৰ্পণ কৰিলে আৰু ৰংছ'পিজই মিলি এক মহামিলনৰ অন্ন ভোজন কৰিলে।'[৭]

এইবোৰৰ উপৰিও কাৰবি লোকসকলৰ বিভিন্ন গীত-মাত, লোক কাহিনী, লোক বিশ্বাস উপন্যাসখনৰ মাজেদি নৈসৰ্গিক দৃশ্যৰাজিৰ মনোমোহা প্ৰকাশে ৰংমিলিৰ হাঁহিক জীৱন্ত ৰূপত উদ্ভাসিত কৰিছে। এই সম্পৰ্কত জিতাঞ্জলী বৰপূজাৰীৰ এটি মন্তব্য সমীচিনযোগ্য—'ৰংমিলি গাঁৰৰ মাজেদি কাৰবি সকলৰ জীৱনৰ দুখ-বেদনা, আশা-আকাঙ্খা, প্ৰেম-বিষন্নতাৰ প্ৰকৃত ছবি ফুটাই তোলাত উপন্যাসিক কৃতকাৰ্য হৈছে। জীৱন চিত্ৰৰ সফল ৰূপায়ণতে উপন্যাসৰ মূল অস্তিত্ব, শিল্পীয়ে যেনেকৈ ৰং তুলিকাৰে কেনভাচত জীৱনক চিত্ৰিত কৰে ঔপন্যাসিকেও তেনেদৰে উপন্যাসৰ জৰিয়তে জীৱনৰ সাৰ্থক ৰূপ প্ৰকাশৰ চেষ্টা কৰে। সেয়েহে কাৰবি সমাজৰ পাগঘৰৰ পৰা আৰম্ভ বহল দৃষ্টিভংগীৰে গোটেই কাৰবি জীৱনকে সামৰি লোৱা ৰংমিলিৰ হাঁহি নিঃসন্দেহে কাৰবি জীৱন ভিত্তিক সাৰ্থক উপন্যাস।'[৮]

**১.০৪ উপন্যাসখনৰ ভাষা ঃ**

উপন্যাসৰ প্ৰকাশ ৰীতিৰ মাধ্যম ভাষা। যেনেকৈ আত্মা অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে, তেনেদৰে ভাষা অবিহনে উপন্যাস এখন সৃষ্টি হ'ব নোৱাৰে। জনজাতীয় জীৱনকেন্দ্ৰিক অসমীয়া উপন্যাসৰ ভাষা আৰু গদ্যৰীতিতো বৈচিত্ৰ্যপূৰ্ণ অভিব্যক্তি দেখিবলৈ পোৱা যায়। ৰংবং তেৰাঙৰ ভাষা আৰু বৰ্ণনাদক্ষতা মনকৰিবলগীয়া। ৰং বং তেৰাঙে 'ৰং মিলিৰ হাঁহি'ত নিজৰ ভাষাৰ শব্দ প্ৰয়োগ কৰিছে, যাৰ ফলত উপন্যাসখনৰ ভাষা শ্ৰুতিমধুৰ হৈ পৰিছে — ছাৰবাছা, ছাৰথে, জিৰছং, ৰিকং, কাৰদম, জাম্বৰং ইত্যাদিকে ধৰি বিভিন্ন কাৰবি শব্দ প্ৰয়োগ কৰিছে যদিও উপন্যাসখন পঢ়ি যাওঁতে পাঠকৰ কোনো অসুবিধা নহয়, কাৰণ তেওঁ এইবোৰ শব্দৰ পাদটীকা ব্যৱহাৰ কৰিছে। অনা কাৰবি লোকসকলে কাৰবি লোকসকলৰ লগত সৌহাৰ্দ্য স্থাপন কৰিবলৈ কাৰবি ভাষাৰ ব্যৱহাৰ কৰিছে। 'ৰংমিলিৰ হাঁহি' উপন্যাসখনত চাহাবৰ মুখত কাৰবি শব্দ শুনি ছাৰইক তেৰাং অতি আনন্দিত হৈছে। মাতৃভাষাৰ প্ৰতি সকলোৰে এটা আকৰ্ষণ থাকে, গতিকে চাহাবৰ মুখত ইংৰাজীৰ লগত কাৰবি শব্দ শুনাত ছাৰইক আনন্দিত হোৱাটো স্বাভাৱিক। উদাহৰণ স্বৰূপে — 'কাৰদম কাৰদম্। আৰ ইউ ভিলেজ হেডম্যান?'[৯]

তেনেদৰে নেপালী সম্প্ৰদায়ৰ দিল বাহাদুৰৰ মুখত হিন্দী মিশ্ৰিত অসমীয়া ভাষাৰ প্ৰয়োগ কৰিছে—'এইজন মোৰ ভাই প্ৰেম বাহাদুৰ। আৰু এইজন অমৰ বাহাদুৰ, লংকাৰ পৰা আহিছে। এইচব বহুত গৰিব আছে।'

বৰ্ণনাৰ ক্ষেত্ৰত সহজ-সৰল ভাষা প্ৰয়োগ কৰাৰ উপৰিও উপন্যাসখনত উপমা, ৰূপক, চিত্ৰকল্প আদিৰ সংযোজন ঘটাত তেওঁৰ ৰচনাশৈলী অধিক আকৰ্ষণীয় হৈ উঠিছে—

উপমা ঃ 'জাকৰুৱা ম'হৰ চিনাকী গোন্ধৰ সৈতে তাৰ ডেকা জীৱনৰ মাদকতাৰ এক নিবিড় সম্বন্ধ আছে।'[১০]

চিত্ৰকল্প ঃ 'দেৱতাৰ স্তুতি মন্ত্ৰৰ ধ্বনিয়ে এক পবিত্ৰ পৰিৱেশ জগাই তুলিলে।'[১১]

উপমা, চিত্ৰকল্প আদিৰ উপৰিও তেওঁ পৰিৱেশ পৰিস্থিতি অনুযায়ী প্ৰশ্নবোধক, ভাববোধক, সম্বোধনসূচক বাক্যৰ ব্যৱহাৰ কৰিছে। লেখকৰ মনৰ আবেগ-অনুভূতি প্ৰকাশ কৰাত এইবোৰ বাক্যই সহায় কৰে। এনেদৰে চিত্ৰকল্প, ব্যঞ্জনা, বিবিধ বাক্যৰ সমাহাৰেৰে তেওঁৰ চৰিত্ৰসমূহ জীৱন্ত হৈ উঠিছে। ভাষাৰ সৰলতাৰ বাবে উপন্যাসখনৰ চৰিত্ৰবোৰৰ কাষ চাপিবলৈ

পাঠকৰ যথেষ্ট সুবিধা হৈছে বুলি ক'ব পাৰি।

**২.০০ সামৰণি ঃ**

আলোচ্য উপন্যাসখনত দেখা গৈছে যে ঔপন্যাসিক ৰং বং তেৰাং নিজে কাৰবি লোক হোৱা বাবে উপন্যাসখনৰ মাজেদি কাৰবি সকলৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান, সমাজৰ অৰ্থনৈতিক অৱস্থা, উৎসৱ-পাৰ্বন, গীত-মাত প্ৰকাশিত হৈ উঠিছে। কালৰ প্ৰবহমান গতিত সহজ-সৰল জনজাতীয় সমাজ জীৱনলৈ অহা আমূল পৰিৱৰ্তনৰ ছবিও উপন্যাসখনৰ মাজেদি প্ৰকাশিত হৈছে। 'ৰং মিলিৰ হাঁহি' অকল সাহিত্য ৰসেৰে পূৰ্ণ কল্পলোক নহয়, ই প্ৰকৃতিৰ সৈতে মানুহৰ নিবিড় সংযোগৰ এক প্ৰতিফলন। ড° গৰিমা কলিতাই 'ৰং মিলিৰ হাঁহি' সম্পৰ্কত কৰা এক মন্তব্য গ্ৰহণযোগ্য—'ৰংমিলি প্ৰকৃততে James Hilton ৰ অমৰ উপন্যাস 'Lost Horizon' ত বৰ্ণিত ৰোমাঞ্চকৰ শ্বাংৰিলাৰ দৰে সতেজ, সচেতন আৰু সপ্ৰতিভ এক ভিন্ন অস্তিত্ব। সেউজীয়া প্ৰকৃতিৰ কোলাত গঢ় লৈ উঠা আদিম সমাজৰ প্ৰাথমিক গুণ বিশিষ্ট বিভিন্ন ৰঙৰ বৰ্ণিল সমাহাৰ আজিও একৈশ শতিকাৰ নাগৰিক সভ্যতাৰ তীখাৰ দৰে পৰিশীলিত আৰু পৰিমাৰ্জিত যান্ত্ৰিক কুচ-কাৱাজৰ আন্তৰিকতাৰ মাজত সুদূৰ ৪০ দশকৰ পটভূমিত ৰচিত কাৰবি পাহাৰৰ 'ৰংমিলি' এক স্থিৰ কল্প কথাৰ দৰে স্থিত।'[১২] ❑

**প্ৰসঙ্গসূত্ৰ ঃ**

১। অজিৎ শইকীয়া, জনজাতীয় জীৱন ভিত্তিক অসমীয়া উপন্যাস, পৃঃ ৩৩৬
২। ৰং বং তেৰাং ঃ ৰং মিলিৰ হাঁহি ঃ পৃঃ ৪১-৪২
৩। উল্লিখিত, পৃষ্ঠা ঃ ১৭৫
৪। উল্লিখিত, পৃষ্ঠা ঃ ২৭
৫। উল্লিখিত, পৃষ্ঠা ঃ ২৫
৬। উল্লিখিত, পৃষ্ঠা ঃ ৮৩
৭। উল্লিখিত, পৃষ্ঠা ঃ ১৮৩
৮। জিতাঞ্জলী বৰপূজাৰী, অসমীয়া উপন্যাসত জনজাতীয় জীৱন, পৃষ্ঠা ঃ ১২৮
৯। উল্লিখিত, পৃষ্ঠা ঃ ৫২
১০। উল্লিখিত, পৃষ্ঠা ঃ ৪
১১। উল্লিখিত, পৃষ্ঠা ঃ ১৯
১২। গৰিমা কলিতা 'কল্পকথা'ৰ আৰম্ভণি, প্ৰাৰম্ভিক সামাজিক সপোন, পৃষ্ঠা ঃ ৮৮

**গ্ৰন্থপঞ্জী ঃ**

(ক) **মুখ্য উৎস ঃ** তেৰাং ৰং বং, ৰং মিলিৰ হাঁহি, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ১৯৮১
(খ) **গৌণ উৎস ঃ**
১। ঠাকুৰ নগেন (সম্পাদিত) এশ বছৰৰ অসমীয়া উপন্যাস জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ-২০০০
২। পাটৰ পদ্ম, জনজাতি সমাজ সংস্কৃতি, ভবানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ ৰাজগড়, প্ৰথম প্ৰকাশ, ২০০৮
৩। বৰপূজাৰী, ড° জিতাঞ্জলী, অসমীয়া উপন্যাসত জনজাতীয় জীৱন, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৯
৪। বৰা, পবিত্ৰ ডেকা খনীন্দ্ৰ কুমাৰ (সম্পাদিত) সমন্বয়ৰ ৰূপকাৰ ৰং বং তেৰাঙৰ অভিনন্দন গ্ৰন্থ, ডিফু, গান্ধীবস্তি, প্ৰথম প্ৰকাশ, ২০০৯
৫। শইকীয়া, ড° অজিৎ, জনজাতীয় জীৱন ভিত্তিক অসমীয়া উপন্যাস, সাৰদা প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ-২০০৫

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# বিশেষ চাহিদামুক্ত শিশুসকলৰ সমস্যা আৰু বাধামুক্ত বিদ্যালয়ৰ ধাৰণা ঃ এক বিশ্লেষণাত্মক অধ্যয়ন (শিৱসাগৰ জিলাৰ বিশেষ উল্লেখেৰে)



**ড° শ্বহিদুল আহমেদ**
সহকাৰী অধ্যাপক
আমগুৰি মহাবিদ্যালয়, শিৱসাগৰ,
পিন-৭৮৫৬৮০
৭০০২৯৭০৬৫০
sahidtpsc@gmail.com



**মৃদুস্মিতা তালুকদাৰ**
সহকাৰী অধ্যাপিকা
দেওমৰনৈ শিক্ষণ মহাবিদ্যালয়
পিন-৭৮৪১৪৭
৯৩৬৫০০৫৬৯৮

**সাৰাংশ ঃ**

বিশেষ চাহিদাযুক্ত, শিশুৰ শিক্ষা বৰ্তমানৰ ব্যৱস্থাটোক অন্তৰ্ভুক্তিকৰণ শিক্ষা বুলি অভিহিত কৰা হয়। অন্তৰ্ভুক্তিকৰণ শিক্ষাৰ সফলতা নিৰ্ভৰ কৰে স্কুলৰ লগত জড়িত ব্যক্তিসকলৰ মন-মানসিকতা আৰু সদিচ্ছাৰ ওপৰত। ইয়াৰ উপৰিও বিদ্যালয়ত থাকিবলগীয়া সা-সুবিধাখিনিও এই শিক্ষাৰ সফলতাত বহু পৰিমাণে অৰিহণা যোগায়। আমাৰ গৱেষণাৰ মুল উদ্দেশ্য আছিল, বিশেষ ভাৱে চাহিদাযুক্ত শিশু সকলে বিদ্যালয়ত সন্মুখীন হোৱা সমস্যাসমূহৰ অধ্যয়ন কৰাৰ লগতে বাধামুক্ত বিদ্যালয়ত থাকিবলগীয়া সা-সুবিধাখিনিৰ বিষয়ে অধ্যয়ন কৰা। আমাৰ গৱেষণাৰ কাৰণে শিৱসাগৰ জিলাৰ আমগুৰি আৰু ডিমৌ শিক্ষাখণ্ডৰ মুঠ ১০ খন বিদ্যালয়ৰ পৰা নমুনা গ্ৰহণ কৰা হৈছিল। নমুনা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল মুঠ ২৩ জন। এই গৱেষণাৰ পৰা আমি বিশেষ চাহিদা থকা ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে অৱগত হোৱাৰ লগতে বাধামুক্ত বিদ্যালয়ত থাকিবলগীয়া বিভিন্ন সা-সুবিধাৰ বিষয়েও জানিব পাৰিলোঁ।

**বীজ শব্দ ঃ** বিশেষ চাহিদামুক্ত শিশু, সমস্যা, বাধামুক্ত বিদ্যালয়, অসম

**আৰম্ভণি ঃ**

যিসকল শিশুৰ ইন্দ্ৰিয় ক্ষমতা বুদ্ধি বা শাৰীৰিক ক্ষমতা তথাবৈশিষ্ট, ভাব বিনিময় ক্ষমতা, সামাজিক দক্ষতা অৰ্থাৎ দেহ মানসিক আৰু সামাজিক সাংস্কৃতিক ক্ষেত্ৰত ইমানেই ভিন্ন প্ৰকৃতিৰ তথা বৈষম্যমুক্ত যাৰ কাৰণে তেওঁলোকক বিশেষ প্ৰশিক্ষণ তথা বিশেষ শিক্ষা বা বিশেষ শিক্ষণ-শিকণ ব্যৱস্থাৰ প্ৰয়োজন হয়। বিশেষ ভাবে প্ৰয়োজন মুক্ত শিশুসকলক আমি বহল ভাবে তিনিটা ভাগত ভাগ কৰিব পাৰো— (i) প্ৰতিভাসম্পন্ন শিশু (ii) বাধাগ্ৰস্ত শিশু (iii) আৰু সামাজিক ভাবে পিছপৰা বা বঞ্চিত হোৱা বা একাষৰীয়াকৰণ শিশু।

বিশেষ ভাবে চাহিদামুক্ত শিশুসকলৰ শিক্ষাৰ ব্যৱস্থা অধ্যয়ন কৰিলে পৰিলক্ষিত হয় যে, এই শিক্ষা ব্যৱস্থাৰ ধাৰণা সময়ৰ সৈতে পৰিৱৰ্তন হৈ আছে। অতীত বুৰঞ্জীৰ পৃষ্ঠা লুটিয়ালে দেখা যায় যে প্ৰথম অৱস্থাত বিশেষ ভাবে চাহিদা যুক্ত শিশু সকলৰ

শিক্ষা ব্যৱস্থাক বিশেষ শিক্ষা (Special Education) বুলি অবিহিত কৰিছিল।

পিছৰ পয্যায়ত বিশেষ শিক্ষা আন এটা নামেৰে নামকৰণ কৰা হ'ল—মুলধাৰা (Mainstreaming)। এই ব্যৱস্থাত অক্ষমতামুক্ত বা বাধাগ্ৰস্ত শিশুসকলক নিয়মীয়া শিক্ষা ব্যৱস্থাতে শিক্ষা প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইয়াৰ বাবে প্ৰথমে কিছুমান বিশেষ বিদ্যালয় প্ৰতিষ্ঠা কৰি অক্ষমতামুক্ত বা বিশেষ প্ৰয়োজনমুক্ত বা বাধাগ্ৰস্ত শিশুসকলক শিক্ষাৰ মুল ধাৰালৈ অনাৰ বাবে প্ৰস্তুত কৰি তোলা হৈছিল। এনেদৰে প্ৰস্তুতি লাভ কৰা শিশুসকলক সেই বিশেষ শিক্ষাৰ পৰিস্থিতিৰ পৰা নিয়মীয়া সাধাৰণ শিক্ষা ব্যৱস্থালৈ অনা হৈছিল আৰু সাধাৰণ শিশুৰ লগত একেলগে শিক্ষা লাভৰ সুযোগ দিয়া হৈছিল। ১৮৫১ চনত আমেৰিকাৰ চিকিৎসক ছেমুৱেল গ্ৰিডলি হৱ (Samuel Gidley Howe) এ এই ধাৰণাটো প্ৰথম উদ্ভাৱন কৰিছিল।

বিশেষ চাহিদাযুক্ত, শিশুৰ শিক্ষাৰ বৰ্তমানৰ ব্যৱস্থাটোক অন্তৰ্ভুক্তিকৰণ শিক্ষা বুলি অভিহিত কৰা হয় (Inclusive education) অন্তৰ্ভুক্তিকৰণ শিক্ষা হ'ল কোনো বৈষম্য নৰখাকৈ সকলো শাৰীৰিক, সামাজিক আৰু মনোভাবমূলক বাধাসমূহ আতৰাই বিশেষ প্ৰয়োজনযুক্ত শিশুসকলক সাধাৰণ শিশুৰ লগত বিভিন্ন ক্ষেত্ৰত অংশ গ্ৰহণৰ সুযোগ সুবিধা প্ৰদান কৰা। শিক্ষাৰ ক্ষেত্ৰত অন্তৰ্ভুক্তিকৰণে অক্ষমতা, সক্ষমতা, শিকনৰ বিশেষ অসুবিধা, লিংগ, বৰ্ণ, শ্ৰেণী পৰিবাৰিক গঠন আৰু জীৱন শৈলী আদিৰ ক্ষেত্ৰত থকা পাৰ্থক্যক আওকান কৰি সকলোকে শিক্ষা লাভৰ সুযোগ প্ৰদান কৰা। এনে ধৰণৰ শিক্ষা ব্যৱস্থাই বিশেষ প্ৰয়োজনযুক্ত শিশুসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰাত সহায় কৰে। ই শিক্ষাৰ্থীৰ যোগাযোগ প্ৰক্ৰিয়া উন্নত কৰাৰ লগতে যোগাত্মক মনোভাৱ গঢ়ি তোলাত সহায় কৰে। ই শিক্ষাৰ্থী তথা শিশুৰ মনত 'I can do' মনোভাৱৰ বিকাশ সাধন কৰে।

অন্তৰ্ভুক্ত শিক্ষাৰ প্ৰধান লক্ষ্য হ'ল সকলোকে সমান মানদণ্ডৰ গুণগত শিক্ষা প্ৰদান কৰা। এজন শিশুৱে এনেকুৱা এখন স্কুলত শিক্ষাগ্ৰহণ কৰিবলৈ সুবিধা পাব লাগে, যিয়ে শিশুসকলক এক মুক্ত পৰিৱেশত নিজৰ চাহিদা আৰু প্ৰয়োজনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি শিক্ষা লাভ কৰিব পাৰে। এই ক্ষেত্ৰত বিশেষ প্ৰয়োজন থকা শিশুসকলো উপস্থিত হ'ব নালাগে। বৰ্তমান সময়ত যদিও চৰকাৰৰ বিভিন্ন আঁচনি সমূহে বিশেষ প্ৰয়োজন থকা শিশু সকলক স্কুলত নামভৰ্তি কৰিবলৈ সক্ষম হৈছে তথাপিও সিহঁত কিমান খিনি সা-সুবিধা প্ৰদান কৰিব পাৰিছে তাত যথেষ্ঠ সন্দেহৰ অৱকাশ আছে।

বৰ্তমান সময়ত আমাৰ অসমত বিশেষ প্ৰয়োজন থকা শিশুসকল স্কুলত / বিদ্যালয়ত নামভৰ্তি কৰাইছে। কিন্তু স্কুলত তেওঁলোকে প্ৰকৃততে সা-সুবিধাখিনি পাই আছে নে। আমাৰ এই গৱেষণা হ'ল—বিশেষ প্ৰয়োজন থকা ছাত্ৰ-ছাত্ৰীসমূহে স্কুলত উপযুক্ত সা-সুবিধা পাইছেনে আৰু যদি নাই পোৱা তেন্তে সেই ক্ষেত্ৰত আমি কি কি ব্যৱস্থা গ্ৰহণ কৰিলে, বিশেষ প্ৰয়োজন থকা ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হ'ব পাৰে।

**গৱেষণা পত্ৰৰ উদ্দেশ্য ঃ**

১। বিশেষ প্ৰয়োজন থকা ছাত্ৰ-ছাত্ৰীয়ে (শ্ৰেণী VI - VIII ) বিদ্যালয়ত কি কি অসুবিধা পাইছে তাৰ অধ্যয়ন কৰা।

২। বাধামুক্ত বিদ্যালয়ত থাকিব লগীয়া সুবিধা সমূহৰ বিষয়ে অধ্যয়ন কৰা।

**অধ্যয়নৰ পৰিসৰ ঃ**

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ ভিতৰত 'অসম' হ'ল অন্যতম। বৰ্তমান অসমত ৩১ খন জিলা আছে য'ত মাত্ৰ ৩ কোটি ৫০ লাখ মানুহে বসবাস কৰে। আমাৰ গৱেষণাটো উজনি অসমৰ শিৱসাগৰ জিলাত কৰা হৈছিল।

**তথ্যৰ সংগ্ৰহৰ উৎস ঃ**

যিকোনো বৈজ্ঞানিক অধ্যয়নৰ কাৰণে সদায় বাস্তৱ তথ্যৰ প্ৰয়োজন। তথ্য নোহোৱাকৈ কোনো বৈজ্ঞানিক অধ্যয়ন সফল হ'ব নোৱাৰে। আমাৰ এই গৱেষণা পত্ৰ খন প্ৰস্তুত কৰাত আমি যিবোৰ তথ্যৰ ব্যৱহাৰ কৰিছোঁ তাক আমি মূলত দুটা ভাগত ভাগ কৰিব পাৰো—(ক) প্ৰাথমিক তথ্য আৰু (খ) দ্বিতীয়ক তথ্য। প্ৰাথমিক তথ্যৰ কাৰণে আমি শিৱসাগৰ জিলাৰ আমগুৰি আৰু ডিমৌ শিক্ষাখণ্ডৰ মুঠ **১০** খন স্কুল নমুনা হিচাপে গ্ৰহণ কৰিছিলোঁ। নমুনা হিচাপে গ্ৰহণ কৰা বিদ্যালয়ৰ প্ৰতিজন বিশেষ প্ৰয়োজন থকা শিশুক আমাৰ গৱেষণাৰ নমুনা হিচাপে গ্ৰহণ কৰা হৈছিল। মুঠ বিশেষ প্ৰয়োজন থকা শিশুৰ সংখ্যা আছিল **২৩** জন। প্ৰশ্নসূচী প্ৰয়োগৰ দ্বাৰা তথ্যবোৰ সংগ্ৰহ কৰা হৈছিল। দ্বিতীয়ক তথ্যবোৰ পৰোক্ষ উৎসৰ পৰা সংগ্ৰহ কৰা হৈছিল যেনে কিতাপ, গ্ৰন্থ, আলোচনী ইত্যাদি।

**সীমাবদ্ধতা ঃ**

১। এই গৱেষণা কেৱল মাত্ৰ শিৱসাগৰ জিলাত সাঙুৰি লোৱা হৈছে।

২। নমুনা স্কুলবোৰ চৰকাৰী স্কুল আছিল। বেচৰকাৰী স্কুল ইয়াত অন্তৰ্ভুক্ত কৰা হোৱা নাছিল।

৩। এই গৱেষণা কেৱল মাত্ৰ VI শ্ৰেণীৰ পৰা VIII শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পৰিচালনা কৰা হৈছিল।

**সাহিত্য পৰ্য্যালোচনা ঃ**

Yazici, DN (2021) এ বিশেষ প্ৰয়োজন শিশুসকলে Covid-19 ৰ সময়ত স্কুলত কি কি সমস্যাৰ সন্মুখীন হৈছিল তাৰ অধ্যয়ন কৰিছিল। গৱেষণাৰ শেষত গৱেষকে ব্যাখ্যা কৰিছিল যে বিশেষ প্ৰয়োজনীয়তা থকা শিশুৱে তেওঁলোকৰ শৈক্ষিক, সামাজিক দক্ষতা আৰু ভাষা বিকাশ সমস্যাৰ সন্মুখীন হয়। এই গৱেষণাই প্ৰমাণ কৰিছিল যে অন্তৰ্ভুক্ত শিক্ষাৰ্থীসকলে তেওঁলোকৰ প্ৰযুক্তিৰ ব্যৱহাৰ, অনলাইন শ্ৰেণীত অংশগ্ৰহণ কৰা আৰু অনলাইন শ্ৰেণীত মনোযোগ বজাই ৰখাত অসুবিধাৰ সন্মুখীন হৈছিল। Anjum, S. etc all (2021) এ বিশ্ববিদ্যালয় পৰ্য্যায়ত বিশেষ প্ৰয়োজন শিশুসকলৰ ওপৰত এটা অধ্যয়ন কৰিছিল। অধ্যয়নৰ মূল বিষয়বস্তু আছিল "বিশেষ প্ৰয়োজন শিশু সকলে বিশ্ববিদ্যালয় শিক্ষা গ্ৰহণ কৰাত কি কি অসুবিধাৰ সন্মুখীন হ'ব লগা হয়"। গৱেষণাৰ শেষত গৱেষকে পাইছিল যে বিশেষ প্ৰয়োজন শিশুবোৰ সকলো ক্ষেত্ৰতে অন্য ছাত্ৰ-ছাত্ৰী সমূহৰ পৰা মহানুভূতি লাভ কৰিছিল। এই গৱেষণাত অন্য এটা তথ্যও পোহৰলৈ আহিছিল যে, যদিও বিশ্ববিদ্যালয় পৰ্য্যায়ত বিশেষ প্ৰয়োজন শিশু সকলৰ সুবিধাৰ কাৰণে বিভিন্ন সা-সুবিধা আছে, কিন্তু এই সা-সুবিধাখিনি পয্যাপ্ত পৰিমাণৰ নহয়। সম্পূৰ্ণ অন্তভুক্তিকৰণ প্ৰক্ৰিয়া এই শিক্ষাত ১০০ শতাংশ হোৱা নাই।

**তথ্যৰ বিশ্লেষণ ঃ**

বৈজ্ঞানিক অধ্যয়নৰ এটা বৈশিষ্ট্য হৈছে প্ৰণালীবদ্ধতা। আমাৰ গৱেষণাৰ তথ্যৰ বিশেষণ তলত প্ৰণালীবদ্ধ ভাৱে আগবঢ়োৱা হ'ল—

**ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত সন্মুখীন হোৱা সমস্যা সমূহ ঃ**

১। বিশেষ প্ৰয়োজনীয়তা থকা শিশুৱে শিক্ষকে ক্লাছ কৰি থকা সময়ত স্থিৰ হৈ বহি থাকিবলৈ বা মনোযোগ দিবলৈ অসুবিধা পায়। যাৰ কাৰণে শিক্ষকে শিক্ষাদান কৰা বিষয় ইহঁতৰ বোধগম্য নহয়।

২। আমি নমুনা হিচাপে বাচিলো বা প্ৰায়বোৰ বিদ্যালয়ত বিশেষ প্ৰয়োজনীয়তা থকা শিক্ষাৰ্থীসকলৰ বাবে অগম্য বুলি মত প্ৰকাশ কৰিছে, যিয়ে সহ-পাঠীসকলৰ লগত একে লগে শ্ৰেণীকোঠাত শিক্ষা গ্ৰহণ কৰাত বিশেষ প্ৰয়োজনীয়তা থকা শিশু সমূহে অসুবিধা পাই বুলি মত প্ৰকাশ কৰে।

৩। কিছুমান শিক্ষকে তেওঁলোকৰ শিক্ষাৰ্থীৰ বিকলাঙ্গতাৰ পৰিমাণৰ বিষয়ে অৱগত নহয়। এই পৰিস্থিতিয়ে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে দুয়োকে শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত সমস্যাৰ সৃষ্টি কৰে।

৪। আন এটা সাধাৰণ সমস্যা হৈছে এক অপৰ্যাপ্ত পাঠ্যক্ৰম। বেছিভাগ শিক্ষা ব্যৱস্থাই সাধাৰণ বিকাশশীল শিক্ষাৰ্থীৰ বাবে পাঠ্যক্ৰম প্ৰস্তুত কৰে। এই সমূহ পাঠ্যক্ৰম প্ৰস্তুত কৰাত বিশেষ প্ৰয়োজনীয়তা শিশু সকলক বেছি গুৰুত্ব আৰোপ কৰা নহয়। সাধাৰণতে ব্যক্তি পাৰ্থক্যৰ ওপৰত ভিত্তি কৰি বিশেষ প্ৰয়োজনীয়তা থকা শিশু সকলৰ কাৰণে ব্যক্তিগত শিক্ষা আঁচনি প্ৰস্তুত কৰিব লাগে। কিন্তু আমাৰ বিদ্যালয়ৰ শিক্ষক সকলৰ উপযুক্ত প্ৰশিক্ষণ নথকাৰ কাৰণে এনে ব্যক্তিগত শিক্ষা আঁচনি প্ৰস্তুত কৰাত অসুবিধাৰ সন্মুখীন হয়।

৫। অধিকাংশ অভিভাৱকে তেওঁলোকৰ শিশুসকলৰ ভৱিষ্যতক লৈ শংকা প্ৰকাশ কৰিছিল। লগতে তেওঁলোক মত আগবঢ়াইছিল যে দুৰ্ভাগ্যবশতঃ মুল সুঁতিৰ সংস্কৃতি, বৈষম্য আৰু ষ্টেৰিও টাইপবোৰে (Stereotype) শাৰীৰিক আৰু মানসিক অক্ষমতা থকা আৰু সাধাৰণতে বিকাশশীল শিক্ষাৰ্থীসকলৰ মাজত বৃহৎ প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে।

৬। অধিকাংশ অভিভাৱক আৰু বিশেষ প্ৰয়োজন থকা শিশু সকলে মত প্ৰকাশ কৰিছিল যে বিদ্যালয়সমূহ শিক্ষাত অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়া হোৱাৰ আগতেই নিৰ্মাণ কৰি উলিওৱা হৈছে। আৰু তাৰ কাৰণেই বিদ্যালয় সমূহৰ প্ৰতিটো বিল্ডিঙত ৰেম্প বা এলিভেটৰ নাই, স্টেণ্ডিং ডেস্ক নাই, বাথৰুম আৰু টইলেট লৈ যোৱা পদটো বিশেষ প্ৰয়োজনীয়তা থকা শিশুৰ কাৰণে দুৰ্গম।

**বাধা বিহীন স্কুলৰ ধাৰণা ঃ**

অন্তৰ্ভুক্তিকৃত শিক্ষাৰ সফলতা নিৰ্ভৰ কৰে। স্কুলৰ লগত জড়িত থকা ব্যক্তি সকলৰ মন-মানসিকতা আৰু সদিচ্ছাৰ ওপৰত। ইয়াৰ উপৰিও বিদ্যালয়খনত থাকিবলগীয়া সা-সুবিধাখিতিও এই শিক্ষাৰ সফলতা বহু পৰিমাণে নিৰ্ভৰ কৰে। তলত এখন বাধা বিহীন স্কুলৰ থাকিবলগীয়া বৈশিষ্ট্য সমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

**আন্তঃগাঠনি ক্ষেত্ৰত থাকিবলগীয়া সুবিধা সমূহ ঃ**

**১।** CPWD য়ে প্ৰকাশ কৰা 'The Hand Book on Barrier foce Accessibility' ৰ মতে ভাৰতবৰ্ষত প্ৰায় ২ কোটিৰ অধিক শিশু বিশেষ প্ৰয়োজনীয়তা থকা। ভাৰতবৰ্ষত থকা "The pensons with Disability Equal opportunety, Proleetion of Rights and Full Participation Act, 2016 ইত্যাদিয়ে ভাৰতবৰ্ষত থকা বিশেষ প্ৰয়োজনীয়তা থকা শিশুসকলৰ বিভিন্ন প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই আইন সমূহে ভাৰতবৰ্ষৰ চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষক নতুন ঘৰ-দুৱাৰ সজাৰ ক্ষেত্ৰত কিছুমান নীতি-নিয়ম মানি চলিবলৈ বাধ্য কৰায়। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় যে বিভিন্ন চৰকাৰী নিৰ্মাণ কাৰ্যত এই আইনসমূহৰ নীতি নিয়ম উপযুক্ত ভাৱে মানি নচলে। এই ক্ষেত্ৰত চৰকাৰ আৰু চৰকাৰী বিষয়া সমূহে আৰু উপযুক্ত ভাৱে কাম কৰাৰ হ'ল আছে।

**১। স্কুলৰ প্ৰৱেশ** — স্কুল বা বিদ্যালয়ৰ প্ৰৱেশ আকৰ্ষণীয় আৰু সহজে চিনাকীকৰণ কৰিব পৰা হ'ব লাগে। উপযুক্ত চাইন বৰ্ড, লাইট ইত্যাদি থাকিব লাগে। ইয়াৰ লগতে প্ৰৱেশ পথ সাধাৰণ আৰু বিশেষ ভাৱে প্ৰয়োজনীয়তা থকা শিশু সকলে ব্যৱহাৰ কৰিব পৰা বিধৰ হ'ব লাগে। বিশেষ প্ৰয়োজনীয়তা থকা শিশু সকলে আৰু সাধাৰণ শিশু সকলে যাতে এক প্ৰৱেশ পথ ব্যৱহাৰ কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগে।

* বিদ্যালয়ৰ প্ৰৱেশত উপযুক্ত ৰেম্পৰ ব্যৱস্থা থাকিব লাগে।

* ৰাস্তা-পদুলি ত্ৰত্তুন্দ্ৰন্দ্ৰনস্তুনঙ্গঃন্ধড্ৰুন্তু বহল হ'ব লাগে থাকে প্ৰতিজন ল'ৰা-ছোৱালী সুবিধাজনক ভাৱে যাতায়াত কৰিব পাৰে।

* বিদ্যালয়ৰ শ্ৰেণী সমূহৰ ড্ডপ্সপ্সক্তজব্দ আৰু দ্ধ্বন্স্তুপ্সভ্র সমূহ বহল হ'ব লাগে আৰু সহজে খোলা-মেলা কৰিব পৰা বিধৰ হ'ব লাগে।

* শিশু সকলক স্কুলত অভিভাৱক সকল থোৱা আৰু নিবৰ সময়ত যাতে হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি নহয়
তাৰ বাবে এটা Waiting Shalter সাজিব লাগে।

* CC কেমেৰাৰ ব্যৱস্থা কৰিব লাগে যাতে কোনো ছাত্ৰ-ছাত্ৰীৰ বিদ্যালয়ৰ প্ৰৱেশত অসুবিধাৰ সৃষ্টি হ'লে তাৰ উপযুক্ত সমাধান কৰিব পাৰে।

* সহজ আৰু চুটি Sign Board ৰ ব্যৱস্থা কৰিব লাগে। লগতে Braille ৰ ব্যৱস্থাও থাকিব লাগে।

**২। ক্লাছৰুমৰ বাহিৰৰ ব্যৱস্থা ঃ**

ক্লাছৰুমৰ ভিতৰৰ দৰে ক্লাছ ৰুমৰ বাহিৰৰ সুবিধা খিনিও শিশুৰ শিক্ষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্য চলি থকা অৱস্থাত বিদ্যালয়ৰ ক্লাছৰুমৰ বাহিৰত থাকিবলগীয়া সুবিধাসমূহ যাতে বিশেষ প্ৰয়োজনীয়তা থকা শিশু সকলে গ্ৰহণ কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব দিব লাগিব।

* 'কৰিদ'ৰ সমূহ যথেষ্ট বহল কৰিব লাগিব যাতে Wheelchair ব্যৱহাৰ কৰা ল'ৰা-ছোৱালী সমূহৰ একো অসুবিধা নহয়।

* Austistic Spectrum disorder থকা শিশু সকলৰ বাবে "Predictably Structure School Environ ment" থাকিব লাগে।

* মানসিক আৰু আচৰণগত সমস্যা থকা কিছুমান ল'ৰা-ছোৱালী কেতিয়াবা অকলে থাকি ভাল পায়। গতিকে তেনে শিশু সকলৰ কাৰণে তেনে ব্যৱস্থা থাকিব লাগে। (ক্লাছৰুমৰ বাহিৰত)

* বিদ্যালয়ৰ পাঠ্যক্ৰমৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল খেলা-ধূলা। গতিকে বিশেষ প্ৰয়োজন থকা শিশুসকল যাতে বিদ্যালয়ৰ খেলা-ধূলা প্ৰক্ৰিয়াত অংশ গ্ৰহণ কৰিব পাৰে, তাৰ বাবে উপযুক্ত ব্যৱস্থা কৰিব লাগে।

এই ব্যৱস্থাই বিশেষ প্ৰয়োজনীয়তা থকা শিশুসকলক মানসিক শান্তি প্ৰদান কৰিব। ইয়াৰ উপৰিও খেল- ধেমালীৰ কাৰণে যেতিয়া 'equipment' ক্ৰয় কৰা হয়, তেতিয়া বিশেষ প্ৰয়োজন থকা শিশু সকলৰ বাবে বিশেষ ভাৱে প্ৰস্তুত কৰা 'equipment' কিছুমান ক্ৰয় কৰিব লাগে।

**৩। ট'য়লেট ঃ**

বিশেষ প্ৰয়োজন থকা শিশুসকলে সাধাৰণ ল'ৰা-ছোৱালীয়ে ব্যৱহাৰ কৰা ট'য়লেট ব্যৱহাৰ কৰোঁতে অসুবিধাৰ সন্মুখীন হ'ব পাৰে। গতিকে সিহঁতৰ কাৰণে বিশেষ ট'য়লেটৰ ব্যৱস্থা কৰিব লাগে।

* সিহঁতৰ বাবে তৈয়াৰ কৰিবলগীয়া ট'য়লেটৰ কালি 2000 mm x 1750mm হ'ব লাগে।

* ট'য়লেটৰ দৰ্জাৰ ব্যাস 90 mm হ'ব লাগে আৰু sliding open কৰাৰ ব্যৱস্থা কৰিব লাগে।

* ট'য়লেটৰ ফ্লৰ Slipresistant হ'ব লাগে।

* ট'য়লেটৰ ভিতৰত 'Horizontal Pall Bar' থাকিব লাগে, যাতে সিহঁতে সুবিধা জনক ভাবে তাত বহিব পাৰে আৰু প্ৰকৃতিক কাৰ্য সম্পাদন কৰিব পাৰে।

**৪। টেকটাইল ফ্লৰ (Tactile Flooring) ঃ**

টেকটাইল ফ্লৰ বৰ্তমান আধুনিক আন্তঃগাথনিৰ এক নতুন সংযোজন। টেকটাইল Slipresistmant ৰ বৈশিষ্ট আছে। এই ব্যৱস্থাৰ সহায়ত চকুত সমস্যা থকা বা অন্ধ শিশুৱে আন কোনো ব্যক্তিৰ সহায় নোলোৱাকৈ চলাচল কৰিব পাৰে।

**৫। শিক্ষাদান পদ্ধতি ঃ**

শিক্ষক সকলে শ্ৰেণীকোঠাত শিক্ষণ কাৰ্য সম্পাদন কৰি থকা সময়ত এটা কথা মনত ৰাখিব লাগিব যে, তেওঁৰ শিক্ষাদান প্ৰক্ৰিয়াই যাতে আটাইতকৈ দুৰ্বল শিশুকো স্পৰ্শ কৰে আৰু তেওঁৰ শিক্ষাৰ দ্বাৰা উপকৃত হয়।

* শিক্ষকে আধুনিক ICT সমাগ্ৰী, নতুন নতুন Software, learning material ব্যৱহাৰ কৰি শিশুক শিক্ষা প্ৰদান কৰিব লাগে। লগতে বিশেষ প্ৰয়োজন থকা শিশু সকলৰ কাৰণে বিশেষ বিশেষ শিক্ষা-কৌশল আৰু পদ্ধতি ব্যৱহাৰ কৰি সিহঁতৰ শিক্ষা (গুণগত) নিশ্চিত কৰিব লাগিব।

* শিক্ষকজনে শৈক্ষিক মূল্যায়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব লাগিব। তেওঁ ছাত্ৰ-ছাত্ৰীৰ সকলৰ মুল্যায়ন কেৱল মাত্ৰ লিখিত পদ্ধতিত লোৱাৰ পৰিৱৰ্তে, মৌখিক পদ্ধতিও অৱলম্বন কৰিব লাগিব।

* বিদ্যালয়ৰ ৰন্ধাঘৰ বা Canteen বিশেষ প্ৰয়োজনীয়তা থকা শিশু সকলে যাতে বাধাবিহীন ভাবে উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে।

* গ্ৰন্থগাৰ আৰু পৰীক্ষাগাৰ সমূহ বিশেষ প্ৰয়োজনীয়তা থকা শিশু সকলৰ কাৰণে ব্যৱহাৰ উপযোগী কৰি গঢ়ি তুলিব লাগে, যাতে ইয়াৰ ব্যৱহাৰ কৰি তেওঁলোক উপকৃত হয় আৰু সমাজত নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে।

**সামৰণি ঃ**

বৰ্তমান সময়ত বিশেষ প্ৰয়োজনীয়তা থকা শিশু সকল সমাজত আটাইতকৈ অৱহেলিত হৈ আছে। চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিলেও, বৰ্তমান সময়লৈকে বিশেষ প্ৰয়োজনীয়তা শিশু সকলক আমি আমাৰ শিক্ষা ব্যৱস্থাত অন্তৰ্ভুক্তিকৰণ কৰিব পৰা নাই। কেৱল মাত্ৰ শিক্ষক সকলৰ সক্ৰিয়তাই এই ক্ষেত্ৰত বিশেষ পৰিৱৰ্তন আনিব পাৰে বুলি বহুতো শিক্ষাবিদে ইতিমধ্যে ব্যাখ্যা আগবঢ়াইছে। সম্পূৰ্ণ অন্তৰ্ভুক্তিকৰণৰ কাৰণে শিক্ষকৰ লগতে বিষয়া, কৰ্মচাৰী, অভিভাৱক, চৰকাৰ, ৰাজনীতিবিদসকলৰ সৎ ভাবৰ প্ৰয়োজন আছে। বিদ্যালয়ৰ কৰ্মচাৰী তথা সদস্যসকলে এই ক্ষেত্ৰ বহু কৰিবলগীয়া আছে। এই গৱেষণা পত্ৰত উল্লেখ কৰা পৰামৰ্শ সমূহ বাস্তৱ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰিলে সঁচাকৈ আমি বিশেষ প্ৰয়োজন থকা শিশু সকলৰ কাৰণে এখন বাধা বিহীন বিদ্যালয় (Barrier Prce School) গঢ়ি তুলিব পাৰিম। ❑

**Reference -**

Adair, B., Ullenhag, A., Keen, D., Granlund, M., and Imms, C. (2015). The effect of interventions aimed at improving participation outcomes for children with disabilities: a systematic review. Dev. Med. Child Neurol. 57, 1093-1104. doi: 10.1111/dmcn.12809

Advani, L. (2002). "Education : A Fundamental Right of Every Child Regardless of His/Her Special Needs". Journal of Indian Education; Special Issue on Education of Learners with Special Needs. New Delhi: NCERT.

Algozzine, Robert & Ysseldyke, James (2006). Teaching Students with Learning Disabilities.California:Corwin press. Alur, M. (2002). "Special Needs Policy in India", in S. Hegarty and M. Alue (eds), Education and Children with Special Needs: From Segregation to Inclusion. New Delhi : Sage.

Anita, B.K. (2000). Village Caste and Education. Jaipur : Rawat Publications.

Antil, L. R., Jenkins, J. R., Wayne, S.K., and Vadasy, P.F. (1998). Cooperative leairning : prevalence, conceptualizations, and the relation between research and practice. Am. Educ. Res. J. 35, 419–454. doi: 10.3102/00028312035003419

Antil, N. (2014), Inclusive Education: Challenges and Prospects in India, IOSR Journal of Humanities and Social Science, Volume 19, Issue 9, PP 85-89 e-ISSN: 2279-0837, p-ISSN:2279-0845.www.iosrjournals.org www.iosrjournals.org

Applebee, A. (1998). Curriculum and Conversation : Transforming Traditions of Teaching and Learning. Reviewed by B. Day and T. Yarbrough, Journal of Curriculum Studies, 30 (3): 357-74.

Bailey, R., Armour, K., Kirk, D., Jess, M., Pickup, I., and Sandford, R. (2009). The educational benefits claimed for physical education and school sport : an academic review. Res. Papers Educ. 24, I-27. doi:10.1080/02671520701809817. Balasubramanian, K. (2004) The Helping Hand (A Short Story) about a Disabled Child). Hyderabed :Spark-India.

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

**প্ৰবন্ধ**

# লীলা গগৈৰ গীতি-সাহিত্য ঃ এটি বিশ্লেষণ



**দুলেন হাজৰিকা**
সহাকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত
বিশ্ববিদ্যালয়, পিন-৭৮৭০২৩
৭০০২২০৩৬৪৭
dulenhazarika2@gmail.com



**ড° ৰণ্টু দত্ত**
সহকাৰী অধ্যপক, অসমীয়া বিভাগ
ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়
জামুগুড়ীহাট, কৰ্চানটোলা,
শোণিতপুৰ (অসম)-৭৮৪১৮৯
৮৪৭২৮৬১৩১১
rantudutta08@gmail.com

**সাৰাংশ ঃ**

বিংশ শতিকাৰ প্ৰায় শেষৰ তিনিটা দশকৰ সময়চোৱাত অসমীয়া আধুনিক গীতৰ ধাৰাটোক সৃষ্টিধৰ্মিতাৰে অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক, ঐতিহাসিক, প্ৰাকৃতিক আৰু ব্যক্তিগত জীৱনৰ আদৰ্শ,অনুভূতিৰ প্ৰকাশ কৰোঁতা এজন গীতিকাৰ হ'ল লীলা গগৈ। আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ লীলা গগৈয়ে তিনিখন গীতি-কবিতাৰ পুথি সাহিত্যৰ ভঁৰাললৈ আগবঢ়াই গৈছে। লীলা গগৈয়ে কেৱল অসমীয়া আধুনিক গীতি-সাহিত্যৰ ধাৰাটোলৈকে যে অৱদান আগবঢ়াইছিল এনে নহয়, অসমীয়া লোক-সংগীতৰ সংগ্ৰহ আৰু প্ৰচাৰৰ ক্ষেত্ৰতো তেখেতৰ অৱদান গুৰুত্বপূৰ্ণ। লীলা গগৈৰ গীতি-সাহিত্যৰ অন্যতম বিশেষত্ব হ'ল -গীতসমূহৰ মাজত অসমীয়া সমাজ-জীৱনৰ অভিব্যক্তিৰ প্ৰতিফলন। বিষয়ৰ বৈচিত্ৰ, লোক-জীৱনৰ আৱেগ অনুভূতি, গীতি-ব্যঞ্জক মধুৰতা আৰু ঐতিহ্য-প্ৰীতিয়ে লীলা গগৈৰ গীতক এনেদৰে সমৃদ্ধ কৰিছে যে তেখেতৰ গীতত অসমীয়া সমাজ-জীৱনৰ এনে এটি দিশ নাই যিটোক গীতেৰে চুই যোৱা নাই। অৰ্থাৎ লীলা গগৈয়ে যিকোনো ৰচনাৰ মাজেদি যিদৰে প্ৰতিমুহূৰ্তে অসমীয়া সমাজ-জীৱনক ধৰি ৰাখিব বিচাৰিছিল তেনেদৰে তেখেতে গীতকো এই ক্ষেত্ৰত এনে বৈশিষ্ট্যৰ সহজ অংশীদাৰ কৰি তুলিছিল। লোক-গীতৰ অপূৰ্ব ভংগীমা তথা শব্দৰে সজাই-পৰাই তোলা লোক-জীৱনৰ শব্দ-সুষমা আৰু অলংকাৰপূৰ্ণ মনোহাৰিত্বৰ বাবেই তেখেতৰ গীতসমূহে পাঠক-শ্ৰোতাক আকৰ্ষিত কৰে। লোক-সমাজ আৰু ঐতিহাসিক ঘটনাৰাজীয়ে লীলা গগৈৰ গীতক পটভূমি প্ৰদান কৰিছে। লোক-জীৱনৰ ভাব-ভাষা আৰু সুৰে তেখেতৰ গীতক অনন্যতা দান কৰি ৰাখিছে। এনে বৈশিষ্ট্যই লীলা গগৈৰ গীতক সমৃদ্ধ কৰিছে।

**বীজ শব্দ** ঃ লীলা গগৈ, গীতি-সাহিত্য,সমাজ-জীৱন।

**০.০০ অৱতৰণিকা ঃ**

সাহিত্য সংস্কৃতিৰ ধাৰণাটো মানুহৰ বৌদ্ধিক বিকাশৰে পৰিণতি বুলি ক'ব পাৰি। মানুহৰ স্বাভাৱিক অনুভূতিবোৰৰ সমান্তৰালভাবেই সাংস্কৃতিক অনুভূতিবো বিকাশ সাধন হয়। 'সংগীত' মানুহৰ সাংস্কৃতিক মনটোৰে বহিঃপ্ৰকাশ। সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ ৰুচি-অভিৰুচিৰ পৰিবৰ্তন হ'ল আৰু লগে লগে সাংগীতিক মনটোৰ বিকাশ হ'বলৈ ধৰিলে। ফলস্বৰূপে সৃষ্টি হ'ল সংগীতৰ বিভিন্ন ধাৰাৰ। যান্ত্ৰিক সভ্যতাই গীতবোৰক নতুন ৰূপ প্ৰদান কৰিলে। বিভিন্ন মাধ্যমৰ দ্বাৰা গীতবোৰ বাণীবদ্ধ হ'ল আৰু গীতৰ বৈশিষ্ট্য অনুসৰি প্ৰত্যেকটো ধাৰাই স্বকীয় মৰ্যাদাৰে সুকীয়া পৰিচয়

লাভ কৰিলে। এই গীতবোৰৰ প্ৰত্যেকটো ধাৰাই মানুহৰ সাংস্কৃতিক, সামাজিক, ঐতিহাসিক, প্ৰাকৃতিক আৰু ব্যক্তিগত জীৱনৰ অনুভূতি, আদৰ্শ প্ৰকাশ কৰিলে। তাৰে ভিতৰত ঊনবিংশ শতিকাত জন্ম লাভ কৰা এটা সাংগীতিক ধাৰা হ'ল আধুনিক সংগীতৰ ধাৰা। আধুনিক সংগীতৰ জনকস্বৰূপ লক্ষ্মীৰাম বৰুৱাৰপৰা সাম্প্ৰতিক কাললৈকে অনেক গীতিকাৰে অসমীয়া আধুনিক গীতৰ ধাৰাটোলৈ অৱদান আগবঢ়াই গৈছে। অসমীয়া আধুনিক গীতৰ ধাৰাটোক সৃষ্টিধৰ্মিতাৰে অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক, ঐতিহাসিক, প্ৰাকৃতিক আৰু ব্যক্তিগত জীৱনৰ অনুভূতি, আদৰ্শ প্ৰকাশ কৰোঁতা এজন গীতিকাৰ হ'ল লীলা গগৈ। লীলা গগৈৰ গীতসমূহৰ মাজেদি অসমীয়া সমাজ-জীৱনৰ ৰূপ-ছবি কেনেদৰে প্ৰকাশ ঘটিছে আৰু সেই প্ৰকাশে অসমীয়া গীতি-সাহিত্যক কেনেদৰে সমৃদ্ধ কৰিছে তাকে এনে অধ্যয়নৰ জৰিয়তে বিচাৰ কৰিবলৈ যত্ন কৰা হৈছে। অসমীয়া সমাজ-জীৱনৰ অভিব্যক্তি বুলিলে সমাজখনৰ ইতিহাস, লোক-জীৱনৰ মাত কথা, সাংস্কৃতিক আৰু ৰাজনৈতিক চিন্তাধাৰাৰ প্ৰকাশ, কেনেধৰণৰ সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশে সমাজখন পৰিচালিত কৰি আহিছে বা ইয়াৰ পৃষ্ঠভূমি কেনেধৰণৰ এই সকলো কথা সামৰি লয়। লীলা গগৈৰ গীতত অসমীয়া সামাজিক-ৰাজনৈতিক ইতিহাস, সাংস্কৃতিক পৰম্পৰা কেনেদৰে প্ৰতিফলন ঘটিছে সেই সম্পৰ্কে এনে অধ্যয়ন দাঙি ধৰা হৈছে। তদুপৰি লীলা গগৈৰ অসমীয়া সমাজ-জীৱনৰ ছবি অংকিত গীতসমূহৰ আংগিক কলাকৌশল সম্পৰ্কেও অধ্যয়ন দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.০১ লীলা গগৈৰ গীতি-সাহিত্যৰ পৰিচয় ঃ**

আধুনিক অসমীয়া গীতি-সাহিত্যক ভাৱ-ভাষা, লোক জীৱনৰ ৰূপ-ৰস, ঐতিহ্য চেতনা আৰু প্ৰাকৃতিক জীৱনৰ সমলেৰে সমৃদ্ধ কৰাসকলৰ ভিতৰত লীলা গগৈ (১৯৩০-১৯৯৪) অন্যতম। আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ লীলা গগৈৰ গীতি-কবিতাৰ পুথিসমূহ হ'ল গীতি মালঞ্চ (১৯৬৪), সোণালী (১৯৭৮), জোনাকৰ গীত (১৯৭৯)। লীলা গগৈয়ে কেৱল অসমীয়া আধুনিক গীতি-সাহিত্যৰ ধাৰাটোলৈকে যে অৱদান আগবঢ়াইছিল এনে নহয়, অসমীয়া লোক-সংগীতৰ পথাৰখনকো চহাই মৈয়াই শইচ ৰোপণ কৰি সেউজীয়া কৰি থৈ গৈছে। আধুনিক সমাজ-জীৱনৰপৰা ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা ওমলা গীত, মণিৰাম দেৱানৰ গীত, বিভিন্ন ঘোষা বা ভকতি-নাম, টোকাৰী-নাম, দেহ-বিচাৰ গীত, লখিমী-সবাহৰ নাম, আইনাম, হুবচনী-পূজাৰ নাম, অপেচৰা-সবাহৰ নাম, ভেকুলী বিয়াৰ নাম, নিচুকনী গীত, নাহৰৰ গীত, চিকন সৰিয়হৰ গীত, ঘিণাই বৰফুকনৰ গীত, জয়মতী কুঁৱৰীৰ গীত, কমলা কুঁৱৰীৰ গীত, সেন্দুৰী-পমিলীৰ গীত, হুঁচৰিৰ গীত, নাঙলৰ গীত,যঁতৰৰ গীত, সাঁথৰ ইত্যাদি অসমৰ গাঁৱে-ভূঁয়ে সিঁচৰতি হৈ থকা লোক-গীতসমূহক সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। তাৰ ফচল স্বৰূপে লীলা গগৈয়ে *অসমীয়া লোক-গীত* (১৯৫৭) , *মণিৰাম দেৱানৰ গীত* (১৯৫৭), *জোনবাই এ এটি তৰা দিয়া* (১৯৬৮) শীৰ্ষক লোক-গীতি-কবিতা পুথি অসমীয়া গীতি-সাহিত্যৰ ভঁৰালক দি গৈছে। এফালে অসমীয়া লোক-গীতৰ সংগ্ৰহ আৰু আনফালে অসমীয়া আধুনিক গীতৰ সৃষ্টি, এই দুয়োটাতে লীলা গগৈ আছিল সিদ্ধহস্ত। লোক-গীতৰ ধাৰাটোৰ সৈতে নিৰৱচ্ছিন্নভাৱে জড়িত হৈ থকা আৰু লোক-গীতৰ ভাব-ভাষা-সুৰৰ আকৰ্ষণৰ বাবেই লীলা গগৈৰ গীতবোৰত লোক-গীতৰ ঠাঁচ এটা পৰিলক্ষিত হয়। লোক মনৰ খাপ খাব পৰাকৈ কোমল, ঘৰুৱা শব্দ-সুষমাৰ প্ৰয়োগ লীলা গগৈৰ গীতি-সাহিত্যৰ অন্যতম বিশেষত্ব।

অসমীয়া আধুনিক গীতৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত অনাতাঁৰ কেন্দ্ৰই বিশেষ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ বোলছবি, মঞ্চ, গ্ৰামোফ'নৰ পাছতে অনাতাঁৰ কেন্দ্ৰই আধুনিক গীতৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে এখন ক্ষেত্ৰ প্ৰদান কৰিলে; যাৰ জৰিয়তে বহু গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী তথা সংগীতপ্ৰেমী শ্ৰোতাৰ জন্ম হ'ল। অনাতাঁৰ কেন্দ্ৰই সাধাৰণ সংগীত-প্ৰেমী আৰু সংগীত চৰ্চাকাৰীৰ বাবে যি ক্ষেত্ৰ প্ৰদান কৰিলে তাৰ কাৰণেই অসমীয়া সংগীতে সুকীয়া বৈশিষ্ট্যৰে এটা স্বকীয় ধাৰা লাভ কৰিলে। লীলা গগৈ এনে এগৰাকী গীতিকাৰ যিগৰাকীয়ে অনাতাঁৰ মাধ্যমৰ জৰিয়তে তেখেতৰ দ্বাৰা ৰচিত গীতসমূহ প্ৰচাৰ কৰি অসমীয়া সংগীতজগতৰ সমৃদ্ধিত অৰিহণা আগবঢ়ালে। অসমীয়া লোক-কথা আৰু লোক-সংগীতৰ লগত নব্য সুৰৰ সংমিশ্ৰণ ঘটাই আধুনিক সংগীতলৈ নতুনত্ব আনিলে। স্বাধীনতাৰ পূৰ্বকালতে অসমীয়া সংগীতজগতৰ লগত পৰিচয় হৈ স্বাধীনতাৰ পৰৱৰ্তী কালত অনাতাঁৰ কেন্দ্ৰৰ গীতিকাৰ হিচাপে স্বীকৃতি লাভ কৰা লীলা গগৈৰ গীতবোৰ সাংগীতিক দিশৰপৰা যিপৰিচিতি আছে সেয়া একাষৰীয়া কৰিও কেৱল সাহিত্যৰ দিশৰপৰাও বৈশিষ্ট্যপূৰ্ণ। গীতি-সাহিত্যক সমৃদ্ধ কৰিব পৰা উপাদানৰ সমাহাৰ তেখেতৰ গীতত পোৱা যায়। সাহিত্যৰ অংগ হিচাপে লীলা গগৈয়ে

গীতৰ মাজেৰে অসমীয়া সমাজ-সংস্কৃতিক তুলি ধৰিব বিচাৰিছে। অসমৰ প্ৰকৃতিজগতক মানৰ সমাজখনৰ সৈতে সাঙুৰি গীতবোৰ সজাই তুলিছে। লীলা গগৈয়ে সাহিত্যৰ অন্য বিধাসমূহ যেনে- উপন্যাস, কবিতা, প্ৰৱন্ধ আদিৰ জৰিয়তে লোক-সংস্কৃতিৰ অধ্যয়নক যিদৰে গৱেষণাৰ প্ৰৰ্যায়লৈ উন্নীত কৰিবলৈ প্ৰয়াস কৰিছিল, ঠিক তেনেদৰে গীতসমূহৰ মাজেৰেও লোক-সংস্কৃতিক প্ৰতিফলন ঘটাবলৈ পৰীক্ষা-নিৰীক্ষা চলাইছিল। সেয়ে তেখেতৰ গীতবোৰে অসমীয়া সাংস্কৃতিক উপাদানবোৰৰ লগতে লোক-মাতকথা, লোক-সুৰক তুলি ধৰিবলৈ সক্ষম হৈছে।

**০.০২ অধ্যয়নৰ উদ্দেশ্য আৰু গুৰুত্ব ঃ**

লীলা গগৈৰ গীতি-সাহিত্যত অসমীয়া সমাজ-জীৱনৰ অভিব্যক্তি বিষয়ক অধ্যয়নৰ উদ্দেশ্যসমূহ এনেধৰণৰ-

● লীলা গগৈৰ গীতি-সাহিত্যৰ পৰিচয় দাঙি ধৰি অসমীয়া গীতি-সাহিত্যলৈ তেখেতৰ অৱদান সম্পৰ্কে অধ্যয়ন দাঙি ধৰা।

● লীলা গগৈৰ গীতসমূহে অসমীয়া লোক-জীৱন তথা সমাজ-সাংস্কৃতিক, ৰাজনৈতিক ছবি আৰু গ্ৰাম্য জীৱনৰ ইতিহাস তথা অভিব্যক্তি ধৰি ৰখাত কেনেদৰে ভূমিকা পালন কৰিছে সেই সম্পৰ্কে আলোকপাত কৰা।

● লীলা গগৈৰ অসমীয়া সমাজ-জীৱনৰ ৰূপ-ছবি অংকিত গীতসমূহে অসমীয়া গীতি-সাহিত্যক কেনেদৰে সমৃদ্ধ কৰিছে তাক অধ্যয়নৰ জৰিয়তে মুল্যায়ন দাঙি ধৰিবলৈ যত্ন কৰা হৈছে।

লীলা গগৈৰ গীতসমূহৰ মাজত অসমীয়া সমাজৰ অভিব্যক্তি বিচাৰ কৰিবলৈ যাওঁতে গীতসমূহৰ মাজত অসমীয়া সমাজ-সাংস্কৃতিক ছবিখনৰ লগতে ৰাজনৈতিক-ঐতিহাসিক আৰু অন্যান্য বিভিন্ন দিশৰ সামগ্ৰিক ছবি এখন বিচাৰ কৰিবলগীয়া হয়। লীলা গগৈৰ গীতসমূহে অসমীয়া সমাজ-সাংস্কৃতিক প্ৰেক্ষাপটটোক তুলি ধৰাত যি ধৰণৰ ভূমিকা পালন কৰি আহিছে, তাক পোহৰলৈ অনাৰ ক্ষেত্ৰত এনে অধ্যয়নৰ গুৰুত্ব আছে। তদুপৰি সাহিত্যিক তথা সাংস্কৃতিক কৰ্ম হিচাপে গীতে মানুহৰ মাজত জাতি-বৰ্ণ-ধৰ্মৰ পৰিধি ভাঙি এক সমন্বয় স্থাপন কৰাত গুৰুত্ব পায়। সাহিত্যিক-সাংস্কৃতিক সমন্বয়ৰ বাৰ্তাবাহক এনে গীতবোৰৰ অধ্যয়নৰ জৰিয়তে অসমীয়া গীতি-সাহিত্যৰ নতুন নতুন দিশ উন্মোচন কৰাত এনে অধ্যয়নৰ গুৰুত্ব আছে।

**০.০৩ অধ্যয়নৰ পদ্ধতি আৰু পৰিসৰ ঃ**

লীলা গগৈৰ গীতি-সাহিত্যত অসমীয়া সমাজ-জীৱনৰ অভিব্যক্তি শীৰ্ষক গৱেষণা-পত্ৰৰ পদ্ধতি হিচাপে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। লীলা গগৈৰ অসমীয়া সমাজ-জীৱনৰ ছবি অংকিত গীতসমূহৰ নিৰ্বাচিত অংশক ভাৱগত আৰু ৰূপগত দুয়োটা দিশৰ অধ্যয়নকে পৰিসৰে সামৰি লৈছে। গীতসমূহৰ মাজত সামাজিক ইতিহাসৰ লগতে সাহিত্যিক গুণৰাজিৰ বিচাৰ কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**১.০১ লীলা গগৈৰ গীতত ইতিহাসৰ ৰূপছবি ঃ**

লীলা গগৈয়ে অসম তথা ভাৰতৰ গৌৰৱ উজ্জ্বল ইতিহাস আৰু বিশেষ ঘটনা আৰু চৰিত্ৰক আধাৰ কৰি কিছুমান গীত ৰচনা কৰিছিল। এইবোৰৰ অনেকেই আহোম ৰাজত্বৰ সময়, স্বাধীনতা আন্দোলনৰ সময় আৰু দেশৰ বীৰ-বিৰাঙ্গনাৰ চৰিত্ৰ আৰু কাহিনীৰে ভৰা। এই চৰিত্ৰবোৰৰ ভিতৰত চুকাফা, গদাপাণি, জয়মতী, মূলাগাভৰু, লাচিত, মণিৰাম দেৱান, পিয়লি ফুকন, কনকলতা, মহাত্মা গান্ধী, নেতাজী আদি বিশেষভাবে উল্লেখযোগ্য। এনে চৰিত্ৰৰ উপৰি ঐতিহাসিক কাহিনীয়েও গীতবোৰৰ বিষয়বস্তু হিচাপে ঠাই পাইছে। লীলা গগৈয়ে অসমীয়া সাংস্কৃতিক জীৱনক তুলি ধৰিবলৈ সমসাময়িক সমাজখনৰ লগতে অসমীয়া প্ৰাচীন ইতিহাসৰো আশ্ৰয় লৈছিল। তাৰ জৰিয়তে অসমীয়া সমাজখনৰ স্বৰূপ দাঙি ধৰিব পাৰিছিল। অসমত আহোমসকলে সৰ্বাধিক ছশবছৰ ৰাজত্ব কৰাৰ পৰিপ্ৰেক্ষিতত সেইসময়ৰ ইতিহাস, সামাজিক-সাংস্কৃতিক পৰিৱেশে বৰ্তমান সময়ৰ জনসাধাৰণৰ ওপৰত ক্ৰিয়া কৰা পৰিলক্ষিত হয়। লীলা গগৈৰ সাহিত্যত আহোম-যুগৰ ইতিহাস সম্বলিত অনেক ৰচনা পোৱা যায়। তেখেতৰ বিভিন্ন ৰচনাৰাজীলৈ লক্ষ্য কৰিলেই এই কথাৰ প্ৰমাণ পোৱা যায়। গীতো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। লীলা গগৈৰ গীতি-সাহিত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে- আহোম যুগৰ সমাজ-সংস্কৃতি, ৰাজনৈতিক পৰিৱেশ আৰু ঐতিহ্যই গীতিকাৰজনক আকৰ্ষিত কৰিছে। সেয়ে আহোম-যুগৰ ইতিহাসক বিভিন্ন ধৰণে আৰোপ কৰি গীতবোৰ সজাই তুলিছে।

'সৰগৰপৰা লাচিত ফুকনে
আকাশী বাণীৰে ক'লে;
সেই বাণী শুনি তপত বুকুত
শোণিতৰ সোঁত বলে।'

(লীলা গগৈৰ ৰচনাৱলী, পৃ.-৮০০)

*উৰুঙা জেৰেঙা/ উৰুঙা উৰুঙা/ নামে বিষাদৰ ঢল / জয়াৰে কাহিনী / যুগলৈ বিয়পি / কলচীত জিলিকি ৰ'ল*- শীৰ্ষক কলিটিত জয়মতীৰ ত্যাগৰ কাহিনী আৰু সেই ত্যাগে লোক-মনৰ মাজত কেনেদৰে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিব পাৰে তাক গীতটিৰ মাজেদি প্ৰকাশ কৰিব বিচাৰিছে। ঐতিহাসিক চৰিত্ৰ 'জয়মতী'ক কৰুণতা, সাহস আৰু সৌৰ্য-বীৰ্যৰ প্ৰতীক হিচাপে গীতত অংকন কৰিছে। ঠিক একেদৰে ঐতিহাসিক চৰিত্ৰ মূলাগাভৰুৰ বীৰত্বব্যঞ্জক কাহিনীকো অসমীয়া মানুহৰ আগত দাঙি ধৰিছে। *মূলা গাভৰুৰ/ বুকুৰ সাহস/ শক্তি নাৰীৰ পূজ্য; দেশৰ কাৰণে / জাতিৰ কাৰণে / সেয়েহে ৰণৰ তুৰ্য*- গীতটিত অসমীয়া নাৰীৰ সাহসৰ এটি উদাহৰণ 'মূলাগাভৰু' তাক প্ৰতিপন্ন কৰিব বিচাৰছে।

দ্বিতীয় মহাসমৰ আৰু স্বাধীনতা আন্দোলনে সমকালীন সমাজখনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। এই প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল। কাৰণ বিংশ শতিকাৰ প্ৰথমাৰ্ধত ঘটা এইকেইটা ঘটনাৰ প্ৰভাৱ আজিও সাহিত্য-সংস্কৃতি তথা সমাজ আৰু ৰাজনীতিত পৰিলক্ষিত হয়। সাহিত্যৰ অন্তৰ্গত এটা ধাৰা হিচাপে গীতি-সাহিত্যৰো এই দুয়োটা ঘটনাৰ সৰ্বগ্ৰাসী প্ৰভাৱ দেখা যায়। দ্বিতীয় মহাসমৰৰ প্ৰভাৱ ভাৰতবৰ্ষৰ উত্তৰপূৰ্বাঞ্চলতো পৰিছিল। কহিমালৈকে মহাসমৰৰ ধোঁৱা আৰু ছাঁয়ে গ্ৰাস কৰিছিল। *কহিমা দেখিছোঁ / দেখা নাই / মহাসমৰৰ ধোঁৱা আৰু ছাঁই। কহিমাৰ কথা জানিছোঁ/মুক্তিকামী মাতৃপ্ৰেমী / নেতাজীৰ বাণী শুনিছোঁ।* গীতফাকিত দ্বিতীয় মহাসমৰৰ এনে এটি দিনৰ কথাকেই ক'ব বিচাৰিছে। স্বাধীনতা আন্দোলনত অসমৰ অনেক লোকৰ শ্বহীদ হৈছিল। আন্দোলনত চৰমপন্থীসকলে ব্ৰিটিছসকলক খেদিবৰ নিমিত্তে অসমৰ গোলাঘাটৰ সৰুপথাৰত ৰেল বগৰাইছিল বুলি জনা যায়। ব্ৰিটিছসকলে তেনে অপৰাধত অভিযুক্ত কৰি কুশল কোঁৱৰক ফাঁচি দিছিল। তেনে এক ঐতিহাসিক ঘটনাক আশ্ৰয় কৰি লীলা গগৈয়ে গীত ৰচনা কৰিছে।[১] অসমৰ ইতিহাসত স্বাধীনতাৰ বাবে যুঁজি মৃত্যুবৰণ কৰা ঐতিহাসিক চৰিত্ৰক বিষয়বস্তু হিচাপে দাঙি ধৰিছে এনেদৰে-

*টোকোলাই পাৰতে কুশল ফাঁচী গ'লে*
*অসমীৰ মুখলৈ চাই;*
*জেলৰে ভিতৰত আটায়ে কান্দিলে*
*ফাঁচীৰে বাতৰি পাই।*

(*লীলা গগৈৰ ৰচনাৱলী*. পৃষ্ঠা-৮৫৪)

তদুপৰি অন্য ঐতিহাসিক চৰিত্ৰ জয়মতী, গদাপাণি, মণিৰাম দেৱান ইত্যাদিৰ প্ৰসংগ উল্লেখ কৰি জনতাক দেশৰ হকে আগবাঢ়ি আহিবলৈ আহবান জনাইছে।

**১.০২ লীলা গগৈৰ গীতত সমাজ-সাংস্কৃতিক প্ৰেক্ষাপট ঃ**

গীত হ'ল সমাজ-জীৱনৰ বস্তু। সেয়ে গীতত সমাজ একোখনৰ সামগ্ৰিক ছবিখন প্ৰতিফলিত হোৱা দেখিবলৈ পোৱা যায়। গীতিকাৰজন সমাজৰে একোজন ব্যক্তি। সেয়ে সেইজন ব্যক্তিৰ অনুভূতিও সমাজখনক বাদ দি পৰিচালিত নহয়। আধুনিক গীতত ব্যক্তি-জীৱনে ঠাই পায় বুলি কোৱা হয় যদিও সমাজখনক পৰিহাৰ কৰি কোনো গীতেই সৃষ্টি নহয়। সমাজ এখনৰ ছাঁ ব্যক্তিমনৰ ওপৰত পৰে অৰ্থাৎ সমাজে ব্যক্তিক গঢ় দিয়ে। সেয়ে সমাজ এখনৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ঘটনাৰাজিৰ দ্বাৰা প্ৰভাৱপুষ্ট হৈয়ে গীতিকাৰ এজনে . গীতৰ সৃষ্টি কৰে। সমাজখনৰ স্বৰূপ-প্ৰকৃতিয়ে ব্যক্তিমনৰ ওপৰত ক্ৰিয়া কৰে, ফলত ব্যক্তিয়ে তেনে অনুভূতিক গীতৰ ভাষাৰে প্ৰকাশ কৰে। সমাজক যি সাংস্কৃতিক আৰু ৰাজনৈতিক বাতাবৰণে গতিশীলতা প্ৰদান কৰি আহিছে সেই একে বাতাবৰণে ব্যক্তিমনৰ ওপৰতো প্ৰভাৱ পেলায়। ফলত সেই বাতাবৰণ সাহিত্যৰো বাতাবৰণ হয়। গীত যিহেতু সাহিত্যৰ এটা অংশ সেয়ে সাংস্কৃতিক ছবি, ৰাজনৈতিক বাতাবৰণ, সমাজখনৰ অতীতৰ ছবি গীতিকাৰে তুলি ধৰে। অসমীয়া সমাজৰ নীতি-নিয়ম, লোকাচাৰ, সংস্কাৰ, জাতি-ভেদ, লোকবিশ্বাস ইত্যাদিয়ে অসমীয়া সমাজখনক অন্য সমাজতকৈ পৃথক কৰি তুলিছে। এইবিলাকৰ জৰিয়তেই অসমীয়া সমাজখনৰ সাংস্কৃতিক পৰিচয়ো পাব পাৰি। সমাজ আৰু সংস্কৃতি দুয়োটাৰ মাজত ঘনিষ্ঠ সম্বন্ধ আছে। সেয়ে সমাজখন তুলি ধৰিবলৈ যাওঁতে সংশ্লিষ্ট সমাজখনৰ সংস্কৃতি ওলাই পৰে বা অন্যধৰণে ক'লে সমাজ এখনৰ সাংস্কৃতিক মনটোক প্ৰতিফলন কৰিবলৈ যাওঁতে সমাজখনৰ স্বৰূপ ওলাই পৰে। তেনে বিভিন্ন সাংস্কৃতিক দিশসমূহক লীলা গগৈৰ গীতে দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে।

সংস্কৃতিৰ দুটা ফাল থাকে। এটা বাহ্যিক আৰু আনটো আভ্যন্তৰীণ। অসমীয়া বাহ্যিক সংস্কৃতিকো তেওঁলোকৰ মাত-কথা, সাজ-পাৰ, আ-অলংকাৰ, আচাৰ-ব্যৱহাৰ, খাদ্যাভাস, জীৱন-ধাৰণৰ প্ৰণালীৰ জৰিয়তে চিনাক্ত কৰিব পাৰি। সাজপাৰ, অয়-অলংকাৰ সমাজ একোখনৰ সৌন্দৰ্য আৰু ব্যক্তিত্বৰো পৰিচায়ক। সমাজখনৰ অৰ্থনৈতিক দিশ, ঐতিহাসিক দিশ এইবোৰো সাংস্কৃতিক সমলসমূহে দাঙি ধৰে।

লীলা গগৈৰ গীতত অসমীয়া সাজপাৰ আৰু অয়-অলংকাৰৰ বিষয়ে দাঙি ধৰাৰ বিভিন্ন উদাহৰণ পোৱা যায়।

ক. *ডিঙিৰ সাতেসৰী / পাতে মেজাংকৰী / সোণৰ নেজেপতা বিৰি / ক'তনো এৰিলি / ৰূপহী গাভৰু / দেহাৰ চপাকলি চিৰী। (লীলা গগৈৰ ৰচনাৱলী. পৃষ্ঠা- ৭৮৯)*

খ. *কাণৰে থুৰীয়া / উকা বাখৰুৱা/ ৰঙাকৈ জাংফাই কেৰু; ক'তনো এৰিলি / বুকুৰ ৰিহাখনি / সোণৰ লগুে কেৰু সৰু। -(লীলা গগৈৰ ৰচনাৱলী. পৃষ্ঠা- ৭৮৯)*

গ. *আখৰৰ বাখৰে / সোণপতা জোনবিৰি, উপহাৰ পঠাওঁ মনে মনে /আবেগৰ সাতসৰী। - (লীলা গগৈৰ ৰচনাৱলী. পৃষ্ঠা- ৭৯২)*

সমাজ এখনৰ সাংস্কৃতিক পৰিচয় প্ৰাপ্তিৰ বাবে উক্ত সমাজখনত পৰম্পৰাগত আৰু সাময়িকভাৱে চলি থকা উৎসৱ-অনুষ্ঠানে সহায় কৰে। বিভিন্ন সময়ত অসমীয়া আধুনিক গীতৰ গীতিকাৰসকলে অসমীয়া সমাজ জীৱন দাঙি ধৰিবলৈ উৎসৱ-অনুষ্ঠানৰ আশ্ৰয় লয়। লীলা গগৈৰ গীততো অসমীয়া সমাজ জীৱনৰ অন্তৰ্গত বিভিন্ন উৎসৱ অনুষ্ঠানৰ ছবিয়ে স্থান পালে। তাৰে ভিতৰত বিহু, বিবাহ, শংকৰদেৱে প্ৰবৰ্তন কৰা ভাওনা, তুচু পৰ্ব, কৰম পৰ্ব, আলি আই লিগাং ইত্যাদিৰ ছবিও দেখিবলৈ পোৱা গ'ল। *আজি মধুনিশা / মূৰত ওৰণি / আগত হোমৰ অগনি / ওৰণি তলত/ ছবি আছে যায় / কতনো নতুন পুৱণি-শীৰ্ষক গীত ফাকিত* অসমীয়া বিবাহ অনুষ্ঠানৰ ছবি দেখা গ'ল।

এটি গীতত গীতিকাৰে এই দেশৰ জয়ৰ হকে বুকুৰ তেজ দি আগবাঢ়ি আহি, দেশৰ গ্লানি উটুৱাই দিবলৈ আহ্বান জনাইছে। গীতিকাৰে কৈছে-

খৰ্গৰ সতে স্বৰ্গৰ পথ
আকৌ মুকলি কৰা,
বুকুৰ তেজেৰে গ্লানি উটুৱাই
ধুই লৈ য'ক ধৰা।

লীলা গগৈৰ 'এই নদী নিৰবধি', 'চিনাকি আকাশৰ অচিনাকি তৰালি', 'অযুত জোনাকী অচিন অচিন', 'এটি দুটি তৰা জ্বলে' আদি গীতত প্ৰকৃতিৰ ছবি আৰু 'ডিঙিৰ সাতেসৰী পাতে মেজাংকৰী', 'হাততো জেতুকা ভৰিতো জেতুকা', আদি গীতত সাংস্কৃতিক সমলেৰে অসমীয়া সাংস্কৃতিৰ ছবি এখন দাঙি ধৰিবলৈ প্ৰয়াস কৰিছে।

এটি 'বঙলা'ৰ ছবি অংকন কৰি অসমীয়া মানুহৰ অৰ্থনৈতিক জীৱন প্ৰবাহক দাঙি ধৰিব বিচাৰিছে। ইংৰাজসকলৰ ৰাজত্বৰ সময়ছোৱাত অসমৰ সামাজিক তথা অৰ্থনৈতিক জীৱন অতি সংকটৰ ফাললৈ গতি কৰিছিল। দৈনন্দিন জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় অন্নৰ যোগাৰ কৰিবলৈকো যে অসুবিধা হৈছিল তাৰ ছবি এখন লীলা গগৈৰ গীতৰ জৰিয়তে পাব পাৰি। ছবিখনে অসমত ইংৰাজসকলৰ ৰাজত্বৰ সময়ৰ এখন ছবিৰ ইংগিত বহন কৰে।[২]

এইদৰে দেখা যায় যে লীলা গগৈৰ গীতত নৰ-নাৰীৰ প্ৰেম, ব্যক্তিগত আশা আকাংক্ষা, সমাজ-জীৱনৰ ছবি, অৰ্থনৈতিক ছবি আৰু লোক-সংস্কৃতিৰ সমলেৰে গীতবোৰ ভৰি আছে।

**১.০৩ লীলা গগৈৰ গীতত ৰাজনৈতিক প্ৰেক্ষাপট ঃ**

বৰ্তমান সময়ত দেখা যায় কোনো কোনো ৰাজনীতিবিদে বা তেনে এক শ্ৰেণীৰ নেতাই বিপ্লৱৰ নামত গীতিকাৰৰ ভাষাত 'শব্দৰ ফুলজাৰী' মাৰে আৰু সাধাৰণ জনতাৰ পৰা ৰাজনৈতিক মুনাফা আদাই কৰে। অসমীয়া আধুনিক গীতত তেনে ৰাজনৈতিক নেতা বা বিপ্লৱৰ নামত মিছা শ্লোগান দিয়া নেতাক সতৰ্ক কৰি দিছে এনেদৰে-

হে' বিপ্লৱী বন্ধুহঁত
গোৱা বিজয়ৰ গান ;
শব্দৰ ফুলজাৰি মাৰি
নেগাবা, নিদিবা শ্লোগান।

গীতিকাৰে একেটি গীততে গাঁৱলৈ ব'লা /বোকা পানী আছে / তেজ গলি হোৱা ঘাম /পানী গামোছাৰে পেট বান্ধি আছে /পৰিশ্ৰম অবিৰাম- এনেদৰে কৈ গ্ৰাম্য-জীৱনৰ দ্ৰৰিদ্ৰতাৰ সৈতে চিনাকি হৈ প্ৰকৃত ৰাজনীতিৰ দ্বাৰা জনসাধাৰণৰ উপকাৰ সাধিবলৈ ৰাজনীতিবিদৰ প্ৰতি আহবান জনাইছে। এই গীতটিত গীতিকাৰৰ ৰাজনৈতিক চেতনাৰ উমান পোৱা যায়। ৰাজনীতিৰ মেৰপাকত পৰি শাসনৰ নামত পুৰণি বৰ অসম ভাগ ভাগ হোৱাত গীতিকাৰে ক্ষোভ প্ৰকাশ কৰিছে, তাকে গীতত সাকাৰ ৰূপ প্ৰদান কৰিছে। গীতিকাৰে কৈছে যে -চেনেহৰ চিকুনী /অসমীৰ আইৰো /দেহা চিৰীচটা হ'ল। ইফালে শতৰু / সিফালে শতৰু / ক'তেনো তোৰে আপোন? সেই চিকুনী আই ভাগ ভাগ হৈ দেহাটো চিৰীছটা যেন হ'ল বুলি মনৰ দুখতে গীতত খেদ প্ৰকাশ কৰিছে। গীতটিত গীতিকাৰৰ ৰাজনৈতিক চেতনাৰ লগতে জাতীয় চেতনাৰো উমান পাব পাৰি।

*খৰ্গৰ সতে/ স্বৰ্গৰ পথ/ আকৌ মুকলি কৰা /বুকুৰ তেজেৰে/ গ্লানি উটুৱাই/ ধুই লৈ য'ক ধৰা।*গীতটিত আকৌ কৈছে- *আগবাঢ়া মোৰ/ দেশৰ জনতা/ সাহ বান্ধি দলে দলে/ ধ্ৰুৱ তৰা হই/ জয় আছে ৰই/ নেপাবা থমকি ৰ'লৈ।* - এই গীতটিত যদিও প্ৰত্যক্ষভাবে ৰাজনীতিৰ পটভূমি নাই যেন লাগে তথাপি গীতটিৰ ৰচনাত ৰাজনৈতিক পটভূমিয়ে যে ক্ৰিয়া কৰা নাই তাক নুই কৰিব নোৱাৰি। কাৰণ বৰ্তমান ৰাজনীতিৰ নামত হোৱা দুৰ্নীতিৰ বিপক্ষে থিয় দিবলৈকে যে গীতটিৰ মাজেদি আহ্বান জনাইছে তেনে এটি ভাবনাকে প্ৰতিফলন হৈছে।

লীলা গগৈৰ গীতত বিশ্ব ৰাজনীতিৰো প্ৰভাৱ দেখিবলৈ পোৱা যায়। দ্বিতীয় মহাসমৰৰ উত্তপ্ত ৰাজনৈতিক বাতাবৰণ আৰু ভাৰতীয় স্বাধীনতা সংগ্ৰামে দেশৰ সমাজ-জীৱনলৈ ভয়াৱহ পৰিস্থিতি কঢ়িয়াই আনিছিল। গীতিকাৰৰ ভাষাত দ্বিতীয় মহাসমৰৰ ধোঁৱা আৰু ছাঁইয়ে কহিমাকো চুই গৈছিল। তেনে এক ৰাজনৈতিক প্ৰেক্ষাপট দাঙি ধৰিছে এনেদৰে- *কহিমা দেখিছোঁ/ দেখা নাই / মহাসমৰৰ ধোঁৱা আৰু ছাঁই/ কহিমাৰ কথা জানিছোঁ /মুক্তিকামী মাতৃপ্ৰেমী / নেতাজীৰ কথা শুনিছোঁ/ সাম্ৰাজ্যবাদীৰ/ ৰক্ত তৃষাৰ / লেলিহান শিখা দেখিছোঁ / হেজাৰ জনৰ / বেজাৰ জড়িত /সমাধিৰ ফলি লেখিছোঁ। (লীলা গগৈৰ ৰচনাৱলী।* পৃষ্ঠা- ৮৩০)

**১.০৪ লীলা গগৈৰ গীতত অসমীয়া লোকগীত আৰু বিশিষ্ট ব্যক্তিৰ প্ৰভাৱ ঃ**

লীলা গগৈৰ গীতত লোক-কথা, লোকগীতৰ সুৰ আৰু ঐতিহ্যপ্ৰীতিৰ নিদৰ্শন পোৱা যায়। লীলা গগৈয়ে লোক-সাহিত্যৰ পৰা সমল আহৰণ কৰি ৰচনা কৰা অনেক গীত আছে। *'ৰ'দালি এ ৰ'দ দে/ আলি কাটি জালি দিম/বৰ পিৰা পাৰি দিম/ তাতে বহি ৰ'দালি/মন তোৰ ৰঙালি/ পোহৰ এচেৰেঙা দে।'* আকৌ, *'টুন টুন টুনী চৰাই/মোৰ ধান নেখাবি তোক দিম গোটা কৰাই।'* এনে ধৰণৰ গীতত ওমলা গীতৰ সুৰ আৰু কথাৰ স্পষ্ট চাপ পৰিলক্ষিত হয়। তদুপৰি ' জোনবাই এ এটি তৰা দিয়া', 'জোনাকী এ আহিবি ৰাতি' আদি গীতত নিচুকনি গীতৰ চানেকি দেখিবলৈ পোৱা যায়। ওমলা গীতৰ আৰ্হি গ্ৰহণ কৰি বহুতো গীত ৰচনা কৰিছে। *'টঙীঘৰৰ চাঙত বহি / ৰখোঁ পকা ধান ; হুৰ হুৰ বটা চৰাই /নেখাবি নেখাবি গুটি ধান; খাৰ যদি খা/তুঁহে পতান।'*শীৰ্ষক গীতটি ওমলা গীতৰ কথা আৰু সুৰৰ প্ৰলেপ দেখা যায়।

কোনো বিশেষ ব্যক্তিৰ কৰ্মপ্ৰেৰণাৰেও লীলা গগৈয়ে কিছু গীত ৰচনা কৰা দেখিবলৈ পোৱা যায়। গীতিকাৰজনে পূৰ্বজ ব্যক্তিৰ জীৱন আৰু কৰ্মৰাজীক গীতেৰে প্ৰকাশ কৰে। চাওলুং চুকাফা, শংকৰদেৱ, মহাত্মা গান্ধী, লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰশস্তিৰ উদাহৰণ পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰশস্তি সম্বলিত এটি গীতত বেজবৰুৱাৰ দেশপ্ৰেম আৰু দেশৰ প্ৰতি থকা অৱদানৰ কথা সোঁৱৰাই দি বেজবৰুৱাৰ জয়গান গাইছে।

*জয়তু লক্ষ্মীনাথ*
*চিকুনি দেশতে আপুনি উপজি*
*মাতিলা সুৱদি মাত।*

*(লীলা গগৈৰ ৰচনাৱলী.* পৃষ্ঠা- ৮০৫)

**১.০৫ লীলা গগৈৰ গীতৰ আংগিক কলাকৌশল ঃ**

লীলা গগৈৰ গীত সাহিত্যিক সৌন্দৰ্যৰে পৰিপূৰ্ণ। ভাৱগত আৰু ৰূপগত এই দুয়োটা দিশতে লীলা গগৈৰ গীতৰ বৈচিত্ৰ পৰিলক্ষিত হয়। বিভিন্ন উপমা-ৰূপক আদি অলংকাৰৰ প্ৰয়োগেৰে গীতবোৰৰ সাহিত্যিক সৌন্দৰ্য পৰিস্ফুট হয়। *মোৰ মৰমৰ/ৰঙা সেন্দুৰৰ /ৰঙা ফোঁট নলবি, ৰঙা চেনেহৰ/ ৰঙা ইতিহাস/ আচলত আঁকি নলবি।* শীৰ্ষক গীতৰ কলিটিত যমক অলংকাৰৰ প্ৰয়োগ আকৰ্ষণীয়। যেতিয়া ওচৰা ওচৰিকৈ থকা দুটা একে শব্দ বেলেগ বেলেগ অৰ্থত ব্যৱহাৰ হয় তাক যমক অলংকাৰ বোলে। ইয়াত 'ৰঙা' চেনেহে মৰম আৰু 'ৰঙা' ইতিহাসে ইতিহাসৰ বিপদৰ সময়ৰ কথা বুজাইছে।

বিষয়বস্তু আৰু ভাৱবস্তুৰ ক্ষেত্ৰত লীলা গগৈৰ গীতত যিদৰে বৈচিত্ৰ্য দেখা যায় ঠিক তেনেদৰে আঙ্গিক কলা-কৌশলৰ ক্ষেত্ৰতো বৈচিত্ৰ্য পৰিলক্ষিত হয়। অসমীয়া কবিতাৰ আঙ্গিকৰ দৰেই লীলা গগৈৰ আধুনিক গীততো বিভিন্ন ভাৱঘন প্ৰতীক আৰু চিত্ৰকল্পৰ সমাহাৰ দেখিবলৈ পোৱা যায়। যাৰ ফলত তেখেতৰ গীতবোৰ সাহিত্যিক সৌন্দৰ্যৰে পৰিপূৰ্ণ হৈ সাহিত্যক নতুন আয়তন দান কৰে।

*বলাকাই অলকাৰ বাট দেখুৱাই*
*নীলিম আকাশখনি পৰিছে শুৱাই*
*ৰাঙ্গনী বেলিৰ ৰেখা কোনেনো আঁকে,*
*শুকুলা ডাৱৰৰ ফাঁকে ফাঁকে।*

গীতফাকিত গীতিকাৰৰ সূক্ষ্ম কল্পনাৰে বেলি ডুবো ডুবো সময়ৰ ছবিখন দাঙি ধৰিছে। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য বৰ্ণিত ছবিখনত গীতিকাৰৰ সৌন্দৰ্য প্ৰিয় মন এটাৰ উমান

পাব পাৰি। মানুহৰ সপোনৰ সীমা নাই। এটি সৰু প্ৰজা; সেই প্ৰজাত শান্তিৰে জীৱন-যাপন কৰি সপোন দেখিবলৈ গীতিকাৰে চেষ্টা কৰে। তেনে এখন প্ৰাকৃতিক জীৱনৰ চিত্ৰৰে সৈতে আশা-আকাংক্ষাৰ ছবিখন দাঙি ধৰিছে ।[৩]

জীৱনৰ বিপদ সংকুল মুহূৰ্তক বৰ্ষণ মুখৰ মেঘৰ গৰ্জনৰ ছবিৰে তুলি ধৰিছে - *মেঘে গাজে ঘনে ঘনে / মন নাচে মনে মনে / ভৰ বাৰিষাৰ প্লাৱন নামিছে / উদাসী আকাশী মন / ৰিক্ত সিক্ত ভূমি।* শীৰ্ষক গীত ফাকিৰ জৰিয়তে। ঐতিহাসিক চৰিত্ৰৰ প্ৰতীক আৰু কাহিনীৰে স্বদেশ-প্ৰেম জাগ্ৰত কৰিবলৈ প্ৰয়াস কৰা গীতিকাৰ লীলা গগৈৰ গীতত প্ৰকৃতিৰ শান্ত-সমাহিত ছবিও দেখিবলৈ পোৱা যায়। জোন আৰু জোনাকীৰ/ কত মধু মিতালি, বিৰহিনী কেতেকীৰ/ স্মৃতিসনা গীতালি, সেই গীতৰ সুৰে সুৰে / গলি গলি গলালি; অ' সৰু জোনাকী তই / জ্বলি জ্বলি জ্বলালি।

মনৰ ভাৱ-অনুভূতিক গীতৰ মাধ্যমত প্ৰকাশ কৰোঁতে কিছুমান ব্যঞ্জনাৰ সহায়ত ভাৱাবেগক নিয়ন্ত্ৰিত কৰি উৎকৃষ্ট শব্দৰ প্ৰয়োগ কৰিব লগীয়া হয়। যিহেতু গীতৰ নিৰ্দিষ্ট সময়-সীমা বা গায়ন কাল থাকে। সেয়ে কিছুমান কথা প্ৰতীকৰ দ্বাৰা মনৰ অনুভৱখিনিক জুখি-মাখি সজাই-পৰাই অৰ্থাৎ ব্যঞ্জনাৰ সহায়ত ক'ব লগা হয়। কবিতা আৰু গীত একে শ্ৰেণীৰ সাহিত্য হিচাপে সংযত প্ৰকাশক গুৰুত্ব দিয়াৰ বাবেই যুগে যুগে কবিতা-গীত ইত্যাদিত প্ৰতীকৰ ব্যৱহাৰ হৈ আহিছে। প্ৰতীক ব্যৱহাৰে গীতক অৰ্থময় কৰি তোলাত সহায় কৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যৰ যিদৰে পৰিৱৰ্তন ঘটিছে তেনেদৰে গীতত প্ৰয়োগ হোৱা প্ৰতীকৰো স্বৰূপ সলনি হৈ আহিছে। লীলা গগৈৰ গীতৰ ক্ষেত্ৰতো বিভিন্ন প্ৰতীক প্ৰয়োগৰ ব্যৱহাৰে গীতবোৰক অৰ্থৱহ কৰি তুলি সাহিত্যিক সৌন্দৰ্য প্ৰদান কৰাত সহায় কৰিছে।[৪]

*এইপাৰে এজাৰৰ হেজাৰ বেজাৰ/ সেইপাৰে সোণাৰুৰ সোণ-আশা কাৰ/এইখন নদী, যৌৱন যাৰ নাম।*।জীৱনটোক 'নদী' প্ৰতীকেৰে নামকৰণ কৰি তাৰ গতিক যৌৱনৰ লগত তুলনা কৰিছে। জীৱনৰ ঘাট-প্ৰতিঘাটৰ সমান্তৰালভাবেই নদীৰ পাৰে পাৰেও আশা-নিৰাশাৰ হেজাৰ-বিজাৰ ঘটনা ঘটি যোৱা বুলি গীতিকাৰে উল্লেখ কৰিছে। গীতিকাৰৰ ভাষাত অমানিশাৰূপী অন্যায় অশান্তিৰ কলীয়া ডাৱৰে সমাজখন খন্তেক সময়ৰ বাবে ছানি ধৰিলেও শান্তিৰ বাৰ্তাবাহক তৰাবোৰ আৰু দ্বিতীয়াৰ কাচিজোন অৰ্থাৎ পোহৰে সমাজখনক অন্যায়-অশান্তিৰপৰা উদ্ধাৰ কৰিবই। অমানিশাক অন্যায়ৰ প্ৰতীক আৰু জোন-তৰাক শান্তিৰ প্ৰতীকৰূপে গীতত অংকন কৰিছে -*অমানিশা আহি /অনিশাৰ বাবে /মাৰে যদি এটি জোন / নমৰে তথাপি অযুত তৰালি /দ্বিতীয়াৰ কাঁচিজোন* এই গীতফাকিৰ জৰিয়তে।

ঐতিহাসিক চৰিত্ৰক গীতিকাৰে শক্তিৰ প্ৰতীক হিচাপে গীতত অংকিত কৰি ঐতিহ্যপ্ৰীতি তথা স্বদেশপ্ৰেমৰ নিদৰ্শন দাঙি ধৰিব বিচাৰিছে এনেদৰে-

*সৰগৰ পৰা লাচিত ফুকনে*
*আকাশী বাণীৰে ক'লে*
*সেই বাণী শুনি তপত বুকুত*
*শোণিতৰ সোঁত বলে।*

(*লীলা গগৈৰ ৰচনাৱলী*।পৃষ্ঠা-৮০০)

দুৰ্নীতি, অশান্তিময় এই পৃথিৱীখনত শান্তিৰ বাণী প্ৰচাৰ কৰিবৰ বাবে গীতিকাৰে শান্তিৰ প্ৰতীক এজনী কপৌক উৰি উৰি শান্তি বিলাবলৈ আহ্বান জনাইছে *নিমাতী কপৌজনী যা উৰি উৰি যা, আন্ধাৰে আৱৰা এই পৃথিৱীত/ জোনাকৰে গীত গা*-শীৰ্ষক গীতৰ জৰিয়তে। তদুপৰি *চিলমিল টোপনি / জিলমিল আমনি/ আহিলে মলয়া চাটি; নিমাতী জোনাকী / সৰগ সজাবি/ দুবৰি দলিচা পাৰি*-শীৰ্ষক গীতত সৌন্দৰ্যপ্ৰিয় মনৰ উমান পাব পাৰি। লীলা গগৈৰ দ্বাৰা ৰচিত এনে বিভিন্ন গীতত সাহিত্যিক গুণৰাজিৰ আভাস পাব পাৰি।

**২.০০ উপসংহাৰ ঃ**

বিষয়ৰ বৈচিত্ৰ, লোক-জীৱনৰ আৱেগ অনুভূতি, গীতি-ব্যঞ্জক মধুৰতা আৰু ঐতিহ্য-প্ৰীতিয়ে লীলা গগৈৰ গীতক এনেদৰে সমৃদ্ধ কৰিছে যে তেখেতৰ গীতত অসমীয়া সমাজ-জীৱনৰ এনে এটি দিশ নাই যিটোক গীতেৰে চুই যোৱা নাই। অৰ্থাৎ লীলা গগৈৰ যিকোনো ৰচনাৰ মাজেদি যিদৰে প্ৰতিমুহূৰ্ত্ততে অসমীয়া সমাজ-জীৱনক ধৰি ৰাখিব বিচাৰিছিল তেনেদৰে তেখেতৰ গীতকো এই ক্ষেত্ৰত এনে বৈশিষ্ট্যৰ সহজ অংশীদাৰ কৰি তুলিছিল। লোক-গীতৰ অপূৰ্ব ভংগীমা তথা শব্দৰে সজাই-পৰাই তোলা লোক-জীৱনৰ শব্দ-সুষমা আৰু অলংকাৰপূৰ্ণ মনোহাৰিত্বৰ বাবেই তেখেতৰ গীতসমূহে পাঠক-শ্ৰোতাক বিমুগ্ধ কৰে। লীলা গগৈৰ এনে বহু গীত আছে যিবোৰত দেখা যায় প্ৰকৃতিৰ অনুপম বন্দনা। প্ৰতীক আৰু চিত্ৰকল্পৰ যোগেদি প্ৰতিফলিত এনে প্ৰাকৃতিক বন্দনাই সমান্তৰালভাৱে লোক-জীৱনকো পোহৰাই তুলিছে। প্ৰকৃতিৰ বৰ্ণাঢ্য শোভাৰ কলাত্মক ৰূপ লীলা গগৈৰ গীতৰ অন্যতম বৈশিষ্ট্য হিচাপে চিনাক্ত কৰিব পাৰি।

১. কান্দে প্ৰভাৱতী / কান্দে পোনা দুটি / কুশলৰ মুখলৈ চাই / ফাঁচীৰে শালতে / হাঁহিলে কুশলে / অহিংসাৰ গীত গাই। (লীলা গগৈৰ ৰচনাৱলী. পৃষ্ঠা- ৮৫৪)

*২. বগীটিঙৰ বঙলা পকীকৈ নঙলা*
*বঙলাৰ কি কি নাও; বঙলাৰ চাহাবে*
*মঙলাক সুধিলে দুবেলা কেনেকৈ খাওঁ।*
( *লীলা গগৈৰ ৰচনাৱলী.* পৃষ্ঠা- ৭৯৬)

*৩. নিবিড় নিশাৰ তিমিৰে পৰশা*
*এই এটি সৰু নীড়,*
*দুটি সৰু পখী নিদ্ৰা বিভোৰ*
*চকুত স্বপ্ন ভিৰ।* - *লীলা গগৈৰ ৰচনাৱলী।* পৃষ্ঠা-৮১৩.

*৪.এই খন নদী বয় নিৰবধি যৌৱন যাৰ নাম*
*এইখন নদী গতি আৰু গতি*
*যৌৱন অভিসাৰ।*
- *লীলা গগৈৰ ৰচনাৱলী।* পৃষ্ঠা- ৭৮৯

অন্য অৰ্থত ক'ব পাৰি দৃশ্যমান প্ৰকৃতিজগতক লীলা গগৈয়ে ভাৱৰ ব্যঞ্জনাৰে তুলি ধৰে। লীলা গগৈয়ে গীতত সৌন্দৰ্যৰ মেলা পাতে। লোক-সমাজ আৰু ঐতিহাসিক ঘটনাৰাজীয়ে লীলা গগৈৰ গীতক পটভূমি প্ৰদান কৰিছে। লোক-জীৱনৰ ভাব-ভাষা আৰু সুৰে তেখেতৰ গীতক অনন্যতা দান কৰি ৰাখিছে। এনে বৈশিষ্ট্যই লীলা গগৈৰ গীতক সমৃদ্ধ কৰিছে আৰু সেয়ে অসমীয়া গীতি-সাহিত্যত লীলা গগৈয়ে স্থান অধিকাৰ কৰি আহিছে। ❑


**প্ৰাসঙ্গিক গ্ৰন্থপঞ্জী ঃ**

**মুখ্য সমল ঃ**

লীলা গগৈৰ ৰচনাৱলী. ডিব্ৰুগড় ঃ বনলতা, ২০১২, ছপা.

**গৌণ সমল ঃ**

আলি, তফজ্জুল. *আধুনিক গীতৰ সংগীতকাৰ সকল.* যোৰহাট ঃ অসম সাহিত্য সভা, ২০০৫. ছপা.

গগৈ,ছবি. *অসমীয়া গীতিসাহিত্যৰ সমাজশাস্ত্ৰীয় মূল্য.* গুৱাহাটী ঃ পৃথিৱী প্ৰকাশন, ২০১১.ছপা

গোস্বামী,সুৰেণ. *আধুনিক গীতত দৃষ্টিপাত.* গুৱাহাটী ঃ জয়া প্ৰেছ, ১৯৯৫. ছপা.

ডেকা হাজৰিকা, কৰবী. সম্পা. *সামাজিক-সাংস্কৃতিক প্ৰেক্ষাপটত অসমীয়া গীত আৰু গীতি-কবিতা.*
গুৱাহাটী ঃ সাহিত্য অকাডেমী, প্ৰথম প্ৰকাশ, ২০১১. ছপা.

দত্ত, বীৰেন্দ্ৰনাথ. *অসমীয়া সংগীতৰ ঐতিহ্য.* যোৰহাট ঃ অসম সাহিত্য সভা, ১৯৭৭. ছপা.

দাস, শোণিত বিজয়. মুনীন বায়ন, *কথাবৰেণ্য* ১০০ সম্পা. গুৱাহাটী ঃ কথা প্ৰকাশ, ২০০৬. ছপা.

নেওগ, মহেশ্বৰ. *অসমীয়া গীতি সাহিত্য.* গুৱাহাটী ঃ নেওগ প্ৰকাশ ন্যাস, ২০০৮. ছপা.

বৰুৱা, প্ৰহলাদ কুমাৰ. *আধুনিক অসমীয়া কবিতাৰ গতি বৈচিত্ৰ্য.* ডিব্ৰুগড় ঃ বনলতা, ২০০০. ছপা.

*অসমীয়া লোক সাহিত্য.* সম্পা ডিব্ৰুগড় ঃ অসম সাহিত্য সভা, ২০০১. ছপা.

ভূঞা, সৰলা. *অসমীয়া গীতি-সাহিত্যৰ ৰূপৰেখা.* গুৱাহাটী ঃ অসম সাহিত্য সভা, ২০১১. ছপা

মহন্ত, কেশৱ. "অসমীয়া গীতি-সাহিত্য আৰু আকাশবাণী ডিব্ৰুগড়" সম্পা. লুৎফুৰ ৰহমান, 'স্মৰণিকা' আকাশবাণী গুৱাহাটীঃ ১৯৯৮. সোণালী জয়ন্তী বৰ্ষ, ছপা.

.শৰ্মা, সত্যেন্দ্ৰনাথ. *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত.* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ২০০৬. ছপা.

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# আন্তোন চেখভ আৰু শীলভদ্ৰৰ চুটিগল্পৰ বিষয়বস্তু ঃ এটি তুলনাত্মক বিশ্লেষণ

## (নিৰ্বাচিত চুটিগল্পৰ উল্লেখনসহ)



**চুইটি বৰা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দুধনৈ মহাবিদ্যালয়, পিন-৭৮৩১২৪
গৱেষক, গুৱাহাটী বিশ্ববিদ্যালয়
৮৮৭৬৪৭৭৩০১
chuitytez@gmail.com,



**ড° বিৰিঞ্চি কুমাৰ দাস**
অধ্যক্ষ
বৰপেটা ছোৱালী মহাবিদ্যালয়
৭০০২১৪৩৩২৫

**সংক্ষিপ্তসাৰ ঃ**

সাম্প্ৰতিক সাহিত্যৰ গতিশীল বিষয়সমূহৰ ভিতৰত এক গুৰুত্বপূৰ্ণ বিষয় হৈছে তুলনামূলক সাহিত্য। তুলনামূলক সাহিত্য সৃজনীশীল সাহিত্যৰ অন্যান্য শাখাসমূহৰ দৰে কোনো সৃজনীশীল সাহিত্য নহয়। তুলনামূলক সাহিত্য হৈছে সাহিত্য মূল্যায়নৰ এটি পদ্ধতি। য'ত সাধাৰণতে দুই বা ততোধিক ভাষাৰ সাহিত্য কৰ্মৰ মাজত পৰিলক্ষিত হোৱা বিভিন্ন দিশৰ সাদৃশ্য-বৈসাদৃশ্যসমূহ পদ্ধতিগতভাৱে তুলনা কৰা হয়। তুলনামূলক সাহিত্যত ৰাষ্ট্ৰীয় সাহিত্যৰ পৰিধি অতিক্ৰম কৰি বিশ্ব সাহিত্যৰ আঁওতাত সাহিত্যৰাজিৰ বিশ্লেষণ কৰা হয়। আধুনিক গল্পসাহিত্যৰ এগৰাকী আগশাৰীৰ গল্পকাৰ আন্তোন পাভ্‌লোভিচ চেখভ (১৮৬০-১৯০৪) আৰু অসমীয়া গল্পকাৰ শীলভদ্ৰ (১৯২৪-২০০৮)ৰ গল্পৰ মাজত বিভিন্ন সাদৃশ্য-বৈসাদৃশ্য পৰিলক্ষিত হয়। এই গৱেষণা পত্ৰখনত চেখভ আৰু শীলভদ্ৰৰ গল্পৰ বিষয়বস্তুৰ সম্পৰ্কে এটি তুলনাত্মক বিশ্লেষণ আগবঢ়োৱা হ'ব।

**বীজ শব্দ ঃ** তুলনা, চুটিগল্প, বিষয়বস্তু, আংগিক, বাস্তৱতা।

### ১.০০ অৱতৰণিকা ঃ

মানৱ মনৰ চিন্তন-কৰ্ষণৰ সৈতে জড়িত এটি বৌদ্ধিক প্ৰক্ৰিয়া হৈছে তুলনা। 'তুলনা' শব্দটিৰ সমাৰ্থক শব্দ হ'ল— ৰিজনি বা সদৃশতা। দুটা বা ততোধিক বস্তু একে সমতলত ৰাখি তাৰ মাজত পৰিলক্ষিত সাদৃশ্য-বৈসাদৃশ্য বিচাৰ কৰাই হৈছে তুলনা। সাহিত্যৰ ক্ষেত্ৰখনত উনবিংশ শতিকাৰ প্ৰথম ভাগৰ পৰাহে তুলনামূলক প্ৰক্ৰিয়াক উদ্দেশ্যপ্ৰণোদিতভাৱে জড়িত কৰা হয়। ১৮৪৮ চনত মেথিউ আৰ্নল্ডে পোন-প্ৰথমবাৰৰ বাবে ইংৰাজী সাহিত্যত 'Comparative Literature' অভিধাটো ব্যৱহাৰ কৰে। পৰৱৰ্তী সময়ত এটি সুকীয়া বিষয় বিচাপে বিশ্ব সাহিত্যত চৰ্চা লাভ কৰা তুলনামূলক সাহিত্য কিন্তু কোনো সৃজনীশীল সাহিত্য নহয়। ই সাহিত্য মূল্যায়নৰ এটি পদ্ধতিহে, য'ত দুই বা ততোধিক ভাষাৰ সাহিত্যকৰ্মৰ মাজত প্ৰতিফলিত বৈশিষ্ট্যৰাজি প্ৰণালীৱদ্ধভাৱে তুলনা কৰা হয়। সেয়ে তুলনামূলক সাহিত্য সম্পৰ্কে মত আগবঢ়াই নগেন শইকীয়াই কৈছে, "তুলনামূলক সাহিত্য বুলি কোনো সৃষ্টিশীল সাহিত্য নাই। তুলনামূলক সাহিত্য বুলি কোনো সাহিত্য তত্ত্ব নাই, ই হ'ল সাহিত্য বিচাৰৰ এটা পদ্ধতি।"[১] তুলনামূলক সাহিত্যই দেশ-কাল-ভাষা-সংস্কৃতি সকলোৰে পৰিধি অতিক্ৰম কৰি বিশ্বৰ

সকলো সাহিত্য কৰ্মকে সমস্থানত ৰাখি সাহিত্যৰাজিৰ মাজত অন্তৰ্নিহিত বিভিন্ন বৈশিষ্ট্যৰাজিৰ সাদৃশ্য-বৈসাদৃশ্য নিৰূপণ কৰে। মনঃস্তাত্বিক দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰি চালে,সমগ্ৰ বিশ্বৰে মানৱ জাতিৰ চিৰন্তন মানৱীয় অনুভূতি-অভিব্যক্তিসমূহৰ মাজত এক পাৰস্পৰিক সাদৃশ্য পৰিলক্ষিত হয়। তৎসত্বেও ভাষিক, আঞ্চলিক, ভৌগোলিক, সাংস্কৃতিক আদি ভিন্নতাৰ বাবেই বিশ্বসাহিত্যত বৈচিত্ৰ্যতাৰ সমাহাৰ ঘটে। আৰু তুলনামূলক সাহিত্য পদ্ধতিত সাহিত্যৰাজিৰ এই সাদৃশ্য আৰু বৈসাদৃশ্যসমূহেই বিজ্ঞানসন্মত আৰু পদ্ধতিগতভাৱে অধ্যয়ন কৰা হয়।

"আন্তোন চেখভ আৰু শীলভদ্ৰৰ চুটিগল্পৰ বিষয়বস্তু ঃ এটি তুলনাত্মক বিশ্লেষণ" শীৰ্ষক আমাৰ গৱেষণা পত্ৰখনত ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত তথা শেষৰ দশক দুটাত গল্প ৰচনা কৰি ৰুছ সাহিত্যৰ লগতে সমগ্ৰ বিশ্ব সাহিত্যত এক অন্যান্য স্থান দখল কৰা সাহিত্যিক গল্পকাৰ আন্তোন পাভ্‌লোভিচ চেখভ (১৮৬০-১৯০৪) আৰু অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ গল্পকাৰ শীলভদ্ৰ (১৯২৪-২০০৮)ৰ চুটিগল্পৰ বিষয়বস্তুৰ মাজত এক তুলনামূলক বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰা হ'ব।

**২.০০ লক্ষ্য আৰু উদ্দেশ্য ঃ**

"আন্তোন চেখভ আৰু শীলভদ্ৰৰ চুটিগল্পৰ বিষয়বস্তু ঃ এটি তুলনাত্মক বিশ্লেষণ" শীৰ্ষক আমাৰ গৱেষণা পত্ৰখনৰ লক্ষ্য আৰু উদ্দেশ্যৰাজি হ'ল—

(ক) ৰুছ গল্পকাৰ আন্তোন চেখভ আৰু অসমীয়া গল্পকাৰ শীলভদ্ৰৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) চেখভ আৰু শীলভদ্ৰৰ চুটিগল্পৰ বিষয়বস্তুৰ সাদৃশ্য-বৈসাদৃশ্য সম্পৰ্কে বিশ্লেষণ কৰা।

**৩.০০ পৰিসৰ ঃ**

আমাৰ গৱেষণা পত্ৰখনৰ পৰিসৰৰ ভিতৰত ৰুছ গল্পকাৰ আন্তোন চেখভ আৰু অসমীয়া গল্পকাৰ শীলভদ্ৰৰ কিছু নিৰ্বাচিত গল্পৰ বিষয়বস্তুৰ মাজত পৰিলক্ষিত হোৱা সাদৃশ্য-বৈসাদৃশ্য সম্পৰ্কে এক তুলনাত্মক বিশ্লেষণ আগবঢ়াবলৈ চেষ্টা কৰা হ'ব। লগতে চেখভ আৰু শীলভদ্ৰৰ সাহিত্যকৃতি সম্পৰ্কেও কিছু আভাস গৱেষণা পত্ৰখনৰ পৰিসৰৰ ভিতৰত দাঙি ধৰা হ'ব।

**৪.০০ পদ্ধতি ঃ**

"আন্তোন চেখভ আৰু শীলভদ্ৰৰ চুটিগল্পৰ বিষয়বস্তু ঃ এটি তুলনাত্মক বিশ্লেষণ" শীৰ্ষক আমাৰ গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে মূলতঃ তুলনামূলক আৰু বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**৫.০০ মূল বিষয়বস্তুৰ আলোচনা ঃ**

**৫.০১ আন্তোন চেখভৰ পৰিচয় আৰু সাহিত্যকৃতি ঃ**

ৰুছ সাহিত্যৰ লগতে আধুনিক বিশ্বসাহিত্যৰ এগৰাকী আগশাৰীৰ গল্পকাৰ হ'ল আন্তোন পাভ্‌লোভিচ চেখভ (১৮৬০-১৯০৪)। তেওঁৰ জন্ম হৈছিল ৰুছ দেশৰ দক্ষিণাঞ্চলৰ এখন সৰু সাগৰীয় বন্দৰ নগৰী তাগানৰগত। দৰিদ্ৰ পৰিয়ালৰ সন্তান চেখভে কম বয়সৰ পৰাই নিজৰ পঢ়া-শুনাৰ খৰচ উলিয়াবৰ বাবেই সাহিত্য চৰ্চা আৰম্ভ কৰিছিল। ২০ বছৰ বয়সতে চেখভে জীৱনৰ প্ৰথমটো গল্প 'পণ্ডিতসম প্ৰতিবেশীলৈ পত্ৰ' (A letter to a learned Neighbor) ৰচনা কৰিছিল। জীৱনৰ প্ৰথম স্তৰত চেখভ এগৰাকী হাস্য-ব্যংগ গল্পকাৰ হিচাপেহে ৰুছ সাহিত্যজগতত পৰিচিত হৈছিল। জীৱনৰ প্ৰথম স্তৰত প্ৰকাশিত তেওঁৰ দুয়োখন গল্পসংকলন ক্ৰমে 'টেলছ অৱ মেলপমিন' (The Tales of Malpomene) আৰু 'মটলি ষ্ট'ৰিছ (Motley Stories)ত অন্তৰ্গত গল্পসমূহে হাস্য-ব্যংগভাৱে সমসাময়িক সমাজৰ বিভিন্ন স্বৰূপ উদঙাই দেখুৱাইছিল। কিন্তু পৰৱৰ্তী সময়ত চেখভে হাস্য-ব্যংগৰ পৰিৱৰ্তে গভীৰ মনোবৈজ্ঞানিক দৃষ্টিভংগীৰেহে গল্প লিখিবলৈ লয়। ঊনবিংশ শতিকাৰ ৰুছ দেশৰ ৰাজনৈতিক সামাজিক অস্থিৰ পৰিৱেশৰ মাজতো চেখভে গভীৰ প্ৰত্যয়ৰে গল্পৰ মাজত ৰোপণ কৰিছে আশাবাদৰ বীজ। সমসাময়িক সমাজখনৰ ৰাজনৈতিক অথবা অৰ্থনৈতিক চিন্তাধাৰাৰ পৰিৱৰ্তে মানৱ জীৱনৰ দুৰ্বলতা আৰু নিঃসংগতাৰ বেদনাহে পৰিস্ফুট হৈ উঠে তেওঁৰ গল্পৰাজিৰ মাজেৰে। পাঁচশতাধিক গল্প ৰচনা কৰা গল্পকাৰগৰাকীয়ে অতি সংযমী আৰু পৰিণত শৈলীৰে বাস্তৱ জীৱনৰ সৰু বৰ ঘটনাসমূহ গল্পৰ মাজেৰে সাৰ্থক ৰূপত তুলি ধৰিছিল। এটি নিতান্তই সাধাৰণ ঘটনাকে অসাধাৰণত্ব আৰোপ কৰি গল্পৰ মাজেৰে ফুটাই তোলাও আছিল চেখভৰ গল্পৰ এটি বৈশিষ্ট্য।

**৫.০২ শীলভদ্ৰৰ পৰিচয় আৰু সাহিত্যকৃতি ঃ**

আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী লেখত ল'বলগীয়া গল্পকাৰ হ'ল— শীলভদ্ৰ (১৯২৪-২০০৮)।

অসমীয়া সাহিত্যত 'Late Starter' গল্পকাৰ হিচাপে খ্যাত শীলভদ্ৰৰ প্ৰকৃত নাম— ৰেৱতী মোহন দত্তচৌধুৰী। প্ৰায় চল্লিশ বছৰ বয়সত 1964 চনত 'অসম বাতৰি'ৰ পূজা সংখ্যাত প্ৰকাশিত 'অভিযোগ' গল্পটিৰ জৰিয়তে শীলভদ্ৰই গল্পকাৰ হিচাপে যাত্ৰা আৰম্ভ কৰে। কিছু পলমকৈ গল্প লিখিবলৈ আৰম্ভ কৰিলেও শীলভদ্ৰৰ গল্পৰ বিষয়বস্তু, উপস্থাপন ৰীতি, আংগিক, ভাষাশৈলী সকলো দিশতে এক অভিনৱত্ব পৰিলক্ষিত হয় আৰু এই অভিনৱত্বই শীলভদ্ৰৰ গল্পক প্ৰদান কৰে এক সুকীয়া বৈশিষ্ট্য। 'বাস্তৱ', 'সমুদ্ৰতীৰ', 'তৰুৱা কদম', 'মধুপুৰ বহুদূৰ' ইত্যাদি তেইশখন গল্পসংকলন ৰচনা কৰা গল্পকাৰ গৰাকীৰ গল্পৰাজি আছিল মূলত বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা পুৰিপুষ্ট। প্ৰায় চাৰিশতাধিক গল্প ৰচনা কৰা শীলভদ্ৰৰ গল্পৰাজি আছিল প্ৰৌঢ়ত্বৰ এক বিশেষ জিজ্ঞাসু দৃষ্টিভংগীৰে ৰচিত পৰম্পৰা আৰু আধুনিকতাৰ সংমিশ্ৰণৰ বুদ্ধিদীপ্ত শৈলীৰ গল্প। বাস্তৱ জীৱনৰ প্ৰতিটো সৰু-বৰ ঘটনাকে কলাত্মকৰূপত গল্পৰ মাজেৰে উপস্থাপন কৰা শীলভদ্ৰৰ গল্প কোৰাৰ শৈলীও আছিল অনাড়ম্বৰ, যিয়ে পাঠকক তেওঁ গল্পৰ প্ৰতি সততে আকৰ্ষিত কৰি ৰাখিছিল।

**৫.০৩ চেখভ আৰু শীলভদ্ৰৰ গল্পৰ বিষয়বস্তুৰ তুলনা ঃ**

সাহিত্য হৈছে সমাজৰ দাপোণ। মানৱ জীৱনৰ চিৰন্তন আৱেগ-অনুভূতিৰাজি কলাত্মক ৰূপত প্ৰতিফলিত হয় সাহিত্যৰ মাজেৰে। সেয়ে স্থান-কাল-ভাষা-সংস্কৃতি ইত্যাদি বিভিন্ন বৈচিত্ৰ্যতাৰ মাজতো সমগ্ৰ বিশ্বসাহিত্যৰ মাজত অনুভূত হয় এক ৰহস্যময় ঐক্যতা। সেইবাবেই হয়তো ভিন্ন দেশৰ, ভিন্ন পটভূমি, ভিন্ন ভাষাত ৰচিত হ'লেও ৰুছ গল্পকাৰ চেখভ আৰু অসমীয়া গল্পকাৰ শীলভদ্ৰৰ গল্পৰ বিষয়বস্তু চৰিত্ৰ, আংগিক আদিৰ ক্ষেত্ৰত বহুখিনি সাদৃশ্য পৰিলক্ষিত হয়। গল্প ৰচনা কালৰ দিশৰ পৰা দুয়োজন গল্পকাৰৰ মাজত যথেষ্ট ব্যৱধান থকা সত্বেও দুয়োগৰাকীৰ গল্পৰ মিল-অমিলসমূহ অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হ'ব।

চেখভৰ গল্পৰ বিষয়বস্তু আছিল বাস্তৱধৰ্মী। বাস্তৱ জীৱনত সংঘটিত সৰু-বৰ প্ৰতিটো ঘটনাৰ পৰাই চেখভে গল্পৰ বিষয়বস্তু সংগ্ৰহ কৰিছিল। এইক্ষেত্ৰত শীলভদ্ৰও ব্যতিক্ৰম নাছিল। নিজৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰাজিকে তেওঁ গল্পত কলাত্মক ৰূপ প্ৰদান কৰা দৃষ্টিগোচৰ হয়। নিজৰ গল্পৰ পটভূমি সম্পৰ্কে শীলভদ্ৰই কৈছিল,

"শক্তিমানৰ নিৰংকুশ শক্তিৰ আস্ফালন দেখিছোঁ, বিত্তবানৰ দম্ভ দেখি আছোঁ। নিষ্পেষিত জনগণৰ হাঁহাকাৰো শুনি আছোঁ আৰু আশাহত যৌৱনৰ ক্ষোভ আৰু ক্ৰোধৰ বিচিত্ৰ প্ৰকাশ। মনত বিপৰীতমুখী অনুভূতিৰ উদয় হৈ থাকে, তাকেই প্ৰকাশ কৰাৰ অক্ষম চেষ্টা কৰি আছোঁ। এই হ'ল মোৰ গল্প লিখাৰ পটভূমি। প্ৰতিজন গল্প লেখকে বোধহয় ইয়াকেই কৰি থাকে। যিজন লেখকৰ গল্পত এই অনুভূতিবোৰৰ যিমান নিৰ্ভুলভাৱে প্ৰতিফলিত হয় তেওঁ সিমান সাৰ্থক গল্পকাৰ।"[2]

শীলভদ্ৰৰ 'মধুপুৰৰূপ বহুদূৰ', 'আকৌ মধুপুৰ', 'চিঠি', 'জিতেনক বিচাৰি' ইত্যাদি গল্পৰ মাজেৰে বাস্তৱ জীৱনৰ এক স্পষ্ট চিত্ৰ যথাযথভাৱে পৰিস্ফুট হয়। তেনেদৰে 'বহুৰূপী' (Clemeleon), 'কেৰাণীৰ মৃত্যু' (Death of a Clerk), 'বক্তা' (The Orator), 'মুখা' (The Mask), ইত্যাদি গল্পৰ জৰিয়তেও চেখভে তদানীন্তন সমাজৰ বাস্তৱ দিশটো স্পষ্ট ৰূপত গল্পৰ মাজেৰে প্ৰতিফলিত কৰা পৰিলক্ষিত হৈছিল। এক নিজস্ব শৈলীৰে চেখভে বাস্তৱ জীৱনৰ সাধাৰণ মূহুৰ্ত এটাক কলাত্মকৰূপত গল্পত উপস্থাপন কৰিছিল। ৰুছ সাহিত্যিক মাক্সিম গৰ্কী (১৮৬৪-১৯৩৬)য়ে চেখভৰ সম্পৰ্কে লিখা এটি সমালোচনাত কৈছিল—

"..........জীৱনৰ সামান্য, তুচ্ছ ঘটনাবিলাকৰ মাজত লুকাই থকা কাৰুণ্যক ইমান স্পষ্ট ৰূপত সহজাত প্ৰজ্ঞাৰে চেখভৰ দৰে আন কোনেও উপলব্ধি কৰিবলৈ সক্ষম হোৱা নাছিল। ইয়াৰ আগেয়ে কোনো এজন লেখকেই মলিন, বিশৃংখল, মধ্যবিত্ত জীৱনৰ লজ্জাজনক আৰু পুতৌজনক, কথাবোৰৰ ইমান নিৰ্মম আৰু সঁচা প্ৰতিচ্ছবি মানুহৰ আগত দাঙি ধৰিবলৈ সক্ষম হোৱা নাছিল।"[3]

চেখভৰ সাহিত্যিক জীৱনৰ প্ৰথম স্তৰৰ গল্পৰাজি আছিল হাস্য-ব্যংগাত্মক। তদানীন্তন ৰুছ সমাজখনৰ আভিজাত্য, মেৰুদণ্ডহীন আমোলা-বিষয়াসকলৰ ফোপোলা স্বৰূপ হাস্য-ব্যংগ শৈলীৰে তেওঁ গল্পৰ মাজেৰে উন্মোচন কৰিছিল। ঠিক সেইদৰে সমাজৰ মুখা পিন্ধা ভণ্ড লোকসকলৰ বিষয়বস্তুৰে শীলভদ্ৰৰো বহুকেইটা গল্পত স্থান লাভ কৰিছিল। চেখভৰ 'বহুৰূপী', 'মুখা', 'বক্তা' ইত্যাদি হাস্য-ব্যংগ গল্পৰ সৈতে শীলভদ্ৰৰ 'সহপাঠী', 'হিচাপ', 'ক্ষোভ', 'শোকসভা' ইত্যাদি গল্পৰ বিষয়বস্তুৰ স্পষ্ট সাদৃশ্য পৰিলক্ষিত হয়। য'ত দুয়োগৰাকী গল্পকাৰে বুদ্ধিদীপ্ত শৈলীৰে হাস্য-ব্যঙ্গাত্মকভাৱে সমাজৰ ভণ্ডামিৰ স্বৰূপ প্ৰকাশ কৰিছে।

চেখভ আৰু শীলভদ্ৰ দুয়োগৰাকী গল্পকাৰৰ বহুকেইটা গল্পৰ বিষয়বস্তুতে সমাজৰ সাধাৰণ শ্ৰেণীৰ লোকসকলৰ

করুণ গাথা অতি মৰ্মান্তিক ৰূপত প্ৰকাশিত হৈছে। সামাজিক, অৰ্থনৈতিকভাৱে পীড়িত সমাজৰ নিম্ন স্তৰৰ লোকসকলৰ বিভিন্ন দুৰ্যোগ, বিপদৰ চিত্ৰ চেখভ আৰু শীলভদ্ৰই গল্পৰ বিষয়বস্তুৰূপে উপস্থাপন কৰিছে। চেখভৰ 'বেদনা' (Misery), 'দি কোৰাছ গাৰ্ল' (The Chorus Girl), 'এজন কেৰাণীৰ মৃত্যু' (Death of a Clerk)ৰ দৰে শীলভদ্ৰৰ 'হিচাপ', 'বৌৰৰ', 'অপৰাজেয়' ইত্যাদি গল্পৰ বিষয়বস্তুৰ মাজেৰে অভাৱ-অনাটনক্লিষ্ট সমাজখনৰ চিত্ৰ বাস্তৱসন্মতভাৱে ফুটি উঠিছে।

চেখভ আৰু শীলভদ্ৰৰ গল্পৰ বিষয়বস্তুৰ মাজত যথেষ্ট পৰিমাণে আত্মজীৱনীমূলক উপাদান নিহিত হৈ থকাও পৰিলক্ষিত হয়। শীলভদ্ৰৰ বহুকেইটা গল্পৰ মাজেৰে তেওঁৰ জন্মস্থান মধুপুৰৰ সমাজ ব্যৱস্থা, বিভিন্ন অঞ্চল-ব্যক্তিৰ কথা পৌণপৌণিকভাৱে অংকন কৰিছে। শীলভদ্ৰৰ কাহিনী উপস্থাপনৰ ক্ষেত্ৰত ঘটনাৰ কোনো উচ্চ-তুচ্ছতাৰো ব্যৱধান পৰিলক্ষিত নহয়। উচ্চ বা তুচ্ছ যিকোনো বিষয়বস্তুৰ জৰিয়তে আত্মপ্ৰসংগৰ অৱতাৰণা তেওঁৰ গল্পত দৃষ্টিগোচৰ হয়। এই প্ৰসংগত শীলভদ্ৰই নিজেই গল্পৰ মাজেৰে ব্যক্ত কৰিছে এইদৰে-

"মোৰ ৰচনা মানে মোৰেই কথা। মই যি দেখিছো, যি শুনিছো, যিবোৰ ঘটনাই মোক সাময়িকভাৱে সচেতন কৰি তুলিছে মই তাকেই কওঁ আৰু এটা মন কৰিবলগীয়া কথা এই যে এটা ডাঙৰ ঘটনাই মনটোক যিমান অস্থিৰ কৰি তোলে, একোটা তুচ্ছ ঘটনাই কেতিয়াবা মনত তাতোকৈ বেছি আলোড়নৰ সৃষ্টি কৰে।"[৪]

শীলভদ্ৰৰ দৰেই চেখভৰ গল্পৰাজিৰ মাজেৰেও আত্মপ্ৰসংগৰ অনুষংগ উপস্থাপিত হোৱা পৰিলক্ষিত হয়। পেচাত এগৰাকী চিকিৎসক হোৱাৰ বাবেই চেখভৰ বহুকেইটা গল্পত ৰোগ আৰু ৰোগীৰ প্ৰসঙ্গই পৌণ-পৌণিকভাৱে ভূমুকি মাৰিছে। চেখভৰ 'বিস্তীৰ্ণ পথাৰ' (The Steppe), 'লেটাৰ ভিতৰৰ মানুহ' (Man in a Cocoon), 'ফৰিং' (Grasshopper), ইত্যাদি গল্পৰ মাজেৰে বাস্তৱ জীৱনৰ বিভিন্ন বিষয়বস্তু চৰিত্ৰই স্থান লাভ কৰা পৰিলক্ষিত হৈছে।

প্ৰেমেও দুয়োগৰাকী গল্পকাৰৰ গল্পত এক বিশিষ্ট স্থান অধিকাৰ কৰিছে। প্ৰেমৰ ভিন্ন ৰূপ চেখভ আৰু শীলভদ্ৰৰ গল্পৰ বিষয়বস্তু হিচাপে অংকিত হৈছে। কোনো গল্পত নাৰী-পুৰুষৰ উচ্ছাসময় প্ৰেম, ক'ৰবাত আকৌ ব্যৰ্থ প্ৰেমৰ চিত্ৰ, ক'ৰবাত পৰকীয় প্ৰেমৰ মধুৰতা ইত্যাদি প্ৰেমৰ বিভিন্ন অভিব্যক্তিয়ে দুয়োগৰাকী গল্পকাৰৰ গল্পৰ বিষয়বস্তু হিচাপে উপস্থাপিত হৈছে। চেখভৰ 'কুকুৰ লৈ ফুৰা মহিলাগৰাকী' (Lady with a dog), 'ফৰিং' (Grasshopper), 'ডাৰ্লিং' (Darling), ইত্যাদি গল্পৰ দৰে শীলভদ্ৰৰ 'বেহাগ', 'ছবি', 'মা-দেউতা আৰু অঞ্জু', 'ছায়া সঙ্গীনি' ইত্যাদি গল্পৰ মাজেৰে প্ৰেমৰ বহুধা বিভক্ত ৰূপ চিত্ৰিত হৈছে।

চেখভ আৰু শীলভদ্ৰ দুয়োজন গল্পকাৰৰ গল্পৰ বিষয়বস্তুৰূপে শিশু মনস্তত্বৰ বিভিন্ন দিশো ৰূপায়িত হোৱা দৃষ্টিগোচৰ হৈছে। শিশুৰ অবোধ-সৰল মানসিক জগতখনৰ বহুৰঙী ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সাৰ্থক প্ৰকাশ দুয়োগৰাকী গল্পকাৰৰ গল্পৰ মাজত পৰিলক্ষিত হয়। চেখভৰ 'ভাংকা' (Vanka), 'তাইৰ টোপনি আহিছে' (Sleepy), 'বিস্তীৰ্ণ পথাৰ' (The Steppe), 'শিশু' (Children), ইত্যাদি গল্পৰ বিষয়বস্তুৰ লগত 'মা-দেউতা আৰু অঞ্জু', 'আৰক্ষৰ', 'ককাদেউতা আৰু নাতি ল'ৰা', 'অপৰাজেয়' ইত্যাদি গল্পৰ বিষয়বস্তুৰ সাদৃশ্য মন কৰিবলগীয়া।

গল্পৰ বিষয়বস্তু উপস্থাপন বা নিৰ্বাচনৰ ক্ষেত্ৰত চেখভ আৰু শীলভদ্ৰৰ যিদৰে সাদৃশ্য পৰিলক্ষিত হয়, ঠিক সেইদৰে কিছু কিছু দিশত বৈসাদৃশ্য ফুটি উঠাও দেখিবলৈ পোৱা যায়। বিশেষকৈ ভিন্ন দেশৰ ভিন্ন সামাজিক-ভাষিক-সংস্কৃতিক পৰিমণ্ডলৰ বাবেই দুয়োজন গল্পকাৰৰ গল্পৰ মাজত এনে পাৰ্থক্য দৃষ্টিগোচৰ হয়। শীলভদ্ৰৰ গল্পৰ বহুখিনি বিষয়বস্তুতে মধুপুৰ অঞ্চল বা সেই অঞ্চলৰ সমাজ ব্যৱস্থা, বিভিন্ন ব্যক্তি অৰ্থাৎ এখন বিশেষ স্থানৰ (Locus) উল্লেখ পোৱা যায়। কিন্তু চেখভৰ গল্পত তেনে কোনো বিশেষ ঠায়ে বা অঞ্চলে স্থান লোৱা পৰিলক্ষিত নহয়। সেইদৰে দুয়োজন গল্পকাৰৰ ৰচনাকালৰ মাজতো যথেষ্ট পাৰ্থক্য থকাৰ বাবেও বহু সময়ত বিষয়বস্তুৰ মাজতো পাৰ্থক্য দৃষ্টিগোচৰ হয়।

**৬.০০ সামৰণি আৰু সিদ্ধান্ত ঃ**

তুলনামূলক অধ্যয়ন পদ্ধতিত বিশ্বৰ সকলো সাহিত্যৰাজিকে ভৌগোলিক-ভাষিক-সাংস্কৃতিক পৰিসৰৰ উৰ্দ্ধত ৰাখি একক সাহিত্যৰূপে একে সমতলত বিচাৰ-বিশ্লেষণ কৰা হয়। সেই অনুসৰি ভিন্ন দেশৰ, ভিন্ন ভাষাৰ, ভিন্ন সময়ৰ দুগৰাকী গল্পকাৰ আন্তোন পাভ্‌লোভিচ চেখভ আৰু শীলভদ্ৰৰ গল্পৰাজিৰ বিষয়বস্তুৰ তুলনামূলক পদ্ধতিৰে বিশ্লেষণ কৰি চাওঁতে যথেষ্ট সাদৃশ্য-বৈসাদৃশ্য পৰিলক্ষিত হৈছে। দেশ-কাল-ভাষা-সংস্কৃতি ভিন্ন হ'লেও মানৱ মনৰ চিৰন্তন

অনুভূতিৰাজিৰ সাদৃশ্যৰ বাবেই দুয়োগৰাকী গল্পকাৰৰ গল্পৰ মাজতো অনুভূত হৈছে এক ৰহস্যময় ঐক্যতাৰ। আমাৰ গৱেষণা পত্ৰখনত চেখভ আৰু শীলভদ্ৰ দুয়োগৰাকী গল্পকাৰৰে গল্পৰ বিষয়বস্তুৰ তুলনাত অন্তত এই সিদ্ধান্তত উপনীত হ'ব পাৰি যে—

(ক) চেখভ আৰু শীলভদ্ৰৰ গল্পৰাজিৰ বিষয়বস্তুৰ ক্ষেত্ৰত যথেষ্ট সাদৃশ্য পৰিলক্ষিত হয়। বিশেষকৈ দুয়োগৰাকী গল্পকাৰেই আছিল বাস্তৱবাদী গল্পকাৰ। দৈনন্দিন জীৱনৰ উচ্চ-তুচ্ছ যিকোনো বিষয়েই দুয়োজনে কলাত্মকভাৱে গল্পত উপস্থাপন কৰিছিল।

(খ) চেখভ আৰু শীলভদ্ৰ দুয়োজনেই মূলতঃ মানৱতাবাদী গল্পকাৰ। সমাজৰ ৰাজনৈতিক, অৰ্থনৈতিক বিভিন্ন দিশ অথবা সাহিত্যৰ বিভিন্ন তত্ত্ব, দৰ্শন আদি উপস্থাপন কৰাতকৈ মানৱীয় চিৰন্তন অনুভূতিৰাজিহে দুয়োজনে গল্পৰ বিষয়বস্তুৰ মাজেৰে ফুটাই তুলিবলৈ প্ৰয়াস কৰিছিল।

(গ) দুয়োগৰাকী গল্পকাৰেই সমাজৰ উচ্চ স্তৰৰ অভিজাত লোকসকলৰ ভণ্ডামি, মেৰুদণ্ডহীন আচৰণসমূহ হাস্য-ব্যংগভাৱে গল্পৰ বিষয়বস্তুৰূপে উপস্থাপন কৰিছিল। ইয়াৰোপৰি সমাজৰ সাধাৰণ লোকসকলৰ জীৱনৰ কৰুণ গাথা, আত্মজীৱনীমূলক উপাদান, প্ৰেমৰ ভিন্ন অভিব্যক্তি, শিশু মনস্তত্বৰ প্ৰকাশ ইত্যাদি দুয়োগৰাকী গল্পকাৰৰে গল্পৰ বিষয়বস্তু আছিল। ❑


**প্ৰসংগ সূত্ৰ ঃ**

(১) শইকীয়া, নগেন ঃ তুলনামূলক সাহিত্য পটভূমিকাত অসম, সম্পা. ড° ধ্ৰুৱজ্যোতি নাথ, ২০১৭, পৃ. ১৮

(২) শীলভদ্ৰ ঃ শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প, সম্পা. পংকজ ঠাকুৰ, ২০১৩, পৃ. ৬২

(৩) শৰ্মা, ৰাজেন্দ্ৰ ঃ চেখভৰ গল্প, ২০০০, পৃ. ৯

(৪) শীলভদ্ৰ ঃ গল্পসমগ্ৰ (দ্বিতীয় খণ্ড), ২০০৯, পৃ. ৩৮৩

**গ্ৰন্থপঞ্জী ঃ**

**মুখ্য সমল ঃ**

(১) শীলভদ্ৰৰ গল্প সমগ্ৰ (প্ৰথম খণ্ড)। গুৱাহাটী ঃ বনলতা, ২০০৭। মুদ্ৰিত।

(২) শীলভদ্ৰৰ গল্প সমগ্ৰ (দ্বিতীয় খণ্ড)। গুৱাহাটী ঃ বনলতা, ২০০৯। মুদ্ৰিত।

(৩) কুমাৰ, প্ৰদীপ। (অনু.)। চেখভৰ গল্প। গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০১৬। মুদ্ৰিত।

(৪) ভূঞা, সত্যজিৎ। (অনু.)। ছয় নম্বৰ ৱাৰ্ড আৰু আন গল্প। গুৱাহাটী ঃ শৰাইঘাট প্ৰকাশন, ২০০৪। মুদ্ৰিত।

(৫) শৰ্মা, ৰবীন্দ্ৰনাথ। (অনু)। এণ্টন চেখভৰ একুৰি গল্প। গুৱাহাটী ঃ কাজিৰঙা প্ৰিণ্টিং হাউচ, ২০১৪। মুদ্ৰিত।

(৬) শৰ্মা, ৰাজেন্দ্ৰ। (অনু.)। চেখভৰ গল্প। নলবাৰী ঃ জাৰ্ণাল এম্পৰিয়াম, ২০০০। মুদ্ৰিত।

**গৌণ সমল ঃ**

(১) গোস্বামী, ত্ৰৈলোক্য নাথ। আধুনিক গল্প সাহিত্য। গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড, ২০১৩। মুদ্ৰিত।

(২) ঠাকুৰ, পংকজ। (সম্পা.)। শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প। নতুন দিল্লী ঃ সাহিত্য অকাডেমি, ২০১৩। মুদ্ৰিত।

(৩) দত্ত, উদয়। চুটিগল্প। গুৱাহাটী ঃ ষ্টুডেণ্টচ ষ্ট'ৰচ, ২০১৮। মুদ্ৰিত।

(৪) দাস, দুলাল চন্দ্ৰ। তুলনামূলক সাহিত্য আৰু ভাৰতীয় প্ৰেক্ষাপট। গুৱাহাটী ঃ অশোক বুক ষ্টল, ২০২২। মুদ্ৰিত।

(৫) বৰা, অপূৰ্ব। (সম্পা.)। অসমীয়া চুটিগল্প অধ্যয়ন। বনলতা ঃ ডিব্ৰুগড়, ২০১৭। মুদ্ৰিত।

(৬) বৰা, দিলীপ। তুলনামূলক সাহিত্য। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০২২। মুদ্ৰিত।

(৭) বৰা, প্ৰাণজিৎ। তুলনামূলক সাহিত্য তত্ত্ব আৰু বিচাৰ। গুৱাহাটী ঃ পাঞ্চজন্য, ২০১৮। মুদ্ৰিত।

(৮) বৰুৱা, প্ৰহ্লাদ কুমাৰ। অসমীয়া চুটিগল্প অধ্যয়ন। ডিব্ৰুগড় ঃ বনলতা, ২০১৩। মুদ্ৰিত।

(৯) বুজৰ বৰুৱা, পল্লৱী ডেকা। তুলনামূলক সাহিত্য তত্ত্ব। ডিব্ৰুগড় ঃ বনলতা, ২০১৩। মুদ্ৰিত।

(১০) নাথ, প্ৰফুল্ল কুমাৰ। তুলনামূলক ভাৰতীয় সাহিত্য। গুৱাহাটী ঃ বনলতা, ২০১৫। মুদ্ৰিত।

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# সাম্প্ৰতিক অসমীয়া ভাষা ঃ এক সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন



**ৰাহুল কুলি**

সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
সুৰেন দাস মহাবিদ্যালয়
হাজো-৭৮১১০২
৭০৮৬৫২৯৬৬০
kuli.rahul2016@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

সময়ৰ পৰিৱৰ্তন লগে লগে একোখন সমাজৰ সামাজিক-সাংস্কৃতিক তথা ভাষিক ক্ষেত্ৰখনতো পৰিৱৰ্তন ঘটে।পৰিৱৰ্তিত সমাজৰ লগত খাপ-খুৱাই ভাষাৰ ভাষিক উপাদানবোৰো গঢ় লৈ উঠে। সেয়েহে ভাষা পৰিৱৰ্তনশীল। ভাষাৰ পৰিৱৰ্তিত উপাদানবোৰ প্ৰথমে কথিত ৰূপত পৰিলক্ষিত হৈ ক্ৰমান্বয়ে লিখিত ৰূপটো প্ৰৱেশ ঘটে। অসমীয়া ভাষাও পৰিৱৰ্তনৰ কবলৰ পৰা মুক্ত নহয়। উদ্ভৱ কালৰে পৰা বিভিন্ন ৰূপত পৰিগ্ৰহণ কৰি অসমীয়া ভাষাই সাম্প্ৰতিক অৱস্থা পাইছেহি। কিন্তু সম্প্ৰতি বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়ন আৰু নিতৌ নতুন নতুন উদ্ভাৱনে এফালে যেনেদৰে অৰ্থনৈতিক ক্ষেত্ৰত উন্নতি ঘটাইছে ঠিক তেনেদৰে ভাষা-সংস্কৃতিৰ ক্ষেত্ৰতো কিছু ক্ষতি নকৰাও নহয়। সম্প্ৰতি নৱ প্ৰজন্মৰ মাজত প্ৰচলিত অসমীয়া ভাষা আৰু নব্য মাধ্যমসমূহত ব্যৱহৃত অসমীয়া ভাষাই অসমীয়া জাতিৰ পৰিচয়জ্ঞাপক তথা প্ৰাণস্বৰূপ অসমীয়া ভাষাটোলৈ যথেষ্ট সংকট কঢ়িয়াই আনিছে। সেয়েহে এই গৱেষণা পত্ৰখনত সম্প্ৰতি অসমীয়া ভাষালৈ ৰূপগত, শব্দগত আৰু বাক্যগত ক্ষেত্ৰত অহা পৰিৱৰ্তনৰ বিভিন্ন দিশসমূহৰ সম্পৰ্কে বিচাৰ কৰা হৈছে।

**বীজ শব্দ ঃ** ভাষা, ৰূপগত, শব্দগত, বাক্যগত আদি।

**০.১ বিষয়ৰ পৰিচয় ঃ**

এখন মানৱ সমাজ বা এটা জাতিৰ ভাষা সাহিত্য-সংস্কৃতি আদিয়ে বহন কৰে সেই জাতি বা সম্প্ৰদায়ৰ স্বকীয় পৰিচয়। অসমীয়া ভাষা সম্প্ৰদায়কে ধৰি অসমৰ বিভিন্ন থলুৱা জাতি-জনগোষ্ঠীৰ ক্ষেত্ৰতো এই কথাই প্ৰযোজ্য। বিভিন্ন ভাষা-ভাষী আৰু নানা জাতি-উপজাতি মিলি গঢ়ি উঠিছে প্ৰাচীন অসমৰ অসমীয়া সম্প্ৰদায়, অসমীয়া সমাজ-সংস্কৃতি তথা অসমীয়া ভাষা। ভাবৰ বাহন ভাষা হৈছে যোগাযোগৰ এক মুখ্য সাধন। গনসংযোগৰ ক্ষেত্ৰতো ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। অসমৰ প্ৰধান ভাষা অসমীয়া হৈছে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ সংযোগৰ মাধ্যম; সাধাৰণতে ই এক সংযোগী ভাষা।

ভাষা সমাজ কেন্দ্ৰীক আৰু ই গতিশীল। সময়ৰ লগে লগে ভাষা এটায়ো গতি কৰি থাকে। সময়, সমাজ আৰু ভাষিক গোষ্ঠীৰ প্ৰয়োজনত গতিশীল ভাষাই পৰিৱৰ্তনৰ মাজেৰে আগবাঢ়ে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, প্ৰব্ৰজন, সাংস্কৃতিক ইত্যাদি বিভিন্ন দিশসমূহে ভাষা পৰিৱৰ্তন হোৱাত বিশেষভাৱে অৰিহণা যোগায়। কিন্তু সম্প্ৰতি

ভাষাৰ পৰিৱৰ্তনত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰা দিশটোৱে হৈছে 'বিশ্বায়ন'। বিশ্বায়ন বা গোলকীয় বাণিজ্য নীতিয়ে গোটেই বিশ্বকে এখন ক্ষুদ্ৰ গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিশ্বায়নৰ প্ৰভাৱত সমগ্ৰ বিশ্বৰে সামাজিক ৰীতি-নীতি শিক্ষা-ব্যৱস্থা, ভাষা-সাহিত্য-সংস্কৃতিলৈ আমূল পৰিৱৰ্তন আহিছে। অসমীয়া ভাষাও ইয়াৰ ব্যতিক্ৰম নহয়। ১৯৭০ চনৰ পৰা পোন প্ৰথমে আমেৰিকাত ভাষাৰ বিভ্ৰাট ঘটা দেখা যায়। সেই সময়ৰ পৰাই আমেৰিকাত ভাষাৰ বানান আৰু ব্যাকৰণ আদিৰ ক্ষেত্ৰত থকা নিয়মসমূহ কিছু দিশত শিথিলতা অহা দেখা গৈছিল। আমেৰিকাত ঘটা ভাষা বিভ্ৰাটে লাহে লাহে সকলোকে গ্ৰাস কৰিলে। তেতিয়াৰ পৰাই ভাৰতৰ আন আন প্ৰান্তীয় ভাষাসমূহতো ইয়াৰ প্ৰভাৱ পৰে। বিশেষকৈ বিজ্ঞানৰ চমকপ্ৰদ উদ্ভাৱন—এফ.এম.ৰেডিঅ', টেলিভিছন, মোবাইল ফোন, ইণ্টাৰনেট, বাতৰি কাকত লগতে সম্প্ৰতি নৱপ্ৰজন্মৰ মাজত বহুল প্ৰচলিত ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম, ইউটিউব ইত্যাদি সামাজিক মাধ্যমসমূহে ভাষাৰ বিভ্ৰান্তৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই আহিছে। উল্লেখনীয় যে, এই পৰিৱৰ্তনত নৱপ্ৰজন্মৰ ভূমিকা অধিক। বজাৰ অৰ্থনীতিৰ প্ৰসাৰতাৰ লগে লগে বিশ্বায়নে ভাষাকো অৰ্থনৈতিক সামগ্ৰী হিচাপে চাবলৈ বাধ্য কৰাইছে। বৰ্তমান সময়ত সমগ্ৰ পৃথিৱীতে ব্যৱসায় বাণিজ্য, অৰ্থনৈতিক আৰু ৰাজনৈতিক কাম-কাজত ইংৰাজী ভাষাৰ ব্যাপক প্ৰচাৰৰ ফলত এই ভাষাটোৱে বিশেষ মূল্য আহৰণ কৰিছে। ইয়াৰ ফলত কিছুমান কম সংখ্যক মানুহে ব্যৱহাৰ কৰা অনেক ভাষাগোষ্ঠীৰ ভাষাই সামাজিক মৰ্যাদা হেৰুৱাই পেলাইছে।

সম্প্ৰতি অসমীয়া ভাষাতো বিশ্বায়নৰ বিশেষ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। বিশেষকৈ বৰ্তমান সময়ৰ বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়নে ভাষাটোত বিৰূপ প্ৰভাৱ পেলাইছে। নৱপ্ৰজন্মৰ মাজত বহুলভাৱে প্ৰচলিত নব্য-সামাজিক মাধ্যমসমূহে অসমীয়া ভাষালৈ গুৰু প্ৰত্যাহবান নমাই আনিছে। এই ক্ষেত্ৰত দূৰদৰ্শনৰ প্ৰাইভেট চেনেলসমূহ, মোবাইল ফোন, ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম ইত্যাদিত ব্যৱহৃত এছ.এম.এছ. দুই এখন বাতৰি কাকতেও বিশেষ অগ্ৰণী ভূমিকা পালন কৰা দেখা যায়। নৱ প্ৰজন্মই সঘনাই ইংৰাজী, বাংলা, হিন্দী আদি মিশ্ৰিত ভাষাৰ ব্যৱহাৰে অসমীয়া ভাষাৰ ভাষাতাত্বিক দিশটো প্ৰভাৱ বিস্তাৰ কৰিছে। গতিকে ক'ব পাৰি যে, বিশ্বায়ন তথা নব্য-সামাজিক মাধ্যমসমূহে সমাজখনৰ লগতে সমাজৰ প্ৰধান অংগ ভাষাটোকো জোকাৰি গৈছে। বৰ্তমান নৱ প্ৰজন্মৰ মাজত ব্যৱহৃত অসমীয়া ভাষাৰ বিশেষকৈ কথিত ভাষাৰ যি স্বৰূপ সেয়া সচেতন সমাজৰ বাবে সঁচাই এক চিন্তনীয় বিষয়। যিবোৰ ভাষাটোৰ ব্যাকৰণৰ নিয়মেৰে বান্ধিব নোৱাৰি। এওঁলোকৰ মুখত নিভাঁজ অসমীয়া ভাষাৰ উচ্চাৰণ প্ৰায়ে নুশুনা হৈ পৰিছে। ফলত অসমীয়া ভাষাৰ স্বকীয় বৈশিষ্ট্য নোহোৱা হৈ পৰিছে। বিশেষকৈ ধ্বনিগত, ৰূপগত, বাক্যগত আৰু শব্দগত দিশত ইয়াৰ প্ৰভাৱ লক্ষণীয়। সেয়েহে আমাৰ প্ৰস্তাৱিত গৱেষণা পত্ৰখনত অসমীয়া ভাষাৰ ৰূপগত, শব্দগত আৰু বাক্যগত দিশত সম্প্ৰতি কেনে পৰিৱৰ্তন ঘটিছে সেই সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

- অসমীয়া ভাষাৰ সাম্প্ৰতিক স্থিতিৰ ৰূপৰেখা প্ৰস্তুত কৰা।
- সাম্প্ৰতিক অসমীয়া ভাষাৰ বিশেষকৈ ৰূপগত, শব্দগত আৰু বাক্যগত দিশত কেনে পৰিৱৰ্তন আহিছে সেইবোৰ দিশ ফঁহিয়াই চোৱা।

**০.৩ অধ্যয়নৰ পদ্ধতি ঃ**

আমাৰ এই গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে তথ্য আহৰণৰ আৰু তথ্য বিশ্লেষণৰ ক্ষেত্ৰত বেলেগ বেলেগ পদ্ধতি অৱলম্বন কৰা হৈছে। তথ্য আহৰণৰ ক্ষেত্ৰত সমাজ ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে পৰ্যবেক্ষণ (Observation) আৰু যাদৃচ্ছিক নমুনা চয়নৰ দ্বাৰা (Random Sampling) অসংৰচিত প্ৰশ্নসূচীৰে (Unstructured Questionnaire Scheduled) সাক্ষাৎকাৰ গ্ৰহণ কৰি সমল সংগ্ৰহ কৰা হৈছে। সংগৃহীত তথ্যসমূহ বিশ্লেষণাত্মক পদ্ধতিৰ সহায়ত আলোচনা আগবঢ়োৱা হৈছে।

**০.৪ তথ্য আহৰণৰ উৎস ঃ**

**সাম্প্ৰতিক অসমীয়া ভাষা ঃ এক সমাজ-ভাষাবৈজ্ঞানিক অধ্যয়ন**— শীৰ্ষক আলোচনা পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰয়োজনীয় তথ্যসমূহ মুখ্য আৰু গৌণ এই দুটা উৎসৰ পৰা সমল সংগ্ৰহ কৰা হৈছে। মুখ্য উৎস হিচাপে ১৫-৬০ বছৰ বয়সৰ বিভিন্ন বৃত্তি (ছাত্ৰ, শিক্ষক, ব্যৱসায়ী, কৃষিখণ্ডৰ লগত জড়িত শিক্ষিত ব্যক্তি, আৰক্ষী ইত্যাদি) ১০০ জনৰো অধিক বিভিন্ন ব্যক্তিৰ লগত অসংৰচিত প্ৰশ্নসূচীৰ জৰিয়তে সাক্ষাৎকাৰ গ্ৰহণ কৰি সমল সংগ্ৰহ কৰা হৈছে। আৰু গৌণ উৎস হিচাপে বিভিন্ন দৃশ্য-শ্ৰব্য মাধ্যম ৰেডিঅ', টেলিভিছন চেনেল, মোবাইল ফোন, এছ. এম.এছ., ফেচবুক প'ষ্ট (Post), টুইটাৰ, ইনষ্টাগ্ৰাম, বাতৰি কাকত, বিভিন্ন গ্ৰন্থ, আলোচনী, প্ৰবন্ধ আদিৰ পৰা সমল সংগ্ৰহ কৰা হৈছে।

**০.৫ অধ্যয়নৰ পৰিসৰ ঃ**

এই গৱেষণা পত্ৰখনত সাম্প্ৰতিক অসমীয়া ভাষাৰ ৰূপগত, শব্দগত আৰু বাক্যগত দিশত হোৱা পৰিৱৰ্তনবোৰৰ সম্পৰ্কে আলোচনাতে সীমাবদ্ধ হৈছে।

**১.০ মূল আলোচনা ঃ**

সাম্প্ৰতিক অসমীয়া ভাষাৰ কথিত ৰূপৰ ৰূপগত, শব্দগত আৰু বাক্যগত দিশত বিভিন্ন পৰিৱৰ্তন হোৱা দেখিবলৈ পোৱা যায়। তলত সেইবোৰৰ সম্পৰ্কে আলোচনা দাঙি ধৰা হ'ল—

**১.১ ৰূপগত দিশত হোৱা পৰিৱৰ্তন ঃ**

সম্প্ৰতি অসমীয়া ভাষাৰ ৰূপগত ক্ষেত্ৰখনলৈ লক্ষ্য কৰিলে দেখিবলৈ পোৱা যায় যে, কাৰক-বিভক্তি, প্ৰত্যয় আদিৰ যথাযথ প্ৰয়োগ খুব কম হয়। অৱশ্যে এই ক্ষেত্ৰত লিখিত ৰূপতকৈ কথিত ৰূপত পৰিৱৰ্তন বেছি। এই পৰিৱৰ্তনবোৰ যে, লাহে লাহে এদিন লিখিত ৰূপলৈও প্ৰসাৰিত হ'ব সেয়াও নিশ্চিত। যি কি নহওক ৰূপতাত্ত্বিক ক্ষেত্ৰখনলৈ অহা পৰিৱৰ্তনবোৰ হৈছে —

• অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় {-টো}ৰ যথাস্থানত প্ৰয়োগৰ ক্ষেত্ৰত নৱ প্ৰজন্মৰ মাজত কিছু বিসংগতি দেখিবলৈ পোৱা যায়। উদাহৰণ—

| **শুদ্ধ ৰূপ** | **নৱ প্ৰজন্মৰ মাজত প্ৰচলিত ৰূপ** |
|---|---|
| বহীখন | বহীটো |
| চাইকেলখন | চাইকেলটো |
| ছাৰজন | ছাৰটো |

• কাৰক-বিভক্তিৰ ক্ষেত্ৰত অসমীয়া নিমিত্ত কাৰক {লৈ}-ৰ ঠাইত সপ্তমী বিভক্তি {-ত}-ৰ প্ৰয়োগ হোৱা দেখিবলৈ যায়। উদাহৰণ—

| **শুদ্ধ ৰূপ** | **নৱ প্ৰজন্মৰ মাজত প্ৰচলিত ৰূপ** |
|---|---|
| হোষ্টেললৈ যাওঁ | হোষ্টেলত যাওঁ |
| বজাৰলৈ যাওঁ | বজাৰত যাওঁ |
| কেণ্টিনলৈ যাওঁ | কেণ্টিনত যাওঁ |

• সম্প্ৰতি নৱ প্ৰজন্মৰ মাজত অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্যৰ পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ প্ৰায়ে দেখিবলৈ পোৱা নাযায়। উদাহৰণ—

| **শুদ্ধ ৰূপ** | **নৱ প্ৰজন্মৰ মাজত প্ৰচলিত ৰূপ** |
|---|---|
| তোমাৰ মাৰা | তোমাৰ মা |
| তোমাৰ দেউতাৰা | তোমাৰ দেউতা |
| তাৰ শহুৰেক | তাৰ শহুৰ |

• অসমীয়া ভাষাত দুটাৰ মাজত তুলনা বুজাবলৈ হ'লে যাৰ লগত তুলনা কৰা হয়, সেই প্ৰাণীবাচক বা অপ্ৰাণীবাচক শব্দটোৰ অধিকৰণ কাৰকসূচক ৰূপ{-ত} আৰু অপাদান কাৰকসূচক ৰূপ {-ৰ}পিছত কৈ যোগ দি তাৰ পিছত বিশেষণ ৰূপটো ব্যৱহাৰ হয়। কিন্তু বৰ্তমান কথিত অসমীয়া ভাষাত {-কৈ}ৰূপৰ ঠাইত হিন্দীৰ 'সে' (से) ৰূপৰ প্ৰয়োগ সঘনাই হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণ—

| **শুদ্ধ ৰূপ** | **নৱ প্ৰজন্মৰ মাজত প্ৰচলিত ৰূপ** |
|---|---|
| সকলোতকৈ | চবতসে |
| ডাঙৰকৈ | ডাঙৰসে |
| জোৰকৈ | জোৰসে |
| বগাতকৈ | বগাতসে |

• বিদেশী শব্দৰ লগত অসমীয়া পৰপ্ৰত্যয় প্ৰয়োগ কৰি অসমীয়াকৰণ কৰা পূৰ্বতেও বা লিখিত ৰূপতো দেখিবলৈ পোৱা যায়। অসমীয়া ভাষাৰ স্ত্ৰীলিংগ নিৰ্ণয়ৰ অনুকৰণত বিদেশী শব্দবোৰৰ ক্ষেত্ৰতো স্ত্ৰীবাচক কৰিবৰ বাবে 'নী' প্ৰত্যয় সংযোগ কৰা হয়। যেনে— মাষ্টৰণী, ডাক্তৰণী ইত্যাদি। কিন্তু বৰ্তমান এনে কিছুমান শব্দ পোৱা যায় যে, যিবোৰ অসমীয়া ভাষাত পূৰ্বে পোৱা নাই। সম্প্ৰতি একোটা বিদেশী শব্দৰ সৈতে অসমীয়া ভাষাৰ প্ৰত্যয় যোগ কৰি কিছু অসমীয়াকৰণ কৰি লোৱা দৃষ্টিগোচৰ হয়। উদাহৰণ—

| **শুদ্ধ ৰূপ** | **নৱ প্ৰজন্মৰ মাজত প্ৰচলিত ৰূপ** |
|---|---|
| (হিন্দী) | বিলায়ত বিলাতী (ঈ) |
| (ইংৰাজী) | প্ৰাউদ প্ৰাউদী (ঈ) |
| (ইংৰাজী) | মাদ্ৰাছা মাদ্ৰাছী (ঈ) |
| (ইংৰাজী) | জেলাচ জেলাচী (ঈ) |

• অসমীয়া ভাষাৰ পৰম্পৰাগত বিশেষণৰ উপৰিও নৱ প্ৰজন্মৰ মাজত বিভিন্ন নতুন নতুন বিশেষণৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। সেইসমূহ হৈছে—

তামাম—তাই তামাম পঢ়িছে বে।

ব'ম—ব'ম লেভেল দিয়ে বে।

ম'স্ত—ম'স্ত ভাগৰ লাগিছে।

**১.২ শব্দগত দিশত হোৱা পৰিৱৰ্তন ঃ**

সাম্প্ৰতিক অসমীয়া ভাষাৰ শব্দগত ক্ষেত্ৰখনলৈও ব্যাপক পৰিৱৰ্তন আহিছে। বিশেষকৈ কম্পিউটাৰ, ইণ্টাৰনেট, মুক্ত অৰ্থনীতি, বিজ্ঞান, কাৰিকৰী-বিজ্ঞান, ব্যৱসায়-বাণিজ্যই অসমীয়া ভাষালৈও নতুনত্ব কঢ়িয়াই আনিছে বুলি ক'ব পাৰি। ফলত বিভিন্ন দিশত অসমীয়া ভাষা শব্দ সম্ভাৰলৈ নতুন নতুন

শব্দ সোমাই পৰিছে। যিবোৰ শব্দৰ অৰ্থ পুৰণিচাম মানুহে সহজে আয়ত্ত কৰিব নোৱাৰিলেও নতুনচামৰ মাজত সেইবোৰ শব্দই অতি জনপ্ৰিয়তা লাভ কৰিছে। শিক্ষিত-অৰ্ধশিক্ষিত নতুনচামে চাকৰিসূত্ৰে বা শিক্ষা-দীক্ষাৰ কাৰণে নগৰীয়া অঞ্চলত বসবাস কৰাৰ ফলত এনেকুৱা শব্দবোৰ প্ৰথমে সিহঁতৰ মাজতে ব্যৱহাৰ হৈছিল যদিও এই শব্দসমূহে ক্ৰমান্বয়ে গাঁৱে-ভূঁয়ে সকলোতে ইচ্ছাকৃতভাৱেই হওক বা অনিচ্ছাকৃতভাৱেই হওক সোমাই পৰিছে আৰু বহুলভাৱে ব্যৱহাৰ হৈ আছে। বিশেষকৈ ইংৰাজী, হিন্দী, বাংলা, আৰবী-ফাৰ্চী ভাষাবোৰৰ শব্দ অসমীয়া ভাষাৰ শব্দৰ সৈতে মিহলি হৈ পৰিছে। তদুপৰি কিছুমান এনেকুৱা শব্দ আছে যাক ইংৰাজী ভাষাতে ব্যৱহাৰ কৰাৰ ফলত সেই শব্দবোৰৰ মূল অসমীয়া ভাষাত সহজে বিচাৰিয়ে পোৱা নাযায়। অসমীয়া ভাষাত সঘনে নৱ প্ৰজন্মৰ মাজত প্ৰচলিত শব্দবোৰ হ'ল–

মাফ (Maph) ঃ মোক মাফ (ক্ষমা) কৰি দিবি।

মাল (Maal) ঃ সাধাৰণতে ধুনীয়া ছোৱালী বা ভাল বস্তু দেখিলে ব্যৱহাৰ কৰে। যেনে–

কি মাল বে, আগতে দেখাই নাছিলোঁ।

বা ফ্ৰেছ মাল।

মাল এটা পতালোঁ।

মালটো বনাই পেলালোঁ

খুছ (Khush) ঃ সন্তুষ্টিৰ অৰ্থত ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। যেনে–

আজি ছাৰ তামাম খুছ হৈ আছে।

তই আজি বিৰাট খুছ।

পুৰাণা ঃ সি কি পুৰাণা জামানাৰ মানুহ একোকে নাজানে।

জোছ (উত্ৰাৱল)ঃ মোৰ কি জোছ উঠিল নাজানো, গোটেই কাপোৰ ধুই থৈ আহিলোঁ।

তামাম (বহুত) ঃ তামাম বে, তামাম মস্তি কৰিলোঁ।

ব'ম (বেছি) ঃ ব'ম পঢ়ন দিছ, মাল ফালিবি এইবাৰ।

বাৰ্‌বাৰ্ (বাৰে বাৰে) ঃ বাৰ্‌বাৰ্ একেটা কথাকে সুধি ব'ৰ নকৰিবি।

ছালিয়া (ধুনীয়া) ঃ মালটো ছালিয়া লাগিছে বে।

এইবোৰৰ উপৰিও নৱ প্ৰজন্মৰ মাজত সঘনাই প্ৰয়োগ হোৱা শব্দ কিছুমান হ'ল– বিন্দাচ, বেহুদা, মস্তি, ধামাকা, হেং, চিপকো, মালা-মাল, ফালা-ফালি, আচ্চ, মামুলী, গাদ্দাৰী আদি। অৱশ্যে এই শব্দবোৰৰ ব্যৱহাৰ বিশেষকৈ নতুন প্ৰজন্মৰ মাজতে প্ৰায় সীমাবদ্ধ।

তদুপৰি কিছুমান ইংৰাজী শব্দ অসমীয়া ঠাঁচত সলনি নোহোৱাকৈ ব্যৱহাৰ কৰাও দেখিবলৈ পোৱা যায়। যেনে— টেঞ্চন (Tension), চেলেঞ্জ (Challenge), ম'ৰনিং ওৱাক (Morning Walk), কেৰিয়াৰ (Career), পিকনিক (Picnic), টাইম পাছ (Time Pass), চাৰ্ভিছ (Service), ষ্টাফ (Staff), ব্লাড (Blood), চৰ্ট টেম্পাৰ (Short Temper), ট্ৰেফিক যাম (Traffic Jam), চেলাৰী (Salary), চালাদ (Salad), চেলুন (Saloon), লাইট (Light), ফেন (Fan), চিকেন (Chicken), হাই-ফাই (Hi-Fi), টিপ্-টপ্ (Tip-Top), এৱচেন্ট (Absent), হেবিট (Habit), টাইত-ফিট (Tight Fit) ইত্যাদি। এইবোৰৰ উপৰিও কিছুমান ইংৰাজী শব্দ সংক্ষিপ্ত কৰি সঘনাই ব্যৱহাৰ কৰা হয়। যেনে— বি.পি বা প্ৰেছাৰ (Blood Pressure), লেব (Laboratory), ফ্ৰিজ (Refrigerator), ফোন (Telephone), টি.ভি (Television), ব্ৰাছ (Tooth Brush), পেষ্ট (Tooth Paste), কংগ্ৰেছ (Congratulation) ইত্যাদি। অৱশ্যে এই শব্দবোৰৰ ব্যৱহাৰ নৱ প্ৰজন্মৰ উপৰিও অন্যান্য লোকসকলেও দৈনন্দিন জীৱনত সঘনাই ব্যৱহাৰ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাভাৱিক অসমীয়া শব্দৰ দৰে হৈ পৰিছে।

সেইদৰে আৰু বহুতো ইংৰাজী, বাংলা, হিন্দী, আৰবী, ফাৰ্চী আদি ভাষাৰ শব্দও বৰ্তমান অসমীয়া ভাষাত ব্যাপকভাৱে ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণ–

**ইংৰাজী ভাষাৰ পৰা অহা শব্দ ঃ**

Level (নিজকে জহাই ফুৰা) ঃ তাৰ কি Level চাবি।

Bore (আমনি লগা) ঃ তামাম Bore বে।

Apply (দৰ্খাস্তûপ্ৰয়োগ) ঃ তই তাত Apply কৰচোন।

Relation (সম্পৰ্ক) ঃ তাৰ লগত মোৰ ভাল Relation আছে।

Wish (শুভেচ্ছা জনোৱা) ঃ তাইৰ Birthday Wish কৰিলিনে?

উল্লিখিত শব্দবোৰৰ উপৰিও Paper পঢ়া, Cut খাই যোৱা, Accept কৰ, Request কৰ, Jumping হোৱা, Risk লোৱা, Idea দিয়াûলোৱা, Fresh হোৱা, Rest লোৱা, Feel কৰা, Planning কৰা, Manage কৰা, Message দিয়া, Mood নোহোৱা ইত্যাদি শব্দবোৰ অসমীয়া ভাষাত সম্প্ৰতি সঘনাই ব্যৱহাৰ হোৱা দেখিবলৈ পোৱা যায়।

**হিন্দী, ফাৰ্চী ভাষাৰ পৰা অহা শব্দ ঃ**

খাছ ঃ একদম খাছ মানুহ, খাছ মনৰ।

ইজ্জত ঃ মোৰ ইজ্জতত লাগিছে।

বৰবাদ ঃ লাইফ বৰবাদ হৈছে।

বাংচা/বাচ্চা (নাবালক) ঃ বাচ্চাটো চাবা হাহু

মামুলী (সাধাৰণ) ঃ এইটো মোৰ কাৰণে মামুলী কথা।

সেইদৰে মেহনত (কষ্ট), হাচিল (আদায় কৰা), ঘাতিয়া (ফাঁকিবাজ), দোস্ত (বন্ধু), চূৰ্ণী (চাদৰ বিশেষ), তাজা (সতেজ), ধান্দা (ব্যৱসায়), বকবাছ (যা-তা কথা), হাড্ডী (বিয়া), জোছ (উত্ৰাৱল), মালদাৰ/মালামাল (কোটিপতি), পাংগা লোৱা, খতম কৰা, মস্তী মাৰা, নাপাত্তা হোৱা, তালি মাৰা আদি শব্দবোৰৰ বহুল ব্যৱহাৰ দৃষ্টিগোচৰ হৈছে।

**বাংলা ভাষাৰ পৰা অহা শব্দ ঃ**

শ্বশুৰ বাড়ী (শহুৰৰ ঘৰ) ঃ শ্বশুৰ বাড়ী যাওঁ।

পাল্লা (সংগ) ঃ তাৰ পাল্লাত পৰি মোৰ চব শেষ।

মাথা-মুণ্ড (আও-বাও বুজি নোপোৱা) ঃ তাৰ একো মাথা-মুণ্ড নাই।

খাৰা (থিয়) ঃ সি অফিচত খাৰা হৈ আছিল।

এইবোৰৰ উপৰিও অসমীয়া ভাষাত এনেকুৱা কিছুমান শব্দৰ ব্যৱহাৰ পোৱা যায়, যিবিলাক শব্দৰ মূল বিচাৰি পোৱা নাযায়। উদাহৰণস্বৰূপে—

চিপকো (আধা লাগি থকা), চালিয়া (বিৰাট চাল দিয়া), লাফ্ৰা (জঞ্জাল), বিন্দাচ (নিশ্চিত মনৰ), চকাচক (চকচকীয়া), মাৰালী (হাই-কাজীয়া কৰা মানুহ), গুণ্ডাৰাজ, নখৰানি ইত্যাদি।

**১.৩ বাক্যগত দিশত হোৱা পৰিৱৰ্তন ঃ**

সম্প্ৰতি অসমীয়া ভাষাৰ বাক্যতাত্ত্বিক দিশলৈও আমূল পৰিৱৰ্তন আহিছে। ৰূপগত আৰু শব্দগত দিশৰ দৰে বাক্যৰ গাঁথনিক দিশলৈ যথেষ্ট পৰিৱৰ্তন আহিছে। অসমীয়া ভাষাৰ বাক্য গঠনৰ প্ৰণালীটো হৈছে—'কৰ্তা + কৰ্ম + ক্ৰিয়া'। তদুপৰি অসমীয়া ভাষাৰ কিছুমান বাক্যত ক্ৰিয়াপদটো উহ্য হৈ থাকে। কিন্তু বৰ্তমান সেই উহ্য হৈ থকা দিশটোহে বেছি প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

মোৰ নাম ৰীতা হয়।

মোৰ ঘৰ গুৱাহাটীত হয়।

সাধাৰণতে গণ মাধ্যমৰ ফেচবুক, টুইটাৰ, ই-মেইল, এছ. এম. এছ., ইনষ্টাগ্ৰাম ইত্যাদি মাধ্যমসমূহ যেনেদৰে নব্য ৰূপ; ঠিক তেনেদৰে ইয়াত প্ৰয়োগ হোৱা অসমীয়া ভাষাৰ ক্ষেত্ৰতো কিছু নতুনত্ব দেখিবলৈ পোৱা যায়। নব প্ৰজন্মৰ মাজত সম্প্ৰতি মিশ্ৰিত ভাষাৰ প্ৰয়োগে বিশেষ প্ৰাধান্য লাভ কৰিছে। ইংৰাজী, হিন্দী, অসমীয়া আদি বিভিন্ন ভাষাৰ মিশ্ৰিত ৰূপৰ ব্যৱহাৰ সঘনে দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে—

আজি ৰাতি সি Night Super ত আহিব।

কি চালিয়া বে, মস্তি লাগিছে।

By the way আৰু এটা কথা ক'বলৈ আছে।

তদুপৰি পুৰণি জতুৱা ঠাঁচ, খণ্ডবাক্য আদিৰ প্ৰয়োগৰ ঠাইত নতুন নতুন ইংৰাজী, বাংলা, হিন্দী, আদি ভাষাৰ শব্দৰ লগত অসমীয়া ধাতু যোগ কৰি জতুৱাঠাঁচ-খণ্ডবাক্য হিচাপে ব্যৱহাৰ কৰিবলৈ ধৰিছে। উদাহৰণ—

লাফ্ৰা লাগ ঃ মোৰ লগত লাফ্ৰা নকৰিবি কিন্তু।

কাট মাৰ্ ঃ কাটমাৰি কথা নক'ব।

লাঠ মাৰ্ ঃ লাঠ মাৰি দিম দেই।

নৱপ্ৰজন্মৰ মাজত সমাৰ্থক ইংৰাজী শব্দৰ অতিৰিক্ত প্ৰয়োগ হোৱা দৃষ্টিগোচৰ হয়। উদাহৰণস্বৰূপে—

So, সেইকাৰণে

O really, সঁচাকৈই

নৱ প্ৰজন্মৰ মাজত সঘনে আবেûবে, বেই, আৰে বাবা, ওৰে বাবা, ছালা/ছাল্লা, য়াৰûইয়াৰ আদি হিন্দী, বাংলা ভাষাৰ অব্যয়বাচক শব্দাংশৰ প্ৰয়োগ হোৱা দেখিবলৈ পোৱা যায়। উদাহাৰণস্বৰূপে—

আবে, কি কৰিবি তই মোক?

ছাল্লা, মোক চিনি পোৱা নাই।

আৰে য়াৰ, যাব দেনা তাক।

আৰে বাবা, কৰিমটো মই।

অসমীয়া ভাষাত প্ৰশ্নবোধক বাক্যত 'কি' সৰ্বনামৰ প্ৰয়োগ কৰা হয়। কিন্তু সম্প্ৰতি নৱ প্ৰজন্মৰ মাজত প্ৰশ্নবোধক বাক্য নোহোৱাকৈও 'কি' সৰ্বনামৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। উদাহৰণ—

কি বে, ইমান ফাল্ট।

কি যে, লেভেল তাৰ।

কি, ছাল্লিয়া বে।

তেনেদৰে 'পেলা' স্বাৰ্থিক প্ৰত্যয়ৰ পৰিৱৰ্তে অসমাপিকা ক্ৰিয়াৰ ধাতু ৰূপ 'দি'ৰ প্ৰয়োগেৰে বাক্য সজা হয়। যেনে—

সি মানুহ মাৰি দিব বে (পেলাব)।

জিন্দেগী বৰবাদ কৰি দিম (পেলাম)।

সম্প্ৰতি অসমীয়া ভাষাত ক্ৰিয়াৰে বাক্যৰ আৰম্ভণি আৰু কৰ্মৰ দ্বাৰা বাক্য শেষ হোৱাও দৃষ্টিগোচৰ হয়। উদাহৰণ—

বাদ দে না তাৰ কথা।

পাবি নহয় শিক্ষাটো।

তেনেদৰে ক্ৰিয়াৰূপ ব্যৱহাৰ নকৰাকৈও বাক্য গঠন

কৰাও দেখিবলৈ পোৱা যায়। উদাহৰণ—

তাইৰ মিটাৰ/ টেমা গৰম হৈছে।

বৰ্তমান অসমীয়া ভাষাত নৱ প্ৰজন্মৰ মাজত নঞৰ্থক ক্ৰিয়াৰূপ {ন, না}ৰ প্ৰয়োগ অধিক হোৱা দেখিবলৈ পোৱা যায়। উদাহৰণ—

নোৱাৰো ন ইমান গালি খায় থাকিব।

মই ন কৈছিলোঁ তোক।

মই আছো না; তই কিয় টেনশ্যন লৈছ।

**২.০ উপসংহাৰ ঃ**

সাধাৰণতে 'স্থিতিশীল সমাজ মৃত্যুমুখী'। কিন্তু দ্ৰুত গতিৰ পৰিৱৰ্তনে একোখন সমাজৰ সামাজিক-সাংস্কৃতিক আৰু ভাষিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে সেই কথাও আমি লক্ষ্য কৰিব লাগিব। অৱশ্যে এটা কথা অপ্ৰিয় হ'লেও সত্য যে, ভাষা পৰিৱৰ্তনশীল। সময়ৰ লগে লগে ই নিৰবিচিছন্নভাৱে গতি কৰিয়ে থাকে। কিন্তু সাম্প্ৰতিক বিশ্বায়নৰ দ্ৰুত সম্প্ৰসাৰণ আৰু প্ৰভাৱত কিছুমান সৰু সৰু প্ৰান্তীয় ভাষাবোৰলৈ ভাবুকি কঢ়িয়াই আনিছে। এই ক্ষেত্ৰত সাম্প্ৰতিক অসমীয়া ভাষা এক জ্বলন্ত উদাহৰণ। বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ দ্ৰুত উন্নয়ন আৰু নিতৌ নতুন নতুন উদ্ভাৱনে এফালে যেনেদৰে অৰ্থনৈতিক ক্ষেত্ৰত উন্নতি সাধন কৰিছে, ঠিক তেনেদনে আনফালে সাংস্কৃতিক-ভাষিক ক্ষেত্ৰত কিছু ক্ষতি নকৰাও নহয়।

সাম্প্ৰতিক নৱ প্ৰজন্মৰ মাজত প্ৰচলিত অসমীয়া ভাষা আৰু নব্য মাধ্যমসমূহত ব্যৱহৃত অসমীয়া ভাষাই অসমীয়া জাতিৰ পৰিচয়জ্ঞাপক তথা প্ৰাণস্বৰূপ অসমীয়া ভাষাটোলৈ যথেষ্ট সংকট কঢ়িয়াই আনিছে। প্ৰমাণ স্বৰূপে ওপৰত আলোচিত অসমীয়া ভাষাৰ সাম্প্ৰতিক পৰিৱৰ্তনৰ ছবিখনেই তাৰ উদাহৰণ। এটা কথা ঠিক যে, ওপৰৰ আলোচনা কৰা দিশসমূহ কথিত ৰূপতহে অধিক দেখিবলৈ পোৱা যায়। কিন্তু এনে গতিত চলি থাকিলে আৰু ৫০ বছৰ পাছত অসমত অসমীয়া ভাষাৰ কি অৱস্থা হ'ব সেয়া অৱৰ্ণনীয় হ'ব। যি কি নহওক সাম্প্ৰতিক অসমীয়া ভাষাৰ যি ৰূপ সেয়া সঁচাই চিন্তনীয় আৰু অসমীয়া ভাষীৰ কাৰণে প্ৰত্যাহ্বান স্বৰূপ। ❑


**সহায়ক গ্ৰন্থপঞ্জী ঃ**

অধিকাৰী, শুকদেৱ (সম্পা.). *বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি.* প্ৰথম প্ৰকাশ, জাগৰণ সাহিত্য প্ৰকাশন, গুৱাহাটী, ২০১২

কোঁৱৰ, অৰ্পণা (সম্পা). *অভিধানতত্ত্ব.* দ্বিতীয় প্ৰকাশ, অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ২০০৩

গোস্বামী, গোলোকচন্দ্ৰ. *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ.* তৃতীয় সংস্কৰণ, বাণী লাইব্ৰেৰী, গুৱাহাটী, ১৯৯৩

দত্ত, অখিল ৰঞ্জন. *বিশ্বায়নৰ আলিদোমোজাত সমাজ-সভ্যতা.* প্ৰথম সংস্কৰণ, পদাতিক প্ৰকাশন, গুৱাহাটী, ২০০৯

দত্তবৰুৱা, ফণীন্দ্ৰনাৰায়ণ. *আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়.* দ্বিতীয় পৰিৱৰ্ধিত প্ৰকাশ, বনলতা, ডিব্ৰুগড়, ২০০৬

ৰাজবংশী, পৰমানন্দ আৰু ৰামনন্দন বৰা(সম্পা.). *অসমীয়া ভাষা ঃ সংৰক্ষণ, সংবৰ্ধন আৰু সম্প্ৰচাৰ.* প্ৰথম প্ৰকাশ, অসম সাহিত্য সভা, যোৰহাট, ২০১৩

ৰাভা, উপেন হাকাচাম. *অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ.* প্ৰথম প্ৰকাশ, অসম পাবলিচিং কোম্পানী, গুৱাহাটী, ২০১৫

- -. *অসমীয়া আৰু অসমৰ তিব্বত-বৰ্মীয় ভাষা.* চতুৰ্থ সংস্কৰণ, ভৱানী প্ৰিন্ট এণ্ড পাব্লিকেশ্যনচ্, গুৱাহাটী, ২০১১

ISSN 2321-4945
UGC CARE Listed Journal
RNI NO. ASSBIL/2009/31008

প্ৰবন্ধ

# অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ এক বিশেষণাত্মক অধ্যয়ন



**ৰাখী ৰাজকুমাৰী**

গৱেষক, অসমীয়া বিভাগ,
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
বিশ্ববিদ্যালয়, নগাঁও, অসম।
৯৪১৫৮৭২৫৬৩
saikiahimanta86@gmail.com



**ড° ববিতা বৰুৱা**

সহকাৰী অধ্যাপক, বেজেৰা
আঞ্চলিক মহাবিদ্যালয়, অসম।
৮৭২০৯৮৫৪৩২
babitabaruahbezera@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

সমাজ ভাষা বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয় হৈছে সমাজত লিংগভেদে ভাষা ব্যৱহাৰৰ পাৰ্থক্য। অৰ্থাৎ পুৰুষৰ আৰু নাৰীৰ ভাষা ব্যৱহাৰৰ পাৰ্থক্য। এই পাৰ্থক্যৰ মূল কাৰণ হৈছে সামাজিক। নাৰী লিংগগতভাৱে হীন এই ধাৰণা ভাষাৰ মাজত বিভিন্ন ধৰণে প্ৰদৰ্শন কৰা হয়। সমাজ ভাষা সম্পৰ্কীয় গৱেষণাত নাৰীক পুৰুষৰ পৰা পৃথক কৰি ভাষা ব্যৱহাৰৰ কেতবোৰ বৈশিষ্ট্য আঙুলিয়াই দিয়া হৈছে। যাৰ বাবে স্ত্ৰীভাষা বা Women language পৰিভাষা ব্যৱহাৰ কৰা হৈছে। বহুক্ষেত্ৰত ভাষাত এনে কিছুমান শব্দৰ নিৰ্মাণ কৰা হৈছে বা অৰ্থ আৰোপিত কৰা হৈছে যিয়ে সমাজত নাৰীৰ প্ৰতি হীনাত্মক ধাৰণা পোষণ কৰাত সহায় কৰে। এক কথাত ক'বলৈ গ'লে ভাষাৰ মাধ্যমেৰে সাহিত্য পাঠকৰ কাষ চাপে। সাহিত্য হৈছে সমাজৰ দাপোণ স্বৰূপ। সাহিত্যত এজন লেখকে প্ৰায়ে সমাজত ব্যৱহৃত ভাষাই প্ৰয়োগ কৰে। গতিকে সমাজত প্ৰচলিত হৈ থকা লিংগকেন্দ্ৰিক বা লিংগ নিৰূপিত ভাষাটো সাহিত্যত প্ৰতিফলিত হোৱাটো স্বাভাৱিক। অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰটো ই ব্যতিক্ৰম নহয়। অসমীয়া সাহিত্যৰ সত্তৰ দশকৰ পৰাই সাম্প্ৰতিকৰলৈকে সাহিত্য চৰ্চা কৰা এগৰাকী সাহিত্যিক হ'ল— অৰূপা পটঙ্গীয়া কলিতা। অসমীয়া সাহিত্য জগতত তেওঁৰ ৰচনাৰাজিৰ যথেষ্ট গুৰুত্ব আছে। তেওঁ গল্প সাহিত্য সমূহত সমসাময়িক সমাজ জীৱনৰ বাস্তৱ ৰূপটো প্ৰতিফলন হোৱা দেখা যায়। তেওঁ সামাজিক সমস্যাসমূহৰ সৃষ্টিৰ কাৰণ আৰু সমাধানৰ উপায় সুন্দৰ ব্যাখ্যা গল্প সমূহৰ জৰিয়তে আগবঢ়াইছে। বিশেষকৈ নাৰী জীৱনৰ বিভিন্ন সমস্যা, কাৰণ, সমাজত নাৰীৰ স্থান, মৰ্যদা সকলোবিলাক তেওঁ গল্পত প্ৰতিফলন ঘটা দেখা যায়। প্ৰস্তাৱিত বিষয়ৰ আলোচনাত অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত সমাজত প্ৰচলিত হৈ থকা লিংগ নিৰূপিত ভাষাটো কিদৰে ব্যৱহৃত হৈছে তাৰ অধ্যয়নৰ প্ৰয়াস কৰা হ'ব।

**বীজ শব্দ ঃ** লিংগকেন্দ্ৰিক ভাষা, লিংগ বৈষম্য পুৰুষতান্ত্ৰিকতা, সমাজ-ভাষা-বিজ্ঞান।

## ০.১ বিষয়ৰ পৰিচয় ঃ

সমাজ ভাষা বিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ আলোচ্য বিষয় হৈছে সমাজত লিংগভেদে ভাষা ব্যৱহাৰৰ পাৰ্থক্য। অৰ্থাৎ সমাজত পুৰুষ আৰু নাৰীৰ ভাষা ব্যৱহাৰৰ পাৰ্থক্য আছে। এই পাৰ্থক্যৰ মূল কাৰণ হৈছে সামাজিক। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত অতীতৰে পৰা বৰ্তমানলৈকে বৰ্তি থকা এক জটিল বিষয় হৈছে লিংগ বৈষম্য। জন্মগত ভাৱে পুৰুষ নাৰীৰ যি জৈৱিক পাৰ্থক্য (Sex) সেইয়া প্ৰাকৃতিগত। কিন্তু পুৰুষতান্ত্ৰিক সমাজ

ব্যৱস্থাত সমাজিক সাংস্কৃতিকভাৱে পৃথক অৱস্থানত নাৰীৰ বৰ্গ নিৰ্মাণ (Gender) কৰা হয়। আমাৰ পুৰুষতান্ত্ৰিক চিন্তাধাৰাত নাৰী পুৰুষতকৈ লিংগগতভাৱে হীন এই বৈষম্যমূলক সামাজিক সাংস্কৃতিক মানসিকতা জড়িত। ভাষা হৈছে সামাজিক মূল্যবহনকাৰী এক প্ৰক্ৰিয়া। তদুপৰি ভাষা যিহেতু সমাজিক ব্যৱস্থাই বৰ্তাই ৰখাৰ এক গুৰুত্বপূৰ্ণ মাধ্যম গতিকে ভাষাত এই চিন্তাধাৰা পূৰ্ণ প্ৰতিফলন ঘটাটো স্বাভাবিক। নাৰী লিংগগতভাৱে হীন এই ধাৰণা ভাষাৰ মাজত বিভিন্ন ধৰণে প্ৰদৰ্শন কৰা হয়।সমাজ ভাষা সম্পৰ্কীয় গৱেষণাত নাৰীক পুৰুষৰ পৰা পৃথক কৰি ভাষা ব্যৱহাৰ কেতবোৰবৈশিষ্ট আঙুলিয়াই দিয়া হয়। যাৰ বাবে “স্ত্ৰী ভাষা” বা (women language) পৰিভাষা ব্যৱহাৰ কৰা হৈছে। বহু ক্ষেত্ৰত ভাষাত এনে কিছুমান শব্দ নিৰ্মাণ কৰা হৈছে বা অৰ্থ আৰোপিত কৰা হৈছে যিয়ে সমাজত নাৰীৰ প্ৰতি হীনাত্মক ধাৰণা পোষণ কৰাত সহায় কৰে। এক কথাত কবলৈ গলে ভাষাৰ মাধ্যমৰে সাহিত্য পাঠকৰ কাষ চাপে। সাহিত্য হৈছে সমাজৰ দাপোন স্বৰূপ। সাহিত্যত এজন লেখকে প্ৰায় সমাজত ব্যবহৃত ভাষাই প্ৰয়োগ কৰে। গতিকে সমাজত প্ৰচলিত হৈ থকা লিংগকেন্দ্ৰক বা লিংগধৰ্মী ভাষাটো সাহিত্যত প্ৰতিফলিত হোৱাটোস্বাভাবিক। অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰতো ই ব্যতিক্ৰম নহয়।

অসমীয়া সাহিত্যৰ সত্তৰ দশকৰ পৰা সাম্প্ৰতিক সময়ৰলৈকে সাহিত্য চৰ্চা কৰা এগৰাকী সাহিত্যিক হ’ল অৰূপা পটঙ্গীয়া কলিতা। অসমীয়া সাহিত্য জগতত তেওঁৰ ৰচনাৰাজিৰ যথেষ্ট গুৰুত্ব আছে। প্ৰস্তাবিত আলোচনা পত্ৰত অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হৈছে।

**০.২ অধ্যয়নৰ উদ্দেশ্য ঃ**

বিষয় একোটাৰ গৱেষণামূলক অধ্যয়নৰ আঁৰত নিৰ্দিষ্ট কিছুমান উদ্দেশ্য জড়িত হৈ থাকে। অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন শীৰ্ষক বিষয়ে অধ্যয়ন কৰাৰো কিছুমান নিৰ্দিষ্ট উদ্দেশ্য আছে। উদ্দেশ্যসমূহ হৈছে—

ক) অসমীয়া সাহিত্যত লিঙ্গ নিৰূপিত ভাষাৰ প্ৰয়োগৰ বিষয়ে অধ্যয়ন কৰা।

খ) নব্য আধুনিক দৃষ্টিভঙ্গীৰ সাহিত্য চৰ্চা কৰা অৰূপা পটঙ্গীয়া কলিতাৰ সাহিত্যৰাজিত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ কিদৰে হৈছে তাক নিৰ্ণিত কৰা।

গ) সমাজ ভাষা বিজ্ঞানৰ দৃষ্টিভঙ্গীৰে সমাজত ব্যৱহৃত হৈ থকা নাৰী পুৰুষৰ ভাষাৰ পৃথক বৈশিষ্ট্য আৰু ইয়াৰ অন্তৰ্নিৰ্হিত কাৰণ আদি নিৰূপন কৰা।

**০.৩ অধ্যয়নৰ গুৰুত্ব ঃ**

“অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মাক অধ্যয়ন (অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যৰ বিশেষ উল্লেখেৰে) শীৰ্ষক বিষয়ে অধ্যয়ন কৰাৰ যথেষ্ট গুৰুত্ব আছে। ইয়াৰ কাৰণ সমূহ হৈছে —

(ক) বিষয়টোৰ সম্পৰ্কত পুংখানুপুংখ গৱেষণামূলক অধ্যয়ন হোৱা নাই।

(খ) ভাষাৰ আৰু লিংগৰ ক্ষেত্ৰত নাৰীয়ে কেনেকৈ কথা কয় তাতকৈ নাৰীক কেনেকৈ কথা কওৱা হয় সেইটো গুৰুত্বপূৰ্ণ। লিংগ আৰু ভাষাৰ ব্যৱহাৰ সমাজতাত্ত্বিক প্ৰেক্ষাপটত বিচাৰ কৰিবৰ বাবে এই বিষয়ে অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে।

(গ) অসমীয়া সাহিত্যক নব্য দৃষ্টি ভংগীৰে সাহিত্য চৰ্চা কৰি সমৃদ্ধ কৰা লেখক অৰূপা পটঙ্গীয়া কলিতাই কিদৰে তেওঁৰ গল্প সাহিত্যত নাৰী আৰু পুৰুষ সূচক ভাষা প্ৰয়োগ কৰিছে তাক জ্ঞাত হবৰ বাবে বিষয়টোৰ অধ্যয়নৰ গুৰুত্ব আছে।

**০.৪ অধ্যয়নৰ পৰিসৰ ঃ**

“অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ এক বিশ্লেষণত্মক অধ্যয়ন” শীৰ্ষক বিষয়েআলোচনা কৰোঁতে আলোচনাৰ পৰিসৰত অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যসমূহক সামৰি লোৱা হৈছে।

**০.৫ অধ্যয়নৰ পদ্ধতি ঃ**

প্ৰস্তাবিত আলোচনা পত্ৰখন প্ৰস্তুত কৰোতে অধ্যয়নৰ পদ্ধতি হিচাপে তিনিতা পদ্ধতিৰ সহায় লোৱা হৈছে। সেইয়া হৈছে—

ক) বিশ্লেষণাত্মক পদ্ধতি।

খ) বৰ্ণনাত্মক পদ্ধতি।

গ) সমাজতাত্ত্বিক পদ্ধতি।

**১.০ মূল আলোচনা ঃ**

**১.১ অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যৰ চমু পৰিচয় ঃ**

অসমীয়া সাহিত্যৰ সাম্প্ৰতিক সময়ৰ এগৰাকী গল্পকাৰ হ’ল অৰূপা পটঙ্গীয়া কলিতা। তেওঁ সত্তৰ দশকৰ পৰাই সামাজিক দায়বদ্ধতাৰে সাম্প্ৰতিক সময়ৰলকৈ গল্প ৰচনা কৰি আহিছে। তেওঁৰ প্ৰকাশিত গল্প সংকলন “সোণলী ঈগলে

কণী পাৰিলে বেলিয়ে উমনি দিলে" শীৰ্ষক গল্প সংকলনৰ পাতনিত নিজৰ সাহিত্য চৰ্চাৰ আৰম্ভণি কথাত উল্লেখ কৰিছে এনেদৰে—

'১৯৬৭ চনত দৈনিক অসমৰ মইনা মেলত মোৰ প্ৰথম গল্পটো প্ৰকাশ পাইছিল। তেতিয়া মই গোলাঘাট মিছন গাৰ্লছ হাইস্কুলৰ সপ্তমমান শ্ৰেণীৰ ছাত্ৰী আছিলোঁ। তাৰ পিছত মই ভালেমান গল্প লিখিলো। কেইবাটাও সংকলন প্ৰকাশ হ'ল। প্ৰতিটো সংকলনৰ দুই তিনিটাকৈ নতুন নতুন সংস্কৰণো প্ৰকাশ হ'ল। পাঠকে মোক আপোন কৰি লৈছে বাবে এয়া সম্ভৱ হৈছে।'[১]

অৰূপা পটঙ্গীয়া কলিতাৰ প্ৰকাশিত গল্প সম্ভাৰলৈ লক্ষ্য কৰিলে অসমীয়া চুটি গল্প সাহিত্যলৈ বহু সংখ্যাক বৰঙণি আগবঢ়োৱা দেখিবলৈ পোৱা যায়। অৰূপা পটঙ্গীয়া কলিতাৰ প্ৰথম প্ৰকাশিত গল্প সংকলন হৈছে — 'মৰুযাত্ৰা আৰু অন্যান্য'। এই গল্প সংকলনখনত সন্নিবিষ্ট গল্প সমূহ প্ৰথম স্তৰৰ ৰচনা আছিল। প্ৰথম স্তৰৰ ৰচনা সমূহত মাসাজিক, ৰাজনৈতিক, অৰ্থনৈতিক সমস্যা, নাৰী মনৰ উপলব্ধি আদিক গল্পৰ বিষয় বস্তু হিচাপে গ্ৰহণ কৰিছিল। তেওঁৰ প্ৰকাশিত অন্যান্য গল্পসংকলনসমূহ হৈছে মৰুভূমিত মেনকা আৰু অন্যান্য (১৯৯৫), দেও পাহৰৰ ভগ্নস্তূপত (১৯৯৯), পাছ চোতালৰ কথকতা (২০০০), মিলেনিয়ামৰ সপোন (২০০২), আলেক জান বানুৰ জান (২০০৫), কুৰুশ্বোৱাৰ সপোন, মোৰ সপোন সিহঁতৰ সপোন (২০০৭), সোণালী ঈগলে কণী পাৰিলে বেলিয়ে উমনি দিলে (২০১০), মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা (২০১২), জলতৰঙ্গৰ সুৰ (২০১৬), পানী গাভিনী আছিল আৰু অন্যান্য (২০২৯) ইত্যাদি।

সত্তৰ দশকৰ পৰাই সামাজিক দায়বদ্ধতাৰে গল্প ৰচনা কৰা অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত সমাজৰ শোষিত নিপীড়িতজনৰ প্ৰতি বিশেষ দৃষ্টি নিক্ষেপ কৰা দেখা যায়। তৃতীয় বিশ্বৰ লেখক হিচাপে তেওঁৰ সাহিত্যত সমাজৰ শেষিত আৰ্তজনৰ ছবি প্ৰতিফলিত হৈছে বুলি ক'ব পাৰি। তদুপৰি সত্তৰ দশকৰ পৰা বৰ্তমানলকৈ মানুহে ভোগ কৰা যেনে সন্ত্ৰাসবাদ, সাম্প্ৰদায়িকতাবাদ, সামন্তবাদৰ পশ্চাদগামিতা অথবা নতুন সমাজখনক গ্ৰাস কৰা পুজিঁবাদৰ সৰ্বগ্ৰাসী প্ৰভাৱ আদি সকলো সমস্যাক গল্পৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছে। তেওঁৰ গল্পত গভীৰ মানৱীয় মূল্যবোধৰ প্ৰকাশ ঘটিছে। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, গোষ্ঠি-বৰ্ণ-সম্প্ৰদায় অথবা লিংগ ভিত্তিক বৈষম্য, শ্ৰেণীগত শোষণ ব্যৱস্থা আদিৰ কথা প্ৰকাশ কৰোতে মানৱীয় প্ৰমূল্যবোধক তাৰ লগত সংপৃক্ত কৰি ৰাখিছে। তেওঁ এগৰাকী সমাজসচেতন আৰু সংবেদনশীল গল্পকাৰ আছিল।

অৰূপা পটঙ্গীয়া কলিতাৰ প্ৰায়বোৰ গল্পৰ বিষয়বস্তু সমাজকেন্দ্ৰিক। বৰ্তমান সমাজত ঘটা মূল্যবোধৰ দ্ৰুত অৱক্ষয়, পুঁজিবাদ বা ভোগবাদৰ সৰ্বগ্ৰাহী প্ৰভাৱৰ কথা তেওঁৰ গল্পত পোৱা যায়। উদাহৰণস্বৰূপে মৰীচিকা, নিমন্ত্ৰণ, দেৱী মেদনা, বগামাটি থানৰ ভোগী আদিৰ কথা কব পাৰি। তেওঁৰ গল্পত সমাজত প্ৰচলিত হৈ অহা কু-সংস্কাৰ, অন্ধবিশ্বসে আচ্ছন্ন কৰি ৰখা সমাজৰ প্ৰতি বিদ্ৰূপ মনোভাৱ পোষন কৰা দেখা যায়। এই ক্ষেত্ৰত "পাছ চোতালৰ কথাকতা" গল্পটোলৈ আঙুলিয়াব পাৰি। সাম্প্ৰদায়িকতাবাদ, সন্ত্ৰাসবাদ আদিও তেওঁৰ গল্পৰ বিষয়বস্তু আছিল। তেওঁৰ ব'হাগ, বৰষুণ, কাৰ্তিকৰ কাহিনী, ভূমিপুত্ৰত আদিত সাম্প্ৰদায়িকতাৰ স্পষ্ট প্ৰতিফলন দেখা যায়। অসমত জনগোষ্ঠীয়, ভাতৃঘাতী, সংঘাট, সন্ত্ৰাসবাদ উত্থানক কেন্দ্ৰ কৰি মৰুযাত্ৰা, নদীৰ মান নায়িকা, বীৰ দৈমালুৰ সাধু, কুনুৰ মাৰ ঘৰ, শ্ৰৱন কুমাৰ মাতৃ আদি কৰি ভালেমান গল্প ৰচনা কৰিছে। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত আন্তৰ্জাতিকতাবাদৰ প্ৰসংগও উত্থিত হৈছে। 'ঘৃণাৰ ইপাৰ সিপাৰ' গল্পটোৰ জৰিয়তে আমেৰিকাৰ বৰ্ণ বৈষম্যবাদ আৰু জৰ্মানীৰ নাজীবাদি উদ্ভুদৰ অতিশয্যক আলোচনাৰ প্ৰসংগলৈ আনি ভাৰতৰ স্বাধীনোত্তৰ কালৰ জনগোষ্ঠীগত সংঘাতৰ লগত একাত্ম কৰি বিচাৰ বিশ্লেষণ আগবঢ়াইছে।

অৰূপা পটঙ্গীয়া কলিতাৰ ভালেমান গল্পত সমাজত নিপীড়িত নাৰীৰ দুৰ্বিসহ জীৱনৰ ছবি প্ৰতিফলিত হৈছে। তেঁওৰ গল্পত নাৰীবাদৰ প্ৰসংগও মন কৰিবলগীয়া। পুৰুষতান্ত্ৰিক সমাজত নাৰীৰ স্থান নিৰ্দ্ধাৰণ কৰোতে শ্ৰেণীদ্বন্দ্বৰ কথাও উল্লেখ কৰিছে। লগতে আমাৰ পুৰুষতান্ত্ৰিক সমাজত যুগ যুগ ধৰি চলি অহা লিংগভিত্তিক বৈষম্যৰ সমস্যাটোক আলোচনাৰ আওতালৈ আনিছে। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত নাৰীবাদৰ ক্ষেত্ৰত নাৰীত্বৰ প্ৰতি সমাজৰ যথাযথ মৰ্যদা, সামাজিক ক্ষেত্ৰত নাৰীক স্বীকৃতি প্ৰদান আৰু সমাজৰ শোষন বঞ্চনাৰ বিৰুদ্ধে নাৰীৰ প্ৰতিবাদী সত্ত্বাৰ প্ৰকাশ আদিবোৰ দিশ প্ৰতিফলিত হৈছে। উদাহৰণস্বৰূপে পাছ চোতালৰ কথকতা, নিমন্ত্ৰণ, আপোনজন প্ৰস্তাৱনা, ডাঙৰ নবৌ, পণবন্দী আদি গল্পৰ কথা কব পাৰি।

লোককাহিনী বা লোককথাৰ কলাত্মক প্ৰয়োগেৰেও অৰূপা পতঙ্গীয়া কলিতাই কেইবাটাও গল্প ৰচনা কৰিছে।

বিশেষকৈ জনগোষ্ঠীয় লোক কাহিনী তেওঁৰ কেইবাটাও গল্পত প্ৰকাশ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে তেওঁৰ মোৱাধৰা পথাৰৰ মাণিকী মাধুৰী গল্পৰ মূল উপজীব্য লোক কথা আৰু লোকগীত তাৰ উপৰিও বীৰ দৈমালুৰ সাধু গল্পত বড়ো জনজীৱনত প্ৰচলিত লোক কথা আৰু লোকগীতৰ প্ৰতিফলন ঘটা দেখা যায়।

শেষত কবলৈ গলে সংখ্যাৰ পিনৰ পৰাই নহয়, গল্পৰ বিষয়বস্তুত থকা গভীৰ অৰ্ন্তদৃষ্টি, সমাজ সচেতন মনোভাৱ, ৰচনাৰীতি, আদি সামগ্ৰিক দিশৰ পৰা তেওঁ গল্প যথেষ্ট চহকী। অসমীয়া গল্প সাহিত্যৰ বিষয় বস্তুৰ ক্ষেত্ৰত নব্য দৃষ্টিভংগীৰে আলোকিত কৰাত তেওঁৰ যথেষ্ট অৱদান আছে বুলি কব পাৰি।

**১.২ লিংগভেদ আৰু ভাষা এক চমু আলোকপাত ঃ**

সমাজ ভাষা বিজ্ঞানৰ এটি গুৰুত্বপূৰ্ণ আলোচনাৰ বিষয় হৈছে লিংগভেদে ভাষা ব্যৱহাৰৰ পাৰ্থক্য। অৰ্থাৎ সমাজত নাৰী পুৰুষৰ ভাষা ব্যৱহাৰত যি পাৰ্থক্য সেয়াই লিংগভেদে ভাষা ব্যৱহাৰৰ পাৰ্থক্য বুলি কোৱা হয়। সমাজত প্ৰচলিত লিংগ সম্পৰ্কীয় ধাৰণাক দুটা দিশৰে আলোচনা কৰা হয়। এক হৈছে (Sex) প্ৰাকৃতিক ধাৰণা আৰু আনটো হৈছে সামাজিক ধাৰণা (Gender)। প্ৰথমটো হৈছে প্ৰাকৃতিক বা জৈৱিক। অৰ্থ্যৎ পুৰুষ আৰু মহিলাৰ শাৰিৰীক গঠন, প্ৰকৃতি বেলেগ ধৰণৰ হয়। আনহাতে সামাজিক আৰু সাংস্কৃতিক দিশৰ পৰা নাৰী আৰু পুৰুষ মাজত যি পাৰ্থক্য গঢ় লৈ উঠে বা পুৰুষ নাৰীৰ পৃথক সামাজিক ভুমিকা নিৰ্দ্ধাৰণ কৰে সেইয়া হৈছে সমাজিক লিংগ। ভাষাৰ উৎপত্তি হয় সমাজত। আনহাতে ভাষাৰ বিকাশো সমাজতে হয়। গতিকে সামাজিক ধ্যান ধাৰণা, ৰীতি নীতি আচাৰ ব্যৱহাৰ, সামাজিক সংস্কাৰ, বিশ্বাস আদিসকলোবোৰ ভাষাৰ জড়িয়তে প্ৰকাশ হয়। যিহেতু আমাৰ পুৰুষতান্ত্ৰিক সমাজত নাৰী পুৰুষৰ পৃথক সামাজিক অৱস্থান পৰিলক্ষিত হয়। গতিকে পুৰুষকেন্দ্ৰিক ৰাজনীতিৰ ক্ষমতাশীল গোটটোৰ স্বাৰ্থপুৰণৰ অভিপ্ৰায় ভাষাৰ মাজত প্ৰতিফলিত হয়। তদুপৰি নাৰী পুৰুষৰ পাৰ্থক্যৰ পৰম্পাৰাগত সমাজ ব্যৱস্থা আৰু অৰ্থনীতিত যি প্ৰভাৱ সেই প্ৰভাৱৰ নানা উপাদান ভাষাৰ মাজতো নিহিত হৈ থাকে। অৰ্থনৈতিক ভাৱে মহিলাৰ কৰ্মক্ষেত্ৰ প্ৰজনন আৰু শিশু প্ৰতিপালনৰ লগত জড়িত ঘৰখন। আনহাতে পুৰুষৰ কৃষিকৰ্ম, বাণিজ্য, ব্যৱসায়, চাকৰি, ধৰ্ম, ৰাষ্ট্ৰ গঠন আদিৰ লগত জড়িত। সমাজত সিদ্ধান্ত গ্ৰহণ, উৎপাদনৰ লগত জড়িত হৈ পুৰুষ সমাজত নিজৰ আধিপত্য স্থাপন কৰে। যিহেতু নাৰী পুৰুষৰ সামাজিক অৱস্থানৰ প্ৰভাৱ বিবিধ উপাদান ভাষাৰ মাজত নিহিত হৈ থাকে গতিকে ভাষা ব্যৱহাৰতো পাৰ্থক্য পৰিলক্ষিত হয়। সমাজ ভাষা বিজ্ঞানীসকলে ভাষা ব্যৱহাৰত সাধৰণতে পুৰুষতকৈ নাৰীৰভাষা সাধু বা মান্য বুলি মত প্ৰকাশ কৰে।

সমাজ ভাষাবিজ্ঞানীসকলে সমাজত ব্যৱহৃত ভাষা একোটাক সমাজতত্ত্বৰ আধাৰত পৰ্যবেক্ষন কৰাৰ দৰে লিংগ অনুসৰি ভাষা ব্যৱহাৰ পাৰ্থক্যৰ কথাও আলোচনা কৰে। পুৰুষ মহিলাৰ ভাষা ব্যৱহাৰৰ পাৰ্থক্য সমাজ অনুযায়ী বেলেগ বেলেগ হয়।

কোনো কোনো সমাজত পাৰ্থক্য তেনেই নগন্য। আনহাতে কোনো কোনো সমাজত পাৰ্থক্য অধিক আৰু স্পষ্ট। সমাজ ভাষা বিজ্ঞানী Peter Trudgillৰ মতে-

‘লিংগ ভেদে ভাষা ব্যৱহাৰৰ পাৰ্থক্যৰ কাৰণ সমাজিক পাৰ্থক্যহে’[২]

ভাষা হৈছে সামাজিক মূল্য বহনকাৰী এক প্ৰক্ৰিয়া। লিংগভেদে ব্যৱহৃত ভাষাৰ প্ৰয়োগৰ পাৰ্থক্য সমূহৰ আলোচনাৰ যোগেদি সমাজত নাৰী আৰু পুৰুষৰ মৰ্যদা সমান হয় নে নহয় তাক নিৰ্ণয় কৰিব পাৰি। অট’ জেছপাৰচনে তেওঁৰ Language : Its Nature Development and Origin নামৰ গ্ৰন্থত ‘The women’ নামৰ অধ্যায়ত নাৰী পুৰুষৰ ভাষাৰ মাজত থকা পাৰ্থক্যৰ কথা উল্লেখ কৰিছে এনেদৰে—

‘সমাজত এনে কিছুমান জনজাতি আছে য’ত পুৰুষ আৰু মহিলাসকলে সম্পূৰ্ণ বেলেগ বাষা বা পৃথক উপভাষা কয়।’[3]

সমাজ ভাষা বিজ্ঞানীসকলে নাৰীৰ ভাষাৰ মাজত নাৰীৰ কথা কোৱা কেতবোৰ বৈশিষ্টৰ বিষয়েও অধ্যয়ন কৰিছে। ১৯৭৫ চনত প্ৰকাশিত ৰবিন লেকফৰ (Robin Lakoff) ‘Language and Womens Place’ নামৰ গ্ৰন্থত ভাষাত লিংগভেদৰ বিষয়ে আলোচনা কৰিছে। তেওঁৰ মতে—

‘নাৰীৰ ভাষা পুৰুষতকৈ বেছি নম্ৰ, কুণ্ঠাপুৰ্ণ তথা আপেক্ষিকভাৱে কম আত্মপ্ৰত্যয়ী, more polite, more hesitant and less confident তদুপৰি লেকফৰ মতে মহিলাসকলে কোমল (soft) অনুৰোধসূচক শব্দ বা বাক্য বেছিকৈ ব্যৱহাৰ কৰে।’[৪]

ৰবীন লেকফৰ Language and Womens place শীৰ্ষক গ্ৰন্থত আগবঢ়োৱা ধাৰণাসমূহৰ তাত্ত্বিক আৰু প্ৰয়োগিগ বাখ্যা হৈ পৰিছিল সমাজভাষা বিজ্ঞানৰ লিংগভেদে ভাষা ব্যৱহাৰৰ আলোচনাৰ প্ৰধান বিষয়। তেওঁৰ মতে—

“নাৰীৰ ভাষাগত পাৰ্থক্যৰ কাৰণ দুটা। প্ৰথমটো হৈছে

তেওঁলোক তেনেদৰে শিকোৱা হয় আৰু আনটো সাধৰণ ভাষা ব্যৱহাৰ যিটো তেওলোকৰ বাবে নিৰ্দিষ্ট কৰা থাকে।'[৫]

লেকফে ইংৰাজী ভাষাত লক্ষ্য কৰা মহিলাৰ ভাষিক বৈশিষ্টৰ কেতবোৰ দিশ 'Language and Womens place' গ্ৰন্থত উল্লেখ কৰিছে। সেইয়া হৈছে মহিলাৰ বাক্‌ভঙ্গীত অনুৰোধৰ বিস্তৃতি বেছি, ইংৰাজী tag question আৰ্হিৰ বাক্য ব্যৱহাৰ, শূন্য বিশেষণৰ বাক্য, ৰঙৰ বৰ্ণনাত সিদ্ধহস্ত, উদাত্ত সুৰৰ প্ৰয়োগৰে বাখ্যামূলক বৰ্ণনা, মানকৃত ৰূপৰ প্ৰয়োগ, নমনীয় ৰূপৰ ব্যৱহাৰ, অতি আমাৰ্জিত শব্দৰ ব্যৱহাৰৰ পৰা আতৰত থাকে, শ্বাসাঘাতৰ প্ৰবল প্ৰয়োগৰে কোনো বিশেষ অভিব্যক্তিৰ প্ৰকাশ আদি। উল্লেখ যোগ্য যে সমাজ ভাষা সম্পৰ্কীয় গৱেষণাত নৰীক এইদৰে পুৰুষৰ পৰা পৃথক কৰি ভাষা ব্যৱহাৰৰ বৈশিষ্টসমূহ আঙুলিয়াই দিয়াৰ চেষ্টা কৰা হৈছে। যাৰ বাবে স্ত্ৰী ভাষা বা Womens language পৰিভাষা হিচাপে ব্যৱহাৰ কৰা হৈছে। কিন্তু সমাজ ভাষা বা স্ত্ৰী ভাষাৰ ধাৰণা দিছে যদিও পৰৱৰ্তী আলোচক সকলে এই ধাৰণা উপেক্ষা কৰা দেখা যায়। প্ৰকৃতাৰ্থত মহিলাৰ অৰ্থনৈতিক স্বাৱলম্বিতা, ৰাজনৈতিক আৰু সামাজিক জীৱনত অধিকাৰ, সচেতনতা বাঢ়ি অহাৰ লগে লগে মহিলাৰ পৃথক ভাষা প্ৰয়োগৰ ধাৰণাটো ভিত্তীহীন হৈ পৰে। ব্যক্তিৰ সামাজিক অৱস্থানৰ পৰাই বহুসময়ত ভাষা বা বাক্‌ভংগী নিৰূপিত হয়। যিহেতু পুৰুষ প্ৰধান সমাজত নাৰী উপেক্ষিত শ্ৰেণী আছিল। গতিকে নাৰীৰ ভাষাত সুকীয়া বাক্‌ভংগী লক্ষ্য কৰা গৈছিল আৰু পুৰুষপ্ৰধানসমাজত যিটো স্ত্ৰী ভাষা প্ৰচলিত আছিল সেয়া ক্ষমতাহীন ভাষা।

**১.৩ অসমীয়া ভাষাত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ**

পৃথিৱীৰ অন্যান্য ভাষাৰ দৰে অসমীয়া ভাষাটো লিংগভেদৰ কিছু পাৰ্থক্য নিৰূপিত হয়। অসমীয়া ভাষাৰ জতুৱা ঠাচসমূহৰ যোগেদি সমাজত নাৰীৰ সমাজিক স্থিতি বিষয়ে অনুধাৱন কৰিব পাৰি। জতুৱা ঠাঁচসমূহত মাতৃৰ মমতাময়ী ৰূপ, শাহুৰ কৰ্তৃত্ব, বোৱাৰীৰ প্ৰতি নিন্দাসুচক মন্তব্য, পত্নীৰ মৰ্যদা, শাহু বোৱাৰীৰ সম্পৰ্ক, ছোৱালী সম্বন্ধীয় ধাৰণা, নাৰীৰ সৌন্দৰ্য, গুণ গৰিমা আদিৰ বৰ্ণনা পোৱা যায়। ইয়াৰ যোগেদি অসমীয়ান সমাজত নাৰীৰ অৱস্থান সম্পৰ্কে জ্ঞাত হ'ব পাৰি। উদাহৰণস্বৰূপে "আইৰ সমান হ'ব কোন নৈৰ সমান ব'ব কোন", "কচু হলে খজুৱায়,শাহু হলে নচুৱাই", ননদ হলে খোৰা, জেশাহু হ'লে বাৰীৰ পাছৰ পৰা গুচা, কটাৰী ভাল কৰে শিলে তিৰোতা ভাল কৰে কিলে, কুকুৰ চাকৰ তিৰিক নিদিবা লাই লাই পালে তিনিও কান্ধত উঠিবলৈ যায়, ল'ৰা ধান, ছোৱালী পতান, ৰূপে কি কৰে গুণেহে সংসাৰ তৰে ইত্যাদি।

সমাজ ভাষা বিজ্ঞানী লেকফে ইংৰাজী ভাষাৰ ক্ষেত্ৰত কোৱাৰ দৰে অসমীয়া ভাষাটো মহিলাৰ ভাষা ব্যৱহাৰৰ ক্ষেত্ৰ কিছুমান ভাষিক বৈশিষ্ট পৰিলক্ষিত হয়। সেয়া হৈছে —

ক) ৰঙৰ বৰ্ণনা ক্ষেত্ৰত সিদ্ধহস্ত।

খ) মহিলাৰ বাক্‌ভঙ্গীত অনুৰোধৰ বিস্তৃতি বেছি।

গ) ইংৰাজী  ৰ আৰ্হিৰে ভাষা ব্যৱহাৰ।

ঘ) পৰোক্ষ বাক্‌ভঙ্গীৰ ব্যৱহাৰ।

ঙ) মাৰ্জিত বা সাধুভাষাৰ ব্যৱহাৰ ইত্যাদি।

এইক্ষেত্ৰত ড° ৰমেশ পাঠকে অসম সাহিত্য সভাৰ প্ৰত্ৰিকা (২০০৯, জুন) প্ৰকাশিত প্ৰবন্ধ 'সমাজত নাৰীভাষা স্বকীয়তা বিচাৰ'ত অসমীয়া সমাজৰ নাৰীৰ ভাষা কেনে আছিল সেই সম্পৰ্কে উল্লেখ কৰিছে এনেদৰে—

ক) উচ্চ স্বৰত কথা কোৱা নিষেধ।

খ) অশ্লীল, অশ্ৰাব্য, অমাৰ্জিত শব্দ নাৰীয়ে ব্যৱহাৰ কৰা অনুচিত।

গ) কথা-বতৰা মাৰ্জিত, ৰুচিশীল হ'ব লাগে।

ঘ) মহিলাই ডাঙৰকৈ বা বেছিকৈ হাঁহিব নালাগে। বেছিকৈ হঁহা বেয়া। ইত্যাদি।

অসমীয়া ভাষাত মহিলাৰ নামৰ ক্ষেত্ৰত লিংগকেন্দ্ৰিক ৰূপ কিছুমান দেখিবলৈ পোৱা যায়। মহিলাৰ নামৰ লগত বৈবাহিক স্থিতি সাঙোৰ খাই থাকে। যেনে মহিলাৰ নামৰ আগত ব্যৱহৃত Mrs অথবা Miss য়ে মহিলাৰ বৈবাহিক স্থিতি তথা নাৰী পিতৃ নে স্বামীৰ অধীনত আছে সেই কথা নিৰূপন কৰে। আনহাতে আকৌ বিবাহৰ পাছত বহু মহলাই নিজৰ নামৰ লগত স্বামীৰ নাম আৰু উপাধি আদি সংযুক্ত কৰে।

যেনে — মিতালী গগৈ — মিতালী শইকীয়া,
— মিতালী গগৈ শইকীয়া,
— মিতালী প্ৰণৱ শইকীয়া।

আনহাতে আমাৰ গ্ৰাম্য সমাজত বহু ক্ষেত্ৰত মহিলাৰ নাম বা পৰিচয় লুপ্ত হৈ যায়। এই ক্ষেত্ৰত মহিলা গৰাকী সন্তান মাতৃ হিচাপে, কাৰোবাৰ ঘৈণীয়েক, জীয়েক আদি হিচাপেহে পৰিচয় লাভ কৰে। যেনে — ৰামৰ মাক, ৰামৰ ঘৈণিয়েক, ৰামৰ জীয়েক ইত্যাদি।

মন কৰিবলগীয়া যে আমাৰ অসমীয়া গ্ৰাম্য সমাজত

মাতৃগৰাকীক পুত্ৰৰ নামৰ সৈতে সংযুক্ত কৰিহে নামকৰণ কৰা হয়, কন্যা সন্তানৰ নামৰ সৈতে সংযুক্ত প্ৰায়ে কৰা নহয়। তদুপৰি কেতিয়াবা মহিলা এগৰাকীয়ে বিয়া হোৱা ঠাইখনত জন্মৰ স্থান অনুসৰিও নামাংকিত হয়। যেনে— গোৱালপৰীয়ীনী, শিৱসাগৰীয়ানী ইত্যাদি।

ব্যকৰণগত দিশত মন কৰিলে অসমীয়া ভাষাটোক একে আষাৰেই লিংগকেন্দ্ৰিক বুলি কব নোৱাৰি। কাৰণ হিন্দী আৰু সংস্কৃত ভাষাৰ দৰে অসমীয়া ভাষাত লিংগ অনুযায়ী ক্ৰিয়া পৰিবৰ্তন নহয়। উদাহৰণ স্বৰূপে—

লৰাটো আহিছে। ছোৱালীজনী আহিছে।

কিন্তু অসমীয়া ভাষাত বিশেষণ প্ৰয়োগত ৰূপটো সলনি হোৱা দেখা যায়। যেনে —

বগা ল'ৰা / বগী ছোৱালী

সুন্দৰ ল'ৰা / সুন্দৰী ছোৱালী

অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাতে স্ত্ৰীবাচক শব্দবোৰ পুৰুষবাচক ৰূপটোৰ লগত সংগীকৰণৰ জড়িয়তে গঠন কৰা হয়। বিশেষকৈ বৃত্তিকেন্দ্ৰিক স্ত্ৰী বাচক শব্দবোৰ মূলত পুৰুষবাচক ৰূপৰ পৰাই গঠন হয়। যেনে—

manager — manageress

actor — actress

নায়ক — নায়িকা

লেখক—লেখিকা

ইংৰাজী ভাষাৰ দৰে অসমীয়া লিংগসূচক যুৰীয়া শব্দবোৰ ব্যৱহাৰ ক্ষেত্ৰত বেচিসংখ্যকে পুৰুষ বুজোৱা ৰূপটো সদায় আগত ব্যৱহাৰ হয়। যেনে — ল'ৰা-ছোৱালী

লেখক-লেখিকা

ছাত্ৰ-ছাত্ৰী

নাৰী পুৰুষতকৈ হীন বা লিংগগতভাৱে দ্বিতীয় স্থানৰ এই ধাৰণাক ভাষাৰ মাজত বিভিন্ন ধৰণে প্ৰদৰ্শিত হয়। অসমীয়া ভাষাটো কেতবোৰ শব্দ প্ৰচলিত আছে যিবোৰে মহিলাৰ সামাজিক অৱস্থান নিৰূপিত কৰে। উদাহৰণস্বৰূপে "সতী" শব্দটো নাৰীক বুজোৱা হয় কিন্তু পুৰুষক বুজাবলৈ তেনে কোনো শব্দ অসমীয়াত নাই। ঠিক সেইদৰে "পতিব্ৰতা" শব্দৰ সমাৰ্থক ৰূপত পুৰুষক বুজাবলৈ আমাৰ ভাষাত শব্দ নাই। আনহাতে নৱ বিবাহিত মহিলাক "পুত্ৰৱতী" হোৱা বুলি আশীৰ্বাদ দিয়া হয়, "পুত্ৰীৱতী" হোৱা বুলি আৰ্শবাদ দিয়া নহয়। ইয়াৰ জৰিয়তে সমাজৰ বাবে পুত্ৰহে বাঞ্চিত, পুত্ৰী নহয় সেই কথা অৱগত।

অসমীয়া ভাষাত ব্যৱহৃত নিৰ্দিষ্টতাবাচক সৰ্গ ব্যৱহাৰৰ ক্ষেত্ৰত নাৰীৰ প্ৰতিহীনাত্মক দৃষ্টি পোষণ কৰা দেখা যায়। উদাহৰস্বৰূপে 'জনী' স্ত্ৰীসুচক নিৰ্দিষ্টতাবাচক সৰ্গ মানুহ জন/মানুহজনী এই হিচাপে ব্যৱহাৰ কৰাৰ উপৰিও ইতৰ প্ৰাণীৰ ক্ষেত্ৰতো 'জনী' ৰূপটো ব্যৱহাৰ কৰা হয়। যেনে—

কুকুৰ / কুকুৰজনী,

গৰু / গৰুজনী।

এনেদৰে অসমীয়া ভাষাত লিংগভেদে ভাষাৰ প্ৰয়োগ হোৱা দেখা যায়।

**১.৪ অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ**

ভাষাত সমাজত নাৰীৰ প্ৰতি হানাত্মক ধাৰণা পোষণ কৰি কিছুমান শব্দ নিৰ্মাণ কৰা হৈছে। সমাজভাষা সম্পৰ্কীয় গৱেষণাত নাৰীক পুৰুষৰ পৰা পৃথক কৰি কেতবোৰ বৈশিষ্ট আঙুলিয়াই দিয়া। যাৰ পৰিভাষা হিচাপে 'স্ত্ৰীভাষা' বা women language শব্দটো ব্যৱহাৰ কৰা হৈছে। সহিত্য আৰু ভাষাৰ সম্বন্ধে কবলৈ গলে ভাষাৰ মাধ্যমৰে সাহিত্য পাঠকৰ কাষ চাপে। সাহিত্য হৈছে সমাজৰ দাপোন স্বৰূপ। সাহিত্য সমাজৰ যিহেতু অংগাগী সম্পৰ্ক গতিকে সমাজত ব্যৱহৃত ভাষাই সাহিত্যত প্ৰয়োগ হয়। গতিকে সমাজত প্ৰচলিত হৈ থকা লিংগকেন্দ্ৰিক বা লিংগভেদ ভাষা সহিত্যত প্ৰতিফলিত হোৱাটো স্বাভাৱিক। বিশ্ব সাহিত্যৰ দৰে অসমীয়া সাহিত্যও এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। অসমীয়া সাহিত্যতো সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক বিভিন্ন দিশত পুৰুষ নাৰী নিৰ্বিশেষে ভাষা প্ৰয়োগত পাৰ্থক্য দেখা যায়। অসমীয়া সাহিত্যৰ সত্তৰ দশকৰ পৰা নব্য দৃষ্টিভংগীৰে সাহিত্য চৰ্চা কৰা এগৰাকী সাহিত্যিক হল অৰূপা পটঙ্গীয়া কলিতা। অসমীয়া গল্প সাহিত্যত তেওঁৰ অৱদান যথেষ্ট। তেওঁৰ গল্পত সমাজত নাৰী পুৰুষ অৱস্থান সম্পৰ্কীয় বহুতো দিশ প্ৰতি ফলিত হৈছে। নাৰীৰ সামাজিক অৱস্থান, পুৰুষ প্ৰধান সমাজত নাৰীৰ শোষণ, বঞ্চনা বিৰুদ্ধে প্ৰতিবাদ, পুৰুষৰ মানসিকতা, সমাজিক ক্ষেত্ৰত নাৰীৰ স্বীকৃতি আদিবোৰ দিশ তেওঁৰ গল্পত প্ৰতিফলিত হৈছে। অৰ্থাৎ তেওৰ গল্পত পুৰুষ প্ৰধান সমাজত বৰ্তী থকা লিংগ বৈষম্যৰ ছবিখন স্পষ্ট। গতিকে তেওঁৰ গল্প সাহিত্যত পুৰুষ নাৰীৰ নিৰ্বিশেষে লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ হোৱাটো স্বাভাৱিক। তলত তেওঁৰ গল্প সাহিত্যত পুৰুষসুচক আৰু নাৰীসুচক ভাষাৰে প্ৰয়োগ এই দুটা দিশত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ সম্পৰ্কে

আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।

**১.৪.১ পুৰুষসূচক ভাষাৰ প্ৰয়োগ ঃ**

সমাজিক সাংস্কৃতিক অৱস্থানে পুৰুষ নাৰীতকৈ উৰ্দ্ধৰ বুলি নিৰ্দেশ কৰে। সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক ক্ষেত্ৰৰ দৰে ভাষিক প্ৰয়োগতো পুৰুষ নাৰীৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। সমাজিক ধাৰণা অনুসৰি পুৰুষৰ বাক্ ব্যৱহাৰত কৰ্তৃত্বশীল মনোভাৱ লক্ষ্য কৰা দেখা যায়। পৰিয়ালৰ অৰ্থনৈতিক দিশটো যিহেতু পুৰুষে পৰিচালনা কৰে গতিকে নিয়ন্ত্ৰণ ভাৱো পুৰুষৰ ব্যৱহৃত ভাষাত পৰিলক্ষিত হয়।অৰূপা পটঙ্গীয়া কলিতাৰ “সম্ৰাজ্ঞী” গল্পত বৰুণা চলিহা তেওঁৰ সৰু পুত্ৰ ৰূপমৰ ৰুমলৈ গৈ দুৱাৰত টুকুৰিয়াত ৰূপমে মাকক কৰা ব্যৱহাৰত পুৰুষৰ কৰ্তৃত্বশীল মনোভাৱটো প্ৰতিফলিত হৈ উঠিছে এনেদৰে—

‘পিছত খাম, পুৱাতে মোক দিগদাৰি নকৰিব।’ (মৰুযাত্ৰা আৰু অন্যান্য, পৃ. নং-৭৮)

আকৌ মাক বৰুণা চলিহাই ৰূপমৰ লেতেৰা কাপোৰ খিনি ধুবৰ বাবে উলিয়াই নিবলৈ খোজোতে ৰূপমে মাকক কোৱা কথাটো পুৰুষৰ কৰ্তৃত্বশীল আৰু নিয়ন্ত্ৰণ মনোভাৱ প্ৰতিফলিত হৈছে—

‘মা মোৰ কামত তুমি লাগি নাথাকিবা। দৰমহা লৈ ইমান সোপা মানুহ কিয় ৰাখিছো? ৰূপমে দেৰামকৈ দৰ্জাখন বন্ধ কৰি দিলে।’ (মৰুযাত্ৰা আৰু অন্যান্য, পৃ. নং-৭৮)

অৰূপা পটঙ্গীয়া কলিতাৰ ‘প্ৰস্তাৱনা’ গল্পটোত অৰুণৰ কথনভঙ্গীতো কৰ্তৃত্বশীল আৰু নিয়ন্ত্ৰণ মনোভাৱ ফুটি উঠিছে।

‘বিয়া দিয়া ছোৱালীয়ে ইমান ঘৰ ঘৰ কৰি থকাটো ভাল নহয়’ (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং-১৩৩)

প্ৰস্তাৱনা গল্পটোত পুৰুষৰ অৰ্থনৈতিক নিয়ন্ত্ৰণ তথা কৰ্তৃত্বশীল মনোভাৱটো ৰীমাই ভায়েকে মেট্ৰিক পাছ কৰাৰ পাছত এডমিছনৰ বাবে টকা পাঁচশ পঠিয়াওঁতে আৰু পঢ়াৰ খৰচৰ কথা তাইৰ গিৰিয়েক অৰুণক কওতে অৰুণে দিয়া প্ৰত্যুত্তৰতো ফুটি উঠিছে—

‘এনেকৈ খৰচ কৰিলে ঘৰ আধা হৈ থাকিব।’ (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং-১৩৩)

সাধু বা মান্য ভাষাৰ বিপৰীতে আনুষ্ঠানিক কথ্য ৰূপটোৱে হৈছে অমাৰ্জিত বা অশিষ্ট ভাষা। এই অশ্লীল ৰূপবোৰৰ প্ৰয়োগৰ ক্ষেত্ৰত সমাজিক অৱস্থানৰ কথাটো গুৰুত্বপূৰ্ণ। আমাৰ গ্ৰাম্য বা লোক সমাজত নাৰীতকৈ পুৰুষৰ কথা বতৰাত অমাৰ্জিত বা গালি গালাজ পাৰোতে অশিষ্ট শব্দ প্ৰয়োগ কৰে বুলি সমাজ ভাষাবিজ্ঞানৰ অধ্যয়নৰ পৰা জ্ঞাত হ’ব পাৰি। এনে পুৰুষসূচক ভাষাৰ প্ৰয়োগ অৰূপা পটঙ্গীয়া গল্প সাহিত্যত ৰক্ষিত হৈছে। ‘কেমিলিয়ন’ গল্পৰ কেন্দ্ৰিয় চৰিত্ৰ লেতেকুজান গাঁৱৰ হোজা খেতিয়ক কৃষ্ণ ডেকাৰ পুতেকক পাৰ্টিৰ প্ৰভাৱশালী সদস্য ৰমেন শৰ্মাই দিয়া গালি শপনিৰ জৰিয়তে—

‘চালা চোৰবৰ বাচ্ছা কি ভাবিছা? সিহতে কি ইলেকচন খেলিব। ভৰি চেলেকা কুকুৰ।’ (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং-১০৪)

আকৌ ‘ব্ৰাত্য’ গল্পত বাপ গোসাই জীয়েক জোনাকী চুটীয়া সম্প্ৰদায়ৰ ল’ৰা কানাইৰ সৈতে মিলামিছি হৈ জোনাকী কানাইৰ সন্তানৰ মাতৃ হবলৈ ওলোৱাত দেউতাকে যি অবাইছ গালি শপনি পাৰিছে তাৰ জড়িয়তেও পুৰুষসূচক ভাষাৰ প্ৰতিফলন ঘটাৰ উপৰিও নাৰীক তুচ্ছাৰ্থ ভাৱত ব্যৱহাৰ কৰা ভালেকেইটা শব্দ গালিৰ মাজত প্ৰতিফলিত হৈছে।

‘হৰিনাম আৰু আৰ্শীবাদ জোলোকাৰ বাদে অন্য শব্দ নোলোৱা বাপ গোঁসাইৰ মুখৰ পৰা অবাইছ গালি বৰষিবলৈ ধৰিলে। চালি নৰ্টী, মোৰ ছোৱালী হৈ তই পেটত কুকুৰৰ পোৱালী ধৰিলি। বেঞ্চিৰ জাত, তই জন্মিয়ে নমৰিলি কিয়?’ (আলেকজান বানুৰ জান, পৃ. নং.-৩৩)

উল্লেখযোগ্য যে উদ্ধৃত বক্তব্যত ‘বেঞ্চী’ শব্দটো নাৰীৰ চাৰিত্ৰিক পতনৰ সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়।কিন্তু পুৰুষৰ ক্ষেত্ৰত আমাৰ অসমীয়া ভাষাত তেনে কোনো পুৰুষসুচিত শব্দৰ প্ৰয়োগ দেখা নাযায়।

অসমীয়া ভাষাত জতুৱা ঠাচ সমূহৰ যোগেদি নাৰী পুৰুষৰ সামাজিক স্থিতিৰ বিষয়ে সহজে অনুধাৱন কৰিব পাৰি। আমাৰ সমাজত পুৰুষক শক্তিশালী, চতুৰ, বুদ্ধিয়ক, নাৰীতকৈ অধিক দুস্থালী, ছোৱালীতকৈ লৰাক আদৰৰ স্থানত ৰখা হৈছিল। অৰূপা পতঙ্গীয়া কলিতাৰ গল্পত প্ৰতিফলিত জতুৱা ঠাঁচৰ যোগেদি পুৰুষৰ এই সামাজিক স্থিতি প্ৰতিফলিত হৈ উঠিছে।

‘বোপাই হু তই দেখোন ক্ষীণাইচহু মোৰ সৰিয়হ ফুল হেন ল’ৰাটো কেনেকৈ এই অৱস্থা হ’ল?’ (দেওপাহাৰ ভগ্নাস্তূপত, পৃ. নং.-৪০)

আকৌ

‘মোৰ সোণৰ ছোৱালী বৰ শান্ত, তাইৰ একো ওজৰ আপত্তি নাই, কিন্তু বাঘৰ আগতেল খোৱা ল’ৰাজাকে তাইক সিহঁতৰ ভাগৰ মাছ দেখুৱাই জোকাই স্বৰ্ণৰ থালত মাছ নাই।’

(পাছ চোতালৰ কথকতা, পৃ. নং.-১০)

অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত পুৰুষসূচক ভাষাৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

**১.৪.২ নাৰীসূচক ভাষাৰ প্ৰয়োগ ঃ**

ভাষা হৈছে সমাজিক মূল্য বহনকাৰী এক প্ৰক্ৰিয়া। ইয়াৰ ব্যৱহৃত ৰূপৰ যোগেদি প্ৰতিবিম্বিত হয় সমাজিক, সাংস্কৃতিক, ৰাজনৈতিক আৰু বয়সানুযায়ী সমাজ এখনৰ ভিতৰত নিৰূপিত হোৱা সম্বন্ধ। পুৰুষ প্ৰধান সমাজত নাৰী পুৰুষৰ ভাষাৰ ব্যৱহাৰে সম্প্ৰদায়টো সমাজিক গঠন দাঙি ধৰে। ভাষা বিজ্ঞানী সকলৰ মতে, নাৰী নিজৰ মৰ্যাদাৰ প্ৰতি অধিক সচেতন। গতিকে তেওঁলোকক আনে যাতে গ্ৰাম্য (low status) বুলি নকয় সেয়ে তেওঁলোকে বাক্‌ভঙ্গীত সাধু বা মান্যৰূপটোৰে ব্যৱহাৰ কৰে। আনহাতে আমাৰ সমাজত অভিভাৱকে ল'ৰাৰ বাক্ ব্যৱহাৰৰ প্ৰতি বেছি গুৰুত্ব নিদিয়ে কিন্তু ছোৱালীৰ বাক্ ব্যৱহাৰৰ প্ৰতি অধিক সচেতন। অমাৰ্জিত বা অসাধু বাক্‌ভঙ্গী ছোৱালীয়ে গ্ৰহণ কৰিলে শুধৰাই দিয়া হয়। অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত নাৰীৰ বাক্ ব্যৱহাৰ সাধু বা শিষ্ট ভাষাটোৰ ৰক্ষিত হোৱা দেখা যায়। মহিলাৰ বাক্ ব্যৱহাৰত অনুৰোধৰ বিস্তৃতি বেছি। অৰূপা পটঙ্গীয়া কলিতাৰ "হালধীয়া হাৰাই চেঙেযোৰ" গল্পত ৰেৱতীৰ চেঙেযোৰ বৰজনাকৰ ঘৰত বিয়াত হেৰাই যোৱাত বিচাৰি ফুৰোতে তাইক ককৰ্থনা কৰিছে যদিও ৰেৱতীৰ বাক্‌ভঙ্গীত অনুচ্চ বা অনুৰোধৰ সুৰেই ফুটি উঠা দেখা যায়।—

'ৰেৱতী ওচৰ চাপি গ'ল, বোৱাৰীহঁ মোৰ চেঙেযোৰ দেখিছিলা নে? হালধীয়া হাৰাই চেঙেযোৰ তাতে ৰঙা ৰঙা......।' (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং. ৪৩)

আকৌ 'বাহিৰলৈ গৈয়ে তাই মুখামুখি হ'ল ডাক্তৰ ভটিজাক ৰঞ্জনৰ লগত বোপাই মোৰ চেঙেযোৰ দেখিছিলা নে ? হালধীয়া ৰঙৰ, তাত ৰঙা ৰঙা ফুট ফুট....।' (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং. ৪৫)

তেওঁৰ 'দেৱকীৰ দিন' গল্পটোত দেৱকীক নীচ কুলৰ নাৰী বুলি ৰাতি বতাহ বৰষুণৰ পৰা বাচিবলৈ নামঘৰত আশ্ৰয় লোৱাৰ বাবে উচ্চস্তৰীয় সমাজখনে তাইক অশ্লীল গালি গালাজ আৰু মাৰধৰ কৰোতে দেৱকীয়ে কোৱা কথনভংগী এগৰাকী নাৰীৰ মমত্ববোধ আৰু অনুৰোধৰ সুৰ ফুটি উঠিছে।

'মোক মাৰি নেপালিবি ঐ... কাণী বুঢ়ীৰ সৈতে মোৰ ল'ছালিকেইটা...।' (দেওপাহাৰ ভগ্নস্তূপত, পৃ. নং. ১৯-২০)

আমাৰ সমাজত মহিলাৰ ভাষাত আই ঐ, আয়ৈ দেহি আদি ৰূপ ব্যৱহাৰ হোৱা দেখা যায় আই ঐ আৰু আয়ে দেহি অতি মমত্ববোধক অৰ্থত ব্যৱহাৰ হয়। সাধৰণতে নাৰীৰ ওপৰত সমাজে মাতৃ স্নেহ, মমতা আদি ধাৰণাক বিলাক আৰোপ কৰে। নাৰীয়ে তাৰ নিৰ্দশন স্বৰূপে আয়ৈ দেহী বাক্যংশ ব্যৱহাৰ কৰে। অৰূপা পতঙ্গীয়া কলিতাৰ গল্পটোত সেই অৰ্থতে এই বাক্যংশ প্ৰয়োগ হোৱা দেখা যায়। "সমাজ্ঞী" গল্পত বৰুণা চলিহা সদায় তেওঁৰ স্বামী আনন্দ চলিহাৰ দ্বাৰা উপেক্ষিত হৈ আহিছে যদিও আনন্দ চলিহা আৰু মাংৰাৰ মাজত সংঘটিত হোৱা ঘটনাৰ পাছত আনন্দ চলিহা মূৰ ঘূৰই ঢলি পৰাত বৰুণা চলিহাৰ মুখৰ পৰা মমত্ববোধক "আহ ঐ" শব্দটো নিৰ্গত হৈছে।

'আই ঐ বুলি চিঞৰ এটা মাৰি তললৈ নামি যাব খুজি বৰুণা চলিহা চিৰিৰ ওপৰতে ৰৈ গ'ল। আনন্দ চলিহা তল নাপালেগৈ, বাটতে মূৰ ঘূৰাই ঢলি পৰিল।' (মৰুযাত্ৰা আৰু অন্যান্য, পৃ. নং. ৭৯)

অৰূপা পটঙ্গীয়া কলিতাৰ 'কেতিয়াবা নুমলী এদিন' গল্পত নুমলীক মাকে মাছ বাছিবলৈ দিওঁতে আধা বছা মাছ চালনীতে থৈ ভেচেলি মাছটো পানী এবাটিত এৰি দি আঠুকাঢ়ি চাই থাকোতে মাকক কোৱা বাক্ ভঙ্গীত নাৰীৰ মমত্ববোধ ফুটি উঠিছে—

'আঐ দেহি কেনেনো ধুনীয়াহু বৌটি অ।' (দেওপাহাৰৰ ভগ্নস্তূপত, পৃ. নং.-৫২)

নাৰীৰ বাক্‌ভঙ্গীত প্ৰতিফলিত অনুৰোধৰ সুৰ তেওঁৰ কেইবাটাও গল্পত প্ৰতিফলিত হোৱা দেখা যায়।

উদাহৰণস্বৰূপে — "ছাৰৰ ঘৰলৈ মোকো নিব পাৰিবনে ?" (দেওপাহাৰৰ ভগ্নস্তূপত, পৃ. নং.-১৩৭)

"তেওঁ যদি আকৌ বিয়া কৰাই মোৰ ল'ৰাটো মোক দি দিবনে ?" (দেওপাহাৰৰ ভগ্নস্তূপত, পৃ. নং.-৭৪)

নাৰীৰ ভাষা ব্যৱহাৰ অন্যতম বৈশিষ্ট হৈছে পৰোক্ষ বাক্‌ভঙ্গীৰ ব্যৱহাৰ। কাৰণ আমাৰ সমাজত নাৰীক পুৰুষতকৈ অধিক আবেগিক আৰু লজ্জাবোধসম্পন্ন বুলি ধৰা হয়। অসমীয়া ভাষাত তিৰোতা এগৰাকী গৰ্ভৱতী হ'লে পৰোক্ষভাৱে গাত লেঠা, গা ধোৱা নাই আদি খণ্ড বাক্য ব্যৱহাৰ কৰা হয়। অৰূপা পতঙ্গীয়া কলিতাৰ গল্পটো এন খণ্ড বাক্যৰ প্ৰয়োগ দেখা যায়।উদাহৰস্বৰূপে—

'শৰ্মাৰ মাজু ল'ৰাটোৰে কালি ছোৱালী এজনী ঘৰ সুমুৱালেহি, আগৰে হাট-বাট আছিল, লেঠা হ'লত ঘৰত সুমুৱাই থলেহি।' (দেওপাহাৰ ভগ্নস্তূপত, পৃ. নং. ১৪৭)

আকৌ

‘সি এইবাৰ ঘৰটোৰ আৰু একোঠালি বঢ়োৱাৰ কথা ভাবিছে, ইলেকট্ৰিকৰ ব্যৱস্থাও কৰাৰ কথা ভাবি আছে, বোৱাৰীজনী গা-ভাৰি আইতাকে ছোৱালী এজনী আশা কৰিছে, মনোহৰে কিন্তু এটা লৰা আশা কৰিছে।’ (দেওপাহাৰ ভগ্নস্তূপত, পৃ. নং. ১৫২)

আকৌ

‘নৱনীতা বৰুৱা আৰু গৌৰৱ বৰুৱা ঘৰলৈ যেতিয়া আউচি আহিছিল তেতিয়া নৱনীতা বৰুৱাৰগা গধুৰ আছিল।’ (পানী গাভিনী আছিল আৰু অন্যান্য, পৃ. নং. ১১৬)

আনহাতে ছোৱালী কন্যাকাল প্ৰাপ্তি বা পুষ্পিতা হলে আমাৰ সমাজত পৰোক্ষভাৱে ডাঙৰ হোৱা বা হ'ল বুলি কোৱা হয়। অৰূপা পতঙ্গীয়া কলিতাৰগল্পত এই ভাষিক বৈশিষ্টও প্ৰতি ফলিত হৈছে।

‘সৌৰভ শৰ্মাৰ এটা ফোনকলে মাজনীৰ মাকক মৃত সময়ৰ মাজৰ পৰা টানি উলিয়াই আনিলে। এটা চুটি বাক্য, মাজনী ডাঙৰ হ'ল।’ (পাছ চোতালৰ কথকতা, পৃ. নং. ১৯)

আকৌ

‘শৰ্মানীয়ে মোৰ লগতে চাহকাপ খাইছে ঃ বাইদেউহু ছোৱালীজনী ডাঙৰ হ'ল, মই অকলেই নাম এযাৰ গাই তাইক গা-ধুৱাই থলো।’ (দেওপাহাৰ ভগ্নস্তূপত, পৃ. নং. ১৪২)

মহিলাসকলৰ নামৰ ক্ষেত্ৰত লিংগভিত্তিক এক সচেতনতা পৰিলক্ষিত হয়। মহিলাৰ নামৰ আগত ব্যৱহৃত Mrs অথবা Miss য়ে তেওঁৰ বৈবাহিক স্থিতি, তথা তেওঁ কাৰ অধীনত আছে সেই কথা সূচায়। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পটো এই Mrs বা Miss প্ৰয়োগ লক্ষ্য কৰা যায়। ‘জলতৰঙ্গৰ সুৰ’ গল্পটোত কলেজৰ শিক্ষকসকলৰ কথোপ কথনত ‘মিছেছ’ৰ প্ৰয়োগ দেখা গৈছে। কলেজৰ অধ্যাপক ৰূপলেখা ডাঃ গৌতম বৰুৱাৰ পত্নী হিচাপে তেওঁক মিছেছ বৰুৱা বুলি সম্বোধন কৰা হৈছে—

‘বগা কোটটো পিন্ধা সুস্বাস্থ্যৰ ওখ-পাখৰ সুঠাম মানুহজনে ৰূপলেখাৰ ফালে চাই হাঁহি উঠিল, মিছেছ বৰুৱা, এইটো কোট ল'ৰাই দিয়া বুজিছে। তাৰ প্ৰথম দৰমহাৰ পইচাৰে দিছে।’ (জলতৰঙ্গৰ সুৰ, পৃ. নং.- ১৭)

তদুপৰি বিবাহৰ পাছত বহু মহিলাই নিজৰ সুকীয়া পৰিচয় ধৰি ৰখাৰ বিপৰীতে নিজৰ নামৰ লগত স্বামীৰ নাম, উপাধি সংযুক্ত কৰি পুৰুষপ্ৰধান সমাজত নিজৰ সামাজিক স্থিতি শক্তিশালী কৰি তুলবি খোজে। ‘জলতৰঙ্গৰ সুৰ’ গল্পটোতে ৰূপলেখাৰ কলেজৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে অৰ্থনৈতিকভাৱে সৱল পৰিচয় থকাৰ স্বত্তেও তেওঁৰ নামৰ পাছত স্বামী ডাঃ গৌতম বৰুৱাৰ উপাধি গ্ৰহণ কৰি ড$^{0}$ ৰূপলেখা বৰুৱা লিখিছে।

আমাৰ গ্ৰাম্য সমাজত মহিলাৰ নাম বহু সময়ত লুপ্ত হৈ যায়। মানুহৰ কথোপকথনত নাৰী গৰাকী, দেউতাক, স্বামী আৰু সন্তানৰ নামেৰে পৰিচয় লাভ কৰে। অৰূপা পটঙ্গীয়া কলিতা গল্পত নাৰীৰ লিংগভিত্তিক এই ৰূপটো স্পষ্টকৈ প্ৰতিফলিত হৈছে। ‘হালধীয়া হাৰাই চেণ্ডেলযোৰ’ গল্পত ৰেৱতীক উপহাৰ উলিয়াই থকা মানুহ কেইগৰাকীয়ে পৰিচিতি দিয়া কথাযাৰত এই ৰূপটো স্পষ্ট হৈ উঠিছে।

‘এইজনী হৰি মোহনৰ ঘৈণীয়েক?’ হয় নেকি? (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.- ৪২)। তদুপৰি অন্যান্য গল্পত সন্তানৰ মাতৃ হিচাপেও নাৰীক পৰিচয় প্ৰদান কৰা দেখা যায়। যেনে—

‘ৰমেনৰ মাক যোৱা নিশা স্বামীৰ মৃত্যু তিথি উপলক্ষে উপবাস আছিল।’ (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.- ৭০)

ভাষাত সাধৰণতে স্ত্ৰীবাচক শব্দবোৰ পুৰুষবাচক ৰূপটোৰ পৰা সৰ্গীকৰণৰ জৰিয়তে গঠন কৰা ৰীতি আছে। অসমীয়া ভাষাতো সমপদাধিকাৰী বা একে বৃত্তিকেন্দ্ৰিক স্ত্ৰীবাচক শব্দটো মূল পুৰুষবাচক শব্দৰ পৰাই গঠন হয়। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পটো এই ৰূপ প্ৰতিফলিত হৈছে। যেনে—

ডাক্তৰ-ডাক্তৰণী

উকীল-উকীলনী

অধ্যাপক-অধ্যাপিকা

বিশেষজ্ঞ-বিশেষজ্ঞা

উল্লেখযোগ্য যে নাৰীবাদৰ প্ৰসাৰণ আৰু নাৰী পুৰুষৰ সমতা স্থাপন ধাৰণাই বৃত্তিবাচক বা কৰ্মসূচক শব্দবোৰ লিংগ নিৰপেক্ষ হ'ব লাগে বুলি মত প্ৰকাশ কৰিছে। বহুতে সেই ৰীতি গ্ৰহণ কৰাও দেখা যায়। কিন্তু অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত নাৰীৰ পুৰুষৰ সমমৰ্যাদা, লিংগভিত্তিক বৈষম্যৰ সম্পৰ্কে প্ৰশ্ন উত্থাপিত হৈছে যদিও ভাষাৰ ক্ষেত্ৰত পৰম্পৰাবাদী দৃষ্টিভংগীৰে এই লিংগভিত্তিক শব্দবোৰৰ প্ৰয়োগ ঘটিছে।

‘কৃতী স্ত্ৰীৰোগ বিশেষজ্ঞা মানুহজনীৰ কোনো সাংসাৰিক বন্ধন নাই, তেওঁৰ পৃথিৱীৰ নোযোৱা ঠাই বোধহয় নাই, স্ত্ৰীৰোগ, ফুৰাৰ বাদেও তেওঁৰ আৰু এটা কাম হ'ল কেকটাছ সংগ্ৰহ।’ (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.- ১৭)

আকৌ ‘ডাইনিং টেবুল দুখন উকীলনী আৰু ডাক্তৰণীয়ে লগত অনা, এইৰং এৰোৱা, চাকচিক্য নোহোৱা চকীখন ডাঙৰ নবৌৱে লগত অনা।’ (দেওপাহাৰৰ ভগ্নস্তূপত, পৃ. নং.- ২১)

নাৰী পুৰষতকৈ লিংগগতভাৱে হীন বা দ্বিতীয় স্থানৰ এই কথা ভাষাৰ মাজত বিভিন্ন ধৰণে প্ৰদৰ্শিত হয়। অসমীয়া ভাষাতো ই ব্যতিক্ৰম নহয়। সামাজিক সাংস্কৃতিকভাৱে আমাৰ ভাষাত এনে কিছুমান শব্দ আছে যিয়ে নাৰীৰ সামাজিক অৱস্থান স্পষ্ট কৰি তোলে। সেই শব্দবোৰে পুৰুষপ্ৰধান সমাজে নাৰীৰ ওপৰত পোষণ কৰা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, সংস্কাৰ, দৃষ্টিভংগী সকলো বহন কৰে। উদাহৰণস্বৰূপে ‘সতী’ শব্দৰ কোনো পুলিংগবাচক শব্দ নাই। ‘সতী’ শব্দৰ অৰ্থ হৈছে ‘পতিব্ৰতা নাৰী’। কিন্তু অসমীয়া ভাষাত একে অৰ্থত পুৰুষক বুজাবলৈ ‘পত্নীব্ৰত’ শব্দটো ব্যৱহাৰ কৰা নহয়। ঠিক একেদৰে পতিহিতা, পতিহীনা, বেশ্যা, কাকবন্ধ্যা আদি শব্দবোৰ নাৰীৰ ক্ষেত্ৰতহে প্ৰয়োগ হয়। এইবিলাকৰ কোনো পুৰুষসূচক শব্দ নাই। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পটো নাৰীৰ সামাজিক অৱস্থানৰ বৰ্ণনাত এই শব্দবোৰ প্ৰয়োগ ঘটা দেখা যায়।

‘মাজনীৰ মাকে ভিতৰৰ পৰাই স্পষ্টকৈ শুনিলে শাহুৱেকে নিজৰ ছোৱালীৰ লক্ষণীয় কন্যা কালৰ কথা কৈ আছে। ‘মোৰ প্ৰথমজনী পতিহিতা, দ্বিতীয়জনীৰ সুভগা, তৃতীয়জনীৰ কান্তা।’....

‘কান্তা নাৰী পতিপ্ৰাণা ধন পুত্ৰৱতী।

সুশীলা ৰমণী তাই জ্ঞানী বুদ্ধিমতী।

সুভগা ৰমণী হয় সৰ্ব সুলক্ষণা।

ধন পুত্ৰ ধৰ্মযুক্ত সদা পতিপ্ৰাণা।’ (পাছ চোতালৰ কথকতা পৃ. নং.- ১৯)

নাৰীৰ প্ৰতি হীনাত্মক দৃষ্টি নিক্ষেপ কৰা আমাৰ সমাজত প্ৰচলিত শব্দ যেনে— অসতী, বেশ্যা আদিৰ প্ৰয়োগো অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত প্ৰতিফলিত হৈছে।

‘এই যোগবোৰত পুৰুষে তিৰোতা মানুহক যেনেকৈ থকাটো বিচাৰে তেনেকৈয়ে ৰাখিছে। এটা যোগত যদি পুত্ৰৱতী, আনটো যোগত অসতী, বেশ্যা।’ (পাছ চোতালৰ কথকতা, পৃ. নং.- ৩৪)

আনহাতে অসমীয়া ভাষাত ‘পত্নীব্ৰত’ৰ সলনি ‘তিৰোতা সেৰুৱা’ শব্দ এটা আছে। কিন্তু এই শব্দটো নেতিবাচক অৰ্থতহে ব্যৱহাৰ কৰা হয়। ‘তিৰোতা সেৰুৱা’ শব্দই পুৰুষক হীন দৃষ্টিৰে চোৱা হয়। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পত ভাষাৰ এই দিশটোও প্ৰতিফলিত হৈছে। ‘পাছ চোতালৰ কথকতা’ গল্পত মাজনীৰ দেউতাকে মাজনীয়ে শান্তি বিয়াৰ নামত মানি থাকিবলগীয়া কঠোৰ নীতি নিয়মৰ বিৰোধিতা কৰিবলৈ যাওঁতে মাজনীৰ দেউতাকে কোৱা কথাত এই দৃষ্টিভংগী প্ৰতিফলিত হৈছে।

‘চবেই কি কয় জানা, মই হেনো তিৰোতা সেৰুৱা মানুহ, সিংহপুৰুষ দেউতাৰ ল’ৰা হৈ...।’ (পাছ চোতালৰ কথকতা, পৃ. নং.- ২৫)

আমাৰ পুৰুষপ্ৰধান সমাজত পুত্ৰ হে কাম্য পুত্ৰী নহয়। সেয়ে নাৰী এগৰাকীক ‘পুত্ৰৱতী’ হোৱা বুলি আশীৰ্বাদ দিয়া হয়। ‘পুত্ৰীৱতী’ হোৱা বুলি আশীৰ্বাদ দিয়া নহয়। অৰূপা পটঙ্গীয়া কলিতাৰ গল্পৰ ভাষাটো এই দৃষ্টিভংগী প্ৰতিফলিত হৈছে। ‘পাছ চোতালৰ কথকতা’ গল্পটোত মাজনী শান্তি বিয়া হোৱাৰ পাছত পতিহীনা যোগৰ ফলাফল কথা কওঁতে পতিহীনা যুগত বিধবা, পতিহিতা, কান্তা, সুভগা নাৰীয়ে ৰাজপুত্ৰ লাভ কৰা কথা গাঁৱৰ মানুহখিনিয়ে উল্লেখ কৰিছে।

‘কান্তা নাৰী পতিপ্ৰাণা ধন পুত্ৰৱতী।

সুশীলা ৰমণী তাই জ্ঞানী বুদ্ধিমতী।’ (পাছ চোতালৰ কথকতা, পৃ. নং.- ১৯)

অসমীয়া ভাষাত সন্তানহীনা নাৰী বুজাবলৈ ব্যৱহাৰ কৰা ‘বাঁজী’ শব্দৰ পুৰুষবাচক ৰূপ ‘বঁজা’ আছে যদিও সেয়া মানুহৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা নহয়। গছ-গছনি আদিৰ ক্ষেত্ৰতহে ব্যৱহাৰ হয়। কেৱল নাৰীৰ প্ৰতি পোষণ কৰা সামাজিক বদনাম সূচিত এই শব্দ অৰূপা পটঙ্গীয়া কলিতাৰ গল্পটো ব্যৱহাৰ হৈছে। ‘মিচ হাবিচামৰ আবেলি’ গল্পটোত অঞ্জুৰ বৰমাক সন্তানহীনা হোৱাৰ বাবে বৰদেউতাকক আইতাকে কোৱা কথাষাৰত এই দৃষ্টিভংগী প্ৰতিফলিত হৈছে।

‘আইতাই তামোল খুন্দি খুন্দি বৰদেউতাকো গালি পাৰিছিল, ‘তাৰ গাতে দোষ, বৰ মানুহৰ ঘৰৰ বগী ছোৱালী হ’ল বুলিয়েই বাঁজীজনীক এনে পুতলা ৰখাদি ৰাখিব নালাগে, অলপ মাটিতো বুলিবলৈ দিব লাগে।’ (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.- ৫১)

অসমীয়া ভাষাত ব্যৱহৃত জতুৱা খণ্ড বাক্য আদিয়ে সমাজত নাৰীৰ অৱস্থান নিৰ্দ্ধাৰণ কৰিছিল। এই বিলাকত নাৰীৰ বিভিন্ন দিশ যেনে— নাৰীৰ মমতাময়ী ৰূপ, নাৰীৰ সামাজিক মৰ্যাদা, শাহু-বোৱাৰীৰ সম্পৰ্ক, নাৰীৰ সৌন্দৰ্য, গুণাগুণ আদি প্ৰতিফলিত হৈছিল। অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যতো এনে কিছুমান জতুৱা খণ্ডবাক্যৰ ব্যৱহাৰে নাৰীৰ সামাজিক

অৱস্থান নিৰ্দ্ধাৰণ কৰিবলৈ যত্ন কৰা হৈছে। যেনে—

'মোৰ তলৰ অফিচাৰবোৰ ঘৈণীয়েকবোৰেও যেনেকৈ চটাই, পাখৰী হৈ ফুৰে।' (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.- ৫০)

'বোলো পণ্ডিত। মনত ৰাখিবা ছোৱালী জিৰণীয়া মৌ, বিয়া দিলেই লেঠা ছিগিল।' (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.- ১২৮)

'তামোলখন মুখত ভৰাই ৰম্ভাৰ আইতাকে ধীৰে ধীৰে কৈছে— 'মাজনী, লাও যিমানেই ডাঙৰ সি সদায় পাতৰ তল' ইত্যাদি। (মৰুভূমিত মেনকা আৰু অন্যান্য, পৃ. নং.-১২৯)

এনেদৰে অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত নাৰীসূচক লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঘটিছে।

**২.০ উপসংহাৰ ঃ**

অৰূপা পটঙ্গীয়া কলিতাৰ গল্প সাহিত্যত লিংগ নিৰূপিত ভাষাৰ প্ৰয়োগ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন শীৰ্ষক বিষয়ে অধ্যয়ন কৰি দেখা গ'ল যে আলোচিত গল্পসমূহত গল্পকাৰে পুৰুষসুচিত আৰু নাৰীসূচিত লিংগনিৰূপিত ভাষাটো বিভিন্ন বৈশিষ্ট্যৰাজিৰে প্ৰয়োগ কৰিছে। গল্পসমূহৰ অধ্যয়নৰ জৰিয়তে পোহৰলৈ অহা দিশসমূহ হৈছে—

ক) পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীক দ্বিতীয় স্থানত ৰখাৰ বাবে ভাষা প্ৰয়োগৰ ক্ষেত্ৰতো নাৰী পুৰুষৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। এই কথা অৰূপা পটঙ্গীয়া কলিতা গল্পসমূহৰ অধ্যয়নৰ জৰিয়তেও পোহৰলৈ আহিছে।

খ) লিংগধৰ্মী ভাষাৰ ব্যৱহাৰ বা ভাষাত লিংগ বৈষম্য ধাৰণা বৰ্তি থকাটোৱে ভাষাগত কাৰকতকৈ সামাজিক কাৰকে অধিক প্ৰভাৱ বিস্তাৰ কৰে। প্ৰস্তাৱিত আলোচনা পত্ৰৰ অধ্যয়নৰ জৰিয়তে এই কথা পোহাৰলৈ আহিছে।

গ) সাহিত্যত ভাষা প্ৰয়োগৰ ক্ষেত্ৰত লেখকৰ দৃষ্টিভংগীৰ ওপৰতো যথেষ্ট নিৰ্ভৰ কৰে। অৰূপা পটঙ্গীয়া কলিতৰা গল্পত নাৰীবাদী দৃষ্টিভংগী প্ৰতিফলিত হৈছে যদিও ভাষা প্ৰয়োগৰ ক্ষেত্ৰত পৰম্পৰাবাদী দৃষ্টিভংগীকে গ্ৰহণ কৰা দেখা গৈছে।

শেষত ক'ব পাৰি যে প্ৰস্তাৱিত বিষয়ে অধ্যয়ন কৰি এনেবোৰ দিশ প্ৰতিফলিত হৈছে যদিও ভৱিষ্যতে গভীৰ অধ্যয়নৰ থল আছে। ❑

---

**প্ৰসংগ সূত্ৰ**

1. অৰূপা পটঙ্গীয়া কলিতা ঃ সোণালী ঈগলে কণী পাৰিলে বেলিয়ে উমনি দিলে, আগকথা।
2. Peter Trudgill : Sociolinguistics : An Introduction, page no. 95
3. Otto Jesperson : Language : Its Nature Development and Origin, page no. 237
4. ড$^{0}$ অনুৰাধা শৰ্মা ঃ সমাজ আৰু ভাষা, সমাজভাষাবিজ্ঞানৰ পৰিচয়, পৃষ্ঠ নং ৫৫-৫৬
5. Robin Lakoff : Language and Women's Place, page no. 39

**গ্ৰন্থপঞ্জী**

**মূল গ্ৰন্থ ঃ**

কলিতা, অৰূপা পটঙ্গীয়া ঃ মৰুযাত্ৰা আৰু অন্যান্য, লয়াৰ্ছ বুকষ্টল, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯২

ঃ দেও পাহাৰৰ ভগ্নস্তূপত, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৯ চন, দ্বিতীয় সংস্কৰণ, ২০০৯ চন।

ঃ পাছ চোতালৰ কথকতা, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০০ চন।

ঃ মিলেনিয়মাৰ সপোন, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০২ চন, প্ৰথম কেঁচাবন্ধা প্ৰকাশ, ২০১৯ চন।

ঃ মৰুভূমিত মেনকা আৰু অন্যান্য, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৫ চন, প্ৰথম কেঁচাবন্ধা প্ৰকাশ, ২০১৯ চন।

ঃ আলেকজান বানুৰ জান, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০২ চন, প্ৰথম কেঁচাবন্ধা প্ৰকাশ, ২০১৯ চন।

ঃ কুৰোশ্বোৱাৰ সপোন, মোৰ সপোন, সিহঁতৰ সপোন, বনলতা, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০২ চন।

ঃ সোণালী ঈগলে কণী পাৰিলে, বেলিয়ে উমনি দিলে, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১ চন।

: মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১২ চন।

: জলতৰঙ্গৰ সুৰ, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৬ চন।

: পানী গাভিনী আছিল আৰু অন্যান্য, জ্যোতি প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৯ চন, দ্বিতীয় প্ৰকাশ, ২০২১ চন।

**সহায়ক গ্ৰন্থ ঃ**

**অসমীয়া গ্ৰন্থ ঃ**

দত্ত, ৰত্না : নাৰীবাদ তত্ত্বকথা আৰু সাহিত্য প্ৰসংগ, অসমীয়া অন লাইন ডট্‌কম, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৩

দাস, ড$^0$ বিশ্বজিৎ বৰা : সমাজ ভাষাবিজ্ঞান, বনলতা, পাণবজাৰ, গুৱাহাটী, বনলতা নতুন সংস্কৰণ, ২০১ ৭

ড$^0$ বিৰিঞ্চি কুমাৰ আৰু হেমন্ত বৰা : সামাজিক লিংগৰ সমাজতত্ত্ব, সৰস্বতী প্ৰকাশন, ভাগৰতী প্ৰসাদ লডিয়া পথ, গোলাঘাট-1, প্ৰথম প্ৰকাশ, ২০২০

মহন্ত, ড$^0$ অৰ্পণা : নাৰীবাদ, ডিব্ৰুগড় বিশ্ববিদ্যাল, প্ৰথম প্ৰকাশ, ২০১৮

শৰ্মা, ড$^0$ অনুৰাধা : সমাজ আৰু ভাষা, সমাজ ভাষাবিজ্ঞানৰ পৰিচয়, বান্ধৱ, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৬ দ্বিতীয় সংশোধিত সংস্কৰণ, ২০২০

**ইংৰাজী গ্ৰন্থ ঃ**

Hudson, R. A. : Sociolinguistics; Cambridge University Press, Newyork 1st published-1980

Trudgill, Peter : Sociolinguistics : An Introduction to Language and Society Penguin Books Ltd. Harmondwart, England, Re-print, 1987

কবিতা

# মন্বন্তৰ

**বীৰেন্দ্ৰনাথ বৰকটকী**

স্মৃতিৰ গুহাত কত আদিম মানৱে কান্দে
জীৱনৰ মন্বন্তৰ ভাবি
যাযাবৰী বুৰঞ্জীত সিহঁত হেৰাই যায়
ৰচি সাধু হেজাৰ যুগৰ।
হেজাৰ যুগৰ সাধু -
সিন্ধুৰ মোহনা ভাগে,
গঙ্গাত জোৱাৰ উঠে,
নীলত বাৰিষা নামে পৃথিৱী টোৱাই!
শিলৰ বুকুৰপৰা শিলাকুটি নামি আহে
মানুহৰ মৰম বিচাৰি,
ভয় খাই ইভে কান্দে আৰু কত উলঙ্গ নাৰীয়ে
সভ্যতাৰ ডাঠ হাবি মুখৰিত কৰি।
জীৱনৰ কুম্ভমেলা
সংস্কৃতিৰ সঙ্গম-ক্ষেত্ৰত
মন আৰু কল্পনাৰ অঘৰী সন্ন্যাসীবোৰে
স্নান কৰে পূত সলিলত
(ওঁ মধু ৱাতা ঋতায়তে)।
দুষ্কৃতিৰ কুৰুক্ষেত্ৰ জিনি
সুকুমাৰ কৃষ্ণ জন্ম হয়
বুদ্ধই সপোন দেখে অনাদি যুগৰ।
হিমালয় উচ্চ শিখৰত
তুষাৰ মানৱে শুনে
পৃথিৱীৰ উৰ্ব্বৰ ভূমিক
মুখৰিত কৰি গোৱা
মানুহৰ সমদল গান।
নদীৰ মৰম যাচে
মানুহক জয়ৰ বীজাণু
দুহাতে ধৰি থকা ঋক্ বেদ খহি পৰে,
তীখাৰ পৰীক্ষা হয়
মানুহৰ মৰমী বুকুত
মন আৰু বাস্তৱৰ শৰাইঘাটত। ❑

# लेखकों से निवेदन

- द्विभाषी राष्ट्रसेवक में प्रकाशन हेतु पत्रिका की प्रकृति के अनुरूप भाषा, साहित्य, समाज, कला व संस्कृति विषयक लेख आमंत्रित हैं।
- अनूदित रचनाओं के संदर्भ में मूल लेखक की अनुमति/स्वीकृति अनिवार्य है।
- लेखक अपनी रचनाएँ केंद्रीय हिंदी निदेशालय द्वारा स्वीकृत मानक हिंदी यूनिकोड में 13 प्वाइंट में टंकित कराकर पत्रिका के ई-मेल : rastrasewak51@gmail.com पर अथवा स्पष्ट अक्षरों में लिखकर समिति कार्यालय के पते (मंत्री, असम राष्ट्रभाषा प्रचार समिति, रूपनगर, गुवाहाटी-781032, असम) पर भेजें।
- अस्वीकृत रचनाएँ लौटाई नहीं जाएँगी। अत: भेजी गई रचना की प्रति अपने पास अवश्य रखें।
- लेखक अपनी रचना के साथ अपना नाम, पदनाम, मोबाइल नं., ई-मेल, पूरा पता सहित एक पासपोर्ट साइज फोटो अवश्य भेजें।
- शोधपत्र की न्यूनतम शब्द-सीमा 2000 और अधिकतम 3000 होनी चाहिए और सार 150 से 200 शब्दों के भीतर होना चाहिए।
- असमीया भाषा में लिखे गए लेख को पेजमेकर फारमेट में गीतांजलि फंट, 12 प्वांइट में टाइप कराकर भेज सकते हैं।
- शोधपत्र के लेखन में एमएलए शैली का अनुपालन करना होग।
- शोधपत्र में क्रमश: शीर्षक, सार, प्रस्तावना, उद्देश्य, संसाधन/सामग्री, प्रविधि/पद्धति, क्षेत्र, मूल विषयवस्तु का विश्लेषण, परिणाम/उपलब्धियाँ, निष्कर्ष और उद्धृत कार्य शामिल होंगे।
- शोधपत्र की मौलिकता हेतु रचना के साथ घोषणा-पत्र संलग्न किया जाना आवश्यक है।
- लेखक अपनी तथ्यात्मक सटीकता के लिए पूरी तरह जिम्मेदार हैं।

## द्विभाषी राष्ट्रसेवक का सदस्यता प्र-पत्र

यहाँ से काटिए

नाम : ..........................................................................................

पदनाम : ..........................................................................................

पूरा पता : ..........................................................................................

: ..........................................................................................

ई-मेल : ...................................................... मोबाइल : ............................

RTGS का विवरण : ..........................................................................................

**सदस्यता शुल्क**

| *व्यक्तिगत* | | *संस्थागत* | |
|---|---|---|---|
| प्रति अंक | : रु. 100/- | प्रति अंक | : रु. 150/- |
| वार्षिक | : रु. 1000/- | वार्षिक | : रु. 1,500/- |
| आजीवन सदस्य | : रु. 10,000/- | | |

निर्धारित शुल्क मनीऑडर/डी.डी. के द्वारा असम राष्ट्रभाषा प्रचार समिति के नाम से समिति कार्यालय के पते पर भेजा जा सकता है। ऑनलाइन शुल्क निम्न विवरण के अनुसार भेजें :-

| | |
|---|---|
| Name of Beneficiary | : Asom Rastrabhasha Prachar Samiti |
| A/c No. | : 0853010182614 |
| Name of Bank & Branch | : Punjab National Bank, G.S. Road |
| IFS Code | : PUNB0085320 |

अधिक जानकारी के लिए संपर्क करें -

डॉ. क्षीरदा कुमार शइकीया, मंत्री, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, डाक : इंद्रपुर, जिला : कामरूप महानगर, गुवाहाटी-781032 (असम), मो. 9101541380, ई-मेल : rastrasewak51@gmail.com

POSTAL REGISTRATION NO. GH/127/2022-24 ❖ Date of Publication : 28th February, 2024 ❖ RNI No. ASSBIL/2009/31008



एक हृदय हो भारत जननी

असम राष्ट्रभाषा प्रचार समिति, गुवाहाटी

*संपादकीय कार्यालय :*

प्रधान संपादक, द्विभाषी राष्ट्रसेवक, असम राष्ट्रभाषा प्रचार समिति, सेवा मंदिर पथ, रूपनगर, गुवाहाटी–781032

arpsguwahati.com  rastrasewak51@gmail.com  9101541395/9101541380